# অৰুণ



অষ্টদশ সংখ্যা ২০১২-২০১৩ বৰ্ষ

## দিশপুৰ মহাবিদ্যালয়ৰ আলোচনী


তত্ত্বাৱধায়িকা
জেবিন আকবৰ

সম্পাদক
বনশ্ৰী দাস

# মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰীৰ একাংশ



বাওঁ ফালৰ পৰা বহি ক্ৰমেঃ ড. বাবী বৰুৱা, ৰাতুল বৰা, জেবিন আকবৰ, ড. ৰাণী মুদিয়াৰ ডেকা, ড. অমৰ শইকীয়া(অধ্যক্ষ), শ্ৰী চি. এম. শৰ্মা (জি. বি. প্ৰেচিডেন্ট), ড. নন্দিনী বৰুৱা শৰ্মা (উপাধ্যক্ষা), ড. জয়জ্যোতি গোস্বামী, ড. নমিতা ডেকা, ড. সুমিত্ৰা চৌধুৰী, ড. মঞ্জৰী শৰ্মা।

বাওঁ ফালৰ পৰা থিয় হৈ ক্ৰমেঃ অমৃতা দাস, ড. অজয় মিত্ৰ, ধ্ৰুৱজ্যোতি ডেকা, কুলদীপ মেধি, পৰাগ দত্ত, খগেন বড়ো, অজিত প্ৰসাদ শৰ্মা, ড. বীণা চৌধুৰী, গীতাঞ্জলী শইকীয়া, গীতিলেখা দেৱী ভাগৱতী, ড. কুমুদ চন্দ্ৰ নাথ, নাজনিন আৰা ৰহমান, পংকজ কাথাৰ, কৰবী দাস, ড. সঞ্জীৱ শৰ্মা, ইন্দ্ৰানী চৌধুৰী মহন্ত, কমল মেধি, ড. মামণি কলিতা, সংগীতা গগৈ দেউৰি, ড. সুনিতা আগৰৱালা, সন্দীপন পাথক, অনুৰাধা বৰুৱা শইকীয়া, বন্দীতা বৰুৱা, ড. প্ৰণীতা শৰ্মা, দেবশ্ৰীতা চক্ৰবৰ্তী, ড. ভাস্বতী বৰুৱা দাস, ত্ৰিবেণী বৰকটকী, মনালিচা ভট্টাচাৰ্য, ড. মালবিকা ভট্টাচাৰ্য।



# অৰুণ

## দিশপুৰ মহাবিদ্যালয়ৰ আলোচনী

দিশপুৰ মহাবিদ্যালয়

তমসো মা জ্যোতিৰ্গময়

স্থাঃ ১৯৭৮ ইং

অষ্টদশ সংখ্যা

২০১২-২০১৩ বৰ্ষ

তত্বাৱধায়িকা

জেবিন আকবৰ

সম্পাদক

বনশ্ৰী দাস

# শ্ৰদ্ধাঞ্জলি

বছৰটোত হেৰাই যোৱা

জ্ঞাত-অজ্ঞাত সকলো ব্যক্তিলৈ

'অষ্টদশ সংখ্যা অৰুণ'ৰ

ফালৰ পৰা শ্ৰদ্ধাঞ্জলি জনালোঁ....

ওঁম পূৰ্ণমদঃ পূৰ্ণমিদং পূৰ্ণাৎ পূৰ্ণমুদচ্যতে

পূৰ্ণস্য পূৰ্ণমাদায় পূৰ্ণমাদায় পূৰ্ণমেৱৱশিষ্যতে

॥ ওঁম শান্তি শান্তি শান্তি ॥

অৰুণ সম্পাদনা সমিতি

GOVERNOR ASSAM

RAJ BHAVAN
GUWAHATI



December 18, 2013

## MESSAGE

I am glad to know that **Dispur College,** Dispur, Guwahati is publishing its annual college magazine **"Arun"** for the session 2012-13. Publishing college magazine is an opportunity for the students to showcase their talent and skills in writing. I hope the magazine will act as a medium of expression of the constructive thoughts of the students and I appeal them to uphold the reputation of the institution and strive for excellence in all fields.

I wish the publication all success.

**( Janaki Ballav Patnaik )**
Governor of Assam.

**Dr. Himanta Biswa Sarma,** MA, LLB, Ph.D.
**MINISTER**
Education, Health & Family Welfare and
Implementation of Assam Accord
GOVT. OF ASSAM

DISPUR, GUWAHATI-781006
PHONE : (0361) 2237301 (O)
2237012 (Fax)
2268419 (R)
E-mail : himantab@hotmail.com



*MESSAGE*

*It gives me immense pleasure to learn that the annual mouthpiece of Dispur College, Guwahati is being published for the academic session 2012-13 at the auspices of the Student Union of the college in the name and style of ARUN.*

*For any educational institution its annual magazine forms an integral part of its entire ensemble. It not only reflects the scholastic as well as non-scholastic achievements of an institution but also provides ample opportunity to budding writers to hone their literary skills. It is hoped that the august publication will be richly endowed with contributions from both the students and teaching community and will make interesting reading. The govt. of Assam in the Education department has initiated multi-pronged approaches to ameliorate the academic milieu of the educational institutions of the state by way of providing financial assistance for - infrastructure development, undertaking educational tours and publication of journals/magazines et al. All these are expected to provide the desired thrust in revamping of these institutions and uplifting their academic performance. I hope, Dispur College, Guwahati will continue its mission in enriching the academic environment of the state by producing quality talents for all round development and prosperity of the state and the nation.*

*I would like to convey my heartiest best wishes for the august publication.*

*(Dr. Himanta Biswa Sarma)*

# অসম সাহিত্য সভা

ইমৰান শ্বাহ
সভাপতি

কেন্দ্ৰীয় কাৰ্যালয় : চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট - ৭৮৫০০১ ▸ ☏(০৩৭৬)২৩২০০৩৬
গুৱাহাটী কাৰ্যালয় : ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী- ৭৮১০০১ ▸ ☏(০৩৬১)২৫১০৮৩০ ফেক্স- ☏(০৩৬১)২৭৩১৬৯৫
ডিফু কাৰ্যালয় : ৰংছিনা ভৱন, ডিফু - ৭৮২৪৬০ ▸ ☏(০৩৬৭১)২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী - ৭৮৩৩০১ ▸ ☏(০৩৬৬২)২৩২৫২৮
ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড় - ৭৮৬০০৩ ▸ ☏(০৩৭৩)২৩১৫১২৮
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১ ফেক্স- ☏(০৩৮৪)২২৬৩৭৯৭
উত্তৰ লখীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লখীমপুৰ- ৭৮৭০০১
নগাঁও আঞ্চলিক কাৰ্যালয়, কমলাদেৱী তোদী স্মৃতি ভৱন, মহিচন্দ্ৰ বৰা পথ, নগাঁও- ৭৮২০০১
Website:www.asomsahityasabha.org ▪ E-mail-asam.sahitya.sabha@gmail.com



## শুভেচ্ছা বাণী

গুৱাহাটীৰ দিশপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'অৰুণ' সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলোৱা বুলি জানিব পাৰি আনন্দ অনুভৱ কৰিছো। সাহিত্য-চৰ্চাৰ পথাৰত সৃষ্টিৰ সোণগুটি সিঁচিবলৈ দিশপুৰ মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰি অহা 'অৰুণে' মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভাৰ স্বাক্ষৰ আমাৰ মাজলৈ কঢ়িয়াই আনিব।

আশাকৰো, মহাবিদ্যালয়খনৰ লগত জড়িত সকলোৰে মনৰ অনুভৱসমূহ 'অৰুণ'ত পৰিস্ফুট হ'ব। লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ন-ন সৃষ্টিক উৎসাহিত কৰি অসমীয়া ভাষা-সাহিত্যৰ ভৱিষ্যতৰ দিক্ নিৰ্ণয়ত 'অৰুণ' এক মাধ্যম হ'ব।

'অৰুণ' সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ পাব বুলি সবালৈকে মোৰ আন্তৰিক শুভেচ্ছা যাচিলো।

'চিৰ চেনেহী মোৰ ভাষা জননী'

৫ আঘোণ, ১৪২০ ভাস্কৰাব্দ

(ইমৰান শ্বাহ)
সভাপতি

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY
Gopinath Bardoloi Nagar, Guwahati
Assam : India, Pin : 781 014
Website : [illegible]

ড° মৃদুল হাজৰিকা
উপাচাৰ্য
*Dr. Mridul Hazarika*
Vice-Chancellor



## Message

I am happy to learn that publication of Dispur College Magazine for the session 2012-13 due in January, 2014. College Magazine is a strong medium for constituent members of a college for the intellectual exercise. It carries sentiments, emotions, creativity, and objectivity to integrate in to a totality of view of a community at a given time.

I hope that the magazine to be published will manifest the hidden potential in literary faculty.

I wish all success in the mission and hope the magazine will be immensely beneficial to all concerned.

Date: 11-01-2014

( Dr. Mridul Hazarika )

---

Hemanga Kishore Sharma, IAS

Commissioner & Secretary to the Govt. of Assam
Education (Higher) Department, Dispur,
Guwahati-781006
Tele Fax : 0361-2237275
E-mail : hemangakishore@gmail.com

21.11.2013

## MESSAGE

I am happy to know that the Dispur College Students' Union, 2012-2013 is going to publish the Annual Magazine "Arun" for the session 2012-2013. The College Magazine showcases the new talents of the Colleges and also brings out the best performances from the faculty members. I hope that the Magazine to be published on this occasion will reflect the energetic minds of the students and the society shall also be benefitted.

I extend my greetings to the office bearers of Union.

(H.K. Sharma)

E-mail : mail@dispurcolleg.org

**DISPUR COLLEGE**
GANESHGURI, DISPUR,
GUWAHATI - 6
www.dispurcollege.com

**Sri C. M. Sharma**, AES (Retd.)
President, Governing Body
Dispur College, Guwahati-6

**Home Address**
H/No-28, Nayanpur
Japorigog, Guwahati-5
Ph : 94353-43934

Ref. No............

Date..................



**Message**

I am happy to learn that the Dispur College Students' Union (2012-13) is going to Publish their Annual Magazine "ARUN" for the Session 2012-13.

I convey my warm greetings to the members of the Students' Union more particularly to the members of the 'Souvenir' Sub-committee for putting their noble effort for Publication of the Magazine in time.

Long live Dispur College Students' Union.

Date- 03-12-2013

03/12/2013
C.M. Sharma
President, Governing Body
Dispur College
Guwahati-6



## From the Principal's desk

*From its inception 'Arun' has been providing a platform to showcase the latent talents of our students. Their creative minds reflect their compassion, love, fear and zeal to make this world a better place to live. We expect a lot from the young generation. I hope 'Arun' will be able to groom and nurture the young talents and prepare them for higher pursuits.*

Dr. Amar Saikia
Principal
Dispur College

# "অঙ্কণ" সম্পাদনা সমিতি



বাওঁ ফালৰ পৰা বহি ক্ৰমে: ড. সুনিতা আগৰৱালা, ড. জয়জ্যোতি গোস্বামী, ড. অমৰ শইকীয়া (অধ্যক্ষ), জেবিন আকবৰ, ড. মঞ্জুৰী শৰ্মা।
বাওঁ ফালৰ পৰা থিয় হৈ ক্ৰমে: ৰাজীৱ দাস, কনশ্ৰী দাস, অৰ্জুন দাস।

# মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষয়ত্ৰীসকল

## অসমীয়া বিভাগ



গীতাঞ্জলী শইকীয়া, গীতিলেখা দেৱী ভাগৱতী, অজিত প্ৰসাদ শৰ্মা
ড. ৰীণা চৌধুৰী, ড. জয়জ্যোতি গোস্বামী, ড. নমিতা ডেকা, ড. মালবিকা ভট্টাচাৰ্য

## ইংৰাজী বিভাগ



সংগীতা গগৈ দেউৰি, ড. সঞ্জীৱ শৰ্মা, নন্দিনী বৰুৱা শৰ্মা,
জেবিন আকবৰ, কন্দীতা বৰুৱা, ড. মঞ্জুৰী শৰ্মা।

## অৰ্থনীতি বিভাগ



পৰাগ দত্ত, ড. ৰাণী মুদিয়াৰ ডেকা, অনুৰাধা বৰুৱা শইকীয়া, মনালিচা ভট্টাচাৰ্য

## বুৰঞ্জী বিভাগ



কৰবী দাস, ৰাতুল বৰা, পংকজ কাথাৰ, সন্দীপন পাথক, নাজনিন আৰা ৰহমান

## দৰ্শন বিভাগ



ড. মামণি কলিতা, ড. প্ৰণীতা শৰ্মা, ড. সুমিত্ৰা চৌধুৰী,
ধ্ৰুৱজ্যোতি ডেকা, শশী মোহন দাস

## শিক্ষা বিভাগ



ড. ভাস্বতী বৰুৱা দাস, ড. সুনিতা আগৰৱালা, ড. ৰাখী বৰুৱা,
অমৃত ৰয় চৌধুৰী (অনুপস্থিত)

# মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষয়ত্ৰীসকল

## ৰাজনীতি বিজ্ঞান বিভাগ



কমল মেধি, ইন্দ্ৰানী চৌধুৰী মহন্ত, খগেন বড়ো, দেবশ্মীতা চক্ৰবৰ্তী,
ধৰিত্ৰি ঠাকুৰিয়া (অনুপস্থিত)

## BBA / BCA বিভাগ



নৃপেন মেধি, হীৰেন্দ্ৰ নাথ সৰকাৰ, বিজয়েতা সাহা, ৰীতু চৌধুৰী

## গ্ৰন্থাগাৰ বিভাগ



ৰীণা দাস তালুকদাৰ,
নিহাৰীকা শৰ্মা,
ড. অমৰ শইকীয়া (অধ্যক্ষ),
অজিত মালাকাৰ

## অধ্যক্ষৰ সৈতে কৰ্মীবৃন্দ



গিৰিশ শইকীয়া,
খৰ্গেশ্বৰ শইকীয়া,
ড. অমৰ শইকায়া (অধ্যক্ষ),
ইন্দিৰা গগৈ,
ফুলেশ্বৰী ডেকা,
ব্ৰজেন শৰ্মা,
অৰূপ কলিতা,
ভাৰ্গৱ বৰা,
হিৰণ্য গৌতম,
ৰমেশ বৈশ্য,
আনোৱাৰা বেগম,
প্ৰশান্ত শৰ্মা,
নিলোৎপল ডেকা।


# মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষয়ত্ৰীসকল


## Accountancy বিভাগ



ড. অজয় কুমাৰ ডেকা, ড. জ্যোতিষ গোস্বামী, কুলধৰ পাটোৱাৰী

## Mathematics বিভাগ



ড. কুমুদ চন্দ্ৰ নাথ

## Finance বিভাগ



ড. অজয় মিত্ৰ, অমৃতা দাস, মাধুৰ বৰ্মন

## Management বিভাগ



মৌচুমী দেৱী, ড. মনালিছা চৌধুৰী, ত্ৰিবেণী বৰকটকী

## Dispur College Computer Center



ড. অজয় মিত্ৰ, ড. নন্দিনী বৰুৱা শৰ্মা (উপাধ্যক্ষা), কুলদীপ মেধি

## ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ আৰু তত্বাৱধায়ক-তত্বৱাধায়িকাসকল



বাওঁ ফালৰ পৰা বহি ক্ৰমেঃ ড. মালবিকা ভট্টাচাৰ্য, ড. মামণি কলিতা, ড. জয়জ্যোতি গোস্বামী, ড. অমৰ শইকীয়া (অধ্যক্ষ), খগেন বড়ো, জেবিন আকবৰ, ড. অজয় কুমাৰ ডেকা, পংকজ কাথাৰ,
বাওঁ ফালৰ পৰা থিয় হৈ ক্ৰমেঃ ৰিকি কলিতা, কৰবী দাস, অপৰাজিতা দাস, হিমাংশু ডেকা, মনোজ ঠাকুৰীয়া, পংকজ বড়ো, ৰাকেশ কলিতা, সুনীল পাটগিৰি, বনশ্ৰী দাস, ৰশ্মি ডেকা বৰ্মণ, লক্ষজ্যোতি বসুমতাৰী, দীনেশ গাড়ো।

## মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ



বাওঁ ফালৰ পৰা বহি ক্ৰমেঃ কৰবী দাস, অপৰাজিতা দাস, ৰিকি কলিতা, ৰশ্মি ডেকা বৰ্মণ, বনশ্ৰী দাস
বাওঁ ফালৰ পৰা থিয় হৈ ক্ৰমেঃ দীনেশ গাড়ো, সুনীল পাটগিৰি, মনোজ ঠাকুৰীয়া, পংকজ বড়ো, ৰাকেশ কলিতা, হিমাংশু ডেকা, লক্ষজ্যোতি বসুমতাৰী, ।



# উচৰ্গা



**কমলেশ্বৰ বৰা**

দিশপুৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ
প্ৰাক্তন সভাপতি কমলেশবৰ বৰা দেৱৰ
পবিত্ৰ স্মৃতিত 'অৰুণ'ৰ অষ্টদশ সংখ্যাটি
উচৰ্গা কৰিলো।

# Few lines from the Teacher-in-charge



A year passes by once again. The turning of a leaf in the calendar not only indicates that a day is gone but also makes one realize how wise or foolish we have become through the experiences of our otherwise mundane lives. Each day is a lesson some sweet, some bitter but lessons are to be learnt, no matter what our age is. The year saw many incidents some heartbreaking, some uplifting, the list is too many but life is to be lived, that is the mantra. It is indeed exhilarating to come across love, optimism, aspiration still thriving in young minds. We feel fortunate enough to provide them a outlet to express their innermost voice through 'Arun'.

I extend my gratitude to Dr. Amar Saikia, Principal Dispur College, Dr. Nandini Barooah Sharma, Vice Principal, for their help and support. I also thank the members of the Editorial Board, Dr. Manjaree Sharma, Dr. Joyjyoti Goswami, Dr. Sunita Agarwalla, Dr. Reena Choudhury, Ms. Banashree Das, Magazine Secretary and General Secretary, Manoj Thakuria for helping me in every possible way.

My special thanks to Ms Maini Mahanta renowned writer, journalist for her wounderful write up on brotherhood and humanity.

I extend my gratitude to Mrs. Suprava Goswami, a well known writer and Principal of Dream Child School for giving her valuable opinion on our last issue of **'Arun'**

**Jebin Akbar**
Dept. Of English



# Editorial



At the very beginning, I would like to offer my heartful greetings and sincere gratitude to the college Authorities and the students, who have given their valuable votes and entrust me with this opportunity to become the secretary of the college Magazine for the session 2012-13. It was a very satisfying and learning experience indeed.

"Little ideas lead to big inventions" Students, have their own creative skills. Hence this edition of magazine consists of some little minds who have beautiful ideas and concepts captured in them. Now-a-days due to pressure of scoring good marks, students cannot fulifil their wish of writing . Thereby, through this magazine it has been a mere effort to explore these little minds who have penned down their thoughts in it. Teachers have also contributed valuable articles to this magazine. It has 3 sections - English, Hindi and Assamese.

On 9th October, 2012 I had taken the duites of the magazine secretary of Dispur College. Like every year, this year also the college week had been held from 29th January to 2nd February, 2013. During College week the wall magazine "PRAGYAN" was inuguaratd by Kripa Kalita, Ex General Secretary of Dispur College.

Again, on 29 th August, 2013 the college Foundation Day was celebrated, where once again the wall magazine "PRAGYAN" was inugurated by Dr. Amar Saikia, the Principal of Dispur College

On 31st August, 2013 the Freshers' Day was celebrated. Lastly, I would like to thank the teacher-in-charge Mrs. Jabin Akbar and the editorial board members for accomplishing this task. It was very nice experience while going through the literary collections of the students.

At last, I would like to apologize for any error that has been found in the magazine. Your valuable suggestions are always welcome. Hope you all enjoy reading it.

Thanking you

**Banashree Das**
Magazine Secretary
T.D.C Part II (Arts)

# 'অৰুণ' ২০১১-২০১২ বৰ্ষ

সুপ্ৰভা গোস্বামী P.G.D.D.A
এম এ. বি এড, পি.জি.ডি.ডি এডু
লেখিকা, অধ্যক্ষা
ড্ৰিম চাইল্ড স্কুল, লাল গনেশ, গুৱাহাটী - ৩৪

'অৰুণ' সপ্তদশ সংখ্যা ২০১১-২০১২ বৰ্ষ দিশপুৰ মহাবিদ্যালয়ৰ আলোচনী। এই বছৰেকীয়া আলোচনী খনৰ তত্বাৱধায়িকা জেবিন
আক্বৰ ইংৰাজী বিভাগৰ প্ৰৱক্তা আৰু সম্পাদক কাশ্যপ কিশোৰ বৰা কলা বিভাগৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ।

'অৰুণ' অৰ্থাৎ সূৰ্য বৰ অৰ্থবহ নাম। ইয়াক কেন্দ্ৰ কৰি বেটুপাতৰ চিত্ৰ প্ৰানোজ্বল আৰু আশাব্যঞ্জক। এই আৰ্হি যথাৰ্থতে অতি
সুন্দৰ। এই সংখ্যাৰ আয়তনো ডাঙৰ। পাতবোৰ লুটিয়াই থাকোতে ভাব হয়, এয়া যেন কেৱল ছাত্ৰছাত্ৰীৰ আলোচনী আৰু শিক্ষকসকলৰ
পৰিচয় জনোৱা ফটো সমূহতেই সীমাবদ্ধ নহয় ইয়াৰ পৰিসৰ বঢ়োৱা হৈছে এটা জ্ঞানবৰ্দ্ধক অতিথি শিতানৰ সৃষ্টি কৰি। তাত ডঃ
জয়ন্তী চুতীয়া, অৰূপা পটংগীয়া কলিতা আৰু ডঃ দুলুমনি গোস্বামীৰ আলোচনাত্মক প্ৰবন্ধ এলানি আছে। লগতে অধ্যাপিকা আৰু
ছাত্ৰ-ছাত্ৰীসকলৰ অসমীয়া, ইংৰাজী আৰু হিন্দী মাধ্যমত লিখা প্ৰবন্ধ, গল্প আৰু কবিতাৰ এটা সমূহীয়া প্ৰচেষ্টা যি আলোচনী খনৰ
সাহিত্যৰ কুঁকিত সৌন্দৰ্য্য চৰাইছে। ইতিবাচক আৰম্ভনি আৰু পৰিচয় পৰ্বৰ পাচত এতিয়া আহোঁ অলপ উপদেশাত্মক তত্বগধুৰ
আলোচনালৈ।

যিহেতু আলোচনী বিদ্যালয়কেন্দ্ৰিক, ইয়াত সেই মহাবিদ্যালয়ৰ সকলো দিশ দাপোনসদৃশ প্ৰতিবিম্বিত হয়। উল্লেখনীয় বিষয়
এয়ে যে সকলোবোৰ ছাত্ৰ-ছাত্ৰীকে সৃজনীমূলক লিখাৰ বাবে বাধ্যতামূলক ব্যৱস্থা থকাৰ আৱশ্যক। কুইজ, তৰ্ক প্ৰতিযোগিতা আদিও
বাধ্যতামূলক হব লাগে। পৰ্য্যায়ভাৱে পৰীক্ষাবোৰত উত্তীৰ্ন হোৱাবোৰক অন্তিম পৰ্য্যায়ত অনাব লাগে। এই প্ৰতিযোগিতামূলক
মনোভাববোৰে বুদ্ধিত উৎকৰ্ষতা আনিব।

'অৰুণ' মাজত আমি যেন শিক্ষাগুৰু সকলৰ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ এটা সম্মিলিত প্ৰচেষ্টা অহৰহ থকাটো উপলব্ধি কৰো।
এতিয়া আহিছো সূচীপত্ৰত থকা প্ৰসঙ্গ বোৰলৈ। 'মেণ্ডেলাৰ দেশত কেইৰাতিমান' এটা সুন্দৰ ভ্ৰমন কাহিনী। এনেহে লাগে যেন
পঢ়োতাজননো সেই ঠাইলৈ গৈছে। 'অশৰীৰি ৰূপৰেখা' সিহঁৰণ জগোৱা উৎসুকতাপূৰ্ণ প্ৰবন্ধ। সেইদৰে 'বিজ্ঞান বিচিত্ৰা'ত 'অনুসন্ধিৎসু
লৰাজন' বুলি এডিচনৰ চমু জীৱনী; 'মনালিছা এক ৰহস্য'ত বহুতো শিল্পী লিঅ'নাৰ্ডো ডা-ভিন্সি'ৰ সম্পৰ্কে বহুতো নজনা কথা জনাৰ
সুযোগ, 'যুৱ-মানসিকতা আৰু আত্মহত্যাৰ আৱত' প্ৰবন্ধই সামাজিক ব্যৱস্থাৰ কেবোঁন কিছুমান দেখুৱাই সেইবোৰ বোধ কৰিবলৈ
সকিয়াই দিছে।

গল্পৰ গাঁঠনিবোৰো কুমলীয়া যুৱ প্ৰজন্মৰ নিজস্ব ভাবধাৰাৰে ৰঞ্জিত। কবিতাবোৰো লিখা Luray caverns ডঃ প্ৰনীতা শৰ্মাৰ
এক মনোগ্ৰাহী ভ্ৰমণৰ অভিজ্ঞতা। Career Advancement ত বহুতো তথ্য সবিশেষ সহ পৰিচয় মূলক আভাস দিয়াৰ প্ৰচেষ্টা
কৰা হৈছে। ডাইনী প্ৰথা হত্যাৰ আঁৰত লিখা Witch hunting in Assam : A social menace ত Deptt of
Enterpreneurship ৰ এপৰত Commerce বিভাগৰ H.O.D য়ে লিখা প্ৰবন্ধ - এই দুয়োটোই সুন্দৰ হৈছে। The
Article on "Satras, The Heriage culture of Assam, ত ধৰ্মীয় আৰু সাংস্কৃতিক দিশৰ আভাস দিয়া হৈছে।
Tiny Grain of space dust সৌৰজগত সম্পৰ্কীয় তথ্যভিত্তিক ৰচনা অতি গুৰুত্বপূৰ্ণ।

ইংৰাজী কবিতাৰ সম্ভাৰো সুন্দৰ। হিন্দী বিভাগতো ৰাষ্ট্ৰভাশাক প্ৰশংসনীয় পদক্ষেপেৰে সজোৱা প্ৰচেষ্টা অব্যাহত ৰাখিছে।
ইয়াত সৰ্বমুঠ ন' টা চুটি প্ৰবন্ধ আৰু চাৰিটা কবিতা ৰখা হৈছে। বহুতো সময়ত দেখা যায় যে এখন আলোচনীৰ নামত ছাত্ৰছাত্ৰীয়ে
ইয়াক মাথোন এটা বাধ্যতামূলক কাৰ্য্য ক্ৰমনিকা বুলিহে লয়। 'অৰুণ'ৰ প্ৰতিখিলা পাততে মই ইয়াৰ ব্যতিক্ৰম দেখিছো। ছাত্ৰ-ছাত্ৰীৰ
লেখাৰ প্ৰতি যি এটা ধাউতি থাকিব লাগে আৰু যিটোৰ আজি খুব প্ৰয়োজন, তাৰ ইতিবাচক দিশটো এই আলোচনীখনৰ মাজত
পৰিস্ফুট হৈছে। এনে ধৰণৰ আলোচনী আমাৰ অসমৰ প্ৰতিখন মহাবিদ্যালয়ৰ পৰাই প্ৰকাশ হোৱাটো একান্ত বাঞ্চনীয়। সদৌ শেষত
'অৰুণ'ৰ সকলো কাৰ্য্যকৰ্তা আৰু ছাত্ৰ-ছাত্ৰী আৰু লগতে অতিথি লেখক সকলোলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

******



# অৰুণৰ বেঙণিত

## অতিথি শিতান

ইপাৰ সিপাৰ / মাইনী মহন্ত /১২
ঐতিহাসিক অসম / ড° ৰীতা শৰ্মা /১৪

## প্ৰবন্ধ

জানানে?/ ড° প্ৰণীতা শৰ্মা /১৮
নাৰীবাদ আৰু কিছু প্ৰাসংগিক চিন্তা/ ড° মামণি কলিতা /২২
বেজবৰুৱাৰ ৰচনাত প্ৰবাদৰ প্ৰয়োগ/ ড° মালবিকা ভট্টাচাৰ্য /২৫
বিপদ সংকুল অমৰনাথ যাত্ৰা/ ভূপালী মিশ্ৰ /২৮
ৰেগিং ঃ এক সামাজিক ব্যাধি/ জিতু শইকীয়া /৩১
দিশপুৰ কলেজত মোৰ প্ৰথম দিনটোৰ অনুভৱ/ বাসুদেৱ দত্ত /৩২
সমাজ সংগঠনত নাৰীৰ ভূমিকা/ বন্দিতা বড়ো /৩৪
মোৰ এটি লিখনি/ অনুৰূপা ডেকা /৩৬
ভাৰতত গোলকীকৰণৰ প্ৰভাৱ / ধীৰাজ গগৈ /৩৮
সাম্প্ৰতিক কালত যুৱ উচ্ছৃংখলতা- ইয়াৰ কাৰণ আৰু প্ৰতিকাৰ / ৰবিতা ৰয় /৪২
কলেজীয়া জীৱনৰ অভিজ্ঞতা / ভাগ্যশ্ৰী ঠাকুৰীয়া /৪৫
প্লাষ্টিক ব্যৱহাৰে পৰিৱেশ প্ৰদূষিত কৰিছে / সীমা বৰ্মণ /৪৭
লক্ষ্মীনাথ বেজবৰুৱা ঃ এক অৱলোকন / অপৰাজিতা দাস /৪৮
কিহৰ অন্বেষণত আমি? / মৃদুল ডেকা /৫১

## গল্প

বলাই / ড° জয়জ্যোতি গোস্বামী /৫৩
প্ৰহৰী / নিশা তাঁতী /৫৬
ডায়েৰীৰ উকা পাতখিলা / নৱনীতা হালৈ /৫৮
চিতাৰ জুই / জেহেৰুল ইছলাম /৫৯
লতিকাৰ জীৱন / বন্দিতা বড়ো /৬১
নীলা খামৰ চিঠি / অপৰাজিতা দাস /৬৩
এটা বিচিত্ৰ কল / ত্ৰিবেণী কলিতা /৬৬
এজনী ছোৱালী / মিনাক্ষী কলিতা /৬৮
সহানুভূতি নে স্বাৰ্থপৰতা / অপৰাজিতা দাস /৬৯
ৰৰযুগ / ৰাজীৱ দাস /৭১
ডাঙৰ হোৱাৰ যন্ত্ৰনা / মহেন্দ্ৰ কলিতা /৭২
প্ৰহেলিকা /জেনিয়া আহমেদ /৭৩

## কবিতা

বিষাদ গাঁথা / কুলদীপ মেধি /৭৫
কৰ্ম্মস্থলী / শ্ৰীমতী ৰুক্মিনী দাস /৭৫
ওপজা মাটিৰ গোন্ধ / ব্ৰজেন শৰ্মা/৭৬
তলসৰা শেৱালি / বিকাশ ভৰালী /৭৬
শৈশৱৰ পৰা যৌৱনলৈ বাঢ়ি অহা মোৰ ভালপোৱা / সংগীতা বৈশ্য/৭৬
বিভ্ৰান্ত / শ্বাকিল ইনজাম/৭৯
গামোছা/ বিকী কলিতা/৭৯
ভাল পাওঁ / সমিৰণ দাস/৭৯
নিহাৰীকা তুমি / পাৰ্থপ্ৰতীম চৌধুৰী /৭৯
তোমাৰ অপেক্ষাত / শ্ৰীৰ্কালী কলিতা /৮০
বৈ আছো.... / প্ৰাৰ্থণা বুঢ়াগোঁহাই /৮০
মই তোমাৰ সান্নিধ্য বিচাৰো..../ সংগীতা বৈশ্য /৮১
অপেক্ষা / ৰাজীৱ দাস /৮১
তুমি যে গ'লা আঁতৰি / মৃদুস্মিতা দেৱী /৮১
অশান্ত মন / মঃ ইমৰাণ শ্বাহ /৮২
ভুল নুবুজিবা ভুপেন দা / ধীৰাজ গগৈ /৮২
পৃথিৱীৰ ভেজাল ৰূপ / ইৰৰাজ শৰ্মা /৮৩
বন্ধুত্ব / প্ৰিয়ংকা দেউৰী /৮৩
"তোমাৰ বাবে এটা কবিতা" / পুলক মৰাং /৮৪
তুমি নোহোৱা বাবেই / মৃদুল ডেকা /৮৪
"আই" / সোনমনি বৰ্মন /৮৪
মৰুভূমিৰ দৰেই মোৰ জীৱন / বিপুল দাস /৮৫
কোন পথে অসম / নৱনীতা হালৈ /৮৫
তুমি অহাৰ বাতৰি পায় / বিপুল দাস /৮৬
জীৱন / অৰুন জ্যোতি বৰা /৮৬
জন প্ৰতিনিধি / লক্ষ্যজ্যোতি বসুমতাৰী /৮৭
জোনাক ৰাতিৰ নিশা / অৰুণিমা বৰ্মন /৮৭
পৱিত্ৰ ভাদ মাহ / জিতেন্দ্ৰ দাস /৮৮
আমাক শান্তি দিয়া / মৃদুস্মিতা কলিতা /৮৮
নিশাৰ সপোন / মৃনালী ৰয় /৮৮
পদুলি মুখৰ শেৱালী জোপা / ৰশ্মি দাস /৮৯
শান্তি / পাৰ্থ প্ৰতিম /৮৯
সপোনৰ ৰথ / অনুৰূপা ডেকা /৮৯
তুমি / সত্যজিত চহৰীয়া /৯০
যিবোৰ কথা নোকোৱাকৈ থাকি গ'ল / হিমাশ্ৰী শৰ্মা /৯০
"তোমাৰ হৃদয়ত জীৱন বিচাৰি" / মহেন্দ্ৰ কলিতা /৯১
মৃত্যুঞ্জয়ী শিল্পী / জোনালী দেৱী /৯২

## ENGLISH SECTION

### Article

SOCIAL MEDIA AND ITS IMPACT ON SOCIETY / Dr. Monalisa Choudhury /94
OUR THOUGHTS / Sangita Gogoi Deuri /97
ROLE OF THE MIDDLE CLASS IN COLONIAL ASSAM / Sandipan Pathok /99
LIFE: ONE BIG ROLLER COASTER / Anup Thakuria /102
DOMINIQUE LAPIERRE / Arnab Sarma /103
DR. BHUPEN HAZARIKA - A Living Legend / Papori Roy /104
FADING OF SOCIAL VALUES IN OUR SOCIETY / Shristi Kalita /105
LAKSMINATH BEZBARUAH -A Personality/ Parth Protim Choudhury /106
A COUNTRY, THE PATRIOT AND THE INDIAN I HAVE / Jasmin Sultana /108
EXAMINATION FEAR / Himjyoti Das /109
ART OF PUBLIC SPEAKING / Labiba Jahan Barbh /110
PROGERIA - A RARE DISEASE / Banashree Das /111
LOOTED TEACHER'S TIFFIN / Abubakar Siddique /113
SHAKIRA – THE GOLDEN VOICE/ Dipankar Roy /114

### Poems

**Your's best** / Nashmim Akhatar Sultana /117
**An Ideal Friend** / Sangita Baishya /117
**What is Life** / Baby Das /117
**APART FROM MYSELF** / Devid. M /118
**"Teacher"** / Farha Naaz /119
**May be I can** / Shakil Injam /119
**Blowing Away with the Wind** /119
**Cricket and Life** / Bitupan Sonowal /120
**The Changing world** / Neeha Shah /120
**Faith** / Ricky Das /120
**Penitence** / Banashree Das /121
**Fleeting Time** / Lakhyajyoti Basumatary /121
**If You Want to do** / Twinkle Biswas /121
**A Mother's advice** / Hemanga Protim Gogoi /122

## HINDI SECTION

राजनीति और अपराध जगत / Rashmi Mishra /124
आजादी की कहानी / Banashree Das /125
हमारी सोच / Jaya Sarkar /126
भ्रष्टाचार - एक अभिशाप / Arjun Rai /127
डा० भूपेन हजारिका / Rajib Das /128
मुक्ति / Gayatri Lahkar /130

शिक्षा / Banashree Das /131
यादे / Sumi Ghosh /131
मेरी माँ / Sangita Baishya /131
शारदीय / Dipjyoti Baishya /132
बारिश / Dipankar Roy /132
कैसा यह रिश्ता? / Rashmi Mishra /133
भारत देश / Baby Das /133
कलयुग की महाभारत / 134
दिसपुर कॉलेज / Banashree Das / 134

প্ৰতিবেদন /১৩৫-১৫১

মহাবিদ্যালয় সপ্তাহৰ ফলাফল /১৫২-১৬০



# অতিথি শিতান

# ইপাৰ সিপাৰ

মাইনী মহন্ত
সম্পাদক 'নন্দিনী'

বিশ্বৰ কোনো সীমান্তই যেন এতিয়া শীতল নহয়। পেলেষ্টাইন-ইজৰাইল, তিব্বত-চীন, আৰ্জেন্টিনা-গ্ৰেটব্ৰিটেইন। সীমাক কেন্দ্ৰ কৰি উঠলি উঠে নাগৰিকৰ দেশপ্ৰেম।

এক সূচ্যাংক ভূমি ও এৰি নিদিও বোলা ৰাষ্ট্ৰনেতাৰ হুংকাৰত পৰিতৃপ্ত হয় দেশপ্ৰেমী জনতা। আমিও ইয়াৰ ব্যতিক্ৰম নহয়। বিশেষকৈ পাকিস্তান আৰু চীন সীমান্তই সামান্য উত্তেজনাই টেলিভিছন চেনেলসমূহৰ ৰেটিং পইণ্ট অবিশ্বাস্য ভাবে বৃদ্ধি কৰিবলৈ সক্ষম হয়। সৰুতে শুনিছিলো আমাৰ এজন সম্পৰ্কীয় ককাই দুই পুত্ৰৰ পৰিয়ালৰ মাজৰ কাজিয়া পেচালৰ কথা ক'বলৈ গৈ প্ৰায়ে কৈছিল— ইহঁত হালৰ মাজত এতিয়া হিন্দুস্তান-পাকিস্তানৰ দৰে সম্পৰ্ক। যেন চন্দ্ৰ সূৰ্য্যৰ দৰে এক চিৰন্তন সত্য। হিন্দুস্তান-পাকিস্তান মানেই শত্ৰুতা, যুদ্ধৰ আখৰা। আৰু মনত পৰে সৰুতে বিহু সুৰত শুনা— 'চীন ভাৰতৰ যুদ্ধ হ'ব, বগীবোৰ চীনাই নিব, কলীবোৰ শিয়ালে খাব।' সীমান্তৰ সেই একা বেকা ৰেখাবোৰ নেদেখাকৈয়েই, সীমাৰ সিপাৰে থকা মানুহবোৰ কেনেকুৱা নজনাকৈয়েই আমাৰ শৈশৱ কৈশোৰত গজালি মেলে একধৰণৰ উগ্ৰ দেশপ্ৰেমবোধে। সাধাৰণ নাগৰিকৰ এই আবেগক মুলধন কৰি কেৰিয়াৰৰ জখলা সজা একাংশ ৰাজনৈতিক নেতাৰ উদ্দাত্ত ভাষণে সাৰ পানী যোগায় সীমাৰ ইপাৰ সিপাৰ লৈ পুঞ্জিভূত হোৱা আমাৰ দেশপ্ৰেমৰ পোখা মেলা বিজটিত। অধিক আবেগ সৰ্বস্ব একাংশৰ এই দেশপ্ৰেমে কেতিয়াবা উগ্ৰ ৰূপত বিয়পি পৰে খেলপথাৰ, শিক্ষা, সংস্কৃতিৰ পথাৰখনলৈও। সীমাৰ এই লাইনবোৰ একাংশ জীৱক সামৰি প্ৰকৃতিয়ে বান্ধি দিয়া নাই কাৰণেই ইপাৰ-সিপাৰৰ সীমামুৰীয়া মানুহবোৰৰ মাজত নাথাকে একো পাৰ্থক্য। একোখন দেশৰ সীমাৰ কাষৰ পৰা ক্ৰমান্বয়ে ভিতৰলৈ সোমাই গলেহে আনখন দেশৰ সৈতে কিছু পাৰ্থক্য চকুত পৰে। ৰাজনৈতিক সীমাডাল টানি দিলেই সলনি হৈ নাযায় সীমামুৰিয়া নিৰিহ জনসাধাৰণৰ মন মগজু। লাইনৰ নিকট ইপাৰ সিপাৰৰ গৰিষ্ঠ সংখ্যক জনসাধাৰণেই নাজানে কোনে কাক সুধি নিৰ্মাণ কৰিছে এই লাইবোৰ। দুজন ভাই-ককাইৰ ডাঙৰ চোতালখনৰ মাজেৰেও পাৰ হৈ গৈছে ভাৰত পাকিস্তানৰ সীমাৰেখা। সেই ভাই-ককাইক ৰাজনৈতিক সীমাৰেখাই শত্ৰু কৰিব নোৱাৰাৰ দৰেই দেশৰ জনসাধাৰণকো শত্ৰু কৰিব নাগাগিছিল ৰাজনৈতিক কুট-কৌশলে। এৰো একোটা দীৰ্ঘস্থায়ী সীমাবিবাদে ইপাৰ-সিপাৰৰ একো একোটা ৰাজনৈতিক দলক কিমান উপকৃত কৰি আহিছে, সেয়া বোধগম্য হোৱাকৈ জনসাধাৰণকো শত্ৰু কৰিব নালাগিছিল ৰাজনৈতিক কুট-কৌশলে। কো একোটা দীৰ্ঘস্থায়ী সীমাবিবাদে ইপাৰ-সিপাৰৰ একো একোতা ৰাজনৈতিক দলক কিমান উপকৃত কৰি আহিছে, সেয়া বোধগম্য হোৱাকৈ জনসাধাৰণক সচেতন কৰি তোলাতো বৰ্তমান সময়ৰ ডাঙৰ আহ্বান। পৃথিৱীৰ বিৰ্বতনত একোটা ভৌগলিক অঞ্চলত থুপ খাই থাকে ভাষাৰ মিল, খাদ্যভাষৰ মিল, সংস্কৃতিৰ মিল আদিৰে একাংশ লোক। হঠাৎ ৰাজনৈতিক তৎপৰতাৰে বেৰা দি জনশূন্য অঞ্চল গঢ়ি সশস্ত্ৰ পহৰা ঠিয় কৰালেই সেই থুপ খাই থকা মানুহখিনি সলনি হৈ নাযায়। পৰিৱৰ্তে সেইখিনি মানুহৰ অনেকৰ মাজত সৃষ্টি হয় আত্মীয় হেৰুৱওৱাৰ পাৰপাৰহীন যন্ত্ৰনা। একো একোটা সীমাৰ সৃষ্টি মানেই দুখন দেশৰ একাংশ লোকৰ সীমাহীন দুখ যন্ত্ৰনা। এই দুখ যন্ত্ৰণাৰ ইতিহাসেও চহকী কৰিছে সাহিত্য, চলচ্চিত্ৰ াদি। ভাৰত-পাকিস্তানৰ বিবাজনৰ সেই ভয়াবহ স্মৃতিৰ ইতিহাস হৈ আছে খুছবন্ত সিংহৰ ট্ৰেইন টু পাকিস্তানৰ দৰে চিন্তা গধুৰ কিতাপ, শ্যাম বেনেগলৰ 'মামু' দৰে অন্তস্পৰ্শি চলচ্চিত্ৰ। এইখিনি মানুহৰ ভাললগা বেয়া লগাবোৰ গৌন হৈ পৰে একাংশ উচ্চাকাংক্ষী ৰাজনীতিকৰ দাম্ভিক সিদ্ধান্তত। প্ৰতিটো সীমাৰ সৃষ্টিৰ আঁৰালত খুব কৌশলগত ভাবে সোমাই থাকে ক্ষমতালোভী ৰাজনীতিকৰ লোভ আৰু উচ্চাকাংশা। বৰ্তমান সময়ত মাধ্যমসমূহৰ বিশেষকৈ ইলেকট্ৰনিক মাধ্যমসমূহৰ একাংশত বৃদ্ধি পাইছে সীমান্তলৈ জনসাধাৰণৰ মাজত উত্তেজনা বৃদ্ধি কৰাৰ প্ৰৱণতা। ভাৰত আৰু পাকিস্তানৰ দৰে জনবহুল উন্নয়নশীল দেশে সীমাৰ নামত খৰছ কৰা ধনৰ অৰ্ধেৰ্কৰে যদি দেশ দুখনৰ গৰিব জনসাধাৰণৰ মুখত অন্ন তুলি দিলেহেঁতেন। ইয়াৰ পৰিবৰ্তে বৃদ্ধি পাইছে দেশ দুখনৰ মাজত অস্ত্ৰক্ৰয়ৰ, গোপন পাৰমাণৱিক শক্তি পৰীক্ষাৰ প্ৰতিযোগিতা। বৈদেশিক চোৰাংচোৱা সুত্ৰৰ তথ্যপাতি অৱগত নোহোৱা জনসাধাৰণক উত্তেজিত কৰিবলৈ ৰাজনৈতিক নেতাৰ মুখেৰে নিৰ্গত হয় 'চাৰি ভাৰতীয়ৰ পৰিৱৰ্তে দহ পাকিস্থানিৰ মুৰ লোৱা'ৰ দৰে দুৰ্ভাগ্যজনক ব্যাখ্যা। হঠাতে বাতিল কৰি দিয়া হয় পুৰ্বনিধাৰিত ভাৰত-পাকিস্থানৰ ক্ৰিকেট খেল। ৰিয়েলিটি শ্ব'ত অংশ লৈ ভাৰতীয় দৰ্শকক মন্ত্ৰমুগ্ধ কৰি তোলা তৰুণ প্ৰজন্মৰ প্ৰতিভাশালী পাকিস্তানি সংগীত শিল্পীসকলক ঘুৰাই পঠোৱা হয়। ভাৰত পাকিস্তান মানেই যেন অবিশ্বাস, প্ৰতিশোধ আৰু প্ৰতিহিংসা। দুইখন দেশৰে ৰাজনৈতিক মহলত এই কুচকাৱাজ অহৰহ চলি আছে আৰু যেন চলিয়েই থাকিব।

মাধ্যমসমূহৰ যোগে এই কুচকাৱাজৰ খবৰবোৰ কেতিয়াবা শুদ্ধৰূপত আৰু কেতিয়াবা অতিৰঞ্জিত ৰূপত চৌব্বিশ ঘণ্টাই দেখি থকাৰ ফলত আমাৰ মনবোৰ হৈ পৰে উগ্ৰ দেশপ্ৰেমী। চীনভ্ৰমণত যোৱা প্ৰতিৰক্ষা মন্ত্ৰী একে এণ্টনীক ৰুঢ় ওলগনী জনোৱাৰ খবৰ পাই আমাৰো দেশপ্ৰেমী তেজ উতলি উঠে। পাকিস্তানৰ সৈতে পৰিস্থিতি যেন আৰু এখোপ চৰা। যেন শত্ৰুতাৰ অন্য নাম পাকিস্তান। অন্ততঃ আজি কিছুদিন ধৰি বিশেষকৈ কাশ্মীৰ সীমান্তত চাৰিজন ভাৰতীয় সৈন্যৰ পাকিস্তানি দুবৃত্তৰ হাতত শিৰচ্ছেদ হোৱাৰ পিছৰ পৰিস্থিতি অতিশয় গোমা। সেই লৈ টেলিভিছন চেনেলসমূহত হৈ উঠিছে তীব্ৰ বাত-বিতণ্ডা। ইছলামাবাদত পাকিস্তানি কুটনীতিবিদক লাইভত ৰাখি তীব্ৰ বাক্য বাণেৰে ধৰাশায়ী কৰিবলৈ চেষ্টা চলালে ভাৰতীয় সাংবাদিকে। এনে একোটা এঘণ্টীয়া টক শ্ব চাই উঠি প্ৰতিজন ভাৰতীয় দৰ্শকে যেন কৈ উঠিব পাৰে শত্ৰু পাকিস্তানৰ বিৰুদ্ধে গৰজি উঠক আমাৰ ৰাষ্ট্ৰ। প্ৰতিবেশী ৰাষ্ট্ৰকনৰ ওপৰত কেতিয়াও বিশ্বাস নাৰাখি সদা সতৰ্ক দৃষ্টি ৰাখক আমাৰ দেশে। সীমান্তৰ সেই ঘটনাৱলী আৰু তাকলৈ ব্যাপক চৰ্চা হৈ থকাৰ কিছুদিন পিছতে আমাৰ একৈশ বছৰীয়া পুত্ৰ শিক্ষা সংক্ৰান্ত কাৰণত তিনিমাহৰ কাৰণে স্কটলেণ্ডৰ ডাণ্ডি ইউনিভাৰ্চিটিলৈ যাব লগা হয়। জীৱনত প্ৰথমবাৰৰ কাৰণে একমাত্ৰ পুত্ৰক বিদেশলৈ পথাই দি স্বাভাৱিকতে আমি যথেষ্ট উদ্বিগ্নতাৰে দিন পাৰ কৰিছো। সকলো অভিভাৱকৰ দৰে প্ৰতিদিনে খবৰ কৰিছো অচিনাকি ঠাইত কিবা অসুবিধা হৈছে নেকি? কি খাইছে কি কৰিছে? ল'ৰাইও পৰম উৎসাহেৰে নতুন ঠাইৰ নতুন অভিজ্ঞতাবোৰ আমাক জনায়। তাৰ গাইড নিক হাইন নামৰ প্ৰফেছাৰজনে এটা পাচজনীয়া ভাড়াঘৰ ঠিক কৰি তাক ক'লে তুমি ভাল পাবা, কাৰণ সেইটো ঘৰৰ বাকী চাৰিজনৰ ভিতৰত দুজন তোমাৰ ঠাইৰে। সি ঘৰত সোমাই ঘৰত সোমাই গম পালে প্ৰফেছাৰে কোৱা একে ঠাইৰ দুজন হৈছে বাংলাদেশৰ ৰাজীৱ আৰু নেপালৰ টেনজিং। পুত্ৰৰ প্ৰতিদিনৰ কথা বতৰাৰ ভিতৰত অলপতে সি পোৱা এটা অভিজ্ঞতাৰ বিষয়ে শুনি বহু সময়লৈকে ভাবি আছিলো উপৰোক্ত কথাবোৰ। কি এই ইপাৰ-সিপাৰ? খুব ফুৰ্তিৰে সি কৈছিল— মা জানানে আজি এখন দোকানত ব্ৰেড কিনিবলৈ সোমালো, দোকানীজন পাকিস্তানি। তেওঁ মোক ইণ্ডিয়ান বুলি জানি বহুত সময় হিন্দীত কথা পাতিলে আৰু আহিবৰ সময়ত মোক এটা ডাঙৰ ক'ক ফ্ৰি দিলে। এতিয়া ঘৰলৈ গৈ মই চেণ্ডউইচ বনাই তেওঁ দিয়া ককটোৰ সৈতে খাম।

# ঐতিহাসিক অসম

ড° ৰীতা শৰ্মা
অৱসৰ প্ৰাপ্ত উপাধ্যক্ষা
আৰু
অৰ্থনীতি বিভাগৰ
মুৰব্বী অধ্যাপিকা

পৰিতৰ্ত্তনেই সংসাৰৰ নিয়ম। অতীতৰ ইতিহাসৰ পাত লুটিয়ালে একোখন দেশ, ঠাই বা অঞ্চলৰ বিষয়ে অনেক গুৰুত্বপূৰ্ণ দিশ পোহৰলৈ আহে আৰু সেইয়া নৱপ্ৰজন্মৰ বাবে প্ৰেৰণা আদৰ্শ আৰু জ্ঞানৰ ভড়াল হব পাৰে। ছাত্ৰ ছাত্ৰীসকলক এই লিখনীত কামৰূপ আৰু আশে পাশে থকা অঞ্চলৰ ইতিহাসৰ সামান্য আভাষ দিবলৈ চেষ্টা কৰা হৈছে।

উত্তৰ পূৰ্ব্বাঞ্চলৰ সাতখন ৰাজ্যৰ লগত ছিকিমক অৰ্ন্তভূৰ্ত্ত কৰাৰ পাছত মুঠ আঠখন ৰাজ্য। বিভিন্ন জাতি জনজাতি, ধৰ্ম ভাষা, কলাসংস্কৃতি প্ৰাকৃতিক সম্পদ আৰু সৌন্দৰ্য্যৰ ভৰা সুন্দৰ সাৱলা অঞ্চল।

প্ৰাচীন কালত এই ভূখণ্ডৰ নাম আছিল কামৰূপ। ইয়াৰ ৰাজধানী প্ৰাগজ্যোতিষপুৰ। 'অসম' নামৰ উৎপত্তি সমন্ধে বহু পণ্ডিতে বিভিন্ন মত পোষণ কৰিছে। ইয়াৰে ভিতৰত কেৱল দুটিমান মত উল্লেখ কৰা হৈছে। কিছুমান পণ্ডিতে কৈছে, আহোম ৰজাসকলে এইদেশ শাসন কৰিছিল। বাবেই 'আহোম'শব্দটোৰ পৰা 'অসম' নামৰ উৎপত্তি হৈছে। ড° বাণীকান্ত কাকতি ৰ মতে 'আছাম' শব্দৰ জন্ম হৈছে 'অপৰাজিত' আৰু 'অদ্বিতীয়া' বুজাবলৈ। ভাৰতৰ উত্তৰ অসম ২৪ ডিগ্ৰী উত্তৰ অক্ষাংশৰ পৰা ২৮ ডিগ্ৰী উত্তৰ অক্ষাংশত আৰু ৯০ ডিগ্ৰী পূৰ্ব দ্ৰাঘিমাৰ পৰা ৯৭ ডিগ্ৰী পূৰ্ব দ্ৰাঘিমালৈ অৱস্থিত। অসমৰ বৰ্তমান মাটিকালি ৭৮,৪৩৮ বৰ্গ কিলোমিটাৰ। অসমৰ মূলতে বৰ্ত্তমান তিনিটা প্ৰাকৃতিক বিভাগত ভাগ কৰা হৈছে। ব্ৰহ্মপুত্ৰ, বৰাক উপত্যকা উত্তৰ কাছাৰ আৰু পাহাৰীয়া অঞ্চল। অঞ্চলটোৰ সমুদ্ৰপৃষ্ঠাৰ পৰা গড় উচ্চতা প্ৰায় ৭৯.৫ মিটাৰ। এই স্থানৰ প্ৰাচীন ইতিহাসলৈ ঘূৰিচালে, পুৰণি কালত অসমক কামৰূপ আৰু মহাভাৰতত প্ৰাগজ্যোতিষপুৰ নামেৰে বৰ্ণনা কৰা হৈছিল। 'প্ৰাগ' শব্দৰ অৰ্থ পূৰ্ব বা প্ৰথম 'জ্যোতিষ' শব্দৰ অৰ্থ গ্ৰহনক্ষত্ৰ আদিৰ গণনা আৰু 'পুৰ' শব্দৰ অৰ্থই নগৰ বুজাইছে। সেইবাবে কোৱা হয় প্ৰাগজ্যোতিষপুৰ। বৰ্তমান গুৱাহাটীৰ উত্তৰে থকা চিত্ৰাচল পাহাৰত নৱগ্ৰহ মন্দিৰ অৱস্থিত। কালিকাপুৰাণৰ মতে সৃষ্টিকৰ্ত্তা ব্ৰহ্মাই এইস্থানতে বহি গ্ৰহনক্ষত্ৰ সৃষ্টি কৰিছিল। গ্ৰহসমূহ শিৱলিঙ্গ সদৃশ্য। নৱগ্ৰহৰ গতিবিধি এইস্থানত চৰ্চা হৈছিল সেইয়ে নৱগ্ৰহ।

বৰ্তমান কামৰূপ জিলাৰ 'কামৰূপ' নামৰ উৎপত্তি সমন্ধে অনেক প্ৰবাদ আছে। কালিকাপুৰান আৰু কোনো কোনো পুথিত আছে, দক্ষযজ্ঞত সতীৰ দেহত্যাগৰ পিছত সদাশিৱই সতীৰ দেহ কান্ধত লৈ ভ্ৰমণ কৰি ফুৰোতে বিষ্ণুৱে সতীৰ দেহ সুদৰ্শন চক্ৰেৰে একাৱন্নখণ্ডত খণ্ডিত কৰে। সতীৰ 'যৌনাঙ্গ' নীলাচল পৰ্বতত পৰে, ই কামশক্তিৰ স্থান। সেইবাবেই কামৰূপ। অন্যহাতে কামদেৱে সদাশিৱৰ ধ্যান ভঙ্গ কৰা বাবে এই স্থানতে ভষ্ম হয়। পিছত কামদেৱৰ পত্নী ৰতিদেৱীৰ প্ৰাৰ্থনাত সন্তোষ্ট হৈ শিৱই কামদেৱক পুনৰ জীৱন দান কৰে। এই দেশত কামদেৱে পুণৰ ৰূপ পোৱা বাবে এইদেশখনৰ নাম কামৰূপ হয়। কালিকাপুৰাণত উল্লেখ আছে, দেৱীৰ 'নাভি মণ্ডল' বৰ্তমান উজানবজাৰ যোৰপুখুৰীত পৰ্বাত থকা 'উগ্ৰতৰা' দেৱীৰ মন্দিৰ থকা স্থানত পৰিছিল। গুৱাহাটীৰ দিঘলী পুখুৰীতো ৰজাদিনীয়া অতি প্ৰাচিন। কালিকাপুৰানত উল্লেখ কৰা মতে, এই পুখুৰীৰ লগত দানৱবংশৰ ৰজা নৰকপুত্ৰ 'ভগদত্তৰ' জীয়ৰী ভানুমতিৰ মহাভাৰতৰ কৌৰৱ ৰজা দুৰ্য্যোধনৰ বিবাহৰ সৈতে সম্বন্ধ আছে বুলি কালিকাপুৰাণত উল্লেখ আছে। ৰজা ভগদত্তই মহাভাৰতৰ কুৰুক্ষেত্ৰৰ ৰণত কৌৰৱৰ পক্ষত অংশ লৈছিল।





নীলাচল পাহাৰৰ দক্ষিণ দিশত পাণ্ডুনাথ নামে দেৱালয়ত পাণ্ডৱ সকলে প্ৰতিষ্ঠা কৰা দেৱমূৰ্ত্তি আছে বুলি যোগীনিতন্ত্ৰত কোৱা হৈছে। দেৱালৰ গাওঁৰ নাম 'পাণ্ডুনাথ' বা 'পাণ্ডু' কামাখ্যা মন্দিৰ নীলাচল পাহাৰত অৱস্থিত। হিন্দুসকলৰ পবিত্ৰ তীৰ্থস্থান। ভাষাতাত্বিক ব্যাখ্যানুসৰি কামাখ্যা শব্দটো 'অষ্ট্ৰিক' ভাষাৰ শব্দ। অসমৰ পুৰণী বাসিন্দা খাচীসকল 'অষ্ট্ৰিক' গোষ্ঠিৰ লোক। এওঁসোকে কামাখ্যা শব্দটো 'কা মেইখা' বুলিছিল। 'কা' মানে নাৰী আৰু 'মেইখা' হ'ল যি গ্ৰহণকৰে। খাচীসকলে মাতৃ উপাসনা কৰিছিল। এওঁলোকৰ বৰ্ত্তমান সমাজখন মাতৃপ্ৰধান।

উমানন্দ দেৱালয় ব্ৰহ্মপুত্ৰ বুকুত এটি সৰু পাহাৰত অৱস্থিত। ইয়াক বৰ্তমান ময়ূৰ দ্বীপ (Pecock Island) বুলি জনা যায়। প্ৰবাদ আছে অসমৰ আদিবাসী সকলে পুৰুষ শক্তিৰ প্ৰতীকক পূজা কৰিছিল। এই প্ৰতীকৰ নম 'উমেই লুদেই ফিয়া'। ভাষাতত্বৰ বিশ্লেষণ মতে 'উদ পুংশক্তিৰ প্ৰতীক, 'মেই' মা বা আই, লুদেই পুলঙ্গি আৰু ফিয়া বা ফা মানে ইশ্বৰ। কালক্ৰমত 'উমালুদাফা' অপ্ৰভ্ৰংশ হৈ উমানন্দ হল বুলি ভবা হৈছে। সোতৰ শতিকাত এই মন্দিৰ স্বৰ্গদেৱ গদাধৰ সিংহৰ নিৰ্দ্দেশত নতুনকৈ নিৰ্মান কৰা হৈছিল আৰু স্বৰ্গদেৱ শিৱসিংহই অনাদি শিৱলিংঙ্গ প্ৰতিষ্ঠা কৰি ৰূপৰ বৃষভ, দশভূজাৰ মুৰ্ত্তি নিৰ্মান কৰিছিল বুলি ইতিহাসত আছে।

বশিষ্ঠ মন্দিৰ আৰ্য্য অনাৰ্য্য ৰ তীৰ্থস্থান। প্ৰবাদ আছে বশিষ্ঠ মুনিয়ে কামাখ্যা দৰ্শনৰ বাবে আহি কামৰূপৰ সেইসময়ৰ ৰজা নৰকৰ অনুমতি নোপোৱাত 'নৰক' নিধন হোৱালৈ বাট চাই এই আশ্ৰম স্থাপন কৰে। সন্ধ্যা, ললিতা কান্তা এই তিনি জলধাৰা মুনিদেৱৰ কন্যা আছিল বুলি পুৰুনী পুথিত আছে। ইয়াত থকা শিৱ মন্দিৰটো স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ দিনত পুনৰ নিৰ্মান হয়।

ব্ৰহ্মপুত্ৰ ঐতিহাসিক যুগে ঢুকি নোপোৱা চিৰপ্ৰবাহিত নদ। একমাত্ৰ পুৰণি নদ। তিবৃতৰ দক্ষিণৰ চেমা-যুংদুং হিমাবাহৰ পৰা চাং পো নাম লৈ অনেক দুৰ্গমিপথ এতিক্ৰম কৰি অৰুনাচলত চিয়াং দিহাং নাম লৈ অসমৰ লোহিতনদীত মিলি শেষত অসম উপত্যকাৰ মাজেৰে দীঘলীয়া যাত্ৰাৰে বিভিন্ন চহৰ গ্ৰাম স্পৰ্শ কৰি পূৰ্ব্বঙ্গ বৰ্তমান বাংলাদেশত প্ৰবেশ কৰে। হিমালয়ৰ পৰা উৎপত্তি হোৱা কেইবাখনো নদীৰ লগলাগি বিভিন্ন নাম লৈ বঙ্গোপ সাগৰত মিলিত হয়। ব্ৰহ্মপুত্ৰৰ মুঠ দৈৰ্ঘ ২৭০০ কিলো মিটাৰ। ব্ৰহ্মপুত্ৰৰ সকলো ঠাইতে প্ৰস্থ সমান নহয়। মাজুলী, ব্ৰহ্মপুত্ৰৰ বুকুত অৱস্থিত বিশ্বৰ সৰ্ববৃহৎ নদীদ্বীপ।

পুথিত উল্লেখ থকাৰ উপৰি বুৰঞ্জীবিদ সকলে ধাৰনা কৰে ব্ৰহ্মাৰ পুত্ৰ হোৱা বাবে এই নদৰ নাম ব্ৰহ্মপুত্ৰ। মহাভাৰত, পুৰাণত লুহিত বা লৌহিত্য বুলিছিল। ডিমাছা সকলে ডিলাও অৰ্থাৎ দীঘল নদী বুলিছিল। চিংফৌ আৰু মিচিমি ভাষাত 'টালুক' বুলিছিল।

মাজুলী নামৰ অৰ্থ মা মানে লক্ষ্মী জুলিৰ অৰ্থ জল। সত্ৰীয়া সংস্কৃতি, বৈষ্ণৱধৰ্ম, বিভিন্ন কুটীৰ শিল্পজাত সামগ্ৰীৰ উৎপাদনস্থলী, পৰ্যটণ উদ্যোগৰ উপযুক্ত পৰিবেশেৰে ভৰপুৰ মাজুলী ব্ৰহ্মপুত্ৰৰ খহনীয়াত বিধস্ত এশএবুৰি সমস্যাৰে জৰ্জ্জৰিত। অসমৰ সাহিত্য ক'লা সংস্কৃতিৰ প্ৰানকেন্দ্ৰ মাজুলীৰ খহনীয়াৰ ফলত বৰ্তমান ভূমিস্বত্তৰ আকাৰ এটা শিলিঘা দৰে হৈছেগৈ। ইয়াৰ প্ৰধান নদী টুনী।

গুৱাহাটী শিলিখা প্ৰধান চহৰ। বুৰঞ্জীবিদ সকলে শব্দৰ উৎপত্তি সম্পৰ্কে কেইটাও মত পোষণ কৰিছে। ' গুৱা' শব্দৰ অৰ্থ তামোল আৰু হাটী মানে শাৰী। শাৰী শাৰী তামোল গছেৰে ভৰা ঠাই। বড়োভাষাত গয়হায়শব্দৰ পৰা গুৱাহাটী শব্দ আহিছে। বড়োভাষাত 'গয়া' মানে তামোল আৰু হাযায়' মানে হাট, বজাৰ।

উত্তৰ গুৱাহাটীৰ পুৰুনী নাম 'দুৰ্জ্জয়া, নগৰ। বুৰঞ্জীবিদ সকলে কয়, এসময়ত এই ঠাই পালবংশৰ ৰজাসকলৰ ৰাজধানী আছিল। ইয়াত বহুতো প্ৰাচীন যুগৰ মঠমন্দিৰ আছে। ইয়াত থকা মণিকৰ্নেশ্বৰ পাহাৰৰ নাম 'চাহবুৰজ পাহাৰ'।

'আমিন' গাওঁ শব্দটো আৰবী শব্দ। মুছলমানৰ আক্ৰমনৰ সময়ত 'আমিন পদবীধাৰি' কৰ্মচাৰী সকলক মাটি জৰীপৰ বাবে এই স্থানতে ৰখা হৈছিল।

বুৰঞ্জীত উল্লেখিত আছে 'শৰাইঘাট' শব্দটো প্ৰকৃততে 'খড়াঘাট' শব্দৰ পৰা হৈছে। ব্ৰহ্মপুত্ৰ ঘাটলৈ যাওঁতে বাটতে এটা খড়া (পানী হোলা) পাৰ হৈ ঘাট পায়। 'খড়াঘাট' মুখ বাগৰি 'শৰাইঘাট' হয় বুলি ধাৰনা কৰিছে। আগিয়াঠুৰী পাহাৰৰ প্ৰাচীন নাম অগ্নিপাহাৰ। এই পাহাৰত প্ৰাচীন কালত মাজেমাজে হেনো জুই জ্বলিছিল। পাহাৰখনৰ আগটো ব্ৰহ্মপুত্ৰ ফালে আগুৱাই জোঙা হৈ আছিল বাবে আগিয়াঠুটী বুলিছিল বৰ্তমানে আগিয়াঠুৰী হলগৈ। 'ইটাখুলি' পাহাৰ বৰ্ত্তমান পানবজাৰ নদীৰ ফালে অৱস্থিত। শুক্ৰেশ্বৰ শিৱমন্দিৰ অৱস্থিত এই পাহাৰতে মোগল সেনাই অসম আক্ৰমন কালত অস্ত্ৰশস্ত্ৰ আৰু খাদ্যসামগ্ৰী মজুত ৰাখিছিল বুলিও অসমবুৰঞ্জীয়ে কয়। শৰাইঘাটৰ ৰণত অসমীয়া সেনাই মহাবীৰ লাচিত বৰফুকনৰ নেতৃত্বত মোগলৰ শিবিৰ আক্ৰমন কৰি ইটাখুলি দূৰ্গ অধিকাৰ কৰিছিল।

'আজাৰা' গুৱাহাটীৰ পশ্চিমত। অতীতত এই স্থানক 'হাজাৰা' বুলিছিল। ৰাভাভাষাত 'হা' মানে ভূমি 'জাৰা' মানে, জন্ম হোৱা। ৰাভাভাষাত জন্মভূমি।

'হাজো' নাম সম্পৰ্কে বহুত প্ৰবাদ আছে। এসময়ত মেছৰজা 'হাজু' বা 'হজ' ৰ ৰাজধানী আছিল। বড়ো ভাষাত 'হা' মানে মাটি গজৌ মানে ওখঠাইক বুজাই। হাজোত হয়গ্ৰীৱ মাধৱ মন্দিৰ অতি প্ৰাচীন দেৱালয়। এসমত বুদ্ধদেৱৰ

শিষ্যসকলে এইস্থানত প্ৰাৰ্থনা কৰিছিল। তেওঁলোকে বুদ্ধদেৱৰ মহা প্ৰয়ানত 'হে অস্ত্ৰু' অৰ্থাৎ সূৰ্য ডুব গল বুলি চিঞৰিছিল। তাৰ পৰাই হাজো শব্দৰ উৎপত্তি। মুছলমান সকলে পোৱামক্কা থকা বাবে 'হজ'ৰ তুল্য বাবে এইস্থানৰ নাম হাজো।

দিচপুৰ নাম পূৰ্ব্বতে হেনো 'তিচপুৰ' আছিল। 'তিচ' শব্দ 'থিচ' শব্দৰ পৰা অহা। 'থিচ' মানে কিৰাট সকল। গণেশগুৰি পাহাৰৰ নামনিত ৰজা ভগদত্ত বিৰাট সৈন্য বাহিনীৰ বাসস্থান আছিল। 'তিচপুৰ' মুখ বাগৰি 'দিচপুৰ' হোৱা বুলি বুৰঞ্জী বিদ সকলে ধাৰণা কৰিছে।

বৰ্ত্তমানৰ বেলতলাৰ প্ৰাচীন নাম 'মৈবাংক'। কামৰূপৰ প্ৰথম ৰজা মহীৰঙ্গদানৰ ৰাজধানী আছিল। কোচবংশৰ এটা ফৈদে পিছত ৰাজধানী পাতিছিল। এই অঞ্চলত এসময়ত বহুত বেলগছ আছিল বুলি প্ৰবাদ আছে।

অসমৰ বিভিন্ন ঠাইত বুৰঞ্জীৰ বহু গুৰুত্বপূৰ্ণ তথ্য কাহিনী লুকাই আছে সেইবাবে নৱপ্ৰজন্মই জানিবলৈ প্ৰয়াস কৰিলে বহু প্ৰেৰণা পাব দেশ উপকৃত হব।


সহায়ক গ্ৰন্থপঞ্জী

১। অসমৰ ঠাইৰ নামৰ ইতিহাস শ্ৰী হৰিন্দ্ৰ মোহন পাঠক

২। Internet

৩। অসম বুৰঞ্জী - শ্ৰী লীলা গগৈ

৪। অসমবুৰঞ্জী - পদ্মনাথ গোহাঁই বৰুৱা

৫। পদ্মপুৰান - শ্ৰীনবীন শৰ্মা

৬। সাহিত্যত ব্ৰহ্মপুত্ৰ - ড° বীনা চৌধুৰী (অসম প্ৰকাশন পৰিষদ, গুৱাহাটী)


************

## মহৎ লোকৰ বাণী


প্ৰিয়ংকা দেউৰী
স্নাতক প্ৰথম বৰ্ষ


আমি চৰাইৰ দৰে উৰিবলৈ শিকিছো, মাছৰ দৰে সাতুৰিব শিকিছো, কিন্তু এখন পৃথিবীত ভ্ৰাতৃৰ দৰে বাস কৰিবলৈ শিকা নাই।।

— মাৰ্টিন লুথাৰ।

জীৱনত প্ৰকৃতভাৱে জীয়াই থাকিবলৈ সৎ সাহসৰ প্ৰয়োজন।

— আব্ৰাহাম লিংকন।

সফল মানুহ হোৱাতকৈ গুণী মানুহ হ'বলৈ চেষ্টা কৰা ভাল।

— এলবাৰ্ট আইনষ্টাইন।

যি মানুহৰ শিক্ষা নাই তেওঁ শুকান কাঠৰ নিচিনা।

— হজৰত মহম্মদ

নিজকে জ্ঞানি বুলি ভবাজনেই আটাইতকৈ মূৰ্খ।

— ভল্টেয়াৰ





# প্ৰবন্ধ



# জানানে?

ড° প্ৰণীতা শৰ্মা
মুৰব্বী অধ্যাপিকা
দৰ্শন বিভাগ

ছাত্ৰ-ছাত্ৰী সকল, তোমালোকৰ আগত জাতিৰ পিতা মহাত্মা গান্ধীৰ বিষয়ে কিছুমান তথ্য দাঙি ধৰিলো। আশাকৰো তোমালোকে মনোযোগেৰে পঢ়িবা আৰু জানিবা।

১। মহাত্মা গান্ধীৰ কেতিয়া আৰু ক'ত জন্ম হয়?
উঃ ১৮৬৯ চনৰ ২ অক্টোবৰত গুজৰাটৰ পোৰবন্দৰত জন্ম হয়।

২। মহাত্মা গান্ধীৰ আচল নামটো কি?
উঃ মোহনদাস কৰমচাঁদ গান্ধী।

৩। মহাত্মা গান্ধীৰ পিতৃৰ নাম কি?
উঃ কৰমচাঁদ গান্ধী ওৰফে কাবা গান্ধী।

৪। মহাত্মা গান্ধীৰ মাতৃৰ নাম কি?
উঃ পুতুলী বাঈ।

৫। মহাত্মা গান্ধীৰ সহধৰ্মিনীৰ নাম কি?
উঃ কস্তুৰী বাঈ।

৬। মহাত্মা গান্ধীৰ বিবাহ কিমান বছৰত হৈছিল?
উঃ ১৩ বছৰ।

৭। গান্ধীৰ মতে বৈবাহিক জীৱনৰ উদ্দেশ্য কি?
উঃ আধ্যাত্মিক প্ৰেমৰ শিক্ষা দিয়া আৰু স্বামী-স্ত্ৰীৰ মাজত সহযোগ আৰু ঐক্যৰ সম্পৰ্ক ৰক্ষা কৰা।

৮। 'মহাত্মা' উপাধি মহাত্মা গান্ধীক কোনে দিছিল?
উঃ ৰবীন্দ্ৰনাথ ঠাকুৰে।

৯। কোন চনত মহাত্মা গান্ধীয়ে আইন পঢ়িবৰ কাৰণে ইংলণ্ডলৈ যাত্ৰা কৰিছিল?
উঃ ১৮৮৮ চনত।

১০। গান্ধীয়ে আইন পঢ়িবৰ বাবে বিলাতলৈ যোৱাৰ সময়ত মাকৰ আগত কৰা তিনিটা প্ৰতিজ্ঞা কি কি?
উঃ ক) মদ খ) নাৰী আৰু গ) মাংস স্পৰ্শ নকৰে।

১১। গান্ধীয়ে থকা আশ্ৰমখনৰ নাম কি?
উঃ গুজৰাটত অৱস্থিত সবৰমতি আশ্ৰম।

১২। মহাত্মা গান্ধীয়ে হিন্দু ধৰ্মৰ আটাইতকৈ গুৰুতৰ কলংক কি বুলি ভাবে?
উঃ অস্পৃশ্যতা।







১৩। মহাত্মা গান্ধীয়ে কোন চনত ভাৰত ত্যাগ আন্দোলন (Quit India) আহ্বান কৰিছিল?
উঃ ১৯৪২ চনত।

১৪। গান্ধীৰ একাদশ ব্ৰত কেইটা কি কি?
উঃ সত্য, অহিংসা, ব্ৰহ্মচৰ্য, অপৰিগ্ৰহ, অস্তেয়, শৰীৰ শ্ৰম, আস্বাদ, সৰ্বত্ৰ ভয় বৰ্জন, সৰ্ব ধৰ্ম সমানতা, স্পৰ্শ ভাৱনা আৰু স্বদেশী।

১৫। গান্ধীৰ মতে শ্ৰেষ্ঠ চৰকাৰ কোনখন?
উঃ 'যিখন চৰকাৰে কম শাসন কৰে, সেইখনেই শ্ৰেষ্ঠ' (That Government is the bestwhich governs least)

১৬। গান্ধীৰ মতে সত্য কি?
উঃ সত্য হ'ল পৰিণতি। (Truth is the end) সত্য উদ্‌ঘাটন কৰাই গান্ধীৰ প্ৰধান উদ্দেশ্য আছিল। সত্যই পৰম ধৰ্ম। (সত্য কিতাপত পঢ়িবলৈ পোৱা নাযায়। সত্যক উপলব্ধিহে কৰিব পাৰি)

১৭। গান্ধীৰ মতে অহিংসা কি?
উঃ অহিংসা হ'ল সত্য লাভৰ এটা উপায়। গান্ধীৰ মতে অহিংসা এনে এটা পন্থা যিয়ে বিশ্বত শান্তি আনিব পাৰে।

১৮। গান্ধীয়ে কেতিয়া দেশবাসীক Rowlatt Bill ৰোধ কৰিবৰ বাবে ধৰ্মঘট কৰিবলৈ আহ্বান কৰিছিল?
উঃ ১৯১৯ চনৰ ৬ এপ্ৰিলৰ দিনা। (প্ৰথম বিশ্বযুদ্ধৰ পিচত ইংৰাজ চৰকাৰে ভাৰতত দমন নীতি অধিক কঠোৰ কৰাৰ চেষ্টা কৰিছিল আৰু বিধান সভাত উত্থাপিত হৈছিল। এনে অন্যায় প্ৰস্তাৱত দেশৰ জনসাধাৰণ স্বাভাৱিকতে ক্ষুব্ধ হৈছিল আৰু গান্ধীয়ে তেতিয়া এই বিলৰ বিৰুদ্ধে সমগ্ৰ দেশবাসীক ধৰ্মঘট কৰিবলৈ আহ্বান জনাইছিল)।

১৯। সত্যাগ্ৰহ মানে কি?
উঃ মোহনদাস কৰমচাঁদ গান্ধীয়ে দক্ষিণ আফ্ৰিকাত ইংৰাজৰ শোষণৰ বলি হোৱা ভাৰতীয় সকলৰ নিম্নতম মৰ্যাদা আৰু মানৱ অধিকাৰৰ দাবীত যি আন্দোলন গঢ় দিছিল তাক তেওঁ 'সত্যাগ্ৰহ' নাম দিছিল।
সত্যাগ্ৰহ শব্দটো দুটা শব্দ লগ লগাই গঠন কৰা হৈছে। 'সত্য' আৰু 'আগ্ৰহ'। সত্য শব্দৰ উৎপত্তি হৈছে সংস্কৃত 'সৎ' শব্দৰ পৰা। সৎ শব্দৰ অৰ্থ হৈছে স্বতন্ত্ৰভাৱে অস্তিত্বশীল সত্বা। সত্যই একমাত্ৰ সৎ বা অস্তিত্বশীল। সত্যই ঈশ্বৰ। 'আগ্ৰহ' শব্দৰ অৰ্থ হৈছে অটল থকা। গতিকে সত্যাগ্ৰহৰ অৰ্থ হ'ল সত্যৰ প্ৰতি আগ্ৰহ বা সত্যত অটল থকা।

২০। ভাৰতবৰ্ষত পোন প্ৰথমবাৰৰ বাবে কেতিয়া আৰু ক'ত সত্যাগ্ৰহ আন্দোলন কৰা হৈছিল?
উঃ ১৯১৭ চনত বিহাৰৰ চম্পাৰণত গান্ধীৰ নেতৃত্বত আৰম্ভ কৰা হৈছিল।

২১। গান্ধীয়ে সত্যাগ্ৰহীৰ ক্ষেত্ৰত কেইটামান থাকিবলগীয়া গুণৰ বিষয়ে উল্লেখ কৰিছে। সেইকেইটা কি কি?
উঃ ক) সত্যাগ্ৰহীজন সত্য আৰু অহিংসাৰ নিঃস্বাৰ্থ সেৱক হ'ব লাগিব।
খ) তেওঁ সৎ আৰু নিষ্ঠাবান হ'ব লাগিব।
গ) তেওঁ দয়ালু আৰু জ্ঞানী হ'ব লাগিব।
ঘ) সত্যাগ্ৰহীৰ কাৰ্য আৰু আচৰণত সঙ্গতি থাকিব লাগিব।
ঙ) সত্যাগ্ৰহ আইনৰ প্ৰতি অনুগত হ'ব লাগিব।
চ) তেওঁ ভয়শূণ্য অৰ্থাৎ মৃত্যু পৰ্যন্ত ভয় শূণ্য হ'ব লাগিব।

ছ) ভুল হ'লে সত্যাগ্ৰহীয়ে তাক মানি লৈ সংশোধন কৰিবলৈ প্ৰস্তুত থাকিব লাগিব।

জ) তেওঁ ধৈৰ্য্যশীল হ'ব লাগিব।

ঝ) তেওঁৰ নাগৰিকত্ব জ্ঞান থাকিব লাগিব।

ঞ) সৰল আৰু সহিষ্ণু স্বভাৱৰ হ'ব লাগিব।

ট) একাদশ ব্ৰত পালন কৰিব লাগিব।

ঠ) ঈশ্বৰৰ ওপৰত বিশ্বাস থাকিব লাগিব।

ড) সত্যাগ্ৰহত কাকো শত্ৰু বুলি ধৰা নহয়। মাত্ৰ 'বিৰোধী' বুলিহে ধৰা হয়।

২২। সত্যাগ্ৰহ কৰাৰ উপায় সম্পৰ্কে গান্ধীৰ মূল কাৰ্যপন্থা সমূহ কি কি?

উঃ ক) অসহযোগ, খ) অনশন, গ) হৰতাল, ঘ) পিকেটিং
ঙ) আইন অমান্য চ) ধৰ্মঘট ইত্যাদি।

২৩। সৰ্বোদয়ৰ অৰ্থ কি?

উঃ সকলোৰে কল্যাণ বা উন্নতিক বুজায়। সৰ্বোদয় = সৰ্ব + উদয়। সৰ্ব মানে সকলো আৰু উদয় মানে উন্নতি।

২৪। গান্ধীৰ মতে 'ৰাম' মানে কি?

উঃ গান্ধীৰ সৰু কালছোৱাত গান্ধীক পৰিচৰ্যা কৰা ৰম্ভা নামৰ কাম কৰা মানুহ গৰাকীয়ে গান্ধীক ভয় লাগিলে 'ৰাম নাম' ক'বলৈ শিকাইছিল আৰু পিচৰ জীৱনতো এই ৰাম-নামটো গান্ধীৰ মনত সাঁচ বহিছিল। Ramanama to Gandhi was the symbol of the inner strengths. For Gandhi Rama is God, or Truth or Allah or Khuda etc. and this one name i.e. Rama always saved him in his trouble and helpless and darkest period.

২৫। গান্ধীৰ মতে স্বদেশী মানে কি?

উঃ স্বদেশীৰ অৰ্থ হ'ল দেশীয় বস্তুৰ প্ৰতি থকা আগ্ৰহ আৰু আকৰ্ষণ। বিদেশী বস্তুৰ গুণ ভাল হ'লেও সি যদি আমাৰ আৰ্থিক উন্নতিত ব্যাঘাত জন্মায় তেন্তে গান্ধীয়ে সেই বস্তুবোৰ আমদানি কৰিবলৈ মানা কৰিছিল। গান্ধীয়ে জাপান বা ইংলণ্ডত কটন কাপোৰ কিনিবলৈ মানা কৰিছিল।

২৬। গান্ধীয়ে খাদী, যঁতৰ ইত্যাদি কি অৰ্থত ব্যৱহাৰ কৰিছিল?

উঃ Gandhi advocated the Khadi and Village Industries for the upliftment of the rural masses. For him, khadi represents the symbol of economic freedom and equality. গান্ধীৰ প্ৰধান উদ্দেশ্য আছিল যঁতৰত সূতা কাটি নিজ হাতেৰে বনাই লোৱা খদ্দৰ কাপোৰ ব্যৱহাৰ কৰা। কিয়নো এয়া অকল ভাৰতবৰ্ষতহে উৎপন্ন কৰা হৈছিল।

২৭। দাণ্ডি মাৰ্চ মানে কি?

উঃ মহাত্মা গান্ধীয়ে ৭৮ জন ভলন্টিয়াৰ লৈ Salt March কৰিছিল। The March was over 24 miles from Gandhiji's Ashram Sasbarmati to the Gujrajt coastal towards of Dandi. The volunteer walked for 24 days, about ten miles a day. এই Dandi March ৰ দ্বাৰা গান্ধীৰ নেতৃত্বত ভাৰতীয়ই British law. i.e. manufacturing salt by boiling sea water উলংঘন কৰিছিল।





২৮। গান্ধীয়ে হৰিজন কাক কৈছিল?

উঃ সমাজত যিবোৰ ব্যক্তিয়ে আবৰ্জনা আৰু ময়লা আদি চাফা কৰে, গান্ধীয়ে সেই শ্ৰেণীক 'হৰিজন' নাম দি শ্ৰমৰ মৰ্যাদা দিছিল। তেওঁৰ মতে কামৰ কোনো উচ্চ-নীচ নাই। সকলো কামৰেই মৰ্যাদা আছে।

২৯। গান্ধীয়ে আটাইতকৈ দীঘলীয়া অনশন কেতিয়া কৰিছিল আৰু এই অনশন কিমান দিনৰ আছিল?

উঃ ভাৰতবৰ্ষ স্বাধীনতা পোৱাৰ পিচত ভাৰতবৰ্ষ দুটা ভাগত বিভক্ত হয়— ভাৰতবৰ্ষ আৰু পাকিস্তান। এই বিভাজনে গান্ধীৰ অন্তৰত যথেষ্ট আঘাট দিছিল। সেই সময়ত গান্ধীয়ে হিন্দু আৰু মুছলমানৰ মাজত ঐক্য স্থাপনৰ কাৰণে অনশন কৰিছিল। এই অনশন ২১ দিনৰ অনশন আছিল আৰু তেওঁৰ আটাইতকৈ দীঘলীয়া অনশন আছিল।

৩০। গান্ধীয়ে কি শিক্ষাৰ ওপৰত গুৰুত্ব দিছিল আৰু কিয়?

উঃ গান্ধীয়ে বুনিয়াদী শিক্ষাৰ ওপৰত গুৰুত্ব দিছিল। কিয়নো উচ্চ শিক্ষা লৈয়ো যদি এজন ব্যক্তিয়ে নিজৰ দেশৰ বাবে চিন্তা নকৰে, উন্নতিৰ বাবে নেভাবে, সেই উচ্চ শিক্ষাৰ মূল্য নাই।

৩১। গান্ধীয়ে এটম বোমাৰ বিষয়ে কি কৈছিল?

উঃ Regarding Atom Bomb Gandhi observed "Non-violences is the only thing that the atom bomb cannot destroy. I did not move a muscle when I first heard that the atom bomb had wiped out Hiroshima. On the contrary, I said to myself 'unless now the world adopts non-violence it will spell certain suicide for mankind."

৩২। গান্ধীৰ কেতিয়া মৃত্যু হৈছিল?

উঃ ১৯৪৮ চনৰ ৩০ জানুৱাৰীত নাথুৰাম গডচে গান্ধীক গুলিয়াই হত্যা কৰে। গান্ধীৰ দেহত তিনিটা গুলী নিক্ষেপ কৰা হৈছিল।

******

## জানিব লগীয়া কথা

কৰবী দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

১। তিনিজনক সদায় ভক্তি কৰিবা — পিতা, মাতা আৰু গুৰুজন
২। তিনিজনক বাধা নিদিবা — যিয়ে ভিক্ষা কৰে, যিয়ে দেশ সেৱা কৰে, যিয়ে পিতৃ-মাতৃক সেৱা কৰে।
৩। তিনিজনৰ সংগ ত্যাগ কৰা — জুৱাৰী, মদাহী, ব্যভিচাৰী
৪। তিনিটা বস্তুৰ পৰা মুচি পেলোৱা — লোহ, মোহ, আৰু অহংকাৰ
৫। তিনিটা বস্তু নাচাবা — নিজৰগুণ, আনৰ দোষ, দুষ্টৰ মহত্ব

# নাৰীবাদ আৰু কিছু প্ৰাসংগিক চিন্তা

ড° মামনি কলিতা
সহকাৰী অধ্যাপিকা,
দৰ্শন বিভাগ

নেপোলিয়ন বোনাপাৰ্টে কৈছিল- "Give me some good mothers, I shall give you a good nation" - এই কথাষাৰিৰ জৰিয়তে বৰ্তমান সমাজত নাৰী এগৰাকীৰ গুৰুত্ব কিমান তাক অনুমান কৰিব পাৰি। সমাজ এখন পৰিবৰ্তনৰ ক্ষেত্ৰত নাইবা ঘৰ এখন সুশৃংখল কৰাৰ ক্ষেত্ৰত নাৰী এগৰাকীৰ ভূমিকা অপৰিসীম। নাৰী এগৰাকীয়ে সমাজত মাতৃ হিচাবে সন্তান জন্ম দি ডাঙৰ দীঘল কৰি সুপ্ৰতিষ্ঠিত কৰি গঢ়ি তুলিবলৈ অশেষ কষ্ট কৰে। পত্নী হিচাবেও এগৰাকী নাৰীয়ে স্বামীক সহায়-সহযোগ কৰি এখন সুস্থ ঘৰ গঢ়ি তুলিবলৈ প্ৰয়াস কৰে। মুঠতে সমাজ এখন নাইবা ঘৰ এখন নাৰী এগৰাকী অবিহনে কেতিয়াও অগ্ৰগতিৰ দিশে আগবাঢ়িব নোৱাৰে।

ইমানখিনি অৱদান থকা সত্বেও সমাজত নাৰী আজি কিছুমান ক্ষেত্ৰত পদে পদে লাঞ্ছিতা হোৱাৰ উপক্ৰম হৈছে। বৰ্তমান সমাজত নাৰী আজি সুৰক্ষিত নহয়। নাৰী নিৰ্যাতন এটা নিত্যনৈমিত্তিক ঘটনাত পৰিণত হৈছে। ইয়াৰোপৰি কন্যা সন্তানৰ ভ্ৰূণ হত্যা, বাল্য বিবাহ, যৌতুক জনিত অত্যাচাৰ, ইত্যাদিৰ জৰিয়তে বহুতো নাৰীক মৃত্যু মুখলৈ ঠেলি দিয়া হৈছে। অৱশ্যে নাৰীৰ আজিৰ সমস্যাসমূহ পৰ্যালোচনা কৰিবলৈ আমি ইতিহাসৰ পাত লুটিয়াই চাব লাগিব।

ভাৰতীয় দৰ্শন অনুসাৰে নাৰীয়ে চিৰদিন পুৰুষৰ অধীন হৈ চলিব লাগে। হিন্দু শাস্ত্ৰত কোৱাৰ দৰে নাৰী প্ৰথমে পিতৃৰ বশ, তাৰ পিছত স্বামীৰ বশ আৰু সৰ্বশেষত পুত্ৰৰ বশ। দেখা যায় যে পৃথিৱীৰ প্ৰায় সকলো প্ৰধান ধৰ্মই কম বেছি পৰিমাণে নাৰীক হেয় প্ৰতিপন্ন কৰে। ভাৰতীয় দৰ্শনত 'মনু সংহিতা'ৰ প্ৰণেতা মনু হৈছে নাৰীক বশ কৰি ৰখাৰ মুখ্য হোতা। তেওঁৰ মতে কোনো কালে নাৰী নহয় স্বতন্ত্ৰ। তেওঁ কয় যে জন্মৰ পৰা মৰণলৈকে নাৰী এগৰাকী আনৰ ওপৰত নিৰ্ভৰশীল। মনুৱে বাল্যবিবাহৰো বিধান দিছিল। তেওঁৰ মতে, আঠৰ পৰা দহ বছৰৰ ভিতৰত ছোৱালীৰ বিবাহ হবই লাগিব। পিতৃ গৃহত যদি কন্যাকাল লভে অৰ্থাৎ পুষ্পিতা হয় তেন্তে সেই পৰিয়ালটো শাওঁপাত নামি আহিব (মনু সংহিতা)। মহাকাব্যৰ যুগতো অবিবাহিতা নাৰীক অসংস্কৃতা আখ্যা দিয়া হৈছিল আৰু নাৰীসকলক ইচ্ছাৰ বিপৰীতে বিভিন্ন কাম কৰিবলৈ বাধ্য কৰাইছিল। উদাহৰণস্বৰূপে, পুত্ৰ সন্তানৰ বাবে পাণ্ডুৱে কুন্তীক বাধ্য কৰাইছিল দেৱতাৰ ঔৰসত পুত্ৰ সন্তানক জন্ম দিবলৈ। ইচ্ছা থাকিলে ধৃতৰাষ্ট্ৰই গান্ধাৰীক স্বগৃহত ইচ্ছাকৃত অন্ধতাৰ পৰা মুক্তি দিব পাৰিলেহেঁতেন। পিতৃসম পুৰুষসকলৰ নিৰৱ ভূমিকাৰ কাৰণে কৌৰৱৰ ৰাজসভাত নিৰ্যাতিত দ্ৰৌপদীৰ কণ্ঠস্বৰো অৱশেষত নিৰৱ হৈ গৈছিল। ইয়াৰ পিছত গুপ্ত যুগতো শকুন্তলাই হৈছে পতি দুষ্যন্তৰ দ্বাৰা নিৰ্যাতিত আৰু পৰিত্যক্তা। মধ্যযুগতো নাৰীৰ দশা হ'ল এখন খেতি পথাৰৰ দৰে, একমাত্ৰ সন্তান উৎপাদনৰ আহিলা হিচাবেহে। এই যুগত 'স্ত্ৰী বুদ্ধি প্ৰলয়ংকাৰী' 'পথে নাৰী বিবৰ্জিতা' আদি প্ৰবচনবোৰৰ দ্বাৰা নাৰীক সামাজিক ভাৱে তুচ্ছ তাচ্ছিল্য কৰা হৈছিল। ইয়াৰ পিছত 'সতী যোৱা' প্ৰথাৰ প্ৰচলন হৈছিল।



অৱশ্যে বৈদিক যুগত গাৰ্গী, অপলা, লোপামুদ্ৰা, শাশ্বতী, আত্ৰেয়ী, মৈত্ৰেয়ী আদি নাৰীসকল তেওঁলোকক আকৰ্ষণীয় ব্যক্তিত্বৰ বাবে চৰ্চিত হৈছিল। ঋগবেদৰ বহু অংশ নাৰীয়ে ৰচনা কৰিছিল বুলি জনা যায়। উপনিষদৰ যুগত মৈত্ৰীয়ে দৰ্শন শাস্ত্ৰত, গাৰ্গীয়ে দাৰ্শনিক আৰু ভাষাবিদ আৰু অগস্ত্য মুনিৰ আশ্ৰমত শিক্ষা লাভ কৰিছিল। নাৰীয়ে নিজৰ মনোমত স্বামী বৰণ কৰিব পাৰিছিল, বেদাদি আদি অধ্যয়ন কৰাৰ উপৰিও পুৰুষৰ সৈতে বিতৰ্কত





ভাগ লৈছিল, যাগযজ্ঞত বহিছিল আৰু একেলগ হৈ ভোজন কৰিছিল। আনকি বিবাহিতা স্ত্ৰী নহ'লে যজ্ঞ ও সম্পূৰ্ণ নহৈছিল। বৌদ্ধ যুগতো সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ ফলত নাৰীৰ মৰ্যদা কিছু নিম্নগামী হ'লেও বিজয়ংকা, সংঘমিত্ৰা আদি মহিয়সী নাৰীসকল নিজৰ প্ৰতিভাৰ দ্বাৰা সমাজত বিখ্যাত হৈ পৰিছিল।

মহাত্মা গান্ধীৰ মতে পত্নী স্বামীৰ দাসী নহয় স্বামীৰ লগৰী, আদ্ধাঙ্গিণী, সহকাৰ্মী আৰু বন্ধু। সমান স্বত্ব আৰু সমান কৰ্তব্যৰে পত্নী স্বামীৰ অংশীদাৰ স্বৰূপ। দুয়োজনৰে কাৰণে দুয়োজনৰ কৰ্তব্য সমানেই। ঈশ্বৰৰ মহত্তম সৃষ্টি নাৰীক কামনাৰ সম্পদ কৰি তললৈ নামি যোৱাতকৈ পুৰুষজাতি নিঃশেষ হৈ যোৱা চাবলৈকে ভাল পাম বুলি তেওঁ মন্তব্য কৰিছিল।

পাশ্চাত্য দৰ্শনতো নাৰীবাদৰ প্ৰভাৱ পৰিছিল। দাৰ্শনিক জন ষ্টুমাৰ্ট মিলে তেওঁৰ "The Subjection of Women" (1869) নামৰ গ্ৰন্থখনত কৈছে যে ব্যক্তি স্বাধীনতা অবিহনে সমাজৰ উন্নতি নহয় আৰু পুৰুষৰ দৰে নাৰীৰো একেই আইনগত অধিকাৰ থাকিব লাগে বুলি বলিষ্ঠ যুক্তি আগবঢ়াইছিল। উনবিংশ শতিকাৰ চিন্তাবিদ তথা দাৰ্শনিক কাৰ্লমাক্সৰ সমাজবাদী ধাৰণাত সমাজৰ শোষিত, নিষ্পেষিত শ্ৰেণীটোৰ মুক্তিৰ লগত নাৰীমুক্তিও এটা প্ৰধান দাবী আছিল। এই শতিকাৰ আৰম্ভনিত ইংলেণ্ডত সংগঠিত হোৱা "Women's social and political union" ৰ শ্লোগান আছিল "Votes for women and purity for men".

"Feminism" নামৰ গ্ৰন্থৰ গ্ৰন্থকাৰ জন চাৰ্ডেৰ মতে নাৰীৰ পুৰুষৰ লগত সমতাৰ ভাৱেই হ'ল নাৰীবাদ'। মূল্য আৰু গুৰুত্বৰ পিনৰ পৰা পুৰুষ আৰু নাৰীৰ মাজত কোনো প্ৰভেদ নাই, এয়েই হ'ল নাৰীবাদৰ মৌলিক ধাৰণা। সমাজত মতা মানুহ আৰু মাইকী মানুহ বুলি কোনো ভেদাভেদ থাকিব নালাগে, সমাজত সকলো কেবল মানুহ। পুৰুষ সত্বা আৰু নাৰী সত্বা বুলি কোনো ভিন্নতা নাই। দুয়োটিয়েই একে মানৱ সত্বা। মানুহৰ প্ৰকৃতি আৰু মূল্য লিংগৰ ভিত্তিত বিচাৰ কৰা অনুচিত। এয়েই হ'ল নাৰীবাদৰ সাৰকথা। (শৰ্মা, ড° গোবিন্দ প্ৰসাদ, নাৰীবাদ আৰু অসমীয়া উপন্যাস, পৃ-১)। পাশ্চাত্য দাৰ্শনিক জন লকে তেওঁৰ "Second Treatise of Government" নামৰ গ্ৰন্থত নাৰীবাদৰ সপক্ষে ধাৰণা প্ৰকাশ কৰে। ইয়াৰ পিছত ফৰাচী দাৰ্শনিক কডৰ্চেৰ ১৭৯০ চনত তেওঁৰ "Admission of Women Into Full Citizenship" নামৰ গ্ৰন্থত নাৰীবাদ সম্পৰ্কে আলোচনা কৰে। তেওঁলোকৰ পিছত অষ্টাদশ শতিকাত "মেৰী উলষ্টোন ক্ৰাফট" নামৰ ইংৰাজ মহিলা এগৰাকীয়ে তেওঁৰ "A Vindication of the Rights of Women" নামৰ গ্ৰন্থখনত নাৰীবাদৰ ধাৰণা প্ৰকাশ কৰে। পুৰুষক সন্তুষ্ট কৰোতে যে নাৰীৰ জীৱন সীমাবদ্ধ নহয় আৰু শিক্ষা, কৰ্মসংস্থান, ৰাজনীতি আদি সকলো দিশতে নাৰী পুৰুষৰ নৈতিক মান একে হ'ব লাগে, এই বিষয়ে তেওঁ পোষকতা কৰিছিল। ছিমন দ্য ব'ৰ্ৰ 'The Second Sex' নামৰ গ্ৰন্থই নাৰীবাদী ধ্যান ধাৰণাক অধিক সক্ৰিয় ৰূপত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। প্ৰচণ্ড নাৰীবাদী এই গৰাকী চিন্তাবিদ দাৰ্শনিক জাঁপল ছাত্ৰেৰ (Jeanpaul Sartre) লগত Morganatic Marriage নামৰ লিভিংটুগেদাৰ কৰি জীৱন যাপন কৰিছিল। এই বিবাহৰ জৰিয়তে তেওঁলোকে কোনেও কাৰো স্বাধীনতাৰ ওপৰত হস্তক্ষেপ কৰা নাছিল। একেদৰে ভাৰ্জিনিয়া উলফেও কৈছিল, 'a woman must have money and a room of her own if she is to write a fiction'. ইউৰোপৰ গণিতজ্ঞ আৰু দাৰ্শনিক ডেকাৰ্ট, হেৰিয়ট টেইলৰ আদিয়ে নাৰীবাদক এক আন্দোলন ৰূপে গঢ়ি তুলিবলৈ যত্ন কৰিছিল। তেওঁলোকে তিনি প্ৰকাৰৰ নাৰীবাদৰ কথা কৈছিল - ব্যক্তিবাদী নাৰীবাদ, সমাজবাদী নাৰীবাদ আৰু মৌল নাৰীবাদ। ব্যক্তিবাদী নাৰীবাদৰ মতে 'নাৰীও মানুহ আৰু সেয়েহে নাৰীৰো ব্যক্তি স্বাধীনতা আছে। সমাজবাদী নাৰীবাদে সামাজিক প্ৰাণী হিচাপে নাৰী পুৰুষৰ সমান মৰ্যদা দাবী কৰে। কাৰণ প্ৰতিটো ব্যক্তি সত্বাই একে সময়তে সামাজিক সত্বাও। আনহাতে মৌল নাৰীবাদ মতে, নাৰীয়ে পুৰুষৰ লগত বিবাহ পাশত আবদ্ধ হোৱা মানেই নাৰীৰ সকলো স্বাধীনতা বিসৰ্জন দিয়া। অৱশ্যে এই তিনিওটা নাৰীবাদৰ ধাৰণাৰ পৰা মৌল নাৰীবাদক সৰ্বসন্মত গ্ৰহণযোগ্য মতবাদ বুলি মানি লব নোৱাৰি। কাৰণ পুৰুষক বাদ দি মহিলা কেতিয়াও বৰ্তি থাকিব নোৱাৰে।

এইদৰে নাৰীবাদৰ ইতিহাসৰ পৰাও নাৰীবাদ সম্পৰ্কে সদৰ্থক আৰু নঞৰ্থক দুয়ো প্ৰকাৰ মন্তব্য পাব পাৰি। অৱশ্যে এই ক্ষেত্ৰত বহুতো দাৰ্শনিকৰ নাৰীবাদ সম্পৰ্কে সদৰ্থক পৰামৰ্শ আগবঢ়োৱা পৰিলক্ষিত হয়। নাৰীৰ স্বাধীনতা সম্পৰ্কত ভাৰতীয় দাৰ্শনিকসকলতকৈ পাশ্চাত্য দাৰ্শনিকসকল বেছি আগ্ৰহী বুলি ক'ব পাৰি। পাশ্চাত্য দাৰ্শনিক সকলেই নাৰী স্বাধীনতা সম্পৰ্কত প্ৰথমে মাত মাতিছিল। অৱশ্যে ভাৰততো ৰাজা ৰাম মোহন ৰায়ৰ নেতৃত্বত নাৰীৰ অধিকাৰ সম্পৰ্কত এক জন জাগৰণৰ সৃষ্টি হৈছিল।

নাৰীৰ অধিকাৰ সম্পৰ্কত নাৰী সকল আত্মসচেতন হ'ব লাগিব। অধিকাংশ নাৰীয়েই ভাগ্যক ধিয়াই নিজে একো নকৰি বহি থাকে। কিন্তু নাৰীসকলে নিজৰ ভাগ্য নিজেই কনাব লাগিব। যদিও অজ্ঞাত, অবলা বুলি কোৱা হয় নাৰীসকলৰ হাতত আছে অটুট শক্তি। নিজৰ মাজত সঞ্চিত হৈ থকা শক্তিক

কামত খটুৱালেহে নাৰীয়ে নিজৰ ন্যায্য অধিকাৰ সাব্যস্ত কৰিব পাৰিব। নিজৰ অধিকাৰ নিজে নললে পুৰুষে আগবাঢ়ি আহি কেতিয়াও নাৰীক মুক্তি প্ৰদান নকৰে। চিন্তাবিদ লেনিনে কৈছিল, "সমাজৰ অৰ্দ্ধাংশক বান্ধনি ঘৰত আবদ্ধ কৰি কোনো দেশেই প্ৰগতিৰ পথত আগবাঢ়িব নোৱাৰে।" এই উক্তিৰ জৰিয়তে নাৰীৰ শিক্ষাৰ ক্ষেত্ৰত লেনিন কিমান আগ্ৰহী আছিল তাক অনুমান কৰিব পাৰি।

গতিকে নাৰীসকলক প্ৰগতিৰ পথত আগবঢ়াবলৈ নাইবা নাৰী নিৰ্যাতন বন্ধ কৰিবলৈ আমি প্ৰথম পদক্ষেপ হিচাপে সমাজৰ পিছপৰা অঞ্চলৰ মহিলা সকলক বিশেষকৈ গাঁৱৰ মহিলা সকলক শিক্ষিত কৰিব লাগিব। কাৰণ আমাৰ সমাজৰ প্ৰায় ৮৭ শতাংশ মানুহে গাঁৱত বাস কৰে। গাঁৱৰ মহিলাসকলক শিক্ষিত কৰিব পাৰিলেহে সঁচা অৰ্থত এখন সুস্থ সমাজ পাব পৰা যাব। নাৰী সমাজ যেতিয়া শিক্ষিত হ'ব তেওঁলোকৰ প্ৰাপ্য অধিকাৰৰ পৰা কোনেও বঞ্চিত কৰিব নোৱাৰিব।

০০০

## মহৎ লোকৰ বাণী

প্ৰীতিৰেখা বৈশ্য

তুমি আনক ক্ষমা কৰিলেহে, ভগবানে তোমাক ক্ষমা কৰিব।

— যীশুখ্ৰীষ্ট

প্ৰত্যেক দিনে জীৱনৰ শেষ দিন বুলি কাম কৰি যোৱা।

— জিম কৰবেট

নজনাকৈ থকাটো লাজৰ কথা নহয়, জানিবলৈ ইচ্ছা নকৰাটোহে লাজৰ কথা।

— বেঞ্জামিন ফ্ৰেংকলিন

নিজৰ সুখেই যাৰ জীৱনৰ লক্ষ্য তেওঁ এজন অসৎ লোক, আনৰ প্ৰশংসা লোৱাটোৱেই যাৰ জীৱনৰ লক্ষ্য তেওঁ এজন দুৰ্বল লোক আৰু আনৰ সুখেই যাৰ জীৱনৰ লক্ষ্য তেওঁ এজন সৎ লোক।

— টলষ্টয়

যিজনে কয় যে পৃথিৱীত সৎ মানুহ নাই, সেইজনেই যে প্ৰকৃত অসৎ, তাত সন্দেহ নাই।

— জৰ্জ বাৰ্কলে

নভবা নিচিন্তাকৈ প্ৰতিশ্ৰুতি নিদিবা, দিয়াৰ পাছত তাক জীৱন আহুতি দি হলেও পালন কৰিবা।

— মহাত্মা গান্ধী

অহংকাৰী মানুহবোৰ কুকুৰাৰ দৰে, কুকুৰাই ভাবে যে, সি ডাক দিয়া কাৰণেহে বাতি পুৱায়।

— জৰ্জ ইলিয়ট

যাৰ দুই চকু ফুটিল তেওঁ অন্ধ নহয়, যিজনে নিজৰ দোষ ঢাকি ৰাখি আনৰ দোষ খুঁচৰি ফুৰে তেওঁহে প্ৰকৃততে অন্ধ।

— মহাত্মা গান্ধী

************





# বেজবৰুৱাৰ ৰচনাত প্ৰবাদৰ প্ৰয়োগ

ড° মালবিকা ভট্টাচাৰ্য
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ



প্ৰবাদৰ সংক্ষিপ্তম সংজ্ঞাটি হ'ল — "A proverb is a short sentence based on long experienced" অৰ্থাৎ সুদীৰ্ঘ অভিজ্ঞতা আৰু সংক্ষিপ্ততাই হ'ল প্ৰবাদৰ বিশেষত্ব। এই অভিজ্ঞতা সমাজ-জীৱনৰ পৰা প্ৰত্যক্ষভাৱে আহৰণ কৰা অভিজ্ঞতা। সেইকাৰণে ক'ব পাৰি "প্ৰবাদ সমাজ-জীৱনৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ অকপট অভিব্যক্তি"। বিভিন্ন ব্যক্তি আৰু সমাজৰ বহুপৰীক্ষিত নীতি আৰু উপদেশ প্ৰচাৰ কৰাই প্ৰবাদৰ লক্ষ্য। জাতি-বৰ্ণ-ধৰ্ম-নিৰ্বিশেষে এটি সাৰ্বজনীন ৰূপ প্ৰবাদৰ মাজত লক্ষ্য কৰা যায়। সামাজিক নীতি আৰু উপদেশক সৰসভাৱে প্ৰকাশ কৰাৰ তাগিদাত প্ৰবাদে সাধাৰণতে ৰূপক, বক্ৰোক্তি আৰু শ্লেষ অলমকাৰক অৱলম্বন কৰা দেখা যায়।

প্ৰবাদ হ'ল পৰিপূৰ্ণ ভাব প্ৰকাশক এটি সম্পূৰ্ণ বাক্য বা পদ। কৰ্তা, কৰ্ম, সমাপিকা ক্ৰিয়া প্ৰবাদত থকা আৱশ্যক। অৱশ্যে বহু সময়ত ইয়াৰ কোনো এটি উহ্য থাকিব পাৰে। প্ৰধানতঃ ৰূপক আৰু বক্ৰোক্তি প্ৰবাদৰ অৱলম্বন। যোজনা, প্ৰবচন আৰু খণ্ডবাক্যক প্ৰবাদ বুলি ধৰা হয় যদিও আচলতে এইবোৰ প্ৰবাদৰ অংশমাত্ৰ। যোজনা এটি সম্পূৰ্ণ বাক্য বা পদ নহয়। একো একোটি বিশেষ বাক্যাংশৰ দ্বাৰা অসম্পূৰ্ণ ভাৱ প্ৰকাশিত হয়— ই বাক্যৰ ভাব বা অৰ্থ প্ৰকাশৰ সহায়ক মাত্ৰ। সমাপিকা ক্ৰিয়াৰ অনুপস্থিতিত এই বাক্যাংশ অসম্পূৰ্ণ হৈ ৰয়। ইয়াৰ সহায়ত প্ৰবাদ ৰচিত নহয়। আশুতোষ ভট্টাচাৰ্যৰ মতে "প্ৰবাদৰ ভিতৰুৱা অৰ্থ প্ৰকাশ কৰাৰ যি এটি বিশিষ্ট ভংগী আছে, ইয়াৰো অৰ্থ-প্ৰকাশক তেনে এটি প্ৰচলিত ভংগী আছে। আকৌ প্ৰবাদৰ নিচিনাকৈ ৰূপক, বক্ৰোক্তি আৰু শ্লেষ অলংকাৰৰ ব্যৱহাৰ ইয়াৰ মাজত লক্ষ্য কৰা যায়। সূক্ষ্মভাৱে বিচাৰ কৰি চালে দেখা যায় যে যোজনা প্ৰবাদ নহলেও প্ৰবাদৰ ধৰ্ম তাৰ মাজত ৰক্ষিত হয়।

দুই বা তাতোধিক শব্দৰ সমন্বয়ত সৃষ্টি হয় খণ্ডবাক্য (Idiom)। যোজনাৰ দৰেই ইও সম্পূৰ্ণ বাক্য নহয়। খণ্ডবাক্য প্ৰয়োগ কৰি বিশেষ অৰ্থবহ বাক্য ৰচনা কৰিব পাৰি। বিশেষ ভাব প্ৰকাশ কৰাৰ বাবে বাক্যত খণ্ডবাক্যৰ প্ৰয়োগ কৰা হয়। উল্লেখযোগ্য যে ৰূপক অলংকাৰৰ ব্যৱহাৰ ইয়াতো বহু সময়ত দেখা যায়। এনেবোৰ কথালৈ লক্ষ্য ৰাখি, লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৰাজিৰ মাজত ব্যৱহাৰ হোৱা প্ৰবাদ বিশ্লেষণ কৰিবলৈ যাওতে আমি খণ্ডবাক্য, যোজনা অন্তৰ্ভুক্ত কৰি লৈছো।

লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যিক ব্যক্তিত্ব গঠনত চাৰিটা সাংসকৃতিক প্ৰভাৱৰ অৱদান আমি লক্ষ্য কৰিব পাৰো — (১) ধ্ৰুপদী সাহিত্যৰ গভীৰ প্ৰভাৱ, (২) অসমৰ লোকসমাজ জীৱনৰ লগত শৈশৱত ঘটা নিবিড় সম্বন্ধ, (৩) বঙলা ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰভাৱ আৰু (৪) ইংৰাজী ৰোমান্টিক সাহিত্যৰ প্ৰভাৱ।

অসমৰ লোকসমাজ-জীৱনৰ প্ৰভাৱে বেজবৰুৱাক মানসিক আৰু আবেগিকভাৱে সবল হোৱাত বিশেষ অৰিহণা যোগাইছিল। ইংৰাজ চৰকাৰৰ মুন্সিফ দীননাথ বেজবৰুৱাই চাকৰিৰ তাগিদাত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ভ্ৰমণ কৰি ফুৰিছিল, লগত আছিল বন্দী বেটীৰে ভৰপূৰ তেওঁৰ সমগ্ৰ পৰিয়াল। বন্দী-বেটীসকল পৰিয়ালৰ এজন হিচাপে ব্যৱহৃত

হৈছিল। শিশু বেজবৰুৱাইঁতক সম্বোধন অবিহনে মাতিবলৈ দিয়া নহৈছিল। শিশু অবস্থাতে ৰবি ককাই ৰামায়ণ-মহাভাৰত পৰাণৰ উপৰিও লোকসমাজত প্ৰচলিত বিভিন্ন সাধুকথাৰে মন মগজু ভৰাই থৈছিল। আনহাতে ওচৰ চুবুৰীয়াৰ লগতো সৌহাৰ্দ্য বজাই ৰখা হৈছিল। কুমাৰ গাঁৱৰ কুমাৰসকলৰ পৰা সুতুলি উপদাৰ হিচাপে পাইছিল বেজবৰুৱাই। এই ধৰণৰ সম্বন্ধৰ বাবেই বেজবৰুৱাই শৈশৱতে অসমৰ লোকসমাজখনৰ গভীৰ সম্পৰ্কলৈ অহাৰ সুযোগ পাইছিল। কলিকতালৈ যোৱাৰ পিছত অসমৰ লোকসমাজৰ লগত সম্বন্ধ শিথিল হৈ পৰিছিল আৰু কাঠৰ কাৰবাৰত ভালদৰে ধৰাৰ পিছত সম্বন্ধ নোহোৱাই হৈ পৰিছিল। কিন্তু শৈশৱতে লগ পোৱা জীৱন্ত চৰিত্ৰসমূহ পিছৰ কালত তেওঁৰ ৰচনাত্ম মাজত মূৰ্তিমান হৈ উঠিছিল। "বেজবৰুৱাৰ ক্ষেত্ৰত First impression a last impression"

লোকসমাজৰ পৰা বুটলি অনা চৰিত্ৰ, কথাবস্তু আদিক সাহিত্যৰ মাজত ঠাই দিবলৈ যাওতে তেওঁ প্ৰবাদৰ ব্যৱহাৰ কৰিছিল। অৱশ্যে ৰজাঘৰীয়া চৰিত্ৰৰ মাজতো লোকমনৰ প্ৰভাৱ আছে। সেয়েহে বেজবৰুৱাই ৰজাঘৰ প্ৰজাঘৰ সকলো ধৰণৰ চৰিত্ৰ ৰূপায়ণ কৰোতে প্ৰবাদ, যোজনা, খণ্ডবাক্যৰ প্ৰয়োগ কৰিছে। এই প্ৰয়োগত বেজবৰুৱাই কোনো নীতি অনুসৰণ কৰা নাই। য'তে প্ৰয়োজন অনুভৱ কৰিছে ত'তে এইবোৰৰ প্ৰয়োগ কৰিছে। বিষয়বস্তু, চৰিত্ৰ, পৰিবেশ আদিক অৰ্থবহ কৰিবলৈ প্ৰবাদ, খণ্ডবাক্য, যোজনা আদিৰ প্ৰয়োগ তেওঁ বিস্তৃতভাৱে কৰিছে। প্ৰথমে প্ৰবাদৰ প্ৰয়োগ চোৱা যাওক —

লোকসমাজত ছোৱালী গাভৰু হ'লে তাঁত ববলৈ শিকোৱাটো নিয়ম। তাঁত বব নজনাটো লাজৰ কথা। ৰজাঘৰৰ বিষয়াবাব খোৱা মানুহৰ জীয়ৰী হ'লেও বোৱা-কটাত পাৰ্গত হ'ব লাগিব। তাঁত বোৱাৰ লগত জড়িত প্ৰবাদৰ প্ৰয়োগ 'চক্ৰধ্বজ সিংহ' নাটত দেখা যায়। নাটৰ এটি প্ৰধান চৰিত্ৰ লাচিত বৰফুকনৰ দুই জীয়ৰীৰ মাজত কথা কটা-কটি হৈছে তাতে এনে ধৰণৰ প্ৰবাদৰ প্ৰয়োগ কৰা হৈছে —

দুভাল সূতা এটালকৈ।
লহ্ লহ্ কৰে নিয়ো বৈ।।
ববৰাই কেনেকুৱা কাজী।
বেৰৰ জোলোঙাৰে চাই পঠিয়ালোঁ
ধৰিব নেজানে পাঁজী।। (চক্ৰধ্বজ সিংহ)

আমাৰ সমাজৰ প্ৰচলিত বিশ্বাস অনুসৰি মাক বিমানে কামে বনে পকৈত হয়, জীয়েকো সিমানে পকৈত হয়। সেয়েহে কাম-বনত অসাধন ছোৱালীক এনেদৰে ঠাট্টা কৰা হয়—

মাকতকৈ জীয়েক কাজী।
ঢেঁকীথোৱাৰে বাটে পাঁজী।
ঘৰ পুৰিলে কৰাই ভাজি।। (চক্ৰধ্বজ সিংহ)

ডেকা-গাভৰুৰ প্ৰণয় লীলা আলেঙে-আলেহে চাই বিভিন্ন মন্তব্য দিয়া সমগ্ৰ মানৱ সমাজৰে নিয়ম —

আমৰ গঠত ডাব নাৰিকল।
তামোল গছত বেল।
দুটা হাতীয়ে আলচখন পাতিছে,
এন্দুৰৰ গাঁতত মেল।। (চক্ৰধ্বজ সিংহ)

দন্দ-হাই-কাজীয়া আৰু অৰিয়া-অৰি সমাজৰ মাজত হ'লেহে শুৱায়। অন্যথা ই দেখিবলৈ আভজা হয় —

ওৱাক নিন্দে কোৱাই।
পুথি খলিহাক নিন্দে ভেৰপেটী মোৱাই।। (চক্ৰধ্বজ সিংহ)

মানহৰ মন বিচিত্ৰ। সেয়েহে মানুহ চিনা বৰ টান কথা। ঠাই বিশেষে মানুহৰ মানসিক চৰিত্ৰ কেনে হ'ব সেই কথা একে আষাৰে ক'ব নোৱাৰি। সেয়েহে ভূমুক বৰুৱাই বদনচন্দ্ৰ বৰফুকনক কৈছে —

গড়গাঁৱৰ পিছল বাট।
বুঢ়াকো নিচিনি, ডেকাকো নিচিনি,
হাতে পতি লাখুটিপাট।।

দ পথাৰৰ ভেট
চিনিব নোৱাৰি চকৰা-চকৰী
ঢোল যেন, ঢোল যেন পেট।।

মুখে লটপট ভিতৰি কপত
নাপাওঁ ভকতৰ আশ।
য'তে লগ পাওঁ ত'তে সেৱা কৰে
তোমাৰ শৰণীয়া দাস। (বেলিমাৰ)

মানুহৰ ভাগ্যৰ পৰিবৰ্তন অৱশ্যম্ভাৱী। কিন্তু সেই পৰিবৰ্তনে যদি নিৰাশ কৰে, তেনেহলে মানুহৰ মন ভাঙে—

দিলো লাও, বগালে পূৰৈ,
লাগিল কোৰাভাতুৰী
কাউৰীৰ বাহত কুলিয়ে কণী পাৰিলে
জগিল চুঙাবাদুলী (বেলিমাৰ)





এই প্ৰবাদসমূহৰ মাজেৰে সেই সময়ৰ অসমীয়া সমাজৰো ছবি ফুটি উঠা দেখিবলৈ পাওঁ। সেই সময়ৰ অসমীয়া সমাজ কৃষি নিৰ্ভৰ আছিল। ৰজা ঘৰৰ পৰা সাধাৰণ প্ৰজালৈ সকলোৰে কৃষি সম্বন্ধীয় জ্ঞান আছিল। প্ৰতিঘৰ অসমীয়া মানুহে ঘৰ বন্ধা কামত বাঁহ-বেত-খেৰ ব্যৱহাৰ কৰিছিল। কৰাই-সান্দহৰ ব্যৱহাৰ বৰ বেছি আছিল। ঢেঁকি আছিল নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ ভিতৰুৱা। মাছ অসমীয়া মানুহৰ প্ৰিয় খাদ্য। কাউৰী, কুলি, বাদুলী অসমৰ মানুহৰ অতি চিনাকি চৰাই। আকৌ শৰণ লৈ ভকত হোৱাৰ পিছত গুৰুজনক সেৱা সন্মান কৰাটো নিয়ম যদিও সেৱা-সৎকাৰৰ মাত্ৰা বেছি হ'লে সি দেখিবলৈ অশুৱনী হয়। এইখিনিতে বেজবৰুৱাৰ ওপৰত সত্ৰীয়া প্ৰভাৱ পৰাৰ প্ৰমাণ পোৱা যায়। সুবিধা পালেই গুৰুজনাৰ নাম লৈ অসমীয়া জাতিৰ আত্মসন্মান জগাই তুলিবলৈ কৰা চেষ্টাৰো ই প্ৰমাণ দিয়ে। প্ৰবাদসমূহৰ মাজত অসমীয়া সমাজৰ স্বাক্ষৰ থকাটো একেবাৰে সাধাৰণ কথা। আৰম্ভণিতে উল্লেখ কৰিছো প্ৰবাদৰ মাজত সামাজিক নীতি থাকে। সেয়েহে আশুতোষ ভট্টাচাৰ্যই প্ৰবাদক সমাজ-জীৱনৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ ফল বুলি কৈছে।

এনেধৰণৰ বহু প্ৰবাদেৰে বেজবৰুৱাৰ ৰচনা ভৰপূৰ। অকল প্ৰবাদেই নহয়, প্ৰবাদৰ অঙ্গীভূত যোজনা আৰু খণ্ডবাক্যৰেও বেজবৰুৱাৰ ৰচনা খুন্দা খাই আছে। উদাহৰণ—

যোজনা ঃ

তেজধুলে উটে, মঙহ ধুলে নুটে।
আলহিলৈ হাঁহ মাৰি গিৰিহঁতে খায়।
ৰজাই দাড়ি কৰে যাক আন কোনে ৰাখিব তাক। (জয়মতী কুঁৱৰী)
পৰুৱাৰ পাখি গজে মৰিবলৈ।
নমৰে মানে চাবা, নুবুৰে মানে বাবা।
মাতৰ লগত কটা যায়, মাতৰ লগত বটা পায়। (বেলিমাৰ)
জোৰৰ আগত বাটিৰ পোহৰ।
ম'হতকৈ শিংচ'ৰা।
চোৰেহে চোৰৰ ঠেং দেখে (দেখা) (মোৰ জীৱন সোঁৱৰণ)

খণ্ডবাক্য ঃ

নপতা ফুকন, নগাৰ দোৱান, ওৰা পতা, কাঁহ পৰি জীণ যোৱা, পাৰত গজা, নাজল-নাথল, বুধিৰ চুঙা, ন দি কোৱা, শ্ৰুতি বুধি হেৰোৱা, নিমুৰ মূৰা, অজীন পাতকী, ককালৰ জোৰা লৰা, ভিকাচন ভগা, যমৰ যাতনা ইত্যাদি।

লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৰাজিত প্ৰবাদ যোজনা, খণ্ডবাক্যৰ প্ৰয়োগ বিস্তৃত। ই বেজবৰুৱাৰ ৰচনা-ৰীতিৰ এটি বিশেষত্ব। প্ৰবাদ, যোজনা খণ্ডবাক্যৰ প্ৰয়োগৰ ফলত বেজবৰুৱাৰ ৰচনাৰ মাজেৰে প্ৰতিফলিত হোৱা সমাজখন আমাৰ নিচেই চিনাকি। অসমৰ লোকমানসক গভীৰভাৱে উপলব্ধি কৰাত বেজবৰুৱাৰ ৰচনাই বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হোৱাৰ মূলতে হ'ল এই লোকোক্তিসমূহৰ যথাযথ প্ৰয়োগ। লোকোক্তিৰ বুদ্ধিনিষ্ঠ প্ৰয়োগৰ ফলতেই বেজবৰুৱাৰ, ৰচনাই সকলো শ্ৰেণীৰ মানুহৰে অন্তৰ চুই যাবলৈ সক্ষম হৈছিল। অসমীয়া জাতীয় সত্বাত আঘাত কৰিবলৈও সক্ষম হৈছিল। নিজস্ব পাহৰি আনৰ অনুকৰণত ব্যস্ত থাকিবলৈ আৰম্ভ কৰা অসমীয়াই ভাবিবলৈ বাধ্য হৈছিল নিজৰ শিপাৰ কথা। লোকসাহিত্যৰ গুৰুত্ব উপলব্ধি কৰাই বেজবৰুৱাই বাধ্য কৰিছিল শিপাৰ সন্ধান কৰিবলৈ। এই সন্ধানত ব্যস্ত থকাৰ বাবেহে আমি বিশ্বদৰবাৰলৈ সগৌৰৱে যাবলৈ সক্ষম হ'লো।

লক্ষ্মীনাথ বেজবৰুৱা লোকসংস্কৃতিৰ প্ৰতি অনুৰাগী লোকজীৱন প্ৰেমিক এনে এগৰাকী সাহিত্যিক যাৰ ৰচনাৰ মাজেৰে লোকমনৰ অন্তঃভাগত প্ৰৱেশ কৰাৰ সুবিধা পাওঁ। সেয়েহে অসমৰ পৰা আঁতৰি থাকিও বেজবৰুৱাই অসম আৰু অসমীয়াক স্পষ্ট ৰূপত সকলোৰে আগত দাঙি ধৰিবলৈ সক্ষম হৈছিল।

## উল্লেখপঞ্জী ঃ


১। ভট্টাচাৰ্য্য, আশুতোষ ঃ বাংলার লোক-সাহিত্য, প্ৰথম খণ্ড, পৰিবৰ্ধিত ৩ য় সংস্কৰণ, ১৯৬২, পৃ. ৫৬৯

২। প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৫৭১

৩। প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৫৯৮

৪। শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পা) ঃ লক্ষ্মীনাথ বেজবৰুৱা, পৃ.


## সহায়ক গ্ৰন্থ ঃ


১। শইকীয়া, নগেন (সম্পা) ঃ বেজবৰুৱা ৰচনাৱলী,

২। শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পা) ঃ লক্ষ্মীনাথ বেজবৰুৱা

বাংলা

১। ভট্টাচাৰ্য্য, অশুতোষ ঃ বাংলাৰ লোক-সাহিত্য

২। চক্ৰৱৰ্ত্তী, তনিমা ঃ কৃত্তিবাসী রামায়ণ ও বাংলার লোক ঐতিহ্য।


************

# বিপদ সংকুল অমৰনাথ যাত্ৰা

ভূপালী মিশ্ৰ
স্নাতক মহলা
কলা শাখা

সৰুৰে পৰা দেউতাৰ এজন বন্ধুৰ মুখত অমৰ নাথ যাত্ৰাৰ কথা শুনি আহিছিলো তেওঁ বহু বাৰ অমৰ নাথৰ গুহা ভিতৰত থকা শিৱ লিংগৰ দৰ্শন কৰি আহিছে। তেতিয়াৰ পৰা আমাৰো অমৰ নাথ দৰ্শণৰ এক প্ৰবল আকাঙ্খা জাগি উঠিছিল। হিমবাহৰ ওপৰেৰে যাত্ৰাৰ কথা শুনি আমাৰ মন শিহৰিত হৈছিল। মোৰ একান্ত ইচ্ছাৰ বাবে যোৱা জুলাই মাহত আমিও অমৰ নাথ যাত্ৰাৰ বাবে সাজু হলো। দেউটা, মা, মই আৰু সৰু ভন্টি দাদা চেন্নাইত গঢ়ি থকা বাবে তাৰ যোৱাৰ সুবিধা নহল। আমাৰ লগত নামনি অসমৰ বিভিন্ন ঠাইৰ ২০ জনীয়া দল এটাও গৈছিল। প্ৰথমে আমি দিল্লীহৈ জম্মুলৈ গলো। তাৰ পৰা বাচেৰে কাট্ৰা। কাট্ৰাৰ পৰা প্ৰায় ১১ কিমি পাহাৰীয়া ৰাস্তা ঘোঁৰাৰ পিঠিত উঠি পৰম মহিমাময়ী বৈষ্ণোদেৱী মন্দিৰ দৰ্শন কৰিলো। গোটেই ৰাস্তাত ভক্ত সকলৰ মাৰ বন্দনা, বিভিন্ন ব্যৱস্থা, গুহাৰ ভিতৰত মাৰ দৰ্শন পাই অভিভূত হলো। মনে মনে ভাবিলো হে মাতা তুমি মাতিচা বাবে তোমাৰ দৰ্শন পালো পুনৰ যেন মোক তোমাৰ ওচৰলৈ মাতা। ইমান দীঘলীয়া ৰাস্তা ঘোঁৰাৰ পিঠিত উঠি অহা যোৱা কৰা বাবে আমাৰ সকলোৰে গা-ভৰিৰ বিষ হৈছিল। এদিন জিৰনি লৈ পিচদিনা বহু আকাঙ্খিত অমৰ নাথ যাত্ৰালৈ ওলালো। এখন মিনি বাছেৰে। প্ৰথমে শ্ৰীনগৰলৈ গৈ তাৰ পৰা দুটা ৰাস্তাৰে অমৰ নাথলৈ যাব পাৰি। প্ৰথমটো পেহেল গাম হৈ আৰু দ্বিতীয়টো বালতল হৈ। পেহেলগাম হৈ যোৱা ৰাস্তাটো বহু পুৰণি আৰু দীঘলীয়া। পেহেলগামৰ পৰা অমৰ নাথলৈ আমাৰ সকলোৰে গা ইমান বেয়া লাগিছিল যে আমাৰ লগত যোৱা বাকী বিলাকৰ মানুহ কত থাকিল তাৰো গম লোৱাৰ শক্তি নাছিল। পিচত গম পাইছিলো যে আমাৰ লগত যোৱা শইকীয়া উপাধীৰ এজন বয়োজেষ্ঠ লোকৰ অৱস্থা ৰাতি খুউব সংকটজনক হৈছিল আৰু ৰাতিয়ে সেনাবাহিনীৰ অস্থায়ী হস্পিতালত ভৰ্ত্তি কৰাৰ লগা হৈছিল। তেওঁৰ লগত আমাৰ দলৰ এজন ডেকা লৰা অনবৰত লাগি থকাৰ বাবেহে তেওঁৰ কোনোমতে প্ৰাণৰক্ষা পৰিছিল। পেহেলগামৰ পৰা অমৰ নাথলৈ দুৰত্ব প্ৰায় ৪৫ কিঃ মিঃ কিন্তু ৰাস্তাটো বালতল হৈ যোৱা ৰাস্তাটোতকৈ কম দুৰ্গম। সকলো ঠিক ঠাকে গলে ৪ দিনত ঘুৰি আহিব পাৰি। বালতলৈহে যোৱা ৰাস্তাটো বেচ দুৰ্গম কিন্তু দুৰত্ব বহু কম আমি বালতল হৈ যোৱাটোকে ঠিক কৰিছিলো। কিন্তু প্ৰথমেই আমি বাধাৰ সন্মুখীন হলো। কাট্ৰা পৰা শ্ৰীনগৰলৈ যোৱা ৰাস্তাৰ চেক গেটত যাত্ৰাৰ সকলো গাড়ী বন্ধ কৰি দিয়া হৈছে। কিহৰ কাৰনে বন্ধ কৰি দিয়া হৈছে কোনেও একো কব নোৱাৰে। কেৱল কৰ্ত্তব্যত থকা চিপাহী, বিষয়াই কয় যে কাশ্মীৰ চাইদৰ S.P ৰ অনুমতি নাপালে যাত্ৰা বন্ধ







থাকিব। বহু পিচত Addl. S.P এজন চেক গেটত উপস্থিত হয় আৰু কয় যে উধামপুৰ অঞ্চলত পাকিস্থানী/উগ্ৰপন্থী গুলীয়া গুলিত কিছু লোক আহত হৈছে আৰু অমৰ নাথ যাত্ৰাটি বিভিন্ন কাৰণত তেতিয়ালৈ প্ৰায় ২০০ জন লোকৰ প্ৰাণহানি হৈছে। তেওঁলোক জবাবদিহী হব লগা হয়। সেয়েহে ওপৰৰ পৰা অনুমতি নপোৱালৈ যাত্ৰা বন্ধ থাকিব। হতাশহৈ হোটেললৈ উভতি আহো। আহোতে চেক-গেটৰ চিপাহীক আমাৰ মোবাইল নম্বৰ দি আহো আৰু অনুৰোধ কৰি আহো যাতে গেট খুলিলেই আমাক খবৰ দিয়ে।

পিচদিনা ৰাতিপৰাই আমাক খবৰ দিয়ে যে গেট খোলা হৈছে। এক-ডেৰ ঘন্টাৰ ভিতৰতে আমি সাজুহৈ পুনৰ যাত্ৰা আৰম্ভ কৰিলো। কাট্ৰাৰ পৰা শ্ৰীনগৰৰ দূৰত্ব প্ৰায় ৩৫০ কিঃ মিঃ। জম্মু-শ্ৰীনগৰ হাইৱেই হৈছে কাশ্মীৰলৈ একমাত্ৰ সংযোগী পথ এই পথত কিবা কাৰণত যাতায়ত ব্যাহত হলেই কাশ্মীৰ ভাৰত ভুখণ্ডৰ পৰা সম্পূৰ্ণ ভাবে বিচিন্ন হৈ পৰে। অকোৰা পকোৰা ৰাস্তাৰ দুয়ো কাষৰ পৰ্বত, কুলু কুলু কৈ বৈ যোৱা নদীৰ পানী, ৰাস্তাৰ কাষৰ আপেল, ডালিমআদি বিভিন্ন ফলৰ গছ, কেশৰৰ ফুলৰ বাগিছা দেখি চকু থৰ লাগিল। কাশ্মীৰৰ নৈসৰ্গিক দৃশ্য দেখি সপোন সপোন যেন লাগিছিল। কাশ্মীৰলৈ গলেহে অনুভৱ কৰিব পাৰি ইয়াক কিয় ভুস্বৰ্গ বুলি কোৱা হয়। শ্ৰীনগৰৰ পৰা প্ৰায় ৭৫ কিঃ মিঃ পাৰ হৈ আমি সোনামাৰ্গ পালো। সোনামাৰ্গৰ উচ্চতা সমুদ্ৰ পৃষ্ঠৰ পৰা ১০ হেজাৰ ফুট। আকৌ ১৫ কিঃ মিঃ মান গৈ ৰাতি ৮ মান বজাত .... পালো। ইতিমধ্যে আমি প্ৰচণ্ড ঠাণ্ডা অনুভৱ কৰিছিলো আৰু লগত নিয়া গৰম কাপোৰ পিন্ধি লৈছিলো। কাষৰ পৰ্বত বোৰৰ কিছু কিছু ঠাই বৰফে ঢাকি আছিল। বালতল হৈছে অমৰ নাথ যাত্ৰাৰ বেচ কেম্প। ইয়াত আমি দেখিলো কেইবা শ গাড়ী শাৰী পাতি ৰৈ আছে। চেক গেটত লগত নিয়া সকলো বস্তুৰ তন্ন তন্নকৈ পৰীক্ষা কৰাৰ পিচত আমাক বেচ কেম্পৰ ভিতৰলৈ যাব দিয়া হ'ল। বেচ কেম্পত হেজাৰ তম্বুৰ অস্থায়ী ঘৰ। অলপ নিলগত অস্থায়ী শৌচালয় আৰু গা ধোৱা ঘৰ। এখন তম্বুৰ তলত ৮-১০ জন মানুহ থাকিব পাৰে। বিচনা, কম্বল-লেপৰ আদিৰ ব্যৱস্থা আছে। প্ৰতিজনে এৰাতি বাবে ২০০-২৫০ টকা দিব লাগে। আমি ৩ খন মান তেনেকুৱা তম্বু ভাড়ালৈ ৰাতিটো কটালো। ৰাতিপুৱাই গৰমপানীৰে গা ধুই যাত্ৰাৰ বাবে আমাৰ কিছুমানে ঘোঁৰা ললে আৰু কিছুমানে খোজ কাঢ়িয়ে যাবলৈ ওলাল। আমি ঘোঁৰাত উঠি যাবলৈ ওলালো। ৰাস্তা অতি ঠেক আৰু বিপদ সঙ্কুল। ঘোঁৰাত উঠি পিচলৈ চাব নোৱাৰি। সৰু ভন্টিৰ বাবে ঘোৰাবালাৰ উপৰি এজন পিঠু লোৱা হয়। সি ভন্টিক ধৰি ধৰি যাব আৰু ঘোঁৰাও যাব নোৱাৰা কিছু অংশত পিঠিত উঠাই লৈ যাব। যাত্ৰা আৰম্ভ হ'ল। ৰাস্তাৰ অৱস্থা আৰু ৰাস্তাৰ কাষৰ পৰা হেজাৰ ফুট তললৈ নামি যোৱা এঢলীয়া অংশ দেখি বুকু দুৰু দুৰুকৈ কপিবলৈ ধৰিলে। মাত্ৰ ৪-৫ ফুট বহল ওখোৰা মোখোৰা ৰাস্তা। এই এটা ৰাস্তাৰেই অহা যোৱা কৰিব লাগে। দুটা ঘোৰা প্ৰায় গাত লাগি যায়। তাতে আকৌ ঘোৰাই ৰাস্তাৰ একেবাৰে কাষেৰে যায়। কিবা কাৰণত পিচলিলেই মৃত্যু অনিবাৰ্য্য। কাৰণ হেজাৰ ফুট তলত পৰি গলে তাৰ পৰা উঠাই অনাটোৱে অসম্ভৱ। তেনেকুৱা এঢলীয়াত বাহু কেইটা ঘোঁৰা পৰি মৰি থকা দেখিছিলো।

প্ৰায় ৪-৫ কিঃমিঃ অতিক্ৰম কৰাৰ পিচত দেখিলো ৫-৬ মান সেনা বাহিনীৰ লোকে এজনী প্ৰায় ১৪-১৫ বছৰীয়া ছোৱালীক এখন ষ্ট্ৰেচাৰত কান্ধত লৈ লৰা ধপৰাকৈ তললৈ আহি আছে। লৈ আহোতে তেওঁলোকক কোৱা শুনিলো দেখো ওচকা ধৰকন চল বহা হাই কি নহী। মোৰ বুকুৰ কপনি দুগুণ হ'ল। কিছু দুৰ গৈ দেখিলো ৰাস্তাৰ কাষৰ ডাঙৰ ডাঙৰ শিলত লিখা সতৰ্কবানী - Land slide area, Be careful - Don's stop. দেখিলো ৰাস্তাটোৰ এফালে অতি উখ বালিচহীয়া মাটিৰ পৰ্বতত সৰু ডাঙৰ শিলবোৰ খহো খহো হৈ ৰৈ আছে। সৰু সৰু শিল কিছুমান অনবৰত ঃ খহি আছে। বৰষুণ হ'লে হুৰহুৰাই খহি আহে আৰু ৰাস্তা বন্ধ কৰি দিয়ে। চকু মুদি শিববাবাক স্মৰণ কৰি মনে মনে কলো হে ভলেনাথ কিবা কৰি এই অংশ পাৰ কৰা প্ৰভু? কিছুদুৰ পাৰ কৰাৰ পিচত দেখিলো আকৌ ৫-৬ জন সেনাবাহিনীৰ জোৱানে এজন বয়সীয়াল লোকক ষ্ট্ৰেচাৰত কান্ধত লৈ দৌৰিছে তলৰ সেনাবাহিনীৰ অস্থায়ী হস্পিতাললৈ। লোকজন ঘোঁৰাৰ পৰা পৰি গুৰুতৰ ভাবে আহত হৈছে। খুউব সম্ভৱ তেওঁৰ মৃত্যু হৈছে। ওম নমঃ শিবায় ওম নমঃ শিবায় বুলি চকু দুটা মদি কিছুদুৰ অতিক্ৰম কৰিলো। ঘোঁৰা যাব নোৱাৰা কিছু অংশ খোজ কাঢ়ি, আঠুকাঢ়ি কোনোমতে আবেলি ৫-৩০ মান বজাত গৈ মূল ঠাইখন পালো। তাৰ পৰা ঘোঁৰা নেযায়। গোটেই অঞ্চলটো ডাঠ বৰফেৰে আবৃত।। গুহালৈ বহুদুৰ খোজ কাঢ়িব লাগে বৰফৰ ওপৰেৰে। হাতত লাঠি লৈ খুপি খুপি খোজকাঢ়ি নেপাওঁহে নেপাঁও বহু উঠিব লাগে। গা অৱস লাগি গৈছে। বুকুৰ ধপধপনি বাঢ়ি গৈছে। উশাহ লওঁতেও কষ্ট হৈছে। মাজে মাজে সেনাবাহিনীৰ মেডিকেল শিবিৰ আছে। তাত oxygen লোৱাৰ ব্যৱস্থা আছে। আমি ৰাতি হোৱাৰ আগতে সোনকালে দৰ্শন হোৱাৰ স্বাৰ্থত অক্সিজেন নোলোৱাকৈ গৈ গুহাৰ মুখ পালো । প্ৰকাণ্ড গুহা মুখৰ ব্যাস অতি কমেও ১০০ ফুট হব। কথিত আছে যে এই গুহাৰ ভিতৰতে ভগৱান শিৱই মাতা পাৰ্ৱতীক সৃষ্টিৰ ৰহস্য কথা কৈ আছিল। এই কথা দুটা পাৰ চৰাইয়ে মনে মনে শুনি আছিল আৰু তাৰ বাবেই

সিহত দুটা অমৰ হৈছিল। সেই পাৰ চৰাই দুটা এতিয়াও গুহাৰ ভিতৰত থাকে। অমৰনাথ দৰ্শন কাৰীয়ে সেই চৰাইদুটা নিশ্চয় দৰ্শন কৰে। আমি গুহাৰ ভিতৰত ওখ শিলৰ ওপৰত পাৰ চৰাই দুটা দেখা পাওঁ। অজস্ৰ মানুহৰ ভিৰৰ মাজত বৰফৰ শিৱ লিংগৰ দৰ্শন পাই বহু দিনৰ আকাঙ্খা পূৰণ হ'ল। একেবাৰে ওচৰলৈ যাব নোৱাৰি। ২০-২৫ ফুট আতৰত লোহাৰ বেৰিকেদ দিয়া আছে। আমি দৰ্শণ পোৱা সময়ত প্ৰায় ২০ ফুট উখ বৰফৰ শিৱ লিংগ ৭-৮ ফুট মানুহে আছিল। মনটো বৰ ভাল লাগিল কিন্তু গাটো তেনেই অবস গৈ গৈ থাকিল। আহোতে ৰাস্তা অলপ ভুল কৰি সেনাবাহিনীৰ মেডিকেল শিবিৰ পাৰ হৈ তললৈ নামিলো। অক্সিজেন লৰলৈ আৰু ওপৰলৈ যাবলৈ গাত শক্তি নহোৱা হল। ইতিমধ্যে যথেষ্ট এন্ধাৰ হৈছিল আৰু বালতৰ বেচ কেম্পলৈ উভতি অহাৰ সময় নাছিল। ৰাতিটো বৰফৰ ওপৰতে থকা অস্থায়ী তম্বু ভাড়ালৈ থকাৰ ব্যৱস্থা কৰিলো। ইতিমধ্যে গাত জ্বৰ উঠিচিল আৰু মূৰত প্ৰচণ্ড বিষ অনুভৱ কৰিছিলো। ঈশ্বৰক মনে মনে প্ৰৰ্থনা কৰিছিলো যাতে ৰাতিটো ভালদৰে পাৰ কৰিব পাৰো। পিচদিনা ৰাতিপুৱাই শিৱবাবাক সাতোটি প্ৰণাম জনাই ঘোৰাৰে ওভতনি যাত্ৰা আৰম্ভ কৰো।পিচদিনা আবেলি আহি বালতল পাওঁ। আমাৰ লগত যোৱা বাকী সকলৰ লগত কোনো ধৰণৰ সংযোগ কৰিব নোৱাৰি আমি এখন গাড়ী ভাড়া কৰি শ্ৰীনগৰলৈ গুচি আহো আৰু ডাক্তৰক দেখাওঁ। ডাক্তৰে আমাক কোৱামেতে অক্সিজেন ভালদৰে নোপোৱাৰ বাবেহে মূৰত ষ্ট্ৰেচৰ সৃষ্টি হৈ বিষ আৰম্ভ হৈছিল। এনে অৱস্থাত "ব্ৰেইন হিমোৰেজ" হৈ মানুহ মৃত্যু মুখতো পৰিব পাৰে। আপোনালোকৰ ভাগ্য ভাল আছিল। শ্ৰীনগৰলৈ অহাৰ পিচতে আমাৰ মুখমণ্ডলৰ চাল ফাটি চিনিব নোৱাৰা অৱস্থা হৈছিল। ইমান বিপদ সংকুল যাত্ৰা এটা যোৱাৰ আগতেকেতিয়াওঁ কল্পনা কৰা নাছিলো। তেতিয়াহে বুজিব পাৰিছিলো যে কিয় যাত্ৰাৰ আগতে সম্পূৰ্ণ ডাক্তৰী পৰিক্ষাৰ আৰু তাৰ প্ৰমাণ পত্ৰ দৰ্কাৰ। হাৰ্ট দুৰ্ব্বল বা অন্য অসুখত থকা লোক এই যাত্ৰা কৰা অনুচিত। শিৱ বাবা আৰু মা বৈষ্ণোদেৱীক শতবাৰ প্ৰণাম কৰো যে তেওঁলোকৰ কৃপাতহে মোৰ বহু আকাঙ্খিত অমৰ নাথ যাত্ৰা সুকলমে সম্পূৰ্ণ হৈছিল। ❑

## কৌতুক

কৰবী দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

এদিন এজন ইংৰাজী গ্ৰাহকে এজন অসমীয়া মাছবালাক সুধিলে

ইংৰাজী গ্ৰাহক ঃ হোৱাট ইছ দিছ?
মাছবালা ঃ তিন টকা পিছ।
ইংৰাজী গ্ৰাহক ঃ হোৱাট ননছেন্স।
মাছবালা ঃ তেলত দিলে কৰে ছেন ছেন।
ইংৰাজী গ্ৰাহক ঃ হোৱাট?
মাছবালা ঃ খাবলৈ বৰ সোৱাদ।
ইংৰাজী গ্ৰাহক ঃ অ'ফ, ন।
মাছবালা ঃ নলা, যদি থ'।

শিক্ষক ঃ বাক্য ৰচনা কৰা — আকাশত চাংপতা, ডলাৰ বগৰী, কৰ্কাল ভঙা।

চম্পক ঃ ৰাজুৱে আকাশত চাংপাতি, ডলাৰ বগৰী খাই থাকোতে পিছলি পৰি কৰ্কাল ভাঙিল।

দেউতা পুত্ৰ (সোণ) ৰ লগত কথা পাতি.....

দেউতা ঃ সোণ, মনত ৰাখিবি একে ঠাইলৈ গৈ থাকিলে সম্মান কমি যায়।

সোণ ঃ হয় দেউতা, সেই কাৰণে মই সদায় স্কুললৈ নাযাওঁ।

শিক্ষক ঃ "হৰিয়ে পৰীক্ষাত আনৰ বহীৰ পৰা চাই লিখিছে" এই বাক্যটোত কৰ্ম কোনটো? ৰাহুলে কোৱাচোন।

ৰাহুল ঃ ছাৰ ইয়াত কৰ্ম বুলিবলৈ একোৱেই নাই, গোটেইটোৱেই কুকৰ্ম।

শিক্ষক ঃ বাক্য ৰচনা কৰা — গাই বাই চা

পংকজ ঃ যদুৱে এইবাৰ খেতিৰ বতৰত দমৰা গৰু নাপাই গাইকে বাই চালে।





জিতু শইকীয়া
উচ্চতৰ মাধ্যমিক
প্ৰথম বৰ্ষ (বানিজ্য)

## ৰেগিং ঃ এক সামাজিক ব্যাধি

ৰেগিং এক সামাজিক ব্যাধি। নিৰ্বুদ্ধিতা, নিষ্ঠুৰতা তথা আনক মূৰ্খ সজাবলৈ যোৱাটোৱেই ৰেগিংৰ মূল উপসৰ্গ। হাঁহি-ঠাট্টাৰ যোগেদি মনুষ্যত্বক চৰম অৱমাননা কৰা এই ৰেগিং নামৰ বিষবৃক্ষৰ কাণ্ড হৈছে আদৰ্শহীনতা আৰু ইয়াৰ পত্ৰপুস্প হৈছে ভ্ৰষ্টাচাৰ। মানসিক যন্ত্ৰনা আৰু বিকৃত চিন্তাৰ ফান্দত পেলাই প্ৰতিপক্ষক নিলৰ্জ্জভাৱে আঘাত কৰাই বৰ্তমান ৰেগিং কৰোতাৰ পৈশাচিক আনন্দ। কিন্তু এই আনন্দ যে চৰম পৰাজয় তাক বুজি নাপায়।

বহু ছাত্ৰই তেওঁৰ তলৰ ক্লাছৰ ছাত্ৰক অপদস্থ কৰিব পৰাটো বিৰাট কৃতিত্ব বুলি অনুভৱ কৰে। যদি ওপৰ ক্লাছৰ এজন ছাত্ৰক কোৱা হয় যে, তলৰ ক্লাছৰ অমুক ছাত্ৰজন তোমাৰ নিজৰ সৰু ভাইৰদৰে, কিয় তেওঁক ৰেগিংৰ নামত ইমান অপমান তথা অপদস্থ কৰিছা? এনে প্ৰশ্নৰ উত্তৰ ওপৰ ক্লাছৰ ছাত্ৰৰ বাবে কেৱল এটাই — "কি জানো। অদ্ভূত যুক্তি, কাক ৰেগিং কৰিছে, কিয় কৰিছে সেইটো বিচাৰ্য বিষয় নহয়। বিষয় হৈছে প্ৰতিশোধ চৰিতাৰ্থ কৰাটোহে ৰেগিং বিভিন্ন ধৰণৰ। নবাগতসকলক প্ৰথম অৱস্থাত সাধাৰণ জ্ঞানৰ প্ৰশ্ন কৰা হয় যদিও অশ্লীলতাৰ দিশলৈ গতি কৰে। উত্তৰ দিব পাৰিলে ভাল আৰু নোৱাৰিলে নিৰ্যাতন। বহুসময়ত দৈহিক অত্যাচাৰ পৰ্যন্ত হয়গৈ। কেতিয়াবা কোনো কোনো শিক্ষা প্ৰতিষ্ঠানত অশ্লীল বিষয়ৰ ওপৰত লিখিত পৰীক্ষাৰও পতাৰ কথা শুনা যায়। পৰীক্ষা দিব নোখোজা ছাত্ৰই অকথ্য শাৰীৰিক অত্যাচাৰ সহ্য কৰিব লগীয়া হয়। বহুতে এনে অত্যাচাৰ সহ্য কৰিব নোৱাৰি ক্ৰুদ্ধ হৈ পৰে। যন্ত্ৰনা আৰু আক্ৰোশত হৃদয় ফাটি পৰে; কিন্তু ইয়াৰ ফল বেছি ভয়ংকৰহে। অত্যাচাৰ বাঢ়ি যায়, ৰেগিং কৰোতাসল বেছি নিঠুৰ হৈ পৰে। ৰেগিংৰ কেতিয়াও ধনাত্মক নহয়। বহু ছাত্ৰই পঢ়া - শুনা এৰি পলাই যোৱাৰ পথ বাছি লয়। কোনোৱাই আত্মহত্যাৰ পথো বাছি ল'ব পাৰে। সহজ সৰল ছাত্ৰ, সিকেইজন নিৰ্বিৰ্চাৰে সকলো অত্যাচাৰ সহ্য কৰে বা মাণি লয়, তেওঁলোকে এনে কাৰ্যত সুখী এনে নহয় কাৰণ তেওঁলোকে মূৰ পাতি লোৱাৰ অত্যাচাৰৰ প্ৰতিশোধ পিছৰচাম ছাত্ৰৰ ওপৰত ল'বলৈ অপেক্ষা কৰি থাকে, যিহেতু পুৰণি চামৰ ওপৰত এনে প্ৰতিশোধ লোৱাটো অসম্ভৱ। কেতিয়াবা কেতিয়াবা বিদ্যালয় কৰ্তৃপক্ষক নবাগত ছাত্ৰই ৰেগিংৰ অভিযোগ দিয়ে আৰু কতৃপক্ষই দোষীক শাস্তি প্ৰদান কৰিলে হৰতাল নাইবা প্ৰতিষ্ঠান সাময়িকভাৱে বন্ধ হৈ পৰাৰ উদাহৰনো আছে।

ৰেগিং নামৰ সামাজিক ৱাধিৰ প্ৰতিকাৰৰ চেষ্টা শৈক্ষিক কৃপক্ষই বহুসময়ত কৰা দেখা যায়। তদন্ত কমিটী তথা নবাগত ছাত্ৰক নতুন ছাত্ৰবাসত ৰখা আদি শৈক্ষিক কৰ্তৃপক্ষই কৰিলেও ৰেগিং ৰোধ কৰাৰ দিশত কোনো শিক্ষানুষ্ঠানেই সফল হৈছে বুলি একে আষাৰে কব নোৱাৰি। অৱশ্যে এই কথা যে দোষীক বিছাৰি উলিয়াই কঠোৰ শাস্তি দিলে হয়তো কিছু সফলতা পোৱা যাব। বিশেষকৈ ছাত্ৰনেতাৰ লগত আলোচনা কৰি দোষী ছাত্ৰক শিক্ষানুষ্ঠানৰ পৰা বহিস্কাৰ কৰিলে ৰেগিং প্ৰকোপ হয়তো কমিব বুলি মোৰ আশা।

আজিৰ যুগ প্ৰতিযোগিতাৰ যুগ, বিলাসিতা তথা ভোগ বাদী যুগ তথাপি মানবীয় মূল্যবোধক বিসৰ্জন নিদি ইয়াৰ জাগ্ৰত কৰাহে উচিত। বৰ্তমানৰ ছাত্ৰই নতুনকৈ ভাবিবৰ হ'ল- শিক্ষাৰ মূল্য কি? সেয়ে প্ৰথমে নিজকে জানিবলাগিব আৰু নিজক জানিলেই ভাল বেয়া, ন্যায় অন্যায়ৰ পাৰ্থক্য নিৰ্ণয় কৰিব পৰা শক্তিৰ উন্মেষ ঘটিব। ❑

# দিশপুৰ কলেজত মোৰ প্ৰথম দিনটোৰ অনুভৱ....

বাসুদেৱ দত্ত
প্ৰথম যান্মাসিক,
বানিজ্য শাখা

কোনোবা এজন দাৰ্শনিকে কৈছিল— সপোন নেদেখা মানুহ হেনো জীয়াই থাকিব নোৱাৰে। কথাষাৰৰ সত্যতা নিশ্চয় আছে। কাৰণ সপোন ময়ো দেখিছো আৰু সেই সপোনক বাস্তৱ ৰূপ দিয়াৰ উদ্দেশ্যে উচ্চ শিক্ষা গ্ৰহণৰ বাবে দিছপুৰ মহাবিদ্যালয়ত নামভৰ্তি কৰিছোহি। ভৱিষ্যতে কি হওঁগে সেয়া অৱশ্যে এতিয়াই ক'ব পৰা ক্ষমতা মোৰ নাই। ১ আগষ্ট ২০১৩, বৃহস্পতিবাৰ। এই দিনটো মোৰ জীৱনৰ দিনলিপিত এখিলা সেউজীয়া পাত হৈ ৰ'ব। কাৰণ এই দিনটোতে মই গুৱাহাটীৰ মাজমজিয়াত অৱস্থিত দিছপুৰ মহাবিদ্যালয়ৰ স্নাতক (বাণিজ্য) শ্ৰেণীৰ ছাত্ৰ হিচাপে পৰিচিত হৈছিলো আৰু অতি স্বাভাৱিকভাৱেই নিজৰ অস্তিত্ব সম্পৰ্কে সচেতন হ'বলৈ অৱকাশ পাইছিলো। কাৰণ কঠোৰ নীতি-নিয়মৰ মাজত কঠোৰা ১২ বছৰীয়া স্কুলীয়া শিক্ষা আৰু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত দুবছৰীয়া উচ্চতৰ মাধ্যমিকৰ শিক্ষা গ্ৰহণৰ অভিজ্ঞতাৰে আহি স্নাতক শ্ৰেণীত উপনীত হৈছোহি। মোৰ বাবে অতি পবিত্ৰ বুলি অনুভৱ কৰা এই দিনটোতে আমাৰ প্ৰথম ছেমিষ্টাৰৰ ক্লাছ আৰম্ভ হৈছিল। আনদিনাতকৈ মই হয়তো সেইদিনা অলপ সোনকালেই বিছনা এৰিছিলো। প্ৰয়োজনীয় কামবোৰ যিমান পাৰো সোনকালে শেষ কৰি কলেজলৈ যাবৰ বাবে মোৰ মনটো উদ্বাউল হৈ আছিল। মই যেন বৰ আগ্ৰহেৰে অপেক্ষা কৰিছো কলেজত প্ৰথম দিনটোৰ মুখামুখি হ'বলৈ। শাওণমহীয়া ৰ'দজাক যিমানেই প্ৰখৰ হৈ আহিছিল মোৰ মনটোও সিমানেই চঞ্চল হৈ উঠিছিল। বুকুত অলেখ সপোন লৈ সেইদিনা প্ৰায় ৮.৩০ বজাত ঘৰৰ পৰা ওলাই আহিছিলো কলেজলৈ বুলি, ক্লাছৰ ৰুটিনখনৰ বিষয়ে আগতীয়াকৈ একো নজনাকৈয়ে।




ৰাজধানী মহানগৰীখনৰ মাজমজিয়াতে থকা দিছপুৰ মহাবিদ্যালয়ৰ এজন ছাত্ৰ হ'বলৈ পাই মনতে গৌৰৱবোধ কৰিছিলো। কলেজ গৈ নোপোৱালৈকে গোটেই বাটছোৱাতে মোৰ মনত কৌতূহলৰ অন্ত নাছিল। ক্ৰমে গাঢ় হৈ অহা সূৰ্যৰ তাপে মোৰ শৰীৰক যিমানেই আমনি কৰিছিল, দিছপুৰ মহাবিদ্যালয়ৰ ছবিখনো যেন মোৰ মনত জিলিকি উঠিছিল এপাহ সূৰ্য্যমুখী ফুলৰ দৰেই। মোৰ বাবে নতুন এই কলেজখন কেনে হ'ব বাৰু? কথাবোৰ ভাবি ভাবি আহি থাকোতেই মই আহি কলেজ চৌহদত উপস্থিত হৈছিলোহি। কলেজত সোমায়েই মই আমাৰ ৰুটিনখন লিখিবলৈ বেগৰ পৰা কলম আৰু বহীখন উলিয়াই ল'লো। ৰুটিনখনৰ সন্মুখত যথেষ্ট ভিৰ আছিল যদিও তাৰ মাজতে দৌৰা দৌৰিকৈ ময়ো লিখি ল'লো। তেতিয়াহে জানিব পাৰিলো যে আমাৰ প্ৰথম ক্লাছটো ৯.০০ বজাতে আৰম্ভ হৈ শেষ হ'বলৈ ৫.০০ মিনিটমানহে বাকী আছিল। ফাইনান্সিয়েল একাউন্টিং ক্লাছ। প্ৰথম দিনটোতে প্ৰথম ক্লাছটোৰ পৰা বঞ্চিত হ'ব লগা হোৱাত মোৰ মনটো খন্তেকৰ বাবে ভাগি পৰিছিল। ঠিক তেতিয়াই মোৰ লগৰীয়া জিণ্টু দাসক লগ পালো আৰু দুয়ো কোনটো হলতনো ক্লাছ চলি আছে বিচাৰিবলৈ ধৰিলো। ক্লাছটো বিচাৰি পাই দেখিলো যে প্ৰথম ক্লাছৰ ছাত্ৰজনে কলকল কৰি আছিল। তাৰ অলপ পাছতে বেল মাৰিলে আৰু ছাত্ৰজন ওলাই যোৱাৰ পাছত আমিও ক্লাছৰুমত সোমাই পিচফালৰ ছিটত বহিলো। দ্বিতীয় ক্লাছটো আছিল বিজিনেজ অৰ্গেনাইজেচন এণ্ড এণ্টাৰপ্ৰিনাশ্বিপ ডেভেলপমেণ্টৰ। ত্ৰিবেণী বৰকটকী বাইদেউৰ ক্লাছ। বাইদেউৰ সেইটো প্ৰথম ক্লাছ, সেয়ে একো নতুন বিষয় আৰম্ভ নকৰি গোটেই কৰ্ছটোৰ বিষয়ে আমাক সম্যক ধাৰণা এটা দি কৈছিল যে যিহেতু এতিয়া ছেমিষ্টাৰ ছিষ্টেম হৈছে, সেয়ে পঢ়া শুনা পিছলৈ পেলাই থ'লে নহ'ব। সদায় কলেজত যি পঢ়োৱা-লিখোৱা হয় সেইবোৰ নিয়মিতভাৱে পঢ়ি যাব লাগিব। বাইদেউৰ কথাবোৰ মই একান্ত মনে আৰু গভীৰ আগ্ৰহেৰে শুনি আছিলো, ভালেই লাগিছিল প্ৰথম ক্লাছটো কৰি। পিছৰ ক্লাছটো আছিল ইণ্ডিয়ান ফাইনেন্সিয়েল ছিষ্টেম। মাথুৰ বৰ্মন ছাৰৰ ক্লাছ। বৰ্মন ছাৰেও প্ৰথম ক্লাছটোতে আমাক কৰ্ছটোৰ বিষয়ে বুজাই দিলে। আজিৰ যুগত যিহেতু প্ৰতিটো মুহূৰ্তই এক প্ৰত্যাহ্বানস্বৰূপ, সেয়ে ছাৰে সময়ৰ সদ্ব্যৱহাৰৰ বিষয়ে কৈ আমাক সকীয়াই দিছিল। ছাৰে কৈছিল সাম্প্ৰতিক কালত সততে শুনিবলৈ পোৱা যুৱ-উচ্ছৃংখলতাৰ কথা। এখোপ আগুৱাই ছাৰে আৰু কৈছিল— 'গুৱাহাটীৰ দৰে মহানগৰ এখনত প্ৰত্যেক মুহূৰ্তৰ বাবে উপভোগ কৰিব পৰাকৈ বিলাসিতাৰ আহিলা আছে। তোমালোকে যদি এইবোৰ বিলাসিতাৰ বিভোৰ হৈ থাকা, তেনেহ'লে পঢ়া-শুনা একো নহ'ব, সকলো অথলে যাব। এই তিনি বছৰ আৰু এম কম-ৰ দুবছৰ, পাঁচ বছৰ যদি মনপুতি পঢ়াত মনোনিৱেশ কৰা, তেনেহ'লে আজীৱন বিলাসিতা ভোগ কৰিব পাৰিবা।' ছাৰে আমাক আৰু বহু কথাই কৈছিল। এনেকৈয়ে প্ৰথম ক্লাছটোতে ছাৰে আমাক সাৱধান কৰি দিছিল যাতে আমি পথভ্ৰষ্ট হৈ নাযাওঁ। এইটো ক্লাছ কৰিও মোৰ ভাল লাগিছিল এইকাৰণেই যে ছাৰৰ কথাবোৰ সাংঘাটিকধৰণে বাস্তৱ পৰিস্থিতিৰ লগত খাপ খোৱা আছিল, যিবোৰৰ মুখামুখি আমি প্ৰায়ে হ'বলগাত পৰোঁ। ইয়াৰ পাছত আমাৰ মেজৰৰ আছিল, কিন্তু মেজৰ ক্লাছৰ লিষ্টখন বেডী নোহোৱাৰ অজুহাতত প্ৰথম দিনটোত আমাৰ মেজৰ বিষয়ৰ ক্লাছ নহ'ল। এই ছেগতে কলেজখনৰ ক'তনো কি আছে ভালদৰে চাই লওঁ বুলি লগৰীয়াজনৰ সৈতে কলেজ চৌহদৰ ইফালে-সিফালে চাই ফুৰিবলৈ ধৰিলো। কলেজ চৌহদৰ নিৰিবিলি পৰিৱেশটো মোৰ ভালেই লাগিছিল। ইয়াতে তিনি বছৰ কটাব লাগিব বুলি ভাবি মোৰ মনটো দেখোন মুহূৰ্তৰ বাবে কেনেবা কেনেবা লাগিছিল। ঠিক তেতিয়াই এজাক পাতল বৰষুণ আহি মোৰ মনটো জীপাল কৰি তুলিছিল। বৰষুণত তিতি তিতিয়েই আমি কলেজ চৌহদটো উপভোগ কৰিছিলো। মোৰ বাবে ইয়ো আছিল এক বেলেগ ধৰণৰ আমেজ। তেতিয়া দুপৰীয়া ১২.০০ বাজিছিল। ৰুটিনমতে আমাৰ বিজিনেছ মেথমেটিক্সৰ ক্লাছ আছে। সেয়ে আমি গৈ নিৰ্দিষ্ট ৰুমত সোমালোগৈ। ড° কুমুদ চন্দ্ৰ নাথ ছাৰৰ ক্লাছ। ছাৰে আমাক ডিটাৰ্মিনেণ্টৰ প্ৰশ্ন কেইটামান বুজাই দিলে। এই ক্লাছটো কৰিও মই যথেষ্ট উৎসাহিত হৈছিলো। এইটোৱেই আমাৰ অন্তিম ক্লাছ আছিল। কলেজৰ প্ৰথম দিনটোৰ অনুভৱ মোৰ বাবে নিতান্তই আশাব্যঞ্জক আছিল। আটাইকেইটা ক্লাছতে উপস্থিত থাকি মই বৰ উৎসাহিত হৈ পৰিছিলো। মোৰ এনে লাগিছিল— প্ৰতেকজন শ্ৰদ্ধাৰ ছাৰ আৰু মেডামে আমাক যেন আন্তৰিকতাৰে কিবা এটা নতুন শিক্ষা দিবলৈ আগ্ৰহান্বিত হৈ আছিল। মোৰ মনত পৰিছিল, ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কোৱা এষাৰ তত্ত্বগধুৰ কথালৈ। এইজন মহান ভাৰতীয়ৰ সোঁৱৰণত প্ৰতিবছৰে পাঁচ ছেপ্টেম্বৰৰ দিনটো সমগ্ৰ দেশতে শিক্ষক দিৱস হিচাপে পালন কৰা হয়। তেখেতে কৈছিল ঃ 'শিক্ষা আহৰণ কৰি লাভ কৰা সন্তুষ্টিতকৈ শিক্ষা বিতৰণ কৰি লাভ কৰা সন্তুষ্টিৰ পৰিমাণ অনেক বেছি। মহান অসমীয়া (মহান ভাৰতীয়ও) সুধাকণ্ঠ ভূপেন মামায়ো আমাক দেখোন বহু বছৰ আগতেই কৈ থৈছে ঃ 'যিমানে বিলাই দিবা, সিমানে মহান হ'বা, তাৰে নাম সঁচা উদাৰতা।' কথাবোৰ মই যেন এতেয়াহে সম্যক উপলব্ধি কৰিবলৈ সক্ষম হৈছো। মোৰ মনটো সঁচাকৈয়ে ভাল লাগিছিল। এই প্ৰসংগতে মোক দেউতাই কোৱা এষাৰ কথা উল্লেখ কৰিব খুজিছো। দেউতাই প্ৰায়ে কয়— 'কলেজত ছাৰসকলে তোমালোকক কি শিকাই সেইটো ডাঙৰ কথা নহয়, কিন্তু তোমালোকে তেখেতসকলৰ পৰা কিমানখিনি আদায় কৰি ল'ব পাৰিছা সেইটোহে ডাঙৰ কথা। সেইটোহে এজন কলেজীয়া ছাত্ৰই জানিবলগীয়া গোপন কথা।' দেউতাই কোৱা কথাষাৰৰ সত্যতা আজি মই মৰ্মে মৰ্মে উপলব্ধি কৰিছো।

ক্লাছ শেষ হোৱাৰ পাছত মই লাইব্ৰেৰীলৈ গ'লো, কাৰ্ড বনাবলৈ। আগতেই অৰ্থাৎ নামভৰ্তিৰ দিনাই ফৰ্ম ফিলআপ কৰি থোৱা আছিল বাবেই কাৰ্ডখনো লগে লগে পালো আৰু লাইব্ৰেৰীত এভুমুকি মাৰি চালো কি কি কিতাপ আছে, মোৰ দৰে অনেক ছাত্ৰ-ছাত্ৰীক উপযুক্ত শিক্ষাৰে সুনাগৰিক হিচাপে গঢ়ি তোলাত বৰঙণি যোগাই আহিছে আৰু বৰঙণি যোগাই থাকিব যুগ যুগান্তৰলৈ। সঁচাকৈয়ে কলেজখনত প্ৰথম দিনটোৰ অনুভৱ মোৰ মনত যেন সুমধুৰ স্মৃতি হৈ ৰ'ল। ❑

# সমাজ সংগঠনত নাৰীৰ ভূমিকা

বন্দিতা বড়ো
প্ৰথম ষাণ্মাসিক,
বানিজ্য শাখা

এখন দেশ বা এটা জাতিৰ সৰ্বাংগীন বিকাশ আৰু উন্নতি নিৰ্ভৰ কৰে সেইদেশ বা জাতিৰ স্ত্ৰী-পুৰুষ উভয়ৰে সম্মিলিত সামগ্ৰিক বিকাশ আৰু উন্নতিৰ ওপৰত। পুৰুষ অবিহনে যিদৰে সমাজ জীৱন কল্পনা কৰিব নোৱাৰি, ঠিক সেইদৰে নাৰীৰ অবিহনেও সমাজ জীৱন অসম্পূৰ্ণ। নাৰী অবিহনে বিশ্বৰ জীৱ জগতৰ সৃষ্টি অভাৱনীয় আৰু নাৰীৰ বিকাশ অবিহনে মানৱ সভ্যতাৰো বিকাশ অসম্ভৱ। কাৰণ নাৰীয়ে জগতখন সৃষ্টি কৰিবও পাৰে লগতে ধ্বংস কৰিব পাৰে। নাৰী হৈছে শক্তিৰ স্বৰূপ। আজিৰ নাৰীয়ে বহুতো সুবিধা পাইছে। ২০০১ চনৰ চেন্সাচ প্ৰতিবেদন মতে ভাৰতবৰ্ষৰ মহিলা সাক্ষৰতাৰ নিৰিখ হ'ল ৫৪.১৬% ইয়াৰ বিপৰীতে পুৰুষৰ সাক্ষৰতাৰ নিৰিখ হ'ল ৭৫.৮৫%। পঞ্চায়তী ৰাজত শতকৰা ৩৩% আসন মহিলাৰ বাবে সংৰক্ষিত কৰা হৈছে। প্ৰতি জিলাৰ হেড কোৱাটাৰত একোটা মহিলা চেল খুলি তাত মহিলা পুলিচক নিযুক্তি দিয়া হৈছে। ইয়াৰ উপৰি চৰকাৰে নাৰীৰ বাবে বিভিন্ন আঁচনি তৈয়াৰ কৰিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে প্ৰাক ঐতিহাসিক কালৰ পৰা নাৰীতকৈ পুৰুষে তুলনামূলকভাৱে প্ৰাধান্য লাভ কৰি আহিছে। এতিয়াও নাৰীৰ ওপৰত অত্যাচাৰ চলোৱা হয়। নাৰীক যৌতুকৰ বাবে, ডাইনী বুলি সন্দেহ কৰি বিশেষকৈ এতিয়া প্ৰচলিত সমস্যা হৈছে নাৰী ধৰ্ষণ আৰু নাৰী দেহ ব্যৱসায়ৰ চক্ৰান্ত।

অৱশ্যে প্ৰাচীন ভাৰতীয় সমাজ ব্যৱস্থাত বিশেষকৈ বৈদিক যুগত নাৰীসকলৰ সামাজিক মৰ্য্যদা পুৰুষতকৈ কোনো গুণেই কম নাছিল। লোপামুদ্ৰা, গাৰ্গী, মৈত্ৰেয়ী আদি কেইবাটাও স্বনামধন্যা বিদূষী মহিলাই 'ঋকবেদ'ৰ মন্ত্ৰ ৰচনা কৰিছিল। আনকি নাৰীসকলে সেই সময়ত নিজৰ ইচ্ছা অনুসৰি স্বামী নিৰ্বাচন কৰিব পাৰিছিল। তদুপৰি বহুতো নাৰীৰ কৰ্ম আৰু সামাজিক অৱদান ইতিহাসৰ পাতত সোণালী আখৰেৰে লিখিত হৈ আছে। আধুনিক কালত দেশ মাতৃৰ স্বাধীনতাৰ হকে আজীৱন যুঁজ দি প্ৰাণ আহুতি দিয়া কনকলতা, মূলাগাভৰু, ঝান্সী ৰাণী লক্ষ্মীবাঈৰ আদিৰ নাম উল্লেখযোগ্য।

তেনেদৰে মানৱসেৱাত সমাজৰ প্ৰতি বিশেষ অৱদান দি যোৱা মাদাৰ টেৰেছা, ভগ্নী নিবেদিতা, সৰোজিনী নাইডু, ইন্দিৰা গান্ধী আদি নাৰীৰ নামো বিশেষভাৱে চিৰযুগমীয়া হৈ ৰ'ব।

নাৰীৰ মাজতো চেতনা আহে যে ঘৰ-সংসাৰ বাহিৰেও তেওঁলোকে শিক্ষা সামাজিক উৎপাদন, বৃত্তি, সাহিত্য, ৰাজনীতি সংস্কৃতিৰ দৰে সকলো ক্ষেত্ৰতেই পুৰুষৰ সৈতে সমানে সমানে অংশগ্ৰহণ কৰিব পাৰে। আজিৰ যুগত নাৰীয়ে সাহিত্য জগতত, সংগীত-নৃত্যৰ জগতত, বোলছবি আদিৰ জগততো বিশেষ নাম উজলাই ৰাখিছে।

নাৰীয়ে পৰিয়ালৰ সকলোৰে বাবে পুষ্টিকৰ পৰিৱেশ সৃষ্টি কৰা, আওপুৰণি কু-সংস্কাৰৰ পৰা মুক্ত হোৱা, ৰোগৰ প্ৰতিষেধক ব্যৱস্থা লোৱা, শিশুক স্বাস্থ্য সম্পৰ্কে শিক্ষা দিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। তদুপৰি আজি কালি দেখা গৈছে সময়মতে নিয়মীয়াকৈ শিশুক বিদ্যালয়লৈ পঠিওৱা, পুষ্টিকৰ আহাৰ যোগান ধৰা, ঘৰত অনুশীলনৰ বাবে প্ৰয়োজনীয় সা সুবিধা প্ৰদান কৰা এই সকলো কাম এগৰাকী দায়িত্বশীল মাতৃৰ দ্বাৰাহে নিয়াৰিকৈ কৰা সম্ভৱ।

সামাজিক প্ৰগতিৰ বাবে পুৰুষৰ লগতে নাৰীয়েও বৰ্তমান উৎপাদনমূলক কাৰ্যত যোগদান কৰাটো অত্যন্ত আৱশ্যকীয়।

এটা কথা স্বীকাৰ কৰিব লাগিব যে হিয়া-মন, প্ৰেম-প্ৰীতি, দয়া, হাস্যময় আৰু শিষ্টাচাৰৰ জৰিয়তে এটা পৰিয়াল কিয়, সমগ্ৰ মানৱ সমাজতে হৃদয়তন্ত্ৰী কঁপাই তুলিব পৰা ক্ষমতা পুৰুষতকৈ নাৰীৰ অধিক। সেয়ে বিশ্বাস হয় নাৰী মাতৃ, ভগ্নী, পত্নী যি ৰূপতেই নহওঁক কিয়, সকলো অৱস্থাতেই সমাজত শৃংখলা আৰু সম্ভাৱ সঞ্চাৰিত কৰিব পাৰে। সমাজত এনে মংগলময় প্ৰভাৱ পেলাবলৈ হ'লে নাৰী হ'ব লাগিব আদৰ্শ নাৰী। তেনে আদৰ্শ নাৰীয়েহে জন্ম দিব পাৰে অসাধাৰণ প্ৰতিভা, মনীষা তথা সৰ্বাগুণাকৰ পণ্ডিতলোকৰ মানৱ সমাজত সম্প্ৰীতিৰ এনাজৰীডাল নিকা কৰি নাৰী এখন ভাগ্য নিৰ্ণায়ক আৰু জাতিৰ কৃষ্টি সংস্কৃতিৰ পৰিচয় ব্যৱস্থাকো হ'ব পাৰে। কিয়নো নাৰীয়ে ব্যৱহাৰিক জীৱনৰ সকলোধৰণৰ আচাৰ-নীতি, কৃষ্টি-সভ্যতা নিবিৰভাৱে অহৰ্নিশে জড়িত হৈ থাকিব লগা হয়। এগৰাকী মাতৃ বা নাৰী নৈতিক শিক্ষাত সবল আৰু নিষ্ঠাৱান হ'লে সমাজ এখন নিশ্চিতভাৱে কু-সংস্কাৰমুক্ত হ'ব। বিপথগামী স্বামী বা ল'ৰা-ছোৱালীক অসৎ পথলৈ যাবলৈ নিদি তাৰ পৰিবৰ্তে মুক্তিৰ সন্ধান দিয়াত সৃষ্টিশীল প্ৰেৰণা, উদ্দীপনা বা সৎ সাহস যোগাব পাৰে মাথোঁ দেৱীস্বৰূপ নাৰীয়েহে।

গতিকে, এগৰাকী নাৰী শিক্ষিতা হোৱা মানে এটা জাতি জীৱন্ত হোৱা, উদ্ধাৰ হোৱা। সেয়ে এগৰাকী মাতৃক এশগৰাকী শিক্ষকৰ লগত তুলনা কৰা হয়। কাৰণ নাৰীয়েই হৈছে এই জগতৰ সৰ্বেসৰ্বা। ❑

## মহৎ লোকৰ বাণী

ৰঞ্জালী বড়ো
বি.এ. তৃতীয় ষাণ্মাসিক

"যিয়ে কোনো দিনে ভুল কৰা নাই, তেওঁ কোনো দিনে নতুন কামত হাত দিয়াও নাই।"

— আলবাৰ্ট আইনষ্টাইন

"সকলোকে সমান দেখে এনে পুৰুষ সকলহে পণ্ডিত।"

— গীতা

"মূৰ্খ আৰু অজ্ঞানীয়ে সত্য কি বস্তু নাজানে।"

— বুদ্ধদেৱ।

"আজিৰ কাম কাইলৈ কৰিম বুলি পেলাই নথবা কাইলৈ তোমাৰ অৱস্থা কি হ'ব তুমি নাজানা।"

— হজৰত মহম্মদ

"কাৰ কি জাতি ভগৱানে খবৰ নকৰে, কোনে কি কৰে তাকেহে খবৰ কৰে।"

— গুৰু নানক

"এটা কুৎসিং মনতকৈ এখন কুৎসিং মুখমণ্ডল অধিক গুণে উত্তম।"

— টমাচ ইলিচ

"মই প্লেটোক ভাল পাও, কিন্তু প্লেটোতকৈও ভাল পাওঁ সত্যক।"

— এৰিষ্টটল

"সৎ কৰ্ম অবিহনে মানুহে কেতিয়াও জীৱনত সুখী হ'ব নোৱাৰে।"

— উপানিষদ

"কমকৈ খোৱা, শান্তহে থকা আৰু আনন্দপূৰ্ণ জীৱন যাপন কৰা। এই তিনিটাই হ'ল পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ চিকিৎসক।

— জোনাথন চুইফথ।

"দুখত কেতিয়াও ভাগি পৰিব নালাগে, কাৰণ দুখৰ পিছত সুখ অনিবাৰ্য।"

— কোৰাণ

# মোৰ এটি লিখনি

অনুৰূপা ডেকা
তৃতীয় ষান্মাসিক,
কলা শাখা

মোৰ এই লিখনিৰ নাম মই গল্প দিম নে কবিতা নে প্ৰবন্ধ? মোৰ এই গল্পৰ ৰূপৰ প্ৰবন্ধটি মই সকলো পঢ়ুৱৈৰ হাতত অৰ্পন কৰিলো।

"খিৰিকি খুলি বহি লৈছো। চকীখনকে টানি, হাতত তুলি লৈছো, এটি কলম, লিখো বুলি উকা কাকতত খিৰিকিৰ বাহিৰলৈ চাওঁতে দেখিলো এটি শালিকী, উলাহত নাচিছে তাই চিকচিক মাতেৰে ইফালে সিফালে ধপলিয়াইছে, অহ এয়া দেখোন শালিকী নহয়, এটি অচিন চৰাই; কি নাম চৰাইটিৰ? দেখিবলৈ কলা পখৰা, মূৰটোত অলপ জোঙাকৈ কিবা এটা আছে, পাখিখন অলপ ৰঙচুৱা। ঘৰ বান্ধিবলৈ অনা চিমেণ্ট, শিল, বালিৰ মচলা মাৰিবলৈ বনোৱা পকাখনত অলপ পানী জমা হৈছে, তাতেই চৰাইজনীয়ে পানী খাইছে, কাষৰ গছডালত বগাইছে, নিজক লৈয়ে আপোন পাহৰা হৈ পৰিছে, তাই এবাৰ তললৈ আহে আকৌ ওপৰলৈ উৰা মাৰে, গছৰ এটা ডালৰ পৰা আনটোলৈ ইফাল-সিফাল ধপলিয়াই ফুৰিছে। চিত পখিলীৰ দৰে এপাকত কেনি উৰা মাৰিলে গমকেই নাপালো। অহ এইবাৰ আকৌ দুজনী শালিকী, মানুহে কয়, দুজনী শালিকী দেখিলে হেনো দিনটো ভাল হয়, মই কিন্তু এইবোৰক অৰ্থহীন বুলিয়েই ভাবো। দুয়োজনী শালিকীয়ে এখাজ দুখোজকৈ খোজ মিলাই আগবাঢ়িছে। ইহঁত পখীবোৰ যে সদায় স্বাধীন, সঁচাই ইহঁতৰ দুখ সুখ যেন একোৱেই নাই, মাথো নিজক লৈয়ো ব্যস্ত, সিহঁতে বাৰু কথা কয়নে? মানুহ হ'বলৈ হয়তো সিহঁতৰো মন যায়, কিন্তু মানুহৰ জীৱন যে দুখৰ কালিমাস্বৰূপ সেইটো জানো সিহতে বুজিব? বা আমি জানো বুজিম সিহঁতৰ কথা, সিহঁতৰ তুচ্চ জীৱনটোৰ কথা? ক্ষুদ্ৰ খাদ্য অকমানৰ সন্ধানত গোটেই জগতখনতেই ঘূৰি হাবাথুৰি খাই ফুৰে। হয়তো কেতিয়াবা এই যান্ত্ৰিক চহৰৰ ইলেকট্ৰনিক টাঁৱৰ বিজুলীৰ বিকৃতিৰ ফলত সিহঁতৰ মৃত্যুও হৈছে। সিহঁতেও বুজে এই পৃথিৱীৰ মায়া, সেয়ে হয়তো তিলমাত্ৰ শান্তি বিচাৰি দূৰ আকাশলৈ উৰা মাৰিব খুজে। আমি বাৰু সিহঁতক অকণমান বুজিবলৈ চেষ্টা নকৰো কিয়? কিয় নিজৰ বিলাসী জীৱন উদ্‌যাপনৰ বাবে হাবিৰ নিৰ্দোষী শাল-গমাৰি কাটি চুৰ মাৰ কৰি ন ন ৰূপত সজাই ডাঙৰ অট্টালিকাৰ চৰাঘৰত নিজৰ বিলাসীতাৰ প্ৰমাণ দিও? এবাৰো নাভাবো যে আমি কাটি অনা গছবোৰ সেই কন কন চৰাইবোৰৰ বাবে আছিল। আমি নাভাবো কাৰণ আমি যান্ত্ৰিকতাৰ মাজত সোমাই পৰিছো আৰু মানুহ হ'বলৈ পাহৰি গৈছো, অন্ধ হৈ পৰিছো আমি পৰিস্থিতিক আওকান কৰিছো, আমি মানুহবোৰে উৰি ফুৰা চৰাইতকৈ পিঞ্জৰাত বন্ধ হৈ থকা চৰাইকহে বেছি ভাল পাওঁ, বাটত ঘূৰি ফুৰা কুকুৰক স্বাস্থ্যৰ গাত দীঘল নোম থকা হাজাৰ টকীয়া কুকুৰবোৰক ডগী, চুইটী আদি নামেৰে সজাও।







আজিৰ যুগত কুকুৰৰো ধনী দুখীয়া আছে। ঠিক সেই একেদৰে এটা বৃহৎ অট্টালিকাৰ ছোৱালী এজনীক যদি মানুহে বাটত দেখে তেতিয়া তেওঁক দেৱীজ্ঞান কৰে, উপযাচি সহায় কৰিবলৈ আহে, আনফালে আকৌ পৰ্জাঘৰৰ ছোৱালী এজনীয়ে বিপদত চিঞৰি ফুৰিলেও সহায়ৰ বাবে কোনেও আগবাঢ়ি নাহে।

আমাৰ এইখন কি সমাজ কি যুগ এয়া জাতি, ধৰ্মক লৈ প্ৰভেদ ধনী-দুখীয়া, উচ্চ-নীচ এইবোৰক লৈ হেতাওপৰা? এই পৃথিৱীত এনেকুৱা কেইজনমান মানুহ ওলাবনে যিয়ে এই সকলোবোৰ আওকান কৰি মাত্ৰ এজন সৎ মানুহৰূপে হাজাৰ জনক গঢ় দিব পাৰে? আমি ডাঙৰ ডাঙৰ ডিগ্ৰীবোৰ মাত্ৰ এটা সু চাকৰি পাবলৈ লৈছো? নিজৰ পৰিয়ালক ৰাজসুখত ৰাখিবলৈ সৰল পৰা ইমানখিনি কষ্ট কৰিছোনে? আমি যদি নিজৰ লগতে আন দহজন মাউৰা সন্তানকো শিক্ষিত কৰি তোলা, আমি যদি ১০০ শতাংশ দৰমহাৰ মাত্ৰ ১০ শতাংশও অনাথ দৰিদ্ৰ শ্ৰেণীক দিব পাৰিলো হয়, তেতিয়া আমাৰ পূণ্য হ'ল হয় আৰু তেতিয়াহে ক'ব পাৰিলো হয় "হয় মই প্ৰকৃত মানুহ" যিজন মানুহে আন দহজনৰ দুখ বুজিব পাৰে, নিজৰ থকাখিনিক লৈ গৌৰৱ নকৰি সকলোৰে লগত সাধাৰণ ব্যক্তি হিচাপে থাকে তেতিয়াহে এজন ব্যক্তিক আমি মানুহ বুলি কম, অন্যথা তেওঁ হ'ব এজন দানৱ। আমি যদি মানুহ হ'লোহেঁতেন, ড° ভূপেন হাজৰিকাৰ গানটোৰ এষাৰি হয়তো সলনি হ'লহেঁতেন, "মানুহ যদিহে নহয় মানুহ দানৱ কাহানীও নহয় মানুহ, যদি দানৱ কাহানিবা হয় মানুহ লাজ পাব কোনোনো কোৱা সমনীয়া।

আমি সৎ মানুহ যদি হলোহেঁতেন সুধাকণ্ঠই এই গীত নৰচিলে হেতেঁন।

শেষত সকলোকে কৈছো আমি পিন্ধি থকা মুখাবোৰ খুলি টোপনিৰ ভাও জুৰি থকা হাজাৰ জনতাক জাগ্ৰত কৰো আহা, সকলোৱে মানুহ হ'বলৈ শিকো। ডিগ্ৰী, ডিপ্লমাৰ বাহিৰেও আন এটা অতি গুৰুত্বপূৰ্ণ খিতাপ আমাক খুবেই প্ৰয়োজন আহাঁ আমি আওবাও 'মানৱতাৰ' খিতাপ অৰ্জন কৰিবলৈ।

**বিঃদ্ৰঃ** মোৰ এই লিখনিৰ দ্বাৰা মই কাকো আঘাত দিব তথা ধনী মানুহৰ প্ৰতি হিংসাৰ বাব দাঙি ধৰিবলৈ বিচৰা নাই মই মাত্ৰ সমাজৰ লোকসকলক ভেদাভেদ পৰিহাৰ কৰি সমান চকুৰে সকলোকে চাবলৈ অনুৰোধ জনালো। ধন্যবাদ।

## কেইবিধমান বন - দৰবৰ গুণ

কৰবী দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

দোৰোণ শাক ঃ

১। দোৰোণ শাকৰ ৰস উলিয়াই খালে টনচিল ভাল হয়।

২। দোৰোণ শাক ডালে মূলে পিউত ভাজি খালেও টনচিল ভাল হয়।

**ব্ৰাহ্মী শাক ঃ**

১। ব্ৰাহ্মী শাক নিয়মীতভাৱে খালে স্মৃতি শক্তি বাঢ়ে।

**নিম ঃ**

১। নিমৰ ডালেৰে দাঁত ঘঁহিলে দাঁতৰ ৰোগ নহয়।

২। নিমপাত ভাজি খালে বা পাতৰ ৰস খালে পেটৰ পেলু মৰে।

**তুলসী ঃ**

১। তুলসীৰ পাত মোহাৰি ৰাতি পুৱাই শুঙিলে শ্বাস-প্ৰশ্বাস স্বাভাৱিক হৈ থাকে।

২। তুলসীৰ পাত বটি লৈ গাখীৰৰ সৰৰ লগত মিহলাই মুখত ঘঁহিলে মুখ উজ্জ্বল হয়।

৩। কাঁহ হ'লে তুলসীৰ পাতৰ ৰস মৌৰ লগত খালে কাঁহ কমে।

# ভাৰতত গোলকীকৰণৰ প্ৰভাৱ

ধীৰাজ গগৈ,
পঞ্চম ষাণ্মাসিক
(কলা শাখা)

বৰ্তমান সময়ত প্ৰচাৰ মাধ্যমত প্ৰায়ে উল্লেখিত শব্দটো হ'ল বিশ্বায়ণ। ৰাষ্ট্ৰনায়কসকলেও সঘনাই উচ্চাৰিত কৰা শব্দমালা হ'ল এই যে— পৃথিৱীখন এখন গাঁৱত পৰিণত হ'ব, আমি গোলকীকৰণৰ সন্ধিক্ষণত, নতুন বিশ্ব ব্যৱস্থাৰ আৰম্ভ হৈছে, জাতি-ৰাষ্ট্ৰ অবলুপ্তি ঘটিছে ইত্যাদি। দৰাচলতে এই গোলকীয়কৰণনো কি?

গোলকীকৰণ বা বিশ্বায়ন হ'ল এনে এটি প্ৰক্ৰিয়া য'ত উৎপাদন আৰু মূলধনক বহু ৰাষ্ট্ৰীয়কৰণ কৰা হয়, যাক বিশ্ববেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি আদি অনুষ্ঠানে বৈধতা প্ৰদান কৰে। এই বিশ্বায়ন ব্যৱস্থা পুঁজিৰ সাম্ৰাজ্যবাদী স্তৰৰে এটা পৰ্যায় অৰ্থাৎ সাম্ৰাজ্যবাদী পুঁজিৰ প্ৰসাৰ আৰু বৃদ্ধিৰ বাবেই এই বিশ্বায়ন ব্যৱস্থা বা গোলকীকৰণ প্ৰক্ৰিয়া। বিভিন্ন জাতীয় পুঁজিৰ লগতে জাতীয় স্বাৰ্থ উলংঘা কৰি আগবাঢ়ি আহিছে বিশ্বায়নৰ জগন্নাথ ৰথ।



ঐতিহাসিক প্ৰেক্ষাপট : শিল্প বিপ্লৱ, ঔপনিবেশিক লুণ্ঠন, সামুদ্ৰিক বিশ্ববানিজ্য আৰু জাতি ৰাষ্ট্ৰৰ শক্তিশালী সাহাৰ্যত ঊনবিংশ শতাব্দীত পশ্চিম ইউৰোপ, আমেৰিকা আৰু জাপানত পুঁজি অতিকায় হৈ উঠে। এই দেশবোৰতেই সৰ্বপ্ৰথমে মনোপলি বা অতিকায় পুঁজিবাদী সংস্থাৰ আৱিৰ্ভাৱ হয়, যাক কোৱা হয় বহুজাতিক নিগম। এই সংস্থাবোৰৰ হাতত ইমান বেছি ধন জমা হ'বলৈ ল'লে যে তাক বিনিয়োগ কৰিবলৈ সিবিলাকে পৃথিৱীৰ চুকে কোণে পিয়াপি দিবলৈ ধৰিলে। অচিৰেই পৃথিৱীখন কেইটামান শক্তিৰ মাজত ভাগ-বতোৱা হৈ গ'ল। পুঁজিয়ে আন্তৰ্জাতিক ৰূপ পালে আৰু বিশ্বৰ সম্পদৰাজিৰ চৰম কেন্দ্ৰীভৱন ঘটিল।

১৯৮৫ চনত বিশ্বৰ বৃহৎ ১৫০ টা অৰ্থনৈতিক গোটৰ ৮৬ টাই বহুজাতিক নিগম। এই বহুৰাষ্ট্ৰীয় প্ৰতিষ্ঠানবোৰৰ অতি শক্তিশালী প্ৰতিষ্ঠানকেইটা কেন্দ্ৰীভূত হৈ আছে মাত্ৰ সাত-আঠখন দেশতহে। এই বৃহৎ কোম্পানীবিলাকৰ বেছিভাগেই কেন্দ্ৰীভূত হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰত। ভাৰতবৰ্ষ দখল কৰা 'ইষ্ট ইণ্ডিয়া' কোম্পানী আছিল তেনে এক প্ৰতিষ্ঠান। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত তেনে বহুৰাষ্ট্ৰীয় কোম্পানীৰ সংখ্যা দ্ৰুতগতিত বাঢ়িবলৈ ধৰিলে। হাৰ্ভাৰ্ড এণ্ডেৰে, বয়েল আফ্ৰিকান আদি উল্লেখযোগ বহুজাতিক নিগম। পৃথিৱীৰ সৰ্ববৃহৎ ১০০ টা বহুজাতিক প্ৰতিষ্ঠানৰ ভিতৰত ৪৮ টা আমেৰিকা, ১৬ টা জাপানৰ, ৯ টা পশ্চিম জাৰ্মানীৰ, ৬টা ইংলেণ্ডৰ, ৫টা ফ্ৰান্সৰ, ৪টা দক্ষিণ কোৰিয়াৰ, ৩ টা ইটালীৰ আৰু কানাডাৰ, ২টা নেডাৰলেণ্ডৰ, ১টাকৈ বাকী ২২খন দেশৰ। ১৯৮৫ চনত বিশ্ববেংকৰ প্ৰতিবেদনে দেখুওৱাইছে যে, বিশ্বৰ মুঠ বানিজ্যৰ বৃহদংশভাগ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ হাতত। কাৰণ বিশ্বৰ আটাইতকৈ বৃহৎ বহুৰাষ্ট্ৰীয় প্ৰতিষ্ঠানবিলাক হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰৰ। গতিকে এইটো দিনৰ পোহৰৰ দৰেই সত্য যে, গোলকীকৰণৰ মূল সুবিধা গোলকীয়া দখল থকা বৃহৎ কোম্পানীবিলাকৰ জৰিয়তে মাত্ৰ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু অন্যান্য কেইখনমান দেশৰ বাবেহে হ'ব।



**সমাজতন্ত্ৰৰ বিপৰ্যয় : (কল্যাণকামী ৰাষ্ট্ৰৰ আত্মঘাটী মৃত্যু আৰু উদাৰীকৰণ) :** বিংশ শতাব্দীৰ প্ৰথমাৰ্ধত বিশ্বৰ অৰ্ধেক স্থানত পুঁজিবাদৰ বিকল্প হিচাপে সমাজতন্ত্ৰ অথবা সমাজতান্ত্ৰিক আদৰ্শৰে প্ৰভাৱিত আৰ্থ ৰাজনৈতিক ব্যৱস্থা গঢ় হৈ উঠিছিল যাৰ ফলত পুঁজিবাদী বিশ্বখনৰ আকাৰ হৈ পৰিছিল সংকোচিত। তদুপৰি পুঁজিবাদী দেশসমূহতো ঘোৰ অৰ্থনৈতিক সংকট উপস্থিত হৈছিল। কেৱল সেইয়াই নহয়; পুঁজিবাদী দেশসমূহৰ মাজৰ পাৰস্পৰিক সংঘাতে জন্ম দিছিল দুখনকৈ বিশ্ব যুদ্ধৰ। পুঁজিবাদীৰ এনে আসন্ন সংকট মোচনৰ বাবে জে.এম.কেইনজৰ তত্ত্বৰ আধাৰত উদ্ভৱ হ'ল 'কল্যাণকামী ৰাষ্ট্ৰৰ' অৱধাৰণা। এই তত্ত্বমতে ৰাষ্ট্ৰ হ'ব অৰ্থনীতিৰ নিৰ্ণায়ক আৰু ৰাষ্ট্ৰৰ বহন কৰিব বিশেষ সামাজিক ভূমিকা। দৰাচলতে ক'বলৈ গ'লে পুঁজি তথা পুঁজিপতি হ'ব লাগিব ৰাষ্ট্ৰৰ বহতীয়া। কিন্তু আশীৰ দশকত সমাজবাদী শিবিৰৰ পতনে বিশ্বব্যৱস্থাক এটা নতুন মাত্ৰা দিলে। সমাজতন্ত্ৰ পতনত উল্লাসিত হৈ হাল্লাৰ মাজতেই লুকাই পৰিল 'কল্যাণকামী ৰাষ্ট্ৰ'ৰ বীভৎস মৃত্যু দশা। আৰম্ভ হ'ল সাম্ৰাজ্যবাদী পুঁজিৰ বিশ্বজোৱা মাৰধান দৌৰ। ত্বৰান্বিত হ'ল বিধায়নী প্ৰক্ৰিয়া। গোলকীকৰণ প্ৰক্ৰিয়াক বাস্তৱায়িত কৰাৰ বাবে জেনেৰেল এগ্ৰিমেণ্টছ অন চেৰিফছ এণ্ড ট্ৰেড বা থোৰতে 'গ্ৰাট'ৰ অষ্টম পৰ্বৰ সুদীৰ্ঘকালীন বৈঠকতেই প্ৰয়াস কৰা হৈছিল। 'গ্যাট'ৰ সঞ্চালক প্ৰধান আৰ্থৰ ডানকেলৰ প্ৰচেষ্টাত ১৯৮৬ চনত উৰুগুৱেত অনুষ্ঠিত বৈঠকত কিছুমান প্ৰস্তাৱ দাঙি ধৰা হয় যাক ঐতিহাসিক 'ডাংকেল প্ৰস্তাৱ' ৰূপে জনাজাত। সুদীৰ্ঘ বাৰ বছৰৰ পাছত ভাৰতকে ধৰি প্ৰায় সকলোবোৰ দেশেই 'গ্যাট চুক্তি' মানি লয় অৰ্থাৎ ডাংকেল চাহাবৰ প্ৰস্তাৱবোৰ মানি লয়। কাৰণ ইয়াৰ অন্তৰ্ভূৰ্ক্ত দফাসমূহ মানি নল'লে বহুপাক্ষিক বানিজ্যৰ সুবিধাৰ পৰা বঞ্চিত, আন্তৰাষ্ট্ৰীয় মুদ্ৰাকোষৰ সাহাৰ্যৰ পৰা কিঞ্চিত বিশ্ববেংকৰ সাহাৰ্যৰ পৰা বঞ্চিত হোৱাৰ ভয় আৰু আমেৰিকাকে ধৰি বিশ্বৰ উন্নত দেশ সাতখনৰ সু তথা কৃপা দৃষ্টিৰ পৰা আতঁৰ হোৱাৰ ভয় থাকে।

'গ্যাট চুক্তি' বাস্তৱায়িত কৰাৰ অন্যতম চৰ্ত হ'ল আৰ্থিক উদাৰীকৰণ। জাতি ৰাষ্ট্ৰবোৰে জাতীয় স্বাৰ্থ ৰক্ষাৰ বাবে ৰাষ্ট্ৰকৃত উদ্যোগ, বিদেশী ৰপ্তানী আৰু দ্ৰব্যৰ ওপৰত বাধানিষেধ বা উচ্চ হাৰৰ কৰ কাটল, জাতীয় অৰ্থনীতিৰ ওপৰত ৰাষ্ট্ৰীয় নিয়ন্ত্ৰন আদি যিবোৰ ব্যৱস্থা দ্বিতীয় মহাযুদ্ধৰ পিছৰ পৰা গ্ৰহণ কৰিছিল, সেই সকলোবোৰ পুঁজিৰ অবাধ আন্তৰ্জাতিক বিচৰণৰ স্বাৰ্থত সমূলঞ্চে নাকচ কৰাৰ জৰিয়তে বিশ্বায়নে তাৰ বৰ্তমান ৰূপ অৰ্জন কৰিছে। ভাৰতত ইতিমধ্যেই আৰম্ভ হৈছে বিশ্বায়নৰ প্ৰাথমিক স্তৰ আৰ্থিক উদাৰীকৰণ।

**বিশ্বগ্ৰাসত ভাৰত :**

ভাৰতত উদাৰীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ হয় ১৯৯১ চনত। ইতিমধ্যে অৰ্থ ব্যৱস্থাত চৰকাৰৰ নিয়ন্ত্ৰণ হ্ৰাস কৰি দেশী-বিদেশী পুঁজিপতি শ্ৰেণীৰ বাবে সম্পদ আহৰণৰ পথ মুকলি কৰাৰ লগতে উন্নত বিদেশী ৰাষ্ট্ৰসমূহৰ কৃষি, উদ্যোগ আদি উৎপাদিত বস্তুৰ বাবে বজাৰৰ পৰিসৰ বহল কৰা হৈছে। ইয়াৰ বাবে চৰকাৰৰ নিয়ন্ত্ৰণমূলক ব্যৱস্থা আৰু নীতি নিয়মবো যথাসম্ভৱ প্ৰত্যাহাৰ আৰু কিছুক্ষেত্ৰত শিথিল কৰা হৈছে। উদ্যোগ নীতিৰ পৰিবৰ্তন ঘটাই উদ্যোগ স্থাপনৰ বাবে প্ৰায়বোৰ ক্ষেত্ৰতে চৰকাৰ পৰা লাইচেন্স লোৱাৰ নিয়ম প্ৰত্যাহাৰ, দেশী বিদেশী পুঁজিপতি শ্ৰেণীক উৎসাহিত কৰাৰ বাবে বিভিন্ন কৰৰ হাৰ হ্ৰাস, আমদানিৰ ক্ষেত্ৰত থকা বাধা নিষেধ শিথিলকৰণৰ আদি ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আৰম্ভ হৈছে ব্যক্তিগত কৰাৰ অবিৰত যাত্ৰা।

অন্যহাতেদি, ৰাজহুৱা খণ্ডৰ বাবে সংৰক্ষিত উদ্যোগবিলাকৰ প্ৰায়বোৰেই দুৱাৰ দেশী-বিদেশী ব্যক্তিগত উদ্যোগলৈ বিনিয়োগৰ বাবে মুকলি কৰি দিয়া হৈছে। ক্ষুদ্ৰ উদ্যোগৰ বাবে সংৰক্ষিত উৎপাদন ক্ষেত্ৰবোৰ ইতিমধ্যে বৃহৎ উদ্যোগপতিৰ বাবে মুকলি কৰা হৈছে। বিত্তীয় খণ্ডৰ সংস্কাৰৰ নামত চৰকাৰী বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানবোৰ বেচৰকাৰী খণ্ডলৈ হস্তান্তৰ কৰাৰ আঁচনি প্ৰস্তুত কৰা হৈছে। ভাৰতীয় জীৱন বীমা আৰু অন্যান্য ৰাজহুৱাখণ্ডৰ বীমা নিগমসমূহক ব্যক্তিগতকৰণ কৰাৰ বাবেও চৰকাৰে প্ৰচেষ্টা হাতত লৈছে।

**গোলকীকৰণ আৰু ভাৰতীয় অৰ্থনীতিত ইয়াৰ প্ৰভাৱ :**

বিশ্বজুৰি বিশ্বায়নৰ ফলত উচ্চ প্ৰযুক্তিৰ দ্ৰুত প্ৰসাৰ ঘটিছে। এই প্ৰযুক্তিৰ বৈশিষ্ট্য হৈছে— তাকৰীয়া শ্ৰমিক নিযুক্ত কৰি আগৰ তুলনাত অধিক হাৰত উৎপাদন কৰাৰ ব্যৱস্থা। ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশবোৰত শ্ৰমিকৰ সংখ্যা বেছি হোৱা বাবে অৰ্থনীতিৰ সকলো ক্ষেত্ৰতে উচ্চ প্ৰযুক্তিৰ প্ৰয়োগে তীব্ৰ নিবনুৱা সমস্যাৰ জন্ম দিব। ইতিমধ্যে ভাৰতত নিবনুৱা সমস্যা দ্ৰুতগতিত বৃদ্ধি পাইছে। (চৰকাৰী হিচাপমতে, ১৯৯১ চনৰ পৰা ২০০০ চনৰ ভিতৰত অকল সংগঠিত বৃহৎ উদ্যোগৰ ক্ষেত্ৰত ১০,০০,০০০ লোকৰ কৰ্ম সংস্থান লোপ পাইছে। চৰকাৰী খণ্ডটো বহু উদ্যোগ ৰুগ্ন হৈ বন্ধ হৈছে। চৰকাৰী কাৰ্যালয়ৰ খৰচ কমাবলৈ চাকৰিয়ালৰ সংখ্যা কমোৱা আৰু অৱসৰ হ'লে পদ বিলুপ্তিৰো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ইতিমধ্যে কৰ হ্ৰাস পাইছে লগতে হ্ৰাস পাইছে সুতৰ হাৰ। দ্ৰুতগতিত ঘটিছে মুদ্ৰাস্ফীতি। বিশ্বায়নৰ অন্য এক প্ৰভাৱ হৈছে, দেশৰ কৃষি আৰু গ্ৰাম্য উদ্যোগখণ্ডত নিৰ্ভৰ কৰি জীৱিকা অৰ্জন

কৰি থকা জনসংখ্যাৰ বৃহত্তম অংশৰ লোকসকলৰ জীৱনলৈ নামি অহা অন্ধকাৰ ভৱিষ্যতৰ গভীৰ আশংকা। আমদানি কৰা বস্তুৰে বজাৰ ভৰি পৰিছে। উচ্চ আয়ৰ লোকসকলে উৎকৃষ্ট গুণৰ বস্তু বুলি উন্নত বিদেশী দেশৰ দামী বস্তুবোৰ আগতকৈ অধিক পৰিমাণে কিনিবলৈ লৈছে আৰু নিম্ন আয়ৰ লোকসকলেও চীন, দক্ষিণকোৰিয়া আদিৰ দৰে কম উন্নত দেশৰ পৰা অহা কম দামৰ নিকৃষ্ট মানৰ ৰংচঙীয়া বস্তুটোৰ কিনিবলৈ উত্তউল হৈছে। এইদৰেই সংকোচিত হৈছে ক্ষুদ্ৰ আৰু গ্ৰামোদ্যোগত উৎপাদিত বস্তুৰ বজাৰ। কৃষিজাত বস্তুৰ ক্ষেত্ৰতো অনুৰূপ অৱস্থা হোৱাৰ আশংকা কৰা হৈছে। ইতিমধ্যেই কৃষি খণ্ডটোৰ দুৱাৰ দেশী বিদেশী বৃহৎ ব্যৱসায়ীৰ বিনিয়োগৰ বাবে মুকলি কৰি দিয়াৰ যো-জা চলিছে। এইক্ষেত্ৰত তামিলনাডুৰ ভাৰ নাৰিকলৰ বজাৰ পেপ্‌চি (PEPSI) যে দখল কৰি নাৰিকল বাগিচাৰ মালিকক সৰ্বস্বান্ত কৰাৰ উদাহৰণ প্ৰনিধানযোগ্য।

বিশ্বায়নৰ আন এটা লেখত ল'বলগীয়া কু-প্ৰভাৱ হৈছে, দেশত আঞ্চলিক আৰু শ্ৰেণীগত আৰ্থিক বৈষম্যৰ অভাৱনীয় বৃদ্ধি। ইতিমধ্যে মহাৰাষ্ট্ৰ, গুজৰাট, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ আদিত দেশী-বিদেশী পুঁজিৰ বিনিয়োগ অধিক পৰিমাণ হৈছে আৰু অসম তথা উত্তৰ পূৰ্বাঞ্চল, বিহাৰ উত্তৰ প্ৰদেশ, আদিত তেনে বিনিয়োগ সামান্য হৈছে বা নোহোৱাকৈ আছে। বৃহৎ জাতিয় নিগম আৰু দেশীয় বৃহৎ ব্যৱসায় গোষ্ঠীৰ সৈতে প্ৰতিযোগিতাৰ উৎপাদন বন্ধ হৈছে। ফলশ্ৰুতিত নিবনুৱাৰ সংখ্যা বৃদ্ধি পাইছে। এই বৰ্দ্ধিত নিবনুৱাই জন্ম দিব সমাজ বিৰোধী কুটাঘাটমূলক কাৰ্য্যকলাপৰ।

**গোলকীকৰণ আৰু ভাৰতীয় শিক্ষা সংস্কৃতি ঃ**

গোলকীকৰণে ভাৰতৰ শিক্ষাখণ্ডৰ আন্তঃগাঠনিতো যে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিবলৈ সক্ষম হৈছে সচেতন মহলে ইয়ালৈ দৃষ্টি ৰখাটো সমীচিন হ'ব। ইতিমধ্যে চৰকাৰীখণ্ডৰ বিদ্যালয়সমূহত ব্যক্তিগত খণ্ডক প্ৰত্যক্ষ বিনিয়োগৰ সুবিধা দিয়া হৈছে। বৰ্তমান দিল্লীৰ প্ৰায়বোৰ বিদ্যালয় ব্যক্তিগতকৰণ কৰা হৈছে। ক্ৰমাগতভাৱে এই ব্যৱস্থা ভাৰতৰ সৰ্বত্ৰতে বিয়পিব। অন্যহাতে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত হোৱা বুজাবুজিৰ চুক্তি অনুসৰি নিযুক্তি হ্ৰাস কৰাৰ যি ব্যৱস্থা গ্ৰহণ কৰা হৈছে তাৰ ফলত প্ৰাথমিক, মাধ্যমিক, মহাবিদ্যালয় পৰ্য্যায়ৰ বহু বেচৰকাৰী বিদ্যালয় চৰকাৰীকৰণৰ পৰা বঞ্চিত হোৱাৰ উপক্ৰম ঘটিছে। ফলত বিদ্যালয়সমূহত সেৱা আগবঢ়াই সেৱা আগবঢ়াই থকা শিক্ষক-শিক্ষয়িত্ৰীসকলে চৰম হতাশা আৰু দৰিদ্ৰতাক সন্মুখত লৈ কিমান ফলপ্ৰসু শিক্ষা ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰিব সেইয়া চিন্তনীয় বিষয়। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে বিশ্বায়নৰ প্ৰভাৱত ৰাষ্ট্ৰৰ পুঁজিৰ অৱস্থা যিমানেই দুৰ্বল হ'বলৈ ধৰিছে সিমানেই ব্যক্তিগত বিনিয়োগকাৰী তথা বহুজাতিক নিগমসমূহে বজাৰৰ বিভিন্ন ক্ষেত্ৰ দখল কৰিবলৈ সক্ষম হৈছে। শিক্ষা ক্ষেত্ৰত কৌটি কোটি বিনিয়োগৰদ্বাৰা দেশীয় স্বচ্ছল মধ্য শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক আকৰ্ষিত কৰিছে। কিন্তু পাঠ্যক্ৰমত কৰ্মমুখী শিক্ষাক অধিক গুৰুত্ব নিদিয়াত আৰু অধিক ব্যয়বহুল হোৱাত সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল অৱধাৰিত ভাৱেই বঞ্চিত হোৱাৰ পথ প্ৰশস্ত হৈছে। বজাৰ দখলৰ স্বাৰ্থত বহুজাতিক নিগমসমূহে চমক সৃষ্টিৰ বাবে বিজ্ঞাপনত যি অশ্লীল অভিনৱ কৌশল অৱলম্বন কৰিছে তাৰ ছত্ৰছায়াত আমাৰ গ্ৰাম্য সমাজৰ ল'ৰা -ছোৱালীবিলাকো দূৰদৰ্শনৰ সন্মুখলৈ ঢাপলি মেলিছে। লগে-লগে পশ্চিমীয়া সংস্কৃতিৰ প্ৰতিও আকৰ্ষিত হৈছে। দূৰদৰ্শনৰ ইতিবাচক দিশসমূহ স্বীকাৰ কৰিও এনে বিষপাষ্পৰ ভয়াবহতা অস্বীকাৰ কৰিব নোৱাৰি।

আমাৰ দেশত কৃষ্টি সংস্কৃতিৰ কিছুমান মৌলিক মানবীয় প্ৰমূল্য আছে যিবোৰ ভোগবাদৰ পৰা সম্পূৰ্ণ উৰ্ধত। এই মানবীয় প্ৰমূল্য তথা লক্ষণবোৰ কলাসুলভতা, বিনয় আৰু নমনীয়তাৰ মাজেৰে প্ৰতিভাত হয়। কিন্তু গোলকীয়কৰণৰ ধাম খুমীয়াত পৰি ভাৰতীয় সভ্যতা সংস্কৃতি আজি পশ্চিমীয়াকৰণ বা আমেৰিকাৰ জেহ্নৰ প্ৰশস্ত পথত অগ্ৰসৰ হৈছে। ফলত আমাৰ ঐতিহ্যমণ্ডিত শিক্ষা-সংস্কৃতিৰ ভেটি থকবৰক অৱস্থা। যুৱক-যুৱতীৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত ক্ৰমান্বয়ে জনপ্ৰিয় হোৱা 'নিউইয়েৰচ ডে (New Years Day) ভেলেণ্টাইন ডে (Valentine day) সৌন্দৰ্য প্ৰতিযোগিতা (Fashion Competition) আৰু বিউতি পাৰ্লাৰৰ সৰ্ব্যাপ্ত গতিয়েই যথাৰ্থতা নিৰূপনত যথেষ্ট।

**সামৰণি ঃ** গোলকীকৰণৰ প্ৰভাৱত যদিও বিদেশী বিনিয়োগ বৃদ্ধি পাইছে, বিদেশী মূলধনৰ আধিপত্য বৃদ্ধি পাইছে, বিদেশী বস্তুৰ বজাৰ সম্প্ৰসাৰিত হৈছে তথাপি চৰকাৰে আশা কৰাৰ ধৰণে ৰপ্তানি বৃদ্ধি হোৱা নাই। আৰ্থিক উন্নয়নৰ হাৰো বৃদ্ধি হোৱা নাই। বৰং ভাৰতৰ দৰে ৰাষ্ট্ৰত ই অৰ্থনৈতিক ভাবুকিৰহে সৃষ্টি কৰিছে। তদুপৰি দেশৰ মাটিত বিদেশী উদ্যোগপতি তথা ব্যৱসায়ী স্থায়ীভাৱে খোপনি পুতি লৈ দেশৰ ৰাজনীতি, সমাজনীতি আৰু সংস্কৃতিৰ ওপৰতো দখল চলোৱাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। গোলকীকৰণেই জীপাল কৰিব পশ্চিমীয়া আৰ্হিৰ ভোগবাদীৰ উত্তেজক জীৱন চৰ্যাৰ।

আমেৰিকাৰ বিশিষ্ট বুদ্ধিজীৱি নোৱাম চাৰ্য যে এটা কথা উল্লেখ কৰিছে যে, ৰাইজৰ দায়িত্ব আৰু বুদ্ধিজীৱিৰ দায়িত্বৰ মাজত এটা পাৰ্থক্য বিদ্যমান। বুদ্ধিজীৱিসকল বিশেষ পাৰ্গত ব্যক্তি। এওঁলোকক গণতন্ত্ৰ বা পশ্চিমীয়া আৰ্হিৰ ব্যৱস্থাটোৱে দিছে তথ্যপাপ্তিৰ স্বাধীনতা স্বাধীনতা আৰু নিজকে প্ৰকাশ কৰাৰ বিবেকৰ স্বাধীনতা। এওঁলোকে বৰ্তমান বিশ্বৰ অসত্য প্ৰচাৰৰ সকলো তলি উদঙাই দিব পাৰে। গতিকে সমূহ শিক্ষক বুদ্ধিজীৱিৰেই উদ্দেশ্য হওঁক সাম্ৰাজ্যবাদৰ নতুন ভেশ গোলকীকৰণৰ স্বৰূপ উন্মোচন কৰা আৰু দেশীয় অৰ্থনীতি বিকশাই তোলা জংগী সংগ্ৰামৰ নেতৃত্ব বহন কৰা। ❑

সহায়ক গ্ৰন্থ পঞ্জী ঃ

১। "গোলকীয় কৃষ্টিৰ ৰাজনৈতিক অৰ্থনীতি"— বৰগোহাঁঞি কুমাৰ যতীন্দ্ৰ।
২। "পুঁজিৰ বিশ্বব্যাপ্তি নাগ-পাশ"— ডঃ গোহাঁই হীৰেন।
৩। বিশ্বায়ণৰ অৰ্থনীতি আৰু ইয়াৰ বিভিন্ন প্ৰভাৱ"— গোস্বামী তাৰকচন্দ্ৰ।
৪। "সাম্ৰাজ্যবাদী পুঁজিৰ নতুন সম্প্ৰসাৰণ"— শইকীয়া ব্ৰজকিশোৰ।
৫। "বিশ্বায়নৰ যুগত ৰাষ্ট্ৰৰ অৱলুপ্তি অতিকথা আৰু বাস্তৱতা"— দত্ত অখিল ৰঞ্জন।
৬। "বিশ্বায়নৰ প্ৰভাৱ" — প্ৰিয় দত্ত।

## অসমৰ এক আপুৰুগীয়া সম্পদ 'সাঁচিপাত'

স্মৃতিৰেখা দাস
পঞ্চম ষান্মাসিক (কলা শাখা)

পুৰণি অসম আগৰ বা অগৰু গছৰ বাবে প্ৰখ্যাত। ব্ৰহ্মপুত্ৰৰ দক্ষিণ কোণত প্ৰচুৰ পৰিমানে অগৰু গছ উৎপন্ন হোৱাৰ কথা 'গুৰুচৰিত'ত পোৱা যায়। এই অগৰু গছৰ ছালৰ পৰাই প্ৰস্তুত কৰা হৈছিল সাঁচিপাত। ড° দীনেশ চন্দ্ৰ সৰকাৰে ইণ্ডিয়ান 'ইপি গ্ৰাফী' গ্ৰন্থত উল্লেখ কৰিছে যে সাঁচিপাতত লিখা পদ্ধতিটো অসমৰ বাহিৰে উত্তৰপূৱ ভাৰতৰ অন্য ঠাইত বিৰল। বানভট্টৰ হৰ্ষচৰিতত আছে কুমাৰ ভাস্কৰ বৰ্মাই হৰ্ষ শিলাদিত্যলৈ উপঢৌকনৰূপে পঠোৱা নানা সামগ্ৰীৰ ভিতৰত অগৰুৰ বাকলিত লিখা সুভাষিত বচনৰ সংগ্ৰহ পুথি আছিল অন্যতম। সাঁচিপাত প্ৰস্তুত কৰাৰ বিষয়ে ছাৰ এডোৱাৰ্ড গেইটে 'এ হিষ্ট্ৰি অৱ আচাম'ৰ চতুৰ্থ পৰিশিষ্টত এনদৰে লিখিছেঃ ৩০-৩৫ ইঞ্চিৰে ১৫-১৬ বছৰীয়া অগৰু গছৰ মাটিৰ পৰা চাৰি ফুটমান ওপৰৰ বাকলি ছয় ফুটৰ পৰা ওঠৰ ফুট দীঘল আৰু তিনি ইঞ্চিৰ পৰা সাতাইশ ইঞ্চিলৈকে বহল কৰি দীঘলে দীঘলে বাকলিবোৰ এৰুৱাব লাগে। বাকলিবোৰৰ ভিতৰৰ ফালটো বাহিৰলৈ কৰি প্ৰত্যেকখন বাকলিকে বেলেগে বেলেগে নুৰিয়াই কেইদিনমান ৰ'দত দিয়া প্ৰয়োজন। বাকলিৰ ওপৰত থকা ভাগটো এৰুৱাবৰ কাৰণে কাঠৰ তক্তা বা টান বস্তুৰ ওপৰত মেলি দি হাতেৰে মোহাৰি খপলি মিকৰিবোৰ এৰুৱাব লাগে। এইবাৰ বাকলিখিনি এনিশাৰ বাবে নিয়ৰত ৰখা প্ৰয়োজন। পিছদিনা বাকলিৰ ওপৰ ভাগটো সাৱধানে এৰুৱাই পেলাই বাকলিবোৰ প্ৰয়োজনমতে দীঘলে নৰ পৰা সাতাইশ ইঞ্চি আৰু পুতলে তিনিৰ পৰা ওঠৰ ইঞ্চিকৈ ডোখৰ ডোখৰকৈ কাটিব লাগে। সেইখিনি ৰ'দত শুকুৱাই কটাৰিৰে পাত এৰুৱাব লাগে তেতিয়া সেইখিনি লিখিবৰ কাৰণে উপযুক্ত হয়।

# সাম্প্ৰতিক কালত যুৱ উচ্ছৃংখলতা -ইয়াৰ কাৰণ আৰু প্ৰতিকাৰ

ববিতা ৰয়
প্ৰথম ষান্মাসিক
(কলা শাখা)

সাম্প্ৰতিক কালত যুৱ উচ্ছৃংখলতা এক জটিল সমস্যা হৈ পৰিছে। শিক্ষাৰ পৰিসৰৰ লগে লগে যুৱ উচ্ছৃংখলতাৰ বিভীষিকাও বৃদ্ধি পাইছে।

মানৱ জীৱনৰ শৈশৱ-কৈশোৰ যৌৱন, প্ৰৌঢ় আৰু বৃদ্ধাৱস্থা এই কাল পাঁচটাৰ ভিতৰত যৌৱন কালটো অতি গুৰুত্বপূৰ্ণ। যৌৱন কালতে মানুহে সকলো দিশতে পূৰ্ণতা লাভ কৰে। এই সময়ছোৱাই জ্ঞান-বুদ্ধি, চিন্তা-চৰ্চা প্ৰসাৰৰ নিজক গঢ় দিয়াৰ উপযুক্ত সময়। এই সময়ছোৱা সমাজৰ প্ৰতিটো দিশেই যুৱক-যুৱতীসকলক প্ৰভাৱান্বিত কৰে। যাৰ ফলত কিছুমান সুপথে কিছুমান বিপথে পৰিচালিত হয়। যুৱক-যুৱতীসকলে যেতিয়া অসৎ চিন্তাৰ বশৱৰ্তী হৈ সমাজত অসুস্থ বাতাবৰণ সৃষ্টি কৰি সীমাৰ বাহিৰ হয়, তেতিয়া তাক যুৱ-উচ্ছৃংখলতা বোলা হয়। প্ৰকৃততে ই হৈছে সমাজত উঠি অহা চামৰ সমূহীয়া নৈৰাশ্যতাৰ প্ৰকাশ।

যুৱক-যুৱতীসকলেই এখন দেশ বা সমাজৰ কৰ্মশক্তিৰ উৎস আৰু ভৱিষ্যতৰ উত্তৰাধিকাৰী। এই যুৱশক্তি যদি কুপ্ৰভাৱৰ কবলত পৰে তেতিয়া দেশ বা সমাজৰ বিভিন্ন দেশৰ উন্নয়নৰ কল্পনা কৰাটো দুৰুহ। আমি এতিয়া বাতৰিকাকত মেলিলেই দেখা পাওঁ হত্যা লুণ্ঠন ধৰ্ষণ, যুৱ মানসিকতাৰ সঙ্খলন, যুৱ অপৰাধ বা যুৱ উচ্ছৃংখলতাৰ কাৰণ বুলি ধৰা হয় যদিও সমাজ আৰু পৰিৱেশৰ পৰিৱৰ্তন, অভিভাৱকৰ দুৰ্নীতিগ্ৰস্ত আৰু আদৰ্শহীন জীৱন তথা সন্তানৰ প্ৰতি উদাসীনতা বা সৰ্তকতাৰ অভাৱ, নৈতিকস্খলন, নিবনুৱা সমস্যা, ৰাগিয়াল দ্ৰব্য সেৱন, অশ্লীল কিতাপ পঢ়া, ছবি চোৱা, মোবাইল টিভি ইণ্টাৰনেট ইত্যাদিৰ অসীম ব্যৱহাৰ, ৰাজনৈতিক অস্থিৰতা, অদুৰদৰ্শী তথাং অহংকাৰ আৰু ভৱিষ্যৎ সম্পৰ্কে লক্ষ্যহীনতা, প্ৰচলিত শিক্ষা ব্যৱস্থা, পঢ়াশালি তথা ঘৰত নৈতিক শিক্ষাৰ অভাৱ, অন্তহীন লোভ, আনৰ প্ৰতি হিংসা ঈৰ্ষা, শিষ্টাচাৰৰ অভাৱ ইত্যাদি কাৰণসমূহেই প্ৰধানকৈ জগৰীয়া। সম্প্ৰতি আমাৰ সমাজত যুৱ-উচ্ছৃংখলতা দিনক দিনে তীব্ৰগতিত বৃদ্ধি হৈ অহা পৰিলক্ষিত হৈছে। সেয়েহে ইয়াৰ কাৰণসমূহ আৰু প্ৰতিৰোধ সম্পৰ্কে বিস্তৃতভাৱে অধ্যয়ন কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে।



অভিভাৱক দুৰ্নীতিগ্ৰস্ত আৰু আদৰ্শহীন জীৱন তথা সন্তানৰ প্ৰতি উদাসীনতা বা সতৰ্কতাৰ অভাৱ যুৱ উচ্ছৃংখলতাৰ এটা প্ৰধান কাৰণ। বৰ্তমান সমাজৰ বহু পিতৃ -মাতৃয়ে সন্তানক ঘৰতে টিউচন কৰা শিক্ষকৰ হাতত গটাই নিজ কৰ্তব্য সম্পন্ন কৰে। ফলত সন্তান বা যুৱক-যুৱতীসকলে নিজৰ ইচ্ছামতে যিকোনো কাম কৰে। তদুপৰি ঘৰখন বা ঘৰৰ মুৰব্বীজন যদি





আদৰ্শহীন, উচ্ছৃংখলগ্ৰস্ত বা দুৰ্নীতিত লিপ্ত হয় তেতিয়া সন্তানে তেওঁলোকক অনুকৰণ কৰিও বিপথগামী হোৱাৰ সম্ভাৱনা থাকে।

বৰ্তমান আমাৰ সমাজত যিকোনো উৎসৱ পাৰ্বনত, বিহু-পূজা আদিত পশ্চিমীয়া নাচ-গানৰ প্ৰতি আকৰ্ষন বেছি। নিজৰ সংস্কৃতি পাহৰি পশ্চিমীয়া সংস্কৃতিৰ লগত খোজ মিলাই চলিবলৈ যাওঁতে প্ৰয়োজনীয় দিশসমূহ পৰ্যবেক্ষন নকৰে আৰু নিজৰ সংস্কৃতিৰ প্ৰতিও অজ্ঞ হৈ থকা দেখা যায়।

বৰ্তমান আমাৰ দেশত মানুহখিনি সম্পূৰ্ণৰূপে সজাগ শিক্ষা আৰু উদ্যোগৰ প্ৰসাৰ নোহোৱাৰ বাবে নিবনুৱা সমস্যাই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। ইও যুৱ-উচ্ছৃংখলতাৰ এটা অন্যতম কাৰণ। জনসংখ্যা বৃদ্ধিৰ ফলত নিবনুৱা-সমস্যা আৰু নিবনুৱা সমস্যাৰ ফলত বহুতো যুৱক-যুৱতী হীনমন্যতাত ভুগি হাতত মাৰনাস্ত্ৰ তুলি লৈ এক ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰিছে।

যুৱ উচ্ছৃংখলতাৰ আন এটা গুৰুত্বপূৰ্ণ কাৰণ হৈছে ৰাগিয়াল বা নিচাযুক্ত দ্ৰব্য সেৱন। সম্প্ৰতি ই এক ফেশ্বনত পৰিণত হৈছে। আজি কালি সকলো ঠাইতে বে-আইনীভাৱে খোলা মাদক দ্ৰব্যৰ দোকানবোৰেও ইয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। উদ্যোগীকৰণে আনি দিয়া সামাজিক পৰিৱৰ্তনৰ লগত নিজৰ জীৱনক খাপ-খুৱাব নোৱাৰা হতাশাগ্ৰস্ত যুৱক-যুৱতীয়ে ড্ৰাগছ হিৰ'ইন, ব্ৰাউন চুগাৰ আদি সেৱন কৰি নিজেও ধ্বংস হৈছে আৰু সমাজখনো অনিষ্ট সাধন কৰিছে। মানুহৰ জীৱনলৈ যেতিয়াই হতাশাভাৱ আহে তেতিয়াই দুখ বেদনা পাহৰিবৰ এই ৰাগিয়াল বস্তুবোৰক জীৱন সংগী কৰি লয়। কথমান সময়ৰ বাবে দুখবোৰ ঢাক খায় যদিও ই সৎ সাধু মানুহকো মানৱতাহীন কৰি পেলায়।

সাম্প্ৰতিক পৰিস্থিতি আমাৰ সমাজৰ যুৱ চামৰ ওপৰত ইলেক্ট্ৰনিক মাধ্যম যেনে— টিভি কম্পিউটাৰৰ প্ৰভাৱ বিৰূপ ভাৱে পৰিছে। টেলিভিশ্বনক আজি কালি নিত্য নতুন কাৰ্য্যসূচীৰে সজাই তোলা হয়। অধিকাংশ যুৱক যুৱতী ন ন পয়োভৰ ধামখুমীয়াত ৰুচিহীন হৈ পৰা পৰিলক্ষিত হৈছে। কিছুমান চেনেলৰ দ্বাৰা আমি আমাৰ জ্ঞান পিপাসু মনটোক অভূতপূৰ্ব জ্ঞানৰ পোহৰৰে উদ্ভাসিত কৰি তুলিব পাৰো। কিন্তু প্ৰায় ৯৯% ই এনে চেনেলৰ পৰিৱৰ্তে অশ্লীল দৃশ্যহে উপভোগ কৰিব বিচাৰে। এনে দৃশ্যৰ অবাধ প্ৰদৰ্শনে যুৱ সমাজক পংগু কৰি দিছে আৰু ইয়াৰ অন্ধ অনুকৰণ প্ৰৱণতাৰ ফলত সমাজবিৰোধী কাৰ্য্যত লিপ্ত হৈছে। আন কিছুমান মানুহে ব্যৱসায়ৰ স্বাৰ্থত অশ্লীল কিতাপ, আলোচনী, যুৱচামৰ মাজত মেলি তেওঁলোকৰ মনৰ স্থিৰতা আৰু মূল্যবোধ ধ্বংস হৈ ভ্ৰষ্টাচাৰত লিপ্ত হৈছে।

ৰাজনৈতিক অস্থিৰতাও যুৱ-উচ্ছৃংখলতাৰ এক উল্লেখযোগ্য কাৰণ। ৰাজনৈতিক নেতাসকলে তেওঁলোকৰ নিজৰ স্বাৰ্থ পূৰণৰ বাবে সমাজ বিৰোধীলোকৰ হাতত হাত মিলাই দুৰ্নীতিত লিপ্ত হৈ এক স্বাচ্ছন্দৰ জীৱন নিৰ্বাহ কৰিছে আৰু অন্যহাতেদি জনসাধাৰণক নৈতিক মূল্যাবোধৰ ওপৰত শিক্ষা দি দুখীয়াৰ বাবে ঘৰিয়ালৰ চকুপানী টোকে। তেতিয়াই যুৱচাম খঙত ক্ষুদ্ধ হৈ পৰে। নেতাসকলৰ এনে দুমুখীয়া কাৰ্যত যুৱতাম নিৰাশাবাদী, বিশ্বাসহীন হৈ পৰে আৰু তেতিয়াই তেওঁলোকে সামাজ খন অস্থিৰ কৰিবলৈ আন্দোলনত নামি পৰে।

বৰ্তমান দেখা যায় যে যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰীসকলে দেখাক দেখি বহুতো বস্তু পাবলৈ ইচ্ছা কৰে। ইপ্সিত বস্তু নাপালে ঈৰ্ষান্বিত হৈ পৰে। উদাহৰণস্বৰূপে বৰ্তমান দেখা যায় যে কলেজত পঢ়া লগৰ ল'ৰাৰ গাড়ী বা বাইক এখন আছে তেন্তে আনটোৱেও ল'ব বিচাৰে সেই সময়ত ঘৰৰ আৰ্থিক অৱস্থা বা উপাৰ্জনলৈ মনকান নিনিয়ে। ইপ্সিত বস্তু পালে সুখী আৰু নাপালে ঈৰ্ষাত হওঁক বা হীনমন্যতাত ভুগি উচ্ছৃংখল জীৱন যাপন কৰে।

বৰ্তমান পঢ়াশালিসমূহত নৈতিক শিক্ষাৰ অভাৱ, য'তে ত'তে শিষ্টাচাৰৰ অভাৱ দেখিবলৈ পোৱা যায়। শিক্ষানুষ্ঠানত দেখা যায় যে ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগুৰুক কেনেকৈ শ্ৰদ্ধা ভক্তি কৰিব লাগে নাজানে। পিতৃ মাতৃক কেনেকৈ সন্মান কৰিব লাগে নাজানে।

উপৰোক্ত কাৰণসমূহৰ উপৰিও আৰু বহুতো কাৰণত যুৱ উচ্ছৃংখলতা বৃদ্ধি পাইছে। যুৱ উচ্ছৃংখলতাৰ বাবে সমাজৰ সকলো কম বেছি পৰিমানে দায়ী যদিও প্ৰধানতঃ উচ্ছৃংখলতাৰ বাবে যুৱক-যুৱতীসকল নিজে বেছি জগৰীয়া। এই ক্ষেত্ৰত আনক দোষাৰোপ কৰাৰ পৰিৱৰ্তে সুস্থ আত্ম সংযম, সুস্থ চিন্তাধাৰাৰে সুস্থভাৱে থাকি তেওঁলোক উচ্ছৃংখল আৰু বিপথগামী হোৱাৰ পৰা আতৰি থাকিব লাগিব। পিতৃ-মাতৃ শিক্ষাগুৰু আৰু জেষ্ঠজনৰ সজ পৰামৰ্শসমূহ মানি চলি ধৈৰ্য্য, আত্মবিশ্বাস, সাহস আৰু সহনশীলতাৰে সন্মুখৰ সকলো বিপদক প্ৰত্যাহ্বান জনাব পাৰিব লাগিব। সজগুণৰ অধিকাৰী হৈ সমাজত প্ৰকৃত মানুহ হিচাপে পৰিচয় দিব পাৰিব লাগিব।

সমাজত বিভিন্ন ধৰণৰ সমস্যা যিদৰে আছে সমাধানৰ পথো নিশ্চয় আছে। মাথো সকলোৱে অগ্ৰসৰ হ'ব লাগি। এই ক্ষেত্ৰত পিতৃ-মাতৃসকলৰ প্ৰভাৱ অপৰিসীম। ঘৰতে নৈতিক শিক্ষা প্ৰদান কৰি, ল'ৰা-ছোৱালীৰ কেৱল মৰম চেনেহৰ মাজত ডুবাই নাৰাখি, প্ৰয়োজনসাপেক্ষে কিছু শাসন কৰাটো বাঞ্চনীয়। শিক্ষক-শিক্ষয়িত্ৰীসকলেও ছাত্ৰ-ছাত্ৰীক সৎ পৰামৰ্শ দি, সৎ পথলৈ ঘূৰাই আনি বিশ্বৰ সু-নাগৰিক হিচাপে গঢ়ি তুলিবলৈ যত্ন কৰিব লাগিব। শিশুসকলে ডাঙৰক অনুকৰণ কৰে। সেয়েহে

জেষ্ঠসকলে সৰুক সজ-চৰিত্ৰ আৰু সজ আচৰণৰ বিষয়ে প্ৰথমৰে পৰা জ্ঞান দিব লাগিব। তাৰ বাবে শিক্ষানুষ্ঠান আৰু ঘৰখনত শিষ্টাচাৰৰ অনুশীলন কৰা অত্যন্ত প্ৰয়োজন।

এখন দেশৰ উন্নতিৰ ক্ষেত্ৰত যুৱশক্তিৰ ভূমিকা সৰ্বাধিক। চৰকাৰে নিয়োগ আদিৰ ক্ষেত্ৰত স্বজনপ্ৰীতি পৰিহাৰ কৰি দেশৰ সকলো যুৱক-যুৱতীক সমজ্ঞান কৰি অৰ্হতা অনুসৰি সকলোকে কৰ্মত নিয়োগ কৰিব লাগে। কোনোবা যদি জীৱিকাৰ ক্ষেত্ৰত কৰ্ম বিমুখ হয়, তেন্তে অপকৰ্মত লিপ্ত নহ'বলৈ বিভিন্ন ধৰণৰ উদ্যোগ খুলি উদ্যোগ সমূহত নিয়োগৰ ব্যৱস্থা কৰিব লাগে। চৰকাৰী ঋণৰ দ্বাৰা নিবনুৱাসকলক আত্মনিৰ্ভৰশীল হৈ উদ্যোগ আদি খোলাৰ বাবে উদ্‌গনি যোগাব লাগিব। যুৱশক্তি হ'ল এখন দেশৰ ধৰণীস্বৰূপ। এই যুৱশক্তিৰ সুপথেৰে পৰিচালিত কৰি দেশৰ সৰ্বাঙ্গীন উন্নতিৰ হকে খটাব পাৰিলে দেশৰ উন্নতি সকলো দেশতে অৱশ্যম্ভাৱী। সমাজৰ ওপৰত পৰা কু-প্ৰভাৱ তেওঁলোকে আঁতৰাবলৈ চেষ্টা কৰা প্ৰয়োজন। কৰ্মবিমুখ হৈ হতাশাত ভোগা যুৱক-যুৱতীসকলে যাতে পথভ্ৰষ্ট হ'ব নোৱাৰে তাৰ বাবে যুৱসমাজেই চকু দিব লাগিব। কাৰণ যুৱশক্তি সুস্থ আৰু সবল হ'লেহে নতুন শিক্ষানীতিৰ দ্বাৰা এখন সুস্থ আৰু নিকা সমাজৰ গঠন সম্ভৱ হ'ব। ❑

## ন'বেল বঁটা

ছুইডেনৰ বিজ্ঞানী আলফ্ৰেড বাৰ্ণাৰ্ডৰ সমস্ত সম্পত্তি বিশ্বৰ ন'বেল পুৰস্কাৰৰ বাবে দান দি থৈ যায়। সম্পত্তিৰ পৰিমাণ আছিল ৯২ লাখ ডলাৰ। এই সম্পত্তিৰ আয়ৰ পৰা প্ৰতি বছৰে নৱেম্বৰ মাহৰ ১৫ তাৰিখৰ ভিতৰত এই বঁটা বিজয়ীৰ নাম ঘোষণা কৰা হয়। ১৯০১ চনৰ পৰা প্ৰদান কৰি অহা এই বঁটা দিয়া হয় ছটা বিষয়ত - পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, চিকিৎসা বিজ্ঞান, সাহিত্য, শান্তি আৰু অৰ্থনীতি।

ন'বেলৰ ইচ্ছানুসৰি ছুইডেনৰ তিনিটা আৰু নৰৱেৰ দুটা প্ৰতিষ্ঠানে ন'বেল বঁটা প্ৰদান কৰে। পদাৰ্থ আৰু ৰসায়ন বিজ্ঞানৰ বাবে ষ্টকহ'মৰ ৰয়েল ছুইডিছ একাডেমী, চিকিৎসা বিজ্ঞানৰ বাবে ৰয়েল কেৰলিন মেডিক' ছাৰ্জিকেল ইনষ্টিটিউট আৰু সাহিত্যৰ বাবে ছুইডিছ একাডেমীয়ে এই বঁটা প্ৰদান কৰে। শান্তিৰ বাবে প্ৰধান কৰে ন'বেল সমিতিয়ে। অৰ্থনীতিৰ বঁটাটো একাডেমী অৱ ছাইঞ্জেজৰ তত্ত্বাৱধানত প্ৰদান কৰা হয়।

প্ৰতিটো পুৰস্কাৰৰ বাবদ এটা সোণৰ পদক, এখন ডিপ্লমা আৰু নগদ ধন প্ৰদান কৰা হয়। শান্তিৰ বঁটাৰ বাহিৰে অন্য বঁটাসমূহ ব্যক্তিগতভাৱে প্ৰদান কৰা হয় যদিও শান্তিৰ বঁটা কোনো অনুষ্ঠানলৈও দিব পাৰি। সাধাৰণতে তিনিজনৰ অধিক ব্যক্তিৰ মাজত যুটীয়াভাৱে পুৰস্কাৰ দিয়া নহয়। একেজন লোকেই একাধিকবাৰ এই পুৰস্কাৰৰ বাবে নিৰ্বাচিত হ'ব পাৰে।

ন'বেল বঁটাৰে সন্মানিত ভাৰতীয়সকল

১। ৰবীন্দ্ৰনাথ ঠাকুৰ, সাহিত্য, ১৯১৩
২। চি. ভি. ৰমন, পদাৰ্থবিদ্যা, ১৯৩০
৩। হৰগোবিন্দ খোৰানা, চিকিৎসা বিজ্ঞান, (আমেৰিকাৰ নাগৰিক)
৪। মাডাৰ টেৰেছা, শান্তি, ১৯৭৯
৫। সুব্ৰমনিয়াম চন্দ্ৰশেখৰ, পদাৰ্থবিদ্যা, ১৯৮৩ (আমেৰিকাৰ নাগৰিক)
৬। অমৰ্ত্য সেন, অৰ্থনীতি, ১৯৯৮





# কলেজীয়া জীৱনৰ অভিজ্ঞতা

ভাগ্যশ্ৰী ঠাকুৰীয়া
পঞ্চম যান্মাসিক
(অসমীয়া বিভাগ)

কত যে সপোন লৈ ভৰি দিছিলো
দিশপুৰ মহাবিদ্যালয়ৰ বুকুত
কৰিবলৈ আহিছিলো মনৰ আশাবোৰ পূৰণ
মনত বান্ধি লৈ সাহস গোটাই
আগবাঢ়িছিলো প্ৰগতিৰ সন্ধান বিচাৰি
জীৱনৰ যান্ত্ৰিকৰ পথত,

ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ আটাইকৈ মনোমোহা, ৰঙে-ৰসে উপচি পৰা, মধুৰ স্বপ্নালিৰ আৱেশেৰে ভৰপুৰ বৈচিত্ৰময় সময়ছোৱাই হৈছে কলেজীয়া জীৱন। কলেজীয়া জীৱন আনন্দোচ্ছল, মাধুৰ্য্যপূৰ্ণ আশা-আকাংশাৰ সোনালী ৰঙেৰে ৰঙীন, ৰামধেনুৰ সাতো ৰঙীৰ বিচিত্ৰতাৰে বৰ্ণালিময়। এইছোৱা কালত ছাত্ৰ-ছাত্ৰীৰ মন হয় দিগন্তৰ সুদূৰ প্ৰসাৰী, ভাৱ হয় পৰ্বতীয়া জুৰিৰ দৰে লয়লাস। গতিময়, ছন্দোময়, অনুভূতিময় আৰু হয় সুন্দৰ ভৱিষ্যত জীৱনৰ মহান আদৰ্শৰ উদ্দীপনা আৰু অনুপ্ৰেৰণাৰে সমুজ্জ্বল। এই বিচিত্ৰ সময়ছোৱা দেখাক নতুনকৈ চোৱাৰ, নেদেখাক সম্পূৰ্ণকৈ দেখাৰ কামনা, বঞ্জিত, নতুনকৈ গঢ়াৰ নতুন সপোন ৰচনাৰ, নতুন মধুময় কল্পনা কৰাৰ সময়। এনে এছোৱা সময়ত মধুৰ অবিস্মৰণীয় স্মৃতি, মানৱ জীৱনৰ সমগ্ৰ কালছোৱাত হৈ ৰয় চিৰ সেউজীয়া। জীৱনৰ আকাশত গঢ়িব খোজা ইন্দ্ৰধনুৰ বাবে ৰহনীয়া ৰঙৰ মেলাত।

মুক্ত নীল আকাশৰ তলত, মুক্ত মন আৰু মুক্ত চিন্তা লৈ জীৱনত প্ৰগতিৰ বাট পোহৰাই তোলাৰ প্ৰচেষ্টাত আগবঢ়াৰ সুন্দৰ পৰিৱেশ কলেজত বিৰাজমান। নিজৰ প্ৰতিভা মুক্তভাৱে প্ৰকাশ কৰিবলৈ আৰু সেই প্ৰতিভাৰ বিকাশৰ বাবে অপাৰ সুযোগ পোৱা যায়। কলেজৰ বুকুত। স্কুলীয়া জীৱনৰ বাধা-বাধকতা, কঠোৰ শাসনৰ বাগজৰী, ৰঙা চকুৰ ভীতি প্ৰস্তুতা আদিৰ পৰা কলেজৰ পৰিৱেশ মুক্ত। অৱশ্যে দায়িত্ব-শীলতা প্ৰয়োজন হৈ পৰে বেছিকৈ। হ'লেও ভৱিষ্যত জীৱনৰ আশা-আকাংক্ষা, কামনাৰ সোণালী পথ সন্মুখত থকাত আৰু তাৰ সাধনাই জীৱনৰ লক্ষ্য হোৱা বাবে স্বাভাৱিকতেই দায়িত্ব আহি পৰে। অৱশ্যে এইটো কথা সত্য যে, প্ৰকৃত দায়িত্ব নুবুজি, যিসকলে বিদ্যালয়ৰ কঠোৰ শাসনৰপৰা মুক্ত হৈ নিজকে সম্পূৰ্ণ মুক্তভাৱে এৰি দিয়ে, সেইসকলৰ জীৱন শেষত বিফলতাৰ ভাণ্ডাৰ হৈ পৰে। কেতিয়াবা মুক্ত পৰিৱেশ আশীৰ্বাদ নহৈ অভিশাপতহে পৰিণত হোৱা দেখা যায়। সেই দিশলৈ সকলো শিক্ষাৰ্থীয়ে লক্ষ্য কৰা উচিত।

ভৱিষ্যতৰ কৃতকাৰ্য্যতা পূৰ্ণ, সুন্দৰ জীৱন গঢ়াৰ কৰ্ম্মশালা কলেজসমূহ, বিদ্যাৰ্থী সকলৰ সাধনাৰ একোখন মহা আশ্ৰম। এই সম্ভাৱনাময় একোটা মহান জীৱন। কলেজৰ জ্ঞান-সাগৰত সাৰ-গৰ্ভ কথাৰে দীক্ষিত হোৱা বাবেই সফলতাৰে কলেজীয়া শিক্ষা সাংকৰি ওলাই অহা সকলক স্নাতক বুলি কোৱা হয়। এনে পবিত্ৰ, মহান অনুষ্ঠানটিত প্ৰৱেশ কৰিয়েই কেতিয়াবা বহুতো বিদ্যাৰ্থীয়ে সন্মুখীন হয় ৰেগিং নামৰ মহামাৰীটোৰ কবলত পৰি। বহুতৰ বাবে ৰেগিং এক বিভীষিকা। এই বিভীষিকা মাজত মানসিক ভাৰসাম্য হেৰুৱাই দুই এক বিদ্যাৰ্থীয়ে শিক্ষা জীৱনৰ ইমানতে সমাপ্তি ঘটোৱাৰ উদাহৰনো পৰিলক্ষিত হোৱা দেখা যায়। প্ৰকৃত পক্ষে ৰেগিং এক নিৰ্দোষ ধেমালিহে হোৱা উচিত। ধেমালিৰ সীমা অতিক্ৰম কৰি গ'লেই সি বিভীষিকাত পৰিণত হয়। তেতিয়া সি হৈ উঠে ক্ৰুৰ ধেমালি। সেইটো কিন্তু অবাঞ্চিত।

ইয়াৰ পিছৰ পৰ্য্যায়টো কিন্তু আদৰণীয় আৰু অতিশয় সৌহাৰ্দ্যপূৰ্ণ। কলেজৰ পুৰণি বিদ্যাৰ্থীসকলে নৱাগতসকলক দৰা আদৰাদি আৱেগ আৰু অনুভূতিৰে আগবঢ়াই নি আদৰনি জনোৱা অনুষ্ঠানটি মহামানৱৰ মহাসাগৰত মহা মিলনৰ মনোৰম নিদৰ্শন। ভাৱৰ বিনিময় মৰম-স্নেহৰ বিনিময়ৰ যোগেদি অচিনাকিৰ লগত চিনাকী হৈ, আপোন জন বুলি চেনেহেৰে বুকুত সাৱটি লৈ, পোহৰৰ বাটত প্ৰথম খোজ পেলোৱাৰ বীজ-মন্ত্ৰত নৱাগতসকলক দীক্ষিত কৰা এই অনুষ্ঠানটিক আমি দীক্ষাৰম্ভ অনুষ্ঠান বুলি অভিহিত কৰিব পাৰোঁ। এই অনুষ্ঠানটিৰ যোগেদি আমি শিকিবলৈ সমৰ্থ হওঁ 'বসুধৈৱ কুটুম্বকম্'।

কলেজসমূহ উচ্চ জ্ঞানৰ মন্দিৰ। উচ্চ শিক্ষাৰে শিক্ষিত, উচ্চ অৰ্হতাসম্পন্ন অধ্যাপকসকলৰ উচ্চ মানৱ শিক্ষাদান কাৰ্য্যই এই জ্ঞান মন্দিৰ জ্যোতিৰ্ম্ময় কৰি তোলে। সেই জ্যোতিৰ আলোকে বিদ্যাৰ্থীসকলক বিমোহিত কৰে। তেখেতসকলৰ উচ্চ জ্ঞান-জ্যোতি বিকিৰিত হয় বিদ্যাৰ্থীসকলৰ জীৱনত। বিদ্যাৰ্থীৰ হৃদয়-ফুলনিৰ থোপা কুলিটো সেই জ্যোতিৰ পৰশত মুকুলিত হয় আৰু এদিন ৰূপে-ৰসে, গন্ধে-স্পৰ্শে জাতিস্মাৰ হৈ সৌন্দৰ্য্য-মাধুৰীৰে সুশোভিত হয়। তাৰ সৌৰভ বিয়পি পৰে মানৱসাগৰত।

সোণত-সুৱগা চৰায় কলেজ সপ্তাহ, সাংস্কৃতিক-সমাৰোহ আদি বাবে বৰণীয়া অনুষ্ঠানসমূহে। সেইবাবে, অধ্যয়নৰ এই সময়ছোৱা কেৱল জ্ঞান আহৰণৰ বিস্তীৰ্ণ কলা ক্ষেত্ৰই নহয়, ই হৈ পৰে নিজকে স্বকীয় প্ৰতিভা আৰু গুনাজিৰে জকমকীয়াকৈ সজোৱাৰ, বিশাল, সুন্দৰ পৃথিৱীক সৌন্দৰ্য্যৰ আধাৰ হিচাপে "নতুন প্ৰাণৰ ন চকুযুৰিও দীপিতি ঢালি" নতুনকৈ চোৱাৰ উপভোগ কৰাৰ আৰু জীৱনৰ মোহনীয়তাক আৰু অধিক মোহনীয়াকৈ গঢ়ি তোলাৰ এক মহান ক্ষেত্ৰ।

সেই বাবেই কলেজত অধ্যয়নৰ কালছোৱা প্ৰতিজন বিদ্যাৰ্থীৰ বাবে হৈ পৰে বৰ মোহনীয়, অতি আপুৰুগীয়া আৱেগ বিজড়িত । কলেজয়মূহ বিদ্যাৰ্থীৰ তীৰ্থক্ষেত্ৰ।

শিক্ষা জীৱনৰ আটাইতকৈ মনোৰম আৰু কল্পনাৰ দিগন্ত প্ৰসাৰী ভাব-ধাৰাৰে সমৃদ্ধ এই সময়ছোৱাৰ সদব্যৱহাৰ আৰু জীৱনটোক সঠিক আৰু সত্য-সুন্দৰ পথ পৰিচালনাৰ ওপৰতে আমাৰ সুন্দৰ, মহীয়ান জীৱন নিৰ্ভৰশীল। কল্পনাৰ সোণৰ প্ৰতিমা গঢ়ি, তাৰ সৌন্দৰ্য্যত মুগ্ধ হৈ আমি জীৱনৰ জয়গান গাওঁ এই সময়ছোৱাতো গতিকে এই সময়ছোৱাই আমাৰ জীৱনলৈ কঢ়িয়াই আনক অনাবিল আনন্দৰ মধুৰ প্ৰশান্তি।

## মহৎ লোকৰ বাণী

ইৱৰাজ শৰ্মা
বাণিজ্য শাখা (তৃতীয় যান্মাসিক)

এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন ভাল মানুহ হত্যা কৰা একেই কথা।
— মিল্টন

শিক্ষাই হৈছে মূল উপায়, যি মানৱ জীৱনলৈ সুখ শান্তিৰ নিজৰা বোৱাই আনে।
— এৰিষ্টটল

জাবৰ সাৰিলে যিদৰে ঠাইডোখৰ পৰিষ্কাৰ হয়, তেনেকৈ ভুল স্বীকাৰ কৰিলে আগতকৈ অন্তৰ শুদ্ধ হয়।
— মহাত্মা গান্ধী

বিদ্যা মানৱ মনৰ দীপ্তি, তাৰ বশ্মিৰ পোহৰত কাম কৰি মানুহে ধন, মান আৰু যশস্যা লাভ কৰে।
— সতানাথ বৰা।

************





# প্লাষ্টিক ব্যৱহাৰে পৰিৱেশ প্ৰদূষিত কৰিছে

সীমা বৰ্মণ
প্ৰথম যান্মাসিক
কলা শাখা

পৰিৱেশেই প্ৰাণৰ ধাৰক, জীৱনী শক্তি যোগান ধৰোতা। পৰিৱেশ বা পাৰিপাৰ্শ্বিকতাৰ লগত প্ৰাণীৰ সম্পৰ্ক যুগান্তৰ ধৰি নিকটৱৰ্তী যিহেতু প্ৰাণীৰ অস্তিত্ব পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল। কিন্তু প্লাষ্টিক ব্যৱহাৰৰ ফলত বৰ্তমান সময়ত পৰিৱেশ অধিক হাৰত প্ৰদূষিত হৈছে। বৰ্তমান সময়ত নগৰ-চহৰ, গাৱে-ভুৱে সকলোতে প্লাষ্টিকৰ ব্যৱহাৰ কৰি আছে। দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় সকলো বস্তু বাহানি ক্ৰয় কৰোতে সকলো বিক্ৰেতাই প্লাষ্টিকৰ ব্যৱহাৰ কৰি াছে। প্লাষ্টিকৰ ব্যৱহাৰ গোটেই বিশ্বতে ব্যাপক হাৰত বৃদ্ধি পাই ছে। ফলত সমগ্ৰ বিশ্বই পৰিৱেশ প্ৰদূষণৰ সমস্যাত ভুগিছে। প্লাষ্টিক ব্যৱহাৰ কৰি যতে ততে, বাস্তাই ঘাটে, পেলাই দিয়াৰ ফলত মাটি প্ৰদূষিত হৈছে। এই প্লাষ্টিকবোৰ মাটিৰ লগত মিহলি হৈ নাযায় বা গেলি-পচিও নাযায়। ফলতখেতি পথাৰ বা আন সাৰুৱা অঞ্চলত প্লাষ্টিক ব্যৱহাৰ কৰি পেলাই দিয়াৰ ফলত সেই মাটিৰ সাৰুৱা বা উৰ্বৰা গুণ বিনষ্ট হয়। মাটিৰ উৰ্বৰা শক্তি কমি যায়। আনহাতে প্লাষ্টিকবোৰ জ্বলাই দিয়াৰ ফলতো তাৰ পৰা ওলোৱা ধোৱাই বায়ু প্ৰদূষণৰ সৃষ্টি কৰে। এনে ধোৱা জীৱ-জগতৰ বাবে ক্ষতিকাৰক।



গতিকে আমি পৰাপক্ষত প্লাষ্টিক ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকিব লাগে। প্লাষ্টিক ব্যৱহাৰ ৰোধ কৰিব পৰাটো সিমান সহজ নহয় যদিও আমি যদি সকলোৱে প্লাষ্টিক ব্যৱহাৰ কৰা বাদ দি তাৰ পৰিৱৰ্তে কাগজ বা মৰাপাট আদিৰ দৰে বেগ ব্যৱহাৰ কৰো তেতিয়া লাগে লাহে প্লাষ্টিকৰ ব্যৱহাৰ কমি আহিব। প্লাষ্টিকৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰো কঠোৰ হব লাগে।

প্লাষ্টিক নিয়ন্ত্ৰণ কৰাত ছাত্ৰ সমাজেও প্ৰয়োজনীয় ভূমিকা পালন কৰিব লাগে। বৰ্তমান যুগত অত্যাধিকহাৰত বাঢ়ি অহা প্লাষ্টিক ব্যৱহাৰৰ ফলত যে পৰিৱেশ দূষিত হৈছে ইয়াৰ প্ৰভাৱ পৰিৱেশৰ ওপৰত কিদৰে পৰিছে তাৰ বিষয়ে ছাত্ৰ সমাজে অধ্যায়ন কৰিব লাগে আৰু গৱেষনা কৰিব লাগে। বিভিন্ন ছাত্ৰ সংগঠন, যুৱনেতা আদিয়ে প্লাষ্টিক নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰক হেঁচা দিব লাগে লগতে সমাজত জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰিব লাগে।

সমাজখনৰ প্ৰতি আমাৰ সকলোৰে কৰিবলগীয়া আছে। প্লাষ্টিক ব্যৱহাৰে আমাৰ পৰিৱেশত যে অতি বেয়া ধৰনে প্ৰভাৱ পেলাইছে আমি সকলোৱে এই কথা জানো। গতিকে সমাজৰ সচেতন নাগৰিক হিচাপে আমি সকলোৱে প্লাষ্টিকৰ ব্যৱহাৰ কৰাটো কমাব লাগে। তেতিয়াহে পৰিৱেশখন সুস্থ, সবল, সুন্দৰ হৈ থাকিব, প্ৰদূষিত নহব।

*********

# লক্ষ্মীনাথ বেজবৰুৱা ঃ এক অৱলোকন

"নতুন প্ৰাণৰ ন চকুযুৰি
দীপিতি ঢালি দে তাত,
পুৰণি পৃথিৱী ন কৈ চাই লওঁ
হে দাপ এবাৰি মাত।"

অপৰাজিতা দাস
তৃতীয় ষান্মাসিক
অসমীয়া বিভাগ

অসমীয়া সাহিত্য জগতৰ বিসকল আশাসুধীয়া সেৱকে তেওঁলোকৰ অমৰ লিখনিৰে অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি থৈ গ'ল— "অসমীয়া ভাষাৰ উন্নতি, অসমৰ উন্নতিৰ প্ৰথম চাপ, স্বদেশ আৰু স্বজাতিৰ উন্নতি আৰু মংগল মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা"— এই বাণীকেই সাৰোগত কৰি অসমীয়া ভাষা আৰু সাহিত্যৰ সেৱাকে জীৱনৰ ব্ৰত কৰি অসমীয়া সাহিত্যক নতুন জীৱন দি গ'ল, সেইসকলৰ ভিতৰত সৰ্বপ্ৰথমে নাম লব লাগিব 'সাহিত্যৰথী', 'ৰসৰাজ' আদি উপাধিৰে বিভূষিত লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ। ন চকুযুৰিত দীপ্তি ঢালি লৈ পুৰণি পৃথিৱীক নতুন দৃষ্টিৰে চাই অসমীয়া ভাষা সাহিত্যৰ পুৰণি ভঁৰালটোক নৱ সৃষ্টিৰে যেনে বিনন্দীয়াকৈ বেজবৰুৱা দেৱে সজাই থৈ গ'ল তাৰ দৃষ্টান্ত অতি বিৰল।



১৮৬৪ চনৰ (১৬ নবেম্বৰ) কাতিমাহৰ লক্ষ্মীপূৰ্ণিমাৰ পূৰ্ণেন্দুৰ স্নিগ্ধ মধুৰ জ্যোৎস্না ভৰা শুভ পবিত্ৰ ক্ষণত আহত গুৰি নামৰ ঠাইত লুইতৰ বুকুত "ছুনিছি নাইৰে নৌকাত" মুন্সিফ পিতৃ দীননাথ" হোৱা লক্ষ্মীনাথৰ পিতৃৰ নাম আছিল দীননাথ বেজবৰুৱা। দীননাথ বেজবৰুৱাই চাকৰি সংক্ৰান্তত তেজপুৰ লক্ষ্মীমপুৰ, গুৱাহাটী, শিৱসাগৰ আদি ঠাইত ঘূৰি ফুৰিবলগীয়া হোৱাত লক্ষ্মীনাথ বেজবৰুৱাই এইবোৰ ঠাইতে নিজৰ শিক্ষা জীৱন পৰিচালিত কৰে। প্ৰৱেশিকা পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হৈ কলিকতাৰ (বৰ্তমানৰ কলকাতা) প্ৰথমে ৰিপণ কলেজত আৰু পাছত এচেম্বলি কলেজৰ পৰা বি.এ পাছ কৰে। পিছত এম.এ আৰু আইন অধ্যয়ন কৰে যদিও ডিগ্ৰী নোহোৱাকৈ অধ্যয়ন সমাপ্ত কৰে। ইংৰাজ চৰকাৰে তেওঁক মুন্সিফ পদ যাচিছিল যদিও তেওঁ তাক প্ৰত্যাখ্যান কৰি স্বাধীনতা প্ৰয়াসী মনৰ পৰিচয় দিছিল।

বিবাহযোগ্য হোৱাত কলিকতাত থকা কালতে কলিকতাৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ জীয়ৰী প্ৰজ্ঞাসুন্দৰী দেৱীৰ লগত বিবাহ পাশত আবদ্ধ হয়।

স্নাতকোত্তৰ আৰু আইনৰ শিক্ষা আধাতে সামৰি বেজবৰুৱাই চৰকাৰী চাকৰি সদাগৰ





ভোলানাথ বৰুৱাৰ সৈতে কাঠৰ ব্যৱসায় কৰে। তাৰ পাছত বাৰ্ড নামৰ ইংৰাজ কোম্পানী এটাৰ সৈতে এই ব্যৱসায় চলায়। পাছত উৰিষ্যাৰ সম্বলপুৰত নিজাকৈ কাঠৰ ব্যৱসায় চলায়।

চিকাৰৰ প্ৰতি বেজবৰুৱাৰ তেনেকুৱা চখ নাছিল যদিও সম্বলপুৰৰ জংঘলত বনৰীয়া জানোৱাৰৰ পৰা আত্মৰক্ষাৰ বাবে তেওঁ হাতত বন্দুক তুলি লবলগীয়া হৈছিল। তাৰ পৰাই এসময়ত তেওঁৰ চিকাৰৰ প্ৰবৃত্তি জন্মে। চিকাৰী হিচাপে তেওঁ দুৰ্দান্ত সাহসৰো পৰিচয় দিছিল। কিন্তু জীৱৰ প্ৰতি লক্ষ্মীনাথৰ আছিল এটা কৰুণাসক্তি মন। গুলী বিদ্ধ হৈ মৰা চৰাইৰ ৰক্তাক্ত শৰীৰ দেখি তেওঁৰ মনতো ৰক্তৰ ফল্গু নোবোৱাকৈ থকা নাছিল। শিঙাল মতা পহু এটাক গুলীয়াই মাৰিবলৈ উদ্যত হোৱা মুহূৰ্তত তাৰ অবিহনে মাইকী পহু কেইজনীৰ কি গতি হ'ব ভাবি তেওঁৰ মন বিচলিত হৈ পৰিছিল। খন্তেকৰ উত্তেজনা আৰু সুখৰ নিমিত্তে তেনে কাৰ্য কৰিবলৈ তেওঁ কুণ্ঠিত হৈছিল।

অসমীয়া ভাষা জননীৰ সেৱাকে জীৱনব্ৰত হিচাপে, অনুক্ষণ ধ্যানৰ মন্ত্ৰৰূপে লোৱা লক্ষ্মীনাথৰ সাহিত্য সাধনাৰ মূলতে আছিল তেওঁৰ স্বদেশ প্ৰেম। ইয়েই আছিল তেওঁৰ সাহিত্য সাধনাৰ মূল চালিকা শক্তি। তেওঁ আছিল যুগ-স্ৰষ্ট আৰু যুগ-প্ৰকাশক। স্বৰূপাৰ্থতে তেওঁক তদানীন্তন অসমীয়া সাহিত্য ক্ষেত্ৰৰ 'সুজন কাণ্ডাৰী' বুলি - 'সাহিত্যৰথী' বুলি অভিহিত কৰা হৈছে। তেওঁ আছিল বহুমুখী প্ৰতিভাসম্পন্ন। তেওঁ আছিল একেধাৰে কবি, নাট্যকাৰ, ঔপন্যাসিক, গল্পকাৰ, প্ৰবন্ধকাৰ, সাংবাদিক, সমালোচক, হাস্যৰসিক লিখক — মুঠতে এনে এটা দিশ নাই য'ত বেজবৰুৱা দেৱৰ হাতৰ পৰশ পৰা নাই। অসমীয়া সাহিত্যৰ ভঁৰাললৈ বেজবৰুৱাৰ অৱদানৰ কথা কৈ শেষ কৰিব নোৱাৰি।

বেজবৰুৱাৰ কলিকতীয়া জীৱনে আনে তেওঁ লৈ ,সাহিত্য সাধনাৰ অফুৰন্ত শক্তি আৰু অনুপ্ৰেৰণা। "ৰোমান্তিক কাব্যদৰ্শৰ ত্ৰিমূৰ্তি" — বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীৰ কলিকতাত ঘটা ত্ৰিবেণী সংগমেই অসমীয়া সাহিত্য জগতলৈ সৌভাগ্যৰ পটভূমি কঢ়িয়াই আনে। তেওঁলোকৰ প্ৰচেষ্টাতেই জন্ম হয় 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ (চমুকৈ অ.ভা.উ.সা.স) আৰু উদয় হয় মুখপত্ৰ "জোনাকী"। অসমীয়া সাহিত্য জগতত নৱজাগৰণৰ উন্মেষ ঘটিল। কাব্য, গল্প, উপন্যাস, প্ৰবন্ধ, কবিতাৰে ৰৌজাল -ৰৌজাল হৈ 'জোনাকীয়ে অসমীৰ বুকুত শিহৰণ তুলিলে।

বেজবৰুৱাই বিশেষকৈ হাস্যৰসিক লিখক হিচাপেহে অসমীয়া সমাজত জনপ্ৰিয়তা অৰ্জন কৰিছে। লঘু অথচ মধুৰ হাস্যৰসৰ ভঁৰাল 'লিটিকাই'ৰে সাহিত্যিক জীৱনৰ পাতনি মেলে। 'নোমল', 'পাচনি', 'চিকৰপতি নিকৰপতি' আদি প্ৰহসন বা ধেমেলিয়া নাট ৰচনাৰে হাঁহিৰ নজনা অসমীয়া জাতিক তেৱেঁই সৰ্বপ্ৰথমে নিষ্কলুষ হাস্যৰসৰ সন্ধান দিয়ে। ডিকেন্সৰ "পিক উইক পেপাৰচ" বা বংকিম চন্দ্ৰ কমলাকান্ত দপ্তৰ"ৰ দৰে তেওঁ কৃপাবৰ বৰুৱা — এই ছদ্মনামত "কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা", "কৃপাবৰ বৰুৱাৰ ওভতনি" আৰু "কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবুৰণি" পুথি লিখে। ইয়াত সন্নিবিষ্ট হোৱা বিভিন্ন ৰচনাসমূহ হাস্যৰসেৰে পৰিপূৰ্ণ। এই ৰচনাসমূহৰ মাজেদি কৃপাবৰ ৰূপী বেজবৰুৱাই ঊনৈশ শতিকাৰ ঔপনিবেশিক শাসনত জুৰুলা হোৱা, ভেদা ভেদ, হিংসা কপটতা আৰু কু-সংস্কাৰৰ আৱৰ্জনাৰে পৰিপূৰ্ণ, কাণীয়া, সোৰোপা, পঁয়ালগা অসমীয়া সমাজখনৰ ভুল-চুকু ত্ৰুটী-বিচ্যুতি সমূহ হাঁহিৰ চলেৰে দাপোনৰ দৰে দাঙি ধৰি তাৰ সংস্কাৰ আৰু উন্নতিৰ বাবে অহোপুৰুশাৰ্থ কৰিছিল। মৃতপ্ৰায় অসমীয়া জাতিটোৰ অন্তৰত সঞ্জীৱনী সুধা ঢালি প্ৰাণৰ সঞ্চাৰ কৰিছিল। সেইবাবেই প্ৰকৃতাৰ্থতেই তেওঁ ৰসৰাজ।

কবি বেজবৰুৱাই কবিতাৰ ক্ষেত্ৰত সংখ্যাত সৰহ হিচাপে কবিতা লিখা নাই। "কবিতা হয় যদি হওঁক, নহয় যদি নহওঁক" বুলি লিখা কবিতাখিনি "কদমকলি"ত সংগ্ৰহীত হৈছে। 'কদম কলি' য়েই বেজবৰুৱাৰ কাব্য প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। ড° মহেশ্বৰ নেওগৰ ভাষাত — "কদমকলি অসমীয়া সাহিত্য বৃন্দাবনৰ এটি দেৱোপম পদাৰ্থ"। তেওঁৰ ভালেখিনি কবিতাৰ সুৰত আশাবাদ আৰু প্ৰেমভাৱ অনুৰণন শুনা যায়। "চুমা", "প্ৰিয়তমা", "প্ৰিয়তমাৰ সৌন্দৰ্য", "ভ্ৰম" আদি কবিতাত প্ৰেমভাৱৰ সঞ্চাৰ হৈছে। এই কবিতাবিলাকৰ কেইটিমান কবিতাই একাল যেনেকৈ বেজবৰুৱাৰ স্বাধীন-চিতীয়া, স্বদেশপ্ৰেমিক অন্তৰ এখনত গুজৰি-গুমৰি উঠা জাতীয় গৌৰৱ গাঁথা ৰূপে শ্ৰেষ্ঠত্ব দাবী কৰিব পাৰে সেইদৰে কবিতা হিচাপেও শ্ৰেষ্ঠত্ব দাবী কৰিব পাৰে। "বীণ বৰাগী", "অসম সংগীত" আদি এনে শ্ৰেষ্ঠ কবিতাৰ নিদৰ্শন। স্বদেশ প্ৰেম মূলক কবিতা কেইটিত আক্ষেপ নাই। — নৈৰাশ্য নাই — অৱসাদ নাই। সিবোৰত বিৰাজ কৰিছে এটি সঞ্জীৱনী শক্তি। "ধনবৰ ৰতনী", "ৰতনীৰ বেজাৰ" আদি মালিতা গীত বা গাঁথা কবিতা কেইটা ৰোমান্টিক ভাৱধাৰৰ অনুভূতিশীলতা, ভাৱ-প্ৰৱণতা, প্ৰকাশ ভংগীমাৰ লীলায়িত গতি আৰু সংবেদনশীলতাৰ চূড়ান্ত নিদৰ্শন। সকলোবোৰ কবিতাতে ছন্দোময় লাস্যময়ী সুৰৰ ঝংকাৰ নাথাকিব পাৰে, তথাপি তেওঁৰ কবি হৃদয়ৰ দুৱাৰ খুলি অফুৰন্ত ভাৱ ৰাছি চিৰ প্ৰবাহমান বৰলুইতৰ তৰংগমালাৰ দৰেই বৈ আছে।

লক্ষ্মীনাথে উপন্যাস ৰচনাতো হাত দিছিল আৰু "পদুমকুৱৰী" খনেই তেওঁৰ ৰচিত একমাত্ৰ উপন্যাস। কামৰূপীয়া হৰদত্ত বীৰদত্তৰ বিদ্ৰোহ আৰু স্বদেশ প্ৰেমৰ মনোৰম সাক্ষ্য বহন কৰি ৰচনা কৰা উপন্যাসখনে যদিও বুৰঞ্জীমূলক

উপন্যাসৰ শাৰীলৈ উন্নীত হ'ব নোৱাৰিলে তথাপিও অসমীয়া সাহিত্য জগতত ই এখনি উপভোগ্য উপন্যাস বুলিয়েই পৰিগণিত হৈছে।

বেজবৰুৱা আছিল অসমীয়া চুটিগল্পৰ জনক। তেওঁ 'জোনবিৰি', 'সুৰভি', 'কেহোকলি', 'সাধুকথাৰ কুকি' লিখি অসমীয়া চুটিগল্পৰ পাতনি মেলে। তেওঁৰ 'ভদৰী', এৰাবাৰী', 'মুক্তি', 'লোভ', আদি গল্প সমূহক আধুনিক সাৰ্থক চুটিগল্পৰ অন্যতম চানেকী বুলিব পাৰি। তেওঁৰ গল্পসমূহত অসমৰ গ্ৰাম্য জীৱনৰ একোটিহঁত সৰু সৰু ঘটনা সুন্দৰ ৰূপত ধৰা দিছে। "বুঢ়ী আইৰ সাধু", "ককাদেউতা আৰু নাতি ল'ৰা", "বাখৰ", জুনুকা" আদি তেখেতৰ উৎকৃষ্ট সাধুকথাৰ পুথিয়ে আকাশ-বৃদ্ধ-বণিতাক সমানে আমোদ দিয়াৰ লগতে তাপিত হৃদয়ত দয়া, ক্ষমা, কাৰুণ্য আৰু সহানুভূতি জগাই তুলি শান্তিৰ বাণী শুনাই। নাট্যকাৰ লক্ষ্মীনাথ ঃ- 'চক্ৰধ্বজ সিংহ', 'জয়মতী কুৱঁৰী', 'বেলিমাৰ' আদি ঐতিহাসিক নাটকৰ যোগেদি বেজবৰুৱাই অসম বুৰঞ্জীৰ একোটা উত্থানৰ গৌৰবোজ্জ্বল অধ্যায়ৰ কাহিনী গৌৰৱমণ্ডিতকৈ আৰু পতনৰ কাহিনী কৰুণ ৰূপত দাঙি ধৰিছে।

বেজবৰুৱাই দেউতাক দীননাথ বেজবৰুৱাৰ এখন জীৱনী লিখিছিল নাম আছিল "ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ সংক্ষিপ্ত জীৱনচৰিত"। উপৰিও তেওঁ 'শংকৰ দেৱ' আৰু 'মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱ দেৱ' নামৰ আন দুখন জীৱনী গ্ৰন্থ ৰচনা কৰে।

সাংবাদিক লক্ষ্মীনাত — বেজবৰুৱা এজন সফল সাংবাদিক। তেওঁ 'জোনাকী', 'বাঁহী' আদি কাকত সম্পাদনা কৰি অসমীয়া সাহিত্যৰ বুৰঞ্জীত এটা যুগৰ সৃষ্টি কৰিলে।

অসম সাহিত্য সভাৰ গুৱাহাটী অধিৱেশনৰ সভাপতিৰ আসন অলংকৃত কৰি অসমীয়া জাতিলৈ যিটি ভাষণ তেওঁ আগবঢ়াইছিল — সি যুগ যুগ ধৰি অসমীয়া জাতিক প্ৰেৰণা যোগাই থাকিব। বৰোদাৰ মহাৰাজৰ দ্বাৰা আমন্ত্ৰিত হৈ বেজবৰুৱাই বৈষ্ণৱ ধৰ্মৰ দৰ্শন সম্পৰ্কে এটি অতি ভাব-গধুৰ, বিস্তৃত তথ্য সম্বলিত ভাষণ দাঙি ধৰিছিল যিয়ে তেওঁক দাৰ্শনিক মনস্তত্ত্ববাদীসকলৰ শাৰীত প্ৰতিষ্ঠা কৰিলে।

এইবোৰৰ উপৰিও বেজবৰুৱাদেৱে 'মোৰ জীৱন সোঁৱৰণ' নামৰ আত্মজীৱনী 'কামত কৃতিত্ব লভিবৰ সংকেত', 'কৃষ্ণকাথা', 'তত্ত্বকাথা' আদি ব্যৱহাৰিক জ্ঞানৰ বিভাজনৰ উপৰিও বৈষ্ণৱভাৱধাৰৰ সমালোচনা মূলক পুথিত ৰচনা কৰি থৈ গৈছে।

নীলমণি ফুকনৰ ভাষাত কৰলৈ গ'লে — "সাহিত্যৰথী লক্ষ্মীনাথ আছিল সব্যসাচী। তেওঁৰ লিখনিত আছিল গাণ্ডীৱৰ ঝংকাৰ, ভাষাত পাঞ্চজন্য শংখ নিনাদিত হৈছিল।" অসমীয়া সাহিত্যৰ এইজনা ৰথী, আধুনিক অসমীয়া সাহিত্যৰ মুকুটবিহীন সম্ৰাটৰ জীৱন নাটৰ যৱনিকা পৰিছিল ১৯৩৮ চনৰ ২৬ মাৰ্চ তাৰিখে। ৰঙা ৰঙা মৰণে স্বদেশপ্ৰেমিক গৰাকীৰ দেহত হাত বুলাই দিলে। চিৰদিনৰবাবে হেৰাই গ'ল অসমীয়া ভাষা-জননীৰ কাণ্ডাৰী গৰাকীৰ নশ্বৰ দেহ ডিব্ৰুৰ বালিত। তেওঁৰ মৃত্যুত প্ৰতিজন অসমীয়াই চকুলো টুকিলে। কিন্তু কান্দিব আৰু কিমান দিন? সাহিত্যিক গৰাকীৰ সুৰৰ লগত সুৰ মিলাই অসমীয়াই শান্তনা লভিলে —

"ভাগি গ'ল বীণাখনি চিগি গ'ল তাৰ
ৰ'ই গ'ল অৱশেষ অমিয়া জোকাৰ"


সহায়ক গ্ৰন্থ ঃ—

১। সাহিত্যৰথী ড° প্ৰফুল্ল কটকী
২। এশ'জন সাহিত্যিকৰ জীৱনী - ভবেশ চেতিয়া
৩। ৰচনা বিচিত্ৰ - ধৰ্মসিংহ ডেকা






# কিহৰ অন্বেষণত আমি ?


মৃদুল ডেকা
তৃতীয় ষান্মাসিক,
বাণিজ্য


আজিৰ ছাত্ৰই কাইলৈ দেশৰ ভৱিষ্যত" - এই কথাষাৰ কিমানদূৰ সত্য নাইবা কথাষাৰৰ সত্য-সত্যতা প্ৰমাণ কৰিবলৈ গ'লে আমি বৃহৎ শূন্য এটাৰহে মুখামুখি হ'ব লাগিব। বৰ্তমান সময়ত আমাৰ সন্মুখত যিখন ছাত্ৰসমাজৰ প্ৰতিচ্ছবি পৰিলক্ষিত হয়, এই ছাত্ৰসমাজ খনৰ হাতত আমাৰ দেশৰ ভৱিষ্যত তুলি দিয়াটো কিমানদূৰ সম্ভৱ ! নাইবা আমি কিদৰে তেওঁলোকক অভিহিত কৰিব পাৰিম 'দেশৰ ভৱিষ্যত' বুলি? বৰ্তমানৰ নৱপ্ৰজন্মৰ স্খলিত ৰূপ দেখি হতভম্ব হয় সচেতন মহল।

বাতৰি কাকতখন পঢ়িলে নাইবা নিউজ চেনেলৰ কাৰ্যক্ৰম প্ৰতক্ষ্য কৰিলে সেই ছবি পৰিলক্ষিত হয় কিদৰে ছাত্ৰসমাজ বা যুৱ প্ৰজন্মক প্ৰতিনিধিত্ব কৰা এই চাম ডেকা ল'ৰাই ধ্বংস কৰিছে নিজৰেই সহোদৰক। পিতৃ-মাতৃৰ অজ্ঞাতে সিহঁতে বগাবলৈ ধৰে অধঃপতনৰ জখলা। নিচাসক্ত দ্ৰব্য — মদ, চিগাৰেট, ড্ৰাগছ অবিহনে আজিৰ যুৱ প্ৰজন্মই অতিবাহিত কৰিব নোৱাৰে সময়। ছাত্ৰ নামধাৰি এই ডেকাৰ উন্মাগুলিত ৰাস্তাৰে পাৰ হৈ যাবলৈ ভয় কৰে যুৱতী অথবা মহিলাসকলে। কি নিৰ্লজ মন্তব্য প্ৰক্ষেপ কৰে সিহঁতে। হত্যা-হিংসা, অপহৰণ, ধৰ্ষণকে আদি কৰি প্ৰতিতো অপৰাধজনিত ঘটনা - পৰিঘটনাতে সাঙোৰ খাই পৰে যুৱ প্ৰজন্মৰ এই প্ৰতিনিধি সকল। দেখা পোৱা যায় এনে বহুতো নম্ৰ - ভদ্ৰ কলেজীয়া যুৱক-যুৱতীৰ সঙ্কীয়া আলিংগন। কিদৰে পাৰ্কৰ এচুকত বহি সভ্যতাক কলংকিত কৰে তেওঁলোকে। শিক্ষক তথা পিতৃ মাতৃক দুৰ্ব্যৱহাৰ কৰি, আইনী-নিয়ম-কানুন উলংঘা কৰি স্বাধীন হ'ব বিচাৰে আজিৰ যুৱ প্ৰজন্মই। নিশা দুই-এক বজালৈ বাৰত উদ্দাউল নৃত্য কৰি আধুনিকতাকো চেৰ পেলাইছে আমাৰ এই ভৱিষ্যত প্ৰতিনিধিসকলে। যুৱ-প্ৰজন্মৰ এনে নৈতিক স্খলন দেখি সঁচাকৈয়ে চিন্তিত হয় বৌদ্ধিক তথা সচেতন মহল।

অন্যহাতে, এই প্ৰজন্মৰ যি দুই এজন মেধাৱী ছাত্ৰ-ছাত্ৰী থাকে সেইসকলো শেষত হয়গৈ অইন দেশৰ সম্পদ। নিজ স্বাৰ্থ সিদ্ধি আৰু জীৱন উপভোগৰ বাবেহে যেন অধ্যয়ন কৰে তেওঁলোকে। নিজ দেশৰ ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি দায়বদ্ধ নহয় আজিৰ ছাত্ৰসমাজ। দেশ তথা ৰাজ্যৰ অৰ্থনীতি, ৰাজনীতিৰ খবৰেই নাপায় একাংশ ছাত্ৰ-ছাত্ৰীয়ে। শিক্ষাৰ জৰিয়তে প্ৰকৃত জ্ঞান আহৰণ কৰি, তাক দেশ তথা সমাজৰ হিতৰ বাবে খটোৱাবলৈ কাৰোৰে আজি আহৰি নাই। তেনে স্থলত আমি কিদৰে ক'ব পাৰিম — "আজিৰ চাত্ৰ সমাজ, কাইলৈ দেশৰ ভৱিষ্যত" বুলি। প্ৰশ্ন হয় — বৰ্তমান ছাত্ৰ সমাজ তথা যুৱসমাজৰ খলিত জীৱন যাপনৰ বাবে দায়ী কোন? অভিভাৱক নে শিক্ষা ব্যৱস্থা? যদিও ছাত্ৰ সমাজৰ এনে নৈতিক পতনৰ বাবে প্ৰত্যক্ষভাৱে কাকোৱেই দায়ী কৰিব নোৱাৰি; তথাপি অভিভাৱক সকলৰ অসচেতনতা আৰু সহজলভ্য শিক্ষা ব্যৱস্থাও ইয়াৰ এক কাৰণ। অভিভাৱকসকল নিজ সন্তানক লৈ সচেতন নহ'লে আৰু প্ৰচলিত শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন নঘটালে, বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ স্খলিত জীৱন-যাপনৰ চৰ্চা দৈনিক বৃদ্ধি পাব কিন্তু ইয়াৰ সমাধান নহ'ব। যাৰ ফলত আমাৰ দেশ তথা সমাজ অন্ধকাৰত ডুব যাব। সেইদেখি, আমাৰ নৱ প্ৰজন্মলৈ এটা অনুৰোধ .......

নতুন দিন,
নতুন সপোন,
নতুন পুৰুষ তই নৱযুগৰ।
আন্ধাৰৰ জেউৰা ফালি
সুঠাম ৰ'ডজাক সিচিদে ঐ সিচিদে।
তোৰ পৰশতে লহপহকৈ বাঢ়ি আহক
এমুঠি সেউজীয়া
তাৰেই ছাঁত জিৰণী লওঁক
মানৱতা !!

*********

# গল্প



# বলাই

মূলঃ ৰবীন্দ্ৰনাথ ঠাকুৰ

অনুবাদঃ
ড° জয়জ্যোতি গোস্বামী
সহযোগী অধ্যাপক,
অসমীয়া বিভাগ

মানুহৰ জীৱনটো পৃথিৱীৰ না না জীৱৰ ইতিহাসৰ নানা পৰিচ্ছেদৰ উপসংহাৰ বুলি এষাৰ কথা আছে। জগতত মানুহৰ মাজত নানা জীৱ জন্তুৰ আচৰণৰ পৰিচয় পোৱা যায়, সেয়া সকলোৱে জনা কথা। কাৰ্যতঃ আমি মানুহ বুলি সেই পদাৰ্থকে কওঁ যি আমাৰ ভিতৰৰ সকলো জীৱজন্তুক মিলাই এক কৰিছে, আমাৰ বাঘগৰুক একেটা খোৱাৰতে ৰাখিছে, অহি নকুলক একেটা সঁজাৰ ভিতৰতে বন্দী কৰি ধৰি ৰাখিছে। যেনেকৈ ৰাগিনী বুলি তাকেই কোৱা হয় যি আমাৰ ভিতৰৰ সমুদায় সা-ৰে-গা-মা ক সংগীত কৰি তোলে, তাৰ পিছত সিহঁতক আৰু খেলিমেলি কৰাৰ সাধ্য নাথাকে, কিন্তু সংগীতৰ ভিতৰত একোটা স্বৰ অন্যস্বৰৰ ভিতৰত বিশেষ হৈ উঠে, কোনোটোত মধ্যম, কোনোটোত কোমল গান্ধাৰ, কোনোটোত পঞ্চম।

আমাৰ ভতিজা বলাইৰ কিবা প্ৰকাৰে গছ পালন কৰাটোৱেই তাৰ স্বভাৱৰ মূল সুৰ হৈ পৰিল। সৰুৰে পৰাই মনে মনে কথা বোৰ লক্ষ্য কৰি থকাই তাৰ অভ্যাস, হলস্থুল কৰি নুফুৰে। পূবৰ আকাশত যেতিয়া ক'লামেঘবোৰ চপৰাচপৰে গোটখায় তেতিয়া তাৰ গোটেই মনটোতে যেন শাওণৰ অৰণ্যৰ সেমেকা গোন্ধ ঘণীভূত হৈ পৰে, ৰিম্‌ৰিমকৈ যেতিয়া বৰষুণ পৰে তাৰ সমস্ত শৰীৰে যেন বৰষুণৰ শব্দ শুনিবলৈ পায়। ছাদৰ ওপৰত যেতিয়া আবেলিৰ ৰ'দপৰে সি তেতিয়া উদং গাৰে ঘূৰি ফুৰে, গোটেই আকাশখনৰ পৰা সি যেন কিবা সংগ্ৰহ কৰে। মাঘৰ শেষত যেতিয়া আমে মলিয়াই তাৰ তেজৰ মাজত তেতিয়া নিবিড় আনন্দ জাগি উঠে, কিবা এক বুজাৱ নোৱাৰা স্মৃতিৰ অৱেশত ফাগুনৰ পুষ্পিত শালবনৰ দৰেই তাৰ অন্তৰ প্ৰকৃতি চাৰিওদিশে বিস্তৃত হয়, উপচি পৰে আৰু তাত এক গাঢ় ৰং লাগে। তেতিয়া সি অকলে বহি আপোনমনে কথা কবলৈ ইচ্ছা কৰে। অতি পুৰণি বটগছৰ খোৰোঙত বাহ বান্ধি থকা অতি পুৰণি চৰাই আদিৰ যিবোৰ গল্প সি শুনিছে তাকে জোৰাতাপলি মাৰি তাৰ কবলৈ মন যায়। ডাঙৰ ডাঙৰকৈ চকু মেলি সদায় চাৰিওফালে চাই থকা ল'ৰাটোৱে বেছি কথা ক'ব নোৱাৰে। সেয়ে সি মনেমনে বেছিকৈ ভাবে। তাক এবাৰ পাহাৰলৈ লৈ গৈছিলো। ঘনসেউজীয়া ঘাঁহেৰে ভৰা পাহাৰৰ নামনি ভাগ আমাৰ ঘৰৰ সন্মুখেৰে এঢলিয়াকৈ তললৈ নামি গৈছে। ঘাঁহৰ আৱৰণটো যে এটা স্থিৰ পদাৰ্থ তাক সি মানিবই নোখোজে। তাৰ মতে সেই ঘাঁহনি ভৰা যেন এটা বাগৰি ফুৰা খেলা, কেৱল বাগৰি ফুৰিছে। প্ৰায়েই সি সেই ঘাঁহেৰে ভৰা এঢলিয়া ঠাই খিনিত বাগৰি বাগৰি নিজেও ঘাঁহ হৈ পৰে। বাগৰি ফুৰোঁতে ঘাঁহৰ আগবোৰে যেতিয়া তাৰ ডিঙিৰ ওচৰত সুৰসুৰাই দিয়ে সি তেতিয়া খিল্‌খিলাই হাঁহে।

ৰাতি হৈ যোৱা বৰষুণ জাকৰ পিছত ৰাতিপুৱা সন্মুখৰ পাহাৰৰ শিখৰৰ পৰা যেতিয়া কেঁচাসোণ বৰণৰ ৰ'দজাক আহি দেৱদাৰু গছৰ ওপৰত পৰেহি , সি কাকো নোকোৱাকৈ মনে মনে গৈ সেই দেৱদাৰু গছৰ নিজান ছাঁত অকলে অবাক হৈ থিয় দি থাকে, দেখিলে গা শিয়ৰি যোৱা সেই প্ৰকাণ্ড গছবোৰৰ ভিতৰত থকা মানুহবোৰক যেন সি দেখা পায়, সিহঁতে কথা নকয়, কিন্তু যেন সকলো কথা জানে। সিঁহতবোৰ যেন তাৰ কৌটি কালৰ ককাদেউতাকহঁতহে ঠিক 'এখন দেশত এক ৰজা আছিল'ৰ আমোলৰ।

তাৰ ভাববিভোৰ দুচকুৰ দৃষ্টিযে কেৱল ওপৰৰ ফালেই নিবদ্ধ তেনে নহয়, বহুত সময়ত লক্ষ্যকৰিছো সি আমাৰ বাগানত মাটিৰ ফালে চাই চাই কিবা বিচাৰি ফুৰে। পোহৰত জিলিকি থকা নতুন নতুন গজালি বোৰ দেখিলে তাৰ ঔৎসুক্যৰ সীমা নোহোৱা হয়। সদায় জুপি জুপি চাই সিহঁতক যেন সি প্ৰশ্ন কৰে- তাৰ পিছত? তাৰ পিছত? তাৰ পিছত?" সেয়া তাৰ

চিৰ অসমাপ্ত গল্প। নতুনকৈ গজি উঠা পুলিৰ কুঁহি পাত বোৰৰ সৈতে তাৰ যেন কি এক সমনীয়া সমনীয়া ভাব ! সিহঁতেও যেন তাক কিবা সুধিবলে উচ্‌পিচ লগায়। হয়তো সোধে — "তোমাৰ নাম কি?" হয়তো সোধে — "তোমাৰ মা কলৈ গ'ল?" বলায়ে মনেমনে উত্তৰ দিয়ে — "মোৰতো মা নাই।"

কোনোবাই গছৰ ফল ছিঙিলে সি বৰ বেয়া পায়। এই ক্ষণত কাৰোবে বাবে যে কোনো সংকোচৰ একো অৰ্থ নাই সেয়াও সি বুজি পায়। এই কাৰণেই সি দুখবোৰ লুকুৱাবলৈ চেষ্টা কৰে। তাৰ বয়সৰ লৰা বোৰে গছত ফৰ্মুতি মাৰি আমলখি পাৰে। একো কব নোৱাৰি মুখ ঘুৰাই সেই ঠাইৰ পৰা গুছি যায়। তাৰ বন্ধুবোৰে তাক জোকাবৰ কাৰণে বাৰীৰ ভিতৰেদি যাওঁতে মাৰি একোডাল লৈ দুকাষৰ গছবোৰ কোবাই যায়। কোনোবাই ফট্‌কৈ বকুল গছৰ ডাল একোটাকে ভাঙি নিয়ে — সি কান্দিবলৈ লাজ কৰে। পিছে সেই বোৰ কোনোবাই পাগল বুলি ভাবে। তাৰ আটাইতকৈ বিপদৰ দিন সেইটো যিদিনা ঘাঁহকটা মানুহ আহে। কিয়নো ঘাঁহৰ মাজে মাজে সি সদায় দেখি অহা সৰু সৰু লতা, অকণ অকণ বেঙুনীয়া হালধীয়া নামনোহোৱা ফুল, মাজে মাজে কাঁইটিয়া গছ, তাৰ নীলা নীলা ফুলৰ বুকুৰ মাজত সৰু অকনমান সোনোৱালী ফোঁট, বেৰাৰ কাষে কাষে ক'ৰবাত কাল মেঘৰ লতা, কৰবাত অনন্ত মূল, চৰায়ে খাই পেলোৱা নিমগছৰ গুটিৰ পৰা ওলোৱা পুলিৰ সুন্দৰ পাত, সেই সকলোবোৰ নিষ্ঠুৰ ভাবে নিৰাই পেলোৱা হয়। সেই বোৰ বাগানৰ চৌখিন গছ নহয়, সিহঁতৰ অভিযোগ শুনোতা কোনো নাই।

এদিন সি খুৰীয়েকৰ কোলাত বহি ডিঙিত সাৱটি ধৰি ক'লে —"সেই ঘাঁহকটা মানুহটোক কৈ দিয়ানা, মোৰ সেই গছবোৰ যাতে নাকাটে।"

খুৰীয়েকে কলে — "বলাই পাগলৰ দৰে কি বোৰ যে বকিছহু সেইবোৰ হাবি, চাফা নকৰিলে কেনেকৈ হব?"

বলায়ে কিছুদিনৰ পৰা এটা কথা বুজি পোৱা হৈছিল যে কিছুমান দুখ আছে যিবোৰ তাৰ একেবাৰেই নিজৰ, তাৰ চাৰিও ফালৰ মানুহবোৰৰ বাবে সেইবোৰৰ কোনো মূল্য নাই।

এই ল'ৰাটোক আচল বয়স যেন সেই কোটি কোটি বছৰৰ আগৰ দিনৰ, যিদিনা সাগৰৰ তলিৰ পৰা নতুনকৈ মূৰ ডাঙি উঠা মাটিৰ স্তৰৰ মাজত পৃথিৱীৰ ভাবী অৰণ্য ই জন্মৰ প্ৰথম কান্দোন কান্দিলিছ। সেই দিনা পশু নাছিল পক্ষী নাছিল, জীৱনৰ কলৰব নাছিল চাৰিও দিশে কেৱল শিল, বোকা আৰু পানী। মহা কালৰ পথত সকলো জীৱৰে ভিতৰত অগ্ৰগামী গছে সূৰ্যৰ ফালে চাই হাতবোৰ কৰি কৈছিল— 'মই থাকিম, মই জীয়াই থাকিম, মই চিৰদিন বাটকৰা, মৃত্যুৰ পিছত মৃত্যুৰ মাজেদি অন্তহীন প্ৰাণৰ বিকাশ তীৰ্থলৈ যাত্ৰাকৰিম ব'দে বৰষুণে, দিনে ৰাতিয়ে।" গছৰ সেই নিনাদ আজিও নিনাদিত বনে বনে পৰ্বতে প্ৰান্তৰে। তাৰেই শাখা প্ৰশাখা পত্ৰত পৃথিৱীৰ প্ৰাণে কৈ উঠিছে — "মই থাকিম, মই থাকিম।" বিশ্ব প্ৰাণৱনীৰৰ যাত্ৰীস্বৰূপ গছে নিৰৱছিন্ন কালৰ পৰাই দ্যুলোক দোহন কৰি পৃথিৱীৰ অমৃতভাণ্ডাৰ কাৰণে প্ৰাণৰ শক্তি, প্ৰাণত ৰস, প্ৰাণৰ লাৱন্য সঞ্চয় কৰে আৰু উৎকণ্ঠিত প্ৰাণৰ বাণী অহৰ্নিশে আকাশত উচ্ছাসেৰে ঘোষণা কৰে — "মই থাকিম, মই জীয়াই থাকিম," সেই বিশ্ব প্ৰাণৰ বাণী বলায়ে কিবা উপায়েৰে তাৰ ধমনীয়েদি প্ৰৱাহিত তেজৰ মাজত শুনিবলৈ পাইছিল। আমি তাকে লৈ খুব হাঁহিছিলো।

এদিন পুৱা একান্তমনে বাতৰি কাকত পঢ়ি থকাৰ পৰা বলায়ে মোক ব্যস্তভাবে বাগানলৈ টানি লৈ গ'ল। এঠাইত এটা গছপুলি দেখি মোক সুধিলে — খুৰা, এই জোপা কি গছ?"

মই চাই দেখিলো এটা শিমলু পুলি বাগানলৈ অহাযোৱা কৰা বাষ্টাত মাজতে গজি উঠিছে।

হায় হায়। বলায়েযে মোক মাতি নি কি ভুল কৰিছিল। কেচুবাৰ কলকলনিৰ দৰে গছপুলিটোৰ যেতিয়া গজালি ওলাইছিল বলাইৰ তেতিয়াই তাত চকু পৰিছিল। তাৰ পাছত বলায়ে সদায় নিজহাতে অকণ অকণ পানী দিছে, পুৱা আবেলি ক্ৰমে কিমান ডাঙৰ হ'ল ব্যগ্ৰ হৈ চাইছে। শিমলু গছ সোনকালে বাঢ়ে কিন্তু বলাইৰ আগ্ৰহৰ সতে সি ফেৰ মাৰিব পৰা নাছিল। যেতিয়া পুলিটো দুহাতমান ওখ হ'ল তেতিয়া তাৰ পত্ৰ সমৃদ্ধি দেখি সি ভাবিলে যে এইজোপা আচৰিত গছ। থিক শিশুৰ প্ৰথম বুদ্ধিৰ আভাস দেখি মাকে আচৰিত শিশু বুলি ভবাৰ দৰেই বলায়ে ভাবিলে যে সি মোকো আচৰিত কৰি দিব।

মই কলো — "মালিক এইজোপা উঘালি পেলাই দিবলৈ কব লাগিব।"

বলায়ে চক খাই উঠিল। কি সাংঘাতিক কথা।

ক'লে — "নহয় খুৰা, তোমাৰ ভৰিত ধৰিছো, উঘালি নেপেলাবা।"

মই কলো — "কিযে কৈছ নহয়। ৰাষ্টাৰ একেবাৰে মাজতে হৈছে। ডাঙৰ হ'লে চাৰিওফালে বাঢ়ি অসুবিধাত পেলাব।"

মোৰ লগত যেতিয়া নোৱাৰিলে এই মাতৃহীন ল'ৰাটো গৈ খুৰীয়েকৰ ওচৰ পালেগৈ। কোলাত বহি ডিঙিত ধৰি উচুপি উচুপি সি কলে — "খুৰী তুমি খুৰাক গছজোপা কাটিবলৈ হাক দিয়ানা।"

তাৰ উপায়টো ঠিকেই আছিল। খুৰীয়েকে মোক কলে 'হেৰি শুনিছে, ইয়াৰ গছজোপা ৰাখক, কাটি নেপেলাব।"

নাকাটিলো। বলায়ে দেখুৱাই নিদিয়া হ'লে মই গছজোপা নেদেখিলোৱেই হেতেন। কিন্তু এতিয়া সদায় চকুত পৰা হ'ল। কেইবছৰ মানৰ ভিতৰতে গছজোপা নিলাজৰ দৰে ডাঙৰ হৈ আহিল। গছজোপা বলাইৰ আটাইতকৈ মৰমৰ হৈ পৰিল।

গছজোপাক দিনে দিনে অবুজন নিৰ্বোধৰ দৰে হৈ পৰিছে। এটুকুৰা অসুবিধাজনক ঠাইত ঠিয় হৈ আছে কাকো খাতিৰ নকৰাকৈ, একেবাৰে পোণ আৰু ওখ হৈছে। যেয়ে দেখে সেয়ে ভাবে এইজোপাই ইয়াত কি কৰি আছে। দুই চাৰিবাৰ গছজোপাৰ প্ৰাণদণ্ডৰ প্ৰস্তাৱ দিয়া হল। তাৰ সলনি খুব ভাল গোলাপৰ পুলি আনি দিম বুলি বলাইক লোভ দেখুৱালো। তাক আৰু ক'লো — "নিতান্তই শিমলু গছেই যদি তোমাৰ পছন্দ তেনেহলে আৰু এটা পুলি আনি বেৰাৰ কাষত ৰুই দিওঁ, ভাল দেখাব।"

কিন্তু কটাৰ কথা কলেই সি জাপ মাৰি উঠে— "আহ, এনেকৈনো কি বেয়া দেখিছে।"

এই লৰাটো কেচুৱাহে থাকোতেই মোৰ বৌ ঢুকাইছিল। সম্ভৱতঃ সেই দুখতেই দাদা ইঞ্জিনিয়াৰিং পঢ়িবলৈ বিলাতলৈ গুছি গ'ল। লৰাটো আমাৰ সন্তানহীন ঘৰখন খুৰীয়েকৰ কোলাতেই ডাঙৰ হ'ল। দহবছৰ মানৰ মূৰত দাদা উভতি আহি বলাইক বিলাতী নিয়মেৰে শিক্ষিত কৰিবলৈ ইচ্ছা কৰি প্ৰথমে চিমলালৈ লৈ গ'ল, তাৰ পিছত বিলাতলৈ যোৱাৰ কথা। কান্দি কান্দি খুৰীয়েকৰ ওচৰৰ পৰা বলাই গুছি গ'ল, মোৰ ঘৰ শূণ্য হ'ল।

তাৰ পিছত দুবছৰ পাৰ হ'ল। বলাইৰ খুৰীয়েকে গোপনে চকুপানী টোকে আৰু বলাইৰ শূণ্যকোঠাটোলৈ গৈ তাৰ ফটা জোতা এপাত, ৰবৰৰ ফটা বল আৰু জন্তুৰ ছবি থকা গল্পকিতাপবোৰ লিৰিকিবিদাৰি থাকে। ইমান দিনে এইবোৰ স্মৃতি এৰি থৈ সি বহুত ডাঙৰ হৈছে ছাগে - বুলি বহি বহি ভাবে।

এদিন মন কৰিলে — কুলক্ষণীয়া শিমলুগছ জোপাৰ ডালবোৰ বৰ বাঢ়িছে, ইমানেই অসংগত হৈ উঠিছে যে আৰু লাই দিব নোৱাৰি। এটা সময়ত গছজোপা কাটি পেলালো।

এনেকুৱাতে বলায়ে চিমলাৰ পৰা তাৰ খুৰীয়েকলৈ চিঠি লিখিলে — "খুৰী মোৰ সেই শিমলুজোপাৰ ফটো একপি পঠিয়াই দিয়া।"

বিলাতলৈ যোৱাৰ আগতে এবাৰ আমাৰ ওচৰলৈ অহাৰ কথা আছিল, সেয়া আৰু নহ'ল। সেয়ে বলায়ে তাৰ বন্ধুৰ ফটো লৈ যাবলৈ বিচাৰিছে।

তাৰ খুৰীয়েকে মোক ক'লে "শুনিছে, এজন ফটোগ্ৰাফাৰ মতাই অনাওক।"

সুধিলো - "কিয়"?

তেওঁ বলায়ে আপোণত হাতেৰে লিখা চিঠিখন মোক চাবলৈ দিলে।

মই কলো — "সেই গছজোপাচোন কাটি পেলালো।'

বলাইৰ খুৰীয়েকে দুদিন একো নাখালে, আৰু বহুতদিন মোৰ সৈতে এষাৰ কথাও নাপাতিলে। বলাইৰ দেউতাকে তাক তেওঁৰ কোলাৰ পৰা লৈ গ'ল, সেয়াযেন নাড়ী ছিগিছিল আৰু তাৰ খুৰাকে বলাইৰ মৰমৰ গছজোপা চিৰদিনৰ কাৰণে হেৰুৱাই পেলালে, সেই কথাই তেওঁক সমস্ত সংসাৰ ছাৰখাৰ কৰি দিলে, তেওঁৰ বুকুৰ মাজত ঘা লগালে।

সেই গছজোপা আছিল তেওঁৰ বলাইৰ প্ৰতিৰূপ, তেওঁৰ প্ৰাণৰ সংগী।



অৰুণ

# প্ৰহৰী

নিশা তাঁতী
দ্বিতীয় যান্মাসিক

সূৰ্য উদয় হোৱাই নাই, ৰাতি পুৱাতে সনাতনৰ ঘৰত হুৰাদুৰা, কন্দা কটা লাগি পৰিছে। বাসন্তীয়ে বিচনাৰ পৰা উঠি প্ৰতিভাক দেখা নাপাই ওচৰ পাঁজৰে ইফালে সিফালে চাই কতো দেখা নাপালে। আনদিনা খন তাই বিছনাৰ পৰা উঠিয়ে হাতত বাঢ়নীটাৰ লৈ চোতাল সাৰিবলৈ ধৰে। আজি দেখোন চোতাল খনো সাৰি হোৱা নাই। ইমান ৰাতিপুৱাতে তাই ঘৰত একোনোকোৱাকৈ কলৈ গ'ল। আলহীবিলাকৰ ঘৰটো খবৰ কৰা হ'ল। আজি দুদিন পাৰ হৈ গ'ল, অথচ তাইৰ একো খা-খবৰ পোৱা নগল। থানা, বাতৰিকাকত, টিভি, ৰেডিঅ' আদি সকলোতে ফটোসহ জনাই দিয়া হ'ল তথাপি প্ৰতিভাৰ কোনো শুংসূত্ৰ পোৱা নগ'ল।

প্ৰতিভাক কেতিয়াবা বিচাৰি পোৱা যাবনে? মাক বাসন্তীয়ে আউলী-বাউলী হৈ প্ৰতিভাৰ কথাকে কৈ আছে। তাই সকলো কামতে পাৰ্গত আছিল। ঘৰখন পৰিষ্কাৰ-পৰিপাটিকৈ সজাই ৰাখিছিল। তাই ডাঙৰ হোৱাৰে পৰা ঘৰ খনৰ কামৰ দায়িত্ব মাকে বহন কৰিব লগা হোৱা নাছিল। কামত যেনেকৈ নিচা আছিল ঠিক তেনেকৈ পঢ়াতো তাইৰ খুব নিচা আছিল। মাকে পঢ়াৰ ক্ষেত্ৰত তাইক ভাল সুবিধা দিব নোৱাৰিলে। এই বাৰ হেনো তাইক এম.এ.ত এডমিছন লগাই দিয়াৰ, কিবাকৈ এম. এটো পঢ়ুৱাব। ই তাইৰ মুখখনি আকৌ এবাৰ দেখা পাবনে? বি.এ. পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ পিছদিনা ৰাতিপুৱা বিছনাত অচেতন অৱস্থাত পৰি আছিল। ভগৱানৰ কৃপাদৃষ্টি পুনৰ আমাৰ মাজলৈ আহিছিল। ৰিজাল্ট দিয়াৰ পৰা তাই মাত্ৰ এটাই চিন্তা আছিল, ভাল ৰিজাল্ট কৰিব নোৱাৰিলে পঢ়িব নোৱাৰিলে জীৱনত একো উন্নতি কৰিব নোৱাৰিব। তিনি মাহে হাস্পতালত থাকি কোনোমতে ভাল পাই ঘৰলৈ আহিবৰ বেছিদিন হোৱাই নাছিল। হঠাতনো আজি তাইৰ মনত কি কথা খেলালে, কি হ'ল তাইৰ, কলৈ গ'ল প্ৰতিভা, আকৌ ঘৰলৈ ঘূৰি আহিবনে? মাকৰ চিন্তা?

মানুহৰ মুখে মুখে বিভিন্নজনৰ বিভিন্ন কথা। কোনোবাই প্ৰতিভাৰ জীৱনৰ দুখৰ সমভাগী হৈ আলোচনা কৰিছে। পঢ়াই তাইৰ জীৱনটো ধ্বংস কৰিলে। কোনোবাই হয়তো আলোচনা কৰিছে— সেইবোৰো বোলে তাই বিহ খাইছিল। কোনে জানিব ৰিজাল্ট বেয়া হোৱাৰ কাৰণে নে আন কাৰণত? কোনে জানিব তাইৰ জীৱনৰ কথা ঘটনা। সমাজৰ বু-বু-বা-বা গৈ মাক দেউতাকৰো কাণত নপৰা নহয়। তথাপি মাক-দেউতাকে এইবোৰ কথা শুনিবই লাগিব। মানুহৰ মুখৰ এইবোৰ বু-বু-বা-বা কোনেও বন্ধ কৰিব নোৱাৰে।

দধি মাষ্টৰে সনাতনৰ ঘৰলৈ বুলি যাওঁ বুলি [illegible] কলৈ যোৱা বুলি [illegible] নোৱাৰে।

[illegible] কৰি ওলাই আহিছিল। এনেতে মাষ্টৰ বাবু পিছৰ পৰাই মাত লগালে। যাত্ৰা কালত হেনো পিছৰ পৰা মাতিলে যাত্ৰা মংগলজনক নহয়। দধি মাষ্টৰে পিছৰ ফালে চাই ৰমেশক দেখা পাইছিল। অ', ৰমেশ দেখোন সনাতনৰ ছোৱালীজনীৰ খবৰ এটাকে লৈ আহো বুলি ওলাইছো মোৰেই ছাত্ৰী আছিল। ঘৰুৱাভাৱেও মই কেতিয়াবা পঢ়ুৱাইছিলো। ছোৱালীজনী পঢ়াত খুব বেয়া নাছিল আৰু বৰ বেছি ভালো নাছিল। কিন্তু পঢ়াৰ বৰ নিচা আছিল। নাজানিলেও তাক জানিবলৈ আগ্ৰহ কৰিছিল। ৰমেশ সনাতনহঁতৰ গাঁৱৰ মানুহ আছিল। দুখো সনাতনহঁতৰ কথাকে আলোচনা কৰি আহিল। ছোৱালীজনীৰ কিবা খবৰ পাইছে নেকি। দধি মাষ্টৰে ৰমেশক সুধিলে — একো খবৰ পোৱা নাই বোধ হয়। ৰমেশ মানুহজন সহজতে আন মানুহৰ দুখৰ সমভাগী হব পৰা বিধৰ আছিল। মাষ্টৰ বাবু সচাঁকৈ সনাতনে জীৱনত সুখ নাপালে এই বয়সতো নাঙলৰ মুঠিৰ পৰা হাত এৰাব পৰা নাই খেতিখন কৰিও ল'ৰা ছোৱালীকেইটাৰ পৰা সুখ নাপালে। সচাঁকৈ সনাতনলৈ বৰ দুখ লাগে। ডাঙৰজন পুতেকেও শিক্ষা লৈ চাকৰি পাই আমাৰ গাঁৱৰে কুলীনৰ জীয়েক জনীক পলুৱাই নি সংসাৰ কৰিলে। সেইবাৰো বাপেকে বৰ দুখ পাইছে। এতিয়া হেনো ডাঙৰজন পুতেক যোৰহাটত থাকে। ঘৰলৈও নাহে, খৰচ পাতিও নিদিয়ে। কাৰ যত্নত চাকৰি কৰিবৰ বাবে শিক্ষা দিক্ষা ল'ব পাৰিলে, সেই কথা পাহৰিয়েই গ'ল। কুলিনৰ ঘৰখনেই নিজৰ ঘৰ হৈ পৰিল। তাৰে তলৰজন পুতেকক বাপেকে হেনো নিজেই ছোৱালী চাই বিয়া পাতি দিছিল। ছোৱালীজনী শিক্ষয়িত্ৰী। ঘৰখনো খুব উচ্চস্তৰৰ বুলি শুনিছোহে। ভায়েককেইটা বোলে ডাক্তৰ ইঞ্জিনিয়াৰ। সনাতনৰ ঘৰখন লগত সিহতৰ ঘৰখনৰ থাপ নাখায়। সনাতন মানুহজন সচাঁকৈ বৰ উচ্চকাংক্ষা থকা বিধৰ আছিল। তাৰ বন্ধুবৰ্গও বৰ ডাঙৰ ডাঙৰ মানুহ দুই নম্বৰ পুতেক বোৱাৰিয়েকেও গুৱাহাটীত ঘৰ-মাটি কৰিলে সনাতন পৰ্জাঘৰৰ তলতে থাকিল। বোৱাৰীয়েক ধনী মানুহৰ ছোৱালী, দুখীয়াৰ দুখ কি বুজি পাব। প্ৰথম অৱস্থাত পূজা-পৰ্বই ঘৰলৈ আহিছিল এতিয়া ঘৰলৈ তেনেকৈ অহা দেখা নাপাওঁ। বোধহয় খৰছ পাতিও নিদিয়ে। এই ছোৱালীজনীয়ে বি.এ. পৰীক্ষা দিয়াৰ সময়ত সনাতনে মোৰ পৰা এহেজাৰটকা ধাৰলৈ নিছিল। তলৰ লৰাকেইজনৰো পঢ়া প্ৰায় শেষ হ'ল চাকৰি পোৱা নাই। খেতি বাতিতে লাগি আছে। টকা নহ'লৈ চাকৰি ক'ত পাব এই যুগত। পঢ়ি-শুনি একো লাভ নোহোৱা হৈছে। দুয়ো আলোচনা কৰি আহোতে সনাতনৰ প্ৰায় ঘৰ পাবৰ লগা হ'ল। ৰমেশেও নিজৰ ঘৰলৈ বাট ললে। দধি মাষ্টৰে সনাতনৰ পদুলিমুখতে কান্দোন শুনিবলৈ পালে সনাতনৰ চকুত চকুপানী। দধি মাষ্টৰক পদুলিমুখত দেখিয়ে মাত লগালে মাষ্টৰ বাবু, আপোনাৰ ছাত্ৰীৰ খ'বৰ লবলৈ আহিছে, আহক আহক। আপোনাৰ ছাত্ৰী আৰু পাবনে? ব্ৰহ্মপুত্ৰৰ বুকুত চিৰশান্তি লভিলে। যোৱাকালি কোনো এজন অচিন যুৱকে এই চিঠিখন দি গ'ল। কেইজন মান যুৱকে ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে সন্ধ্যা ভ্ৰমণলৈ গৈছিল। তেতিয়া ব্ৰহ্মপুত্ৰৰ প্ৰায় মাজমানত এজনী ছোৱালীৰ মৃতদেহ পানীৰ সোঁতত উটি গৈ থকা দেখা পালে। অলপ আগবাঢ়ি যোৱাত পাৰত সিহতে এখন বেগ পালে। বেগখনত আন একো নাছিল। এখন ফটো, এখন চিঠি আৰু এজনী ছোৱালীৰ সম্পূৰ্ণ ঠিকনাটো লগত বেগটোত অলপ টকাও আছিল চিঠিখনৰ ওপৰতে লিখা আছিল — কোনোবাই এই চিঠি পালে এই ঠিকনাত গৈ ঘৰত চিঠিখন যেন দি আহে। তেতিয়া আত্মহত্যাকাৰী পাপী আত্মাটোৱে অলপ শান্তি পাব মোৰ এইখিনি অনুৰোধ কোনোবাই ৰক্ষা ৰক্ষা কৰিব বুলি আশা ৰাখিলোঁ। মৃত ছোৱালীজনীৰ ফটোখনেই বেগত আছিল। বেগটোৰ সৈতে চিঠিখন যুৱকজনে কালি দি গ'ল। সিহতক ইশ্বৰে মঙ্গল কৰিব। কিন্তু জীৱনত আৰু মোক এনে শোক যেন ভগৱানে নিদিয়ে। এই চিঠিখন পঢ়ি চাওক মাষ্টৰ বাবু —

মৰমৰ দেউতা,

শ্ৰদ্ধা ল'ব। আপোনালোকৰ অজানিতে আজি ৰাতিপুৱা মই ঘৰৰ পৰা গুচি আহিলো। ব্ৰহ্মপুত্ৰৰ বুকুত চিৰশান্তি লভিবৰ বাবেই আপোনালোকক চিৰকাললৈ চিন্তাত পেলাই থৈ আহিলো। যদি ভগৱানৰ কৃপাত এই চিঠিখনৰ সৈতে মোৰ আত্মহত্যাৰ খবৰটো পায়, নিশ্চয় বৰ দুখ পাব। মই আপোনাক সুখী কৰিব নোৱাৰিলো। আপুনি বহুত টকা-পইচা খৰচ কৰি পঢ়াইছিল। আপোনাৰ মনৰ আশা পূৰণ কৰিব নোৱাৰিলো। পঢ়া জীৱনত মই আপোনাক ফাঁকি দিছিলো। ডিগ্ৰী পঢ়ি থকা সময়ত অৰুণ অফিচাৰৰ পুতেকৰ প্ৰেমত পৰিছিলো। তাৰ ফলত পঢ়াত ক্ষতি হৈছিল। ভাল নম্বৰ নাপালে কোনো কলেজত ছিট পোৱা নাযায়। এম.এ পঢ়া ভাগ্য নহল। ৰিজাল্ট পাই আত্মহত্যাৰ পথকে ললো। আকৌ ভগৱানৰ কৃপাত বাচিলো। কিন্তু সেই মনোভাবটো মোৰ আতৰ নহল। এইবাৰ আকৌ কি নহয় নাজানো। সৰুৰে পৰা মোৰ লক্ষ্য আছিল আপোনাৰ উচ্চকাংক্ষাক মই বাস্তৱ ৰূপ দিম। কিন্তু নোৱাৰিলো বৰং আপোনালোক বেছি দুখহে দি আহিলো। তিনি মাহ হাস্পাতালত থাকি ঘৰলৈ অহাৰ পিছত মানুহৰ এই সমালোচনাবোৰ মোৰো কাণত পৰিছিল। মানুহৰ আগত মই ওলাব পৰা নাছিলো। মানুহৰ মুখত বু-বা বোৰ যিমান দূৰলৈ গৈছিল, কিন্তু মই সিমান দূৰলৈ আগবঢ়া নাছিলো। সেইখন সমাজত মোৰ বাচি থকাৰ ইচ্ছা নোহোৱা হৈ গৈছিল। বাচি থাকিলেও মোৰ জীৱনৰ দাগটো মচি পেলাব নোৱাৰো। মৃত্যুৱে মোৰ শ্ৰেয়। আপুনি মোৰ দোষ ক্ষমা কৰিব।

প্ৰতিভা

চিঠিখন পঢ়ি দধি মাষ্টাৰৰ চকুপানী ওলাইছিল। মাষ্টাৰ বাবু কান্দি লাভ নাই, মোৰেই কপাল বেয়া। হাস্পাতালৰ পৰা অহাৰ পিছত তাই কাৰো লগত তেনেকৈ কথা পতা নাছিল। আগৰ প্ৰতিভা আৰু প্ৰতিভা হৈ থকা নাছিল। যিটো কথাই এই কেইদিন আমাৰ মনত খেলি আছিল, অৱশেষত সেইটোৱে ঘটিবলৈ পালে। ঘৰৰ গোটেই কেইজনে ইমানদিনে পহৰা দি ৰাখি আছিলো। তাইৰ ওপৰতে গোটেইকেইজনৰ চকু আছিল, চাৰি-পাচজন প্ৰহৰীৰ চকুত ধূলি মাৰি তাই আমাৰ মাজৰ পৰা আঁতৰি গ'ল।

*********

# ডায়েৰীৰ উকা পাতখিলা

নৱনীতা হালৈ
প্ৰথম বৰ্ষ
বাণিজ্য শাখা

ডায়েৰী লিখিবলৈ লৈ ৩০-১০-১১ তাৰিখটো লিখিয়েই অনন্যাৰ হাতখন কঁপি উঠিল। তাই তাৰিখটোলৈ ৰ লাগি চাই থাকিল। হঠাৎ তাইৰ মনত পৰিল তিনি বছৰ আগৰ সেই ঘটনাটোলৈ, হিয়াৰ প্ৰাণহীন মুখখন.......

হিয়া আৰু অনন্যা দুয়োজনী ভাল বান্ধবী। সিহঁত দুয়োজনী একেখন স্কুলত পঢ়ে। সিহঁত দুয়োজনীৰ সম্পৰ্কটো বাই ভনীতকৈ কম নহয়, কেৱল নামতহে বান্ধবী। দুয়োজনীৰ ঘৰ দুখনৰ মাজৰ সম্পৰ্কটোও অতি সুন্দৰ। অনন্যাৰ মাক নিৰ্মালী শইকীয়া আৰু পিতৃ অসীম শইকীয়া দুয়োজনেই চাকৰিয়াল। তদুপৰি হিয়াৰ মাক এগৰাকী সফল গৃহিনী আৰু দেউতাক প্ৰাঞ্জল দাস এজন ইঞ্জিনীয়াৰ। দুয়োখন ঘৰৰ অৱস্থা বেছ নদন-বদন। সিহঁত দুয়োজনীৰে পৰিয়ালৰ এখন এখন সুখী সংসাৰ। কিন্তু সংসাৰত সুখ দুখ দুয়োটাই থাকে। ফৰকাল আকাশত ক'লা ডাৱৰে ভুমুকি মৰাৰ দৰে হিয়াৰ পৰিয়ালটোলৈও নামি আহিছিল দুখৰ এচপৰা ক'লা ডাৱৰ।......

দিনটো আছিল ৩০ অক্টোবৰ। সেইদিনা হিয়াৰ জন্মদিন। বহুদিন আগৰ পৰাই তাই লগৰ বান্ধৱী বোৰক বিশেষকৈ অনন্যাক তাইৰ ঘৰলৈ নিমন্ত্ৰণ কৰিছে। সেইদিনা তাই স্কুললৈ অহা নাই। ৰাতিপুৱাৰ সময়খিনি ঠিকেই গ'ল। কিন্তু দুপৰীয়া স্কুল সোনকালে ছুটী দিলে। বাইদেউক কাৰণটো সোধাত অনন্যাই গম পালে যে গুৱাহাটীৰ কেইবাখনো ঠাইত বোমা বিস্ফোৰণ হৈছে। এটা নিৰাশ মন লৈ সকলো ছাত্ৰ-ছাত্ৰী ঘৰাঘৰি আহিলে। ঘৰলৈ আহি দেখিলে যে হিয়াৰ মাকে উচুপি উচুপি তাইৰ মাকক কিবা কৈ আছে। ওচৰলৈ গৈ শুনিলে যে হিয়া আৰু দেউতাক হেনো ৰাতিপুৱাই হিয়াক জন্মদিনৰ উপহাৰ দিবলৈ গণেসগুৰিলৈ গৈছিল আৰু এতিয়ালৈকে আহি পোৱা নাই। হিয়াৰ দেউতাকৰ মোবাইলত ফোন লগা নাই। সেইবাবে মাকৰ ভয় লাগিছে। অনন্যাৰ মাকে হিয়াৰ মাকক সান্তনা দিছে। হঠাৎ তাইৰ চিন্তা হ'ল জানোচা হিয়া হঁতৰ কিবা হৈছে। ভাত-পানী খাই টি.ভি টো খুলি বিস্ফোৰণৰ বাতৰিবোৰ চাবলৈ ধৰিলে। মৃত মানুহ বোৰ দেখি তাইৰ অন্তৰখন অজানিতে কঁপি উঠিল। কিমান সময় চালে ক'ব নোৱাৰে নোৱাৰে। শেষত অস্বস্তি বোধ কৰি টি.ভি.টো বন্ধ কৰি দিলে। ঘড়ীটো চাই দেখিলে গধূলি চাৰিটা বাজিছে। হিয়াহঁত এতিয়ালৈকে আহি পোৱা নাই। অনন্যাৰ চিন্তা হ'ল সঁচাকৈয়েই কিজানি হিয়াৰ কিবা হৈছে।

ৰাতি কাৰোবাৰ হিয়াভঙা কান্দোন শুনি ঘৰৰ আটাইয়ে সাৰ পালে। বাহিৰলৈ আহি দেখিলে হিয়াহঁতৰ চোতালত অজস্ৰ মানুহ ঠাহ খাই আছে। তালৈ গৈ দেখিলে চোতালত বগা কাপোৰেৰে কাৰোবাক ঢাকি থোৱা আছে। কিছু নিৰীক্ষণ কৰি অনন্যাই দেখিলে যে সেইজনী দেখোন হিয়া। কাষতে মাকে ইনাই বিনাই কান্দি আছে। তাইৰ ওচৰলৈ যাবলৈ অনন্যাৰ সাহস নহ'ল। সদায় ছাগলিৰ দৰে জঁপিয়াই থকা হিয়াৰ নিস্তেজ শৰীৰটো তাইৰ পৰা অলপ আঁতৰত পৰি আছিল। অনন্যাই আৰু চাই থাকিব নোৱাৰিলে। তাইৰ চাৰিওফালে যেন একুৰা জুই জ্বলি উঠিল।

এনেদৰেই নিজৰ জন্মদিনৰ দিনাই মৃত্যুক আকোঁৱালি ল'লে হিয়াই। এনেদৰে কিজানি ক'ত শিশুৱে হেৰুৱালে নিজৰ পিতৃ-মাতৃক, মাতৃৰ বুকু উদং কৰি কত শিশুৱে চকু মুদিলে চিৰদিনৰ বাবে।

নাই আৰু নোৱাৰি। তাই ডায়েৰীখন বন্ধ কৰি দিলে। দুধাৰি অশ্ৰু তাইৰ দুগালেদি বৈ আহিল। তাইৰ চিঞৰি চিঞৰি ক'বৰ মন গ'ল, "আমাক এখন পৃথিৱী লাগে, এখন শান্তিৰ পৃথিৱী। য'ত আমি মুক্ত মনে ফুৰিব পাৰো, খেলিব পাৰো। আমাক প্ৰাণ খুলি হাঁহিবলৈ দিয়া। আমাৰ চোতালত তেজীমলাৰ সাধু পুনৰ আমাক নুশুনাবা। সেই যে 'কুটুমৰ তেজেৰে বান্ধিলে, বাঢ়িলে, কুটুমে কুটুমক খালে......।"







# চিতাৰ জুই

জেহেৰুল ইছলাম
স্নাতক তৃতীয় বৰ্ষ
পঞ্চম যান্মাসিক

বক্তিমৰ কথাৰে.... নৈৰ পাৰ

আৰে ভাই খা-না, নেখাবি কিয়? কোনেও নেদেখে আৰু আমাক ইয়াৰ কোনেও বিচাৰি নাহে। বুজিছা খা। কি ক'লি নাখাব, বৰধৰ্মপুৰুষটো ওলাইছে। ঐ এতিয়াই যদি জীৱনটো উপভোগ নকৰ কেতিয়া কৰিবি? হু .... ওয়াহে আমাৰ ভাল ল'ৰা, কেনে লাগিছে, ঐ সৌৰভ ইয়াক বেজীৰ পালিও দি দে, বুজিছ এইবোৰ যে আমি হাতত লৈছো, খুউব মজা, সংসাৰৰ একো চিন্তাই আমাৰ মনলৈ নাহে। কি ক'লি মা-দেউতাৰ কথা, অ সিহঁত হাল থাকিব আৰু যেনেতেনে। বুজিছ, দেউতাৰ আগৰ সম্পত্তি বিলাকতো মইয়েই পাম, গতিকে একো নকৰিও চলিযাব। কি পঢ়া কথা কৈছ, নকবি সেইবোৰ কিতাপ বহিৰ কথা, অবাবত সময় নষ্ট হোৱাৰ বাহিৰে আৰু কি? শুন, শুনচোন, ইমানকৈ চিঞৰিছ কিয় — তই পঢ়ি ভাল পাব তোৰ সেইটো নিজৰ কথা আৰু মই বেয়া পাওঁ সেইটো মোৰ কথা। বুজিছ মই চাকৰি বাকৰি নকৰিলেও জীৱনটো চলি যাবপাৰিম, গতিকে খা আৰু ল'।

**দিগন্তৰ দেউতাকৰ কথাৰে —**

হেৰা শুনিছানে, তুমি এটা কথা লক্ষ্য কৰিছানে? আমাৰ দিগন্তইচোন আজিকালি আমাক মাতিবই বাদ দিছে। কি হৈছেনো? কালি ৰাতি গৈ দেখিছো সি পঢ়া টেবুলত শুই আছে, মই সুধিলত সি এনেইবুলি কৈছে আৰু লক্ষ্য কৰিছো তাৰ চকু দুটা যেন উখহি গৈছে। তাক অলপ মন কৰিবা আৰু শুনা, মই অহা সপ্তাহটো ঘৰত নাথাকিম, আমাৰ কোম্পানীৰ মুম্বাইত মিটিং আছে জানাইতো। নগলে মোৰ খুউব লোকচান হ'ব আৰু শুনা, দিগন্ত আৰু তোমাক কি কি বস্তু লাগিব এটা ৰিংকৰি মোক জনাইদিবা।

**নৈৰ পাৰ.....**

কি হ'ল দিগন্ত, মন মাৰি আছ যে? অ' দেউতাৰা বাহিৰত গৈছে, বৰভাল কথা। আমাৰ অলপ পইচাৰ অভাৱ হৈছে অ' সেইকাৰণে বস্তু আনিব পৰা নগ'ল। কি কলি? অনুমান কৰিছিলি আমাৰ পইচা কম হ'ব পাৰে বুলি? আনিছ্ বা বহু আনিছো দেখোন। ইয়াৰ আমাৰ এই সপ্তাহটো চলি যাব। ঐ সৌৰভ, তাক বেজীটো দি দে। কি ক'লি? দুখ লাগিছে? আমাকো প্ৰথমতে সেয়াই হৈছিল, কিন্তু এতিয়া দুখ-চুখ নাই বিন্দাছ তামাম বিন্দাছ, কি কৈছ? বেমাৰ, বৰ হুহুৱালি ভাই, একো নহয় দে, এইবোৰে আমাক শক্তিহে দিছে। দেখিছো নহয় মানুহবিলাকক, টেনছন, কেৱল টেনছন। আমাৰ সেইবোৰ টেনচন ফেনচন একো নাই। গতিকে খা আৰু ল।

**দিগন্তৰ মাকৰ কথাৰে....**

মই কৈছো, শুনক, কি শুনা নাই? আহ নেটবৰ্কৰ খেলি মেলি, অ' শুনিছেনে? আপুনি আজিয়ে মিটিঙৰ পৰা গুচি আহক। আমাৰ বাবা দিগন্তৰ কালিৰে পৰা ভীষণ জ্বৰ, মাজে মাজে প্ৰলাপ বকি আছে, ডাক্তৰ মজুমদাৰৰ পৰা ঔষধ-পাতি আনি দিছো একো কামেই দিয়া নাই। কি ক'লে? অ' ডক্তৰে তেজ পৰীক্ষা কৰিব দিছে, আপুনি আজিয়ে যেনেতেনে গুচি আহক। কি? ধৈৰ্য্য ধৰাৰ কথা কৈছে? ধৈৰ্য ধৰিয়ে আছো।

**নৈৰ পাৰ.....**

ঐ সৌৰভ আজি বোলে দিগন্ত নাহিব। তাৰ হেনো ভীষন জ্বৰ। বাৰু সৌৰভ চাচোন

মোৰ মায়ে আজি ব্ৰেকফাষ্ট কৰি থাকোঁতে মই খুউব ক্ষীনাইছো বুলি কৈছে, হয়নে তয়ো কৈছ তেনেকৈ? কিন্তু তয়োতো আগতকৈ বহুখিনি ক'লা পৰিছ, ক্ষীনাইছ আৰু চকুৰগুৰি উলাই গৈছে। আৰু সৌৰভ কি জানানে? যোৱাকালিৰ পৰা মই খুউব দুৰ্বল অনুভৱ কৰিছো বহাৰ পৰা উঠিলেই মূৰ ঘূৰাই যায়, অ' পানী গিলাচো হাতেৰে যেন তুলি খাব নোৱাৰা হৈছো। কি কলি, তোৰো একেই হৈছে? নাই নাই ভয় নকৰিবি, মই আছো নহয়, দিগন্ত নাহিল নাই আনিয়েই লও দে।

**ডাক্তৰ চেম্বাৰ**

প্লিজ, ডাক্তৰ প্লিজ, আমাৰ ল'ৰা দিগন্তৰ কি হৈছে আপুনি নকয় কিয়? ৰিপ'টত কি লিখা আছে? কি ক'লে? হেৰা শুনিছানে, তাৰ বোলে এইডছ হৈছে, হায় হায় মই আগতেই কৈছো নহয়, তাক ইচ্ছামতে যি লাগে নিদিবা, দেখিলা ল'ৰাৰ কাণ্ড। এতিয়া কি কৰিবা? ডাক্তৰ সি বাৰু আৰু কিমান দিন থাকিব? কি ক'লে? আগতেই সাৱধান হ'ব লাগিছিল। হে ভগবান।

**তিনিকুৰা জুই....**

তিনিখন চিতা জ্বলি আছে দাউ দাউকৈ এনেদৰেই আৰু হয়তো বহুতৰে পৰিয়ালত দুৰ্যোগ আহিছে। এই তিনিখন চিতাত জ্বলি থকা বক্তিম, সৌৰভ আৰু দিগন্তৰ জীৱনৰ সকলো সপোন, সকলো আশা অকালতে নুমাই গ'ল। থৈ গ'ল মা-দেউতাৰ, ককাক-আইতাক আৰু অজস্ৰ মৰমৰ আপোনজনক। কিয়েই বা নাছিল সিহঁতৰ দেহত? কি অফুৰন্ত শক্তি, ইমান ধুনীয়া মৰমলগা আছিল সিহঁতৰ চকু মুখ, কিন্তু সকলো আজি শেষ। গতিকে এইবোৰ সমস্যাৰ বিৰুদ্ধে ছাত্ৰ-সমাজ, চৰকাৰ তথা গুনি-জ্ঞানী ব্যক্তি মাৰ বান্ধি আগবাঢ়ি আহক। তেতিয়াহে আৰু হয়তো অইন বক্তিম, সৌৰভ আৰু দিগন্তই অকালতেই আমাক এই থৈ নাযায়। কাৰণ সিহঁতৰ সমাজত বহুতো কৰিব লগা কাম আছে।

## মহৎ লোকৰ বাণী

দীক্ষিতা বৰা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

কিবা এটা কাম শুদ্ধ বুলি জানিও যি মানুহে সেই কাম সাহসৰ অভাৱত কৰিব নোৱাৰে, তেৱেঁই প্ৰকৃত কাপুৰুষ।

— কনফুচিয়াছ

সিজৰ সুখেই যাৰ জীৱনৰ লক্ষ্য, তেওঁ এজন অসৎলোক, আনৰ প্ৰশংসা পোৱাটোৱেই যাৰ জীৱনৰ লক্ষ্য, তেওঁ এজন দুৰ্বল লোক। আনৰ সুখেই যাৰ জীৱনৰ লক্ষ্য, তেওঁ এজন সৎ লোক।

মিঠা মিঠা কথা ক'লেই আৰু হাঁহিমুখীয়া মুখ হ'লেই সৎ হ'ব নোৱাৰি

— টলষ্টয়

জগতত জীয়াই থাকিবলৈ প্ৰেম আৰু সাহসৰ প্ৰয়োজন।

— কনফুচিয়াছ

উপদেশৰ বাহিৰে আন একোকে মানুহে ইমান উদাৰভাৱে দান নকৰে

— আব্ৰাহাম লিংকন

ভগবানকো যিজনে ছলনা কৰে তেৱেঁই ৰাজনীতিত

— লা বোছফকল্ড

বহু কথা জনাকেই জ্ঞানী নোবোলে জনা কথাত যথাযথ প্ৰয়োগ কৰিবপৰা জনহে জ্ঞানী।

— শেক্সপীয়েৰ

চিন্তা ভাৱনা সদায় উচ্চ আৰু মহান হ'ব লাগে তেহে চিন্তা ভাৱনা অসফল হ'লেও তাৰ ধৰ্ম বা গুণ সদায় অটুত থাকে।

— লেনিন।

— এ. পি. জে. আব্দুল কালাম।



বন্দিতা বড়ো
প্ৰথম ষান্মাসিক
বাণিজ্য শাখা

## লতিকাৰ জীৱন

পূবাৰ সূৰুয পশ্চিমত মাৰ গৈ সন্ধিয়া হ'ল। লাহে লাহে এটি-দুটিকৈ অগনন তৰা আৰু জোনবাইয়ে দেখা দিলে আকাশত। চোতালৰ মাজতে তুলসী জোপা আজি বহুদিনৰ পৰা আছে যেতিয়াৰ পৰা তাই এইখন ঘৰলৈ বোৱাৰী হৈ আহিছিল। জপনাখনৰ লগতেই ফুলা তগৰ আৰু কেতেকী জোপাৰ সুবাস চাৰিওফালে বিয়পি পৰিছে। গা-পা ধুই আহি লতিকাই গোঁসাই ঘৰত এগছি চাকিকে জ্বলালে। আজি বাৰ বছৰ হ'ল এইখন ঘৰৰ বোৱাৰী হৈ অহা সকলো বস্তুৰ হিচাপ আছে তাইৰ। সন্ধিয়া সময় কণ লতিকাই চাকি গছ জ্বলাই দি আহি বাহিৰতে চকী এখনত বহি গান এটাই গুণগুণালে। এজাক মলয়া বতাহে লতিকাৰ গা-মন জুৰ কৰি পেলালে। তেনেতে, তাই কাৰোবাৰ খোজৰ শব্দ শুনিলে আৰু পিছলৈ চাই দেখে অমিত মানে তাইৰ লৰটো আহিছে ওচৰৰ লগৰ ল'ৰাৰ ঘৰৰ পৰা কিবা কামৰ পৰা উভতি



টি.ভি.ত কাৰ্টুন চোৱাত লাগিল।
আহিছে আৰু সি ভিতৰলৈ গৈ

আজি অলপ লতিকাই কামৰ পৰা সকাহ পাইছে; কাৰণ তাইৰ শাহুৰেক হ'তে বিয়া খাবলৈ গৈছে। লতিকাই আকাশখনলৈ চালে। তৰাবোৰ আকাশত সেই আন্ধাৰৰ মাজতো জিলিকি আছে। জোনটোৰ পোহৰেৰে পোহৰ হৈ উঠা পৃথিবীখন কিবা মায়াময় যেন লাগিল। বাৰটা বসন্তই গৰকি যোৱা সময়ৰ ফাঁকেদি তাই অতীতলৈ ঘূৰি গ'ল। মনত পৰিল তাইৰ সেই সোণালী দিনটোৰ। য'ত তাই লগৰ ছোৱালীৰ সৈতে একেলগে ভাড়াঘৰত থাকি কোম্পানীত কাম কৰিছিল। হাঁহি-ধেমালিৰে দিনবোৰ কটাইছিল। তেতিয়াই তাই প্ৰত্যেকটো উৎসৱেই উপভোগ কৰিছিল, ক'তো কাৰো বাধা-বিঘিনি নাছিল। লগৰ বোৰৰ সৈতে চিনেমা
চাবলৈ যোৱা, ফুৰিবলৈ যোৱাত কোনেও বাধা দিওতা নাছিল।

কিন্তু, বিধিৰ কি বিপাক সেই সুখৰ জীৱনটোত যেন কাৰোবাৰ চকুত লাগিল যে তাইৰ জীৱনলৈ যেন অমানিশা নামি আহিল।

হঠাৎ এদিনাখন তাইৰ ভিনিয়েক জোৰ-জবৰজস্তিকৈ তাইৰ স'তে একেলগে কোম্পানিত কাম কৰা ল'ৰা এটাৰ সৈতে বিয়া দিবলৈ খুজিলে। তাই সেই কথাটো কল্পনাই কৰিব পৰা নাছিল। সেইদিনটোলৈ মনত পৰিলে এতিয়াও তাইৰ গাৰ নোম শিয়ৰি উঠে। সেইদিনা ৰাতি কমেও ১০-৩০ মান বজাত ল'ৰাটোৰ বায়েকৰ ঘৰত হুলস্থুলৰ পৰিৱেশ সৃষ্টি হ'ল। তাৰে ওচৰৰ মানুহবোৰ আহিও জুম বান্ধিলে। তাইক ভিনিয়েক টানি আনি ল'ৰাটোৰ সৈতে বিয়াত বহিবলৈ মান্তি কৰালে। কিন্তু তাই বাৰে বাৰে দৌৰি গৈছিল তাৰ পৰা আৰু ভিনিয়েক

হ'তে ধৰি আনি বিয়া কৰাই দিলে ল'ৰাটিৰ সৈতে। পিছদিনা তাইক ল'ৰাটোৰ নিজা ঘৰ বৰমাত লৈ গ'ল বোৱাৰী হিচাপে। কিন্তু তাতে তাইৰ আৰম্ভ হ'ল অন্ধকাৰ সাংসাৰিক জীৱন। সহজে সেইঘৰ ঘৰৰ মানুহে বিশেষকৈ শাহুৱেক আৰু ননদে গ্ৰহণ কৰা নাছিল। সেইহে তাইক বহুত অত্যাচাৰ কৰিবলৈ ধৰিলে। তাইক সদায় গালি-শপনি পাৰে ৰাতিপুৱাৰ হোৱাৰ পৰা ৰাতি টোপনি যোৱাৰ পৰলৈকে। সকলো সময়তে সুবিধা পালেই ঠাট্টা আৰু অত্যাচাৰ কৰে। এনেদৰেই তাই দুখৰ মাজতে জীৱন আৰম্ভ হ'ল। কাৰণ, তাই অজাতি ঘৰৰ ছোৱালীৰ লগতে দুখীয়া। তাইক অজাতিৰ বাবে আৰু যৌতুকৰ বাবদ কথা শুনায়। তাই চকুৰ পানী মচি ভাত খায়। কিন্তু লতিকাৰ স্বামী নিৰ্মলে মাক আৰু বায়েকৰ কাণ্ড দেখি একো মাত মাতিব পৰা নাছিল। নিৰ্মলে চাকৰি উদ্দেশ্যে গুৱাহাটীতে থাকিছিল, কিন্তু ঘৈণীয়েকৰ বাবে একো কৰিব পৰা নাই ....। এনেদৰেই কেটিমান বছৰ পাৰ হ'ল। তাই সদায়ে মন্দিৰলৈ যায় দান-দক্ষিণা আগবঢ়ায় কিজানিবা ঈশ্বৰে চকু মেলি চাই। হঠাৎ এদিন তাইৰ জীৱনলৈ সুখৰ বৃষ্টি নামি আহিলে। লতিকাৰ জীৱনলৈ সুখৰ সন্ধান কঢ়িয়াই আনিছিল তাইৰ সন্তান অমিতে। তাইৰ যেন সুখৰ জীৱন আৰম্ভ হ'ল সেইদিনাৰ পৰা।

এদিনাখন তাইৰ ননদ পলী নিজৰ প্ৰেমিকৰ সৈতে পলাই গুচি গ'ল। তাৰ পাছত ক্ৰমে তাইৰ শাহুৱেক শাৰীৰিক ভাৱে দুৰ্বল হৈ পৰিল। এতিয়া এনেকুৱা অৱস্থা হ'ল যে বোৱাৰী মানে লতিকাই সহায় নকৰিলে একো কৰিব নোৱাৰা হ'ল। তাইৰ যেন এতিয়াহে লাগিছে মন্দিৰলৈ গৈ সেৱা সন্মান কৰাৰ ফল সফল হ'ল।

এতিয়া তাইৰ সংসাৰখন ঠিকে চলি আছে। তায়ো এতিয়া অতিকৈ সুখী। তাইৰ ল'ৰা অমিত তৃতীয় শ্ৰেণীত পঢ়ে, পঢ়াত পাকৈত.

এনেতে অমিতে আহি মাকক ক'লে 'মোৰ ভোক লাগিছে কিবা খাবলৈ দিয়া দিয়া বুলি কোৱাত তাই উচপ খাই উঠিল যেন তাই ইমান পৰে সপোনহে দেখি আছিল। তাই বাস্তৱলৈ ঘূৰি আহিল অতীতৰ পৰা। তাই ভিতৰলৈ গৈ পুতেকক কিবা অলপ খাবলৈ দিলে আৰু কমটোৰ খিৰিকিৰ কাষত থিয় হৈ দূৰৈৰ আকাশলৈ চালে জোনটোৰ পোহৰ যেন দুগুণে বাঢ়িছে।

## মহৎ লোকৰ বাণী

কৰবী দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

তুমি জীৱনক ভাল পোৱানে? যদি পোৱা জেনেহলে সময় নষ্ট নকৰিবা, কাৰণ সময়ৰ ধাতুৰেই জীৱন নিৰ্মিত।

— হেনৰি ডেভিদ থৰো।

ঈশ্বৰ মন্দিৰত নাই, অৰণ্যত নাই, গুহাত নাই, ঈশ্বৰ আছে মানুহৰ অন্তৰত। বিচাৰিব জানিলেই হ'ল।

— তুলসী দাস

মই জীয়াই থকাৰ বাবে দেউতাৰ ওচৰত কৃতজ্ঞ, কিন্তু মই ভাল ধৰণে জীয়াই থকাৰ বাবে - মোৰ শিক্ষাগুৰুসকলৰ ওচৰত কৃতজ্ঞ।

— চন্দ্ৰপ্ৰসাদ শইকীয়া।

শিক্ষক এজন মমবাতিৰ দৰে, যি নিজে গলি আনক পোহৰ দিয়ে।

— স্বামী বিবেকানন্দ

ধন হেৰালে একোৱে নেহেৰায়, স্বাস্থ্য হেৰালে সম্পদ হেৰায়, কিন্তু চৰিত্ৰ হেৰালে সকলো হেৰায়।

— চক্ৰেটিছ

একাগ্ৰতা থাকিলে অন্তৰৰ পবিত্ৰ বাসনা সদায় সফল হয়।

— মহাত্মা গান্ধী

শিক্ষাই হৈছে মূল উপায়, যি মানুহৰ জীৱনলৈ সুখ আৰু শান্তিৰ নিজৰা বোৱাই আনিব পাৰে।

— এৰিষ্টটল

সকলো কথাতে সাধুতা বজাই ৰাখিব লাগে।

— কনফুচিয়াছ





অপৰাজিতা দাস,
তৃতীয় যান্মাসিক
'৩১ জুন', 'পুতলা ঘৰ'



## নীলা খামৰ চিঠি

(এখন মুকলি চিঠি ঃ অসমীয়া বোলছবিৰ নামেৰে)

('সত্যম শিৱম সুন্দৰম')

'মৰমী' 'মানসী'

'গঙা চিলনীৰ পাখি' ৰ কলমেৰে লিখা এই পত্ৰৰ জৰিয়তে কেৱল 'তোমাৰ বাবে' সাঁচি ৰখা 'মৰম' বোৰ ল'বা। সৌ সিদিনা 'আদালত'ত 'ড° বেজবৰুৱা'ৰ 'শেষ বিচাৰ' হ'ল। তুমি শুনিছানে নাই নাজানো, কথাটো কিন্তু 'অনিৰ্বান' 'কনজুই'ৰ দৰে চাৰিওফালে বিয়পি পৰিছে। যা হওঁক, তেখেতৰো যে এটি 'হৃদয়ৰ প্ৰয়োজন' আছিল তাক তেখেতে পলমকৈ হ'লেও উপলব্ধি কৰিব পাৰিলে। 'পাপ আৰু প্ৰায়শ্চিত্ত'ৰ কথা নাভাবি 'দুৰণীৰ ৰঙ' ত ভোল গৈ মানুহে কেনেকৈ 'মৰীচিকা'ৰ পিছে পিছে দৌৰি ফুৰে বুজি নাপাওঁ !! ফলত কি হ'ল 'আপোনাজন' ৰ 'মন আৰু মৰম' ৰ পৰা বঞ্চিত হৈ গোটেই 'বৰুৱাৰ সংসাৰ' খনেই এতিয়া 'অনুতাপ' কৰিবলগীয়া হ'ল। ঘৈণীয়েক 'সোনতৰা' জনীলৈ হে বেয়া লাগে। মাত দুটি 'সন্তান'ৰ মাতৃ আছিল এই 'সাদৰী' 'লখিমী' মানুহজনী। সততে 'দেৱতা' জ্ঞান কৰা গিৰীয়েকৰ 'উত্তৰণ'ৰ বাবেই তাইৰ 'মণ মন্দিৰ'ত স্থাপন কৰা 'দেৱী' 'প্ৰতিমা'ৰ আগত তাই দিনে নিশাই 'আৰতি' কৰিছিল। কিন্তু নাহে লাগে যেন 'প্ৰজা'ৰ ফুলৰ 'পাপৰি' কেইপাহ লেৰেলি গ'ল। ম্লান হৈ পৰিল 'দীপ-জ্যোতি'। 'এন্টনী মোৰ নাম' বুলি চিনাকি দি 'এই দেশ মোৰ দেশ' দেশমাতৃকা 'আই মোৰ জনমে জনমে' ইয়াৰ 'ভূমিপুত্ৰ' সকলৰ বাবে 'যুগে যুগে সংগ্ৰাম' কৰি এখন 'নতুন পৃথিৱী' গঢ়িম বুলি 'সংকল্প লোৱা 'লাচিত বৰফুকন'ৰ 'বীৰ চিলাৰায়'ৰ দৰে সাহসী 'অগ্নি' যুগৰ ফিৰিঙতি, চৰকাৰৰ 'হিটলিষ্ট'ত থকা 'আমি অসমীয়া' নামৰ 'বিপ্লৱী' সংগঠনটোৰ 'অধিনায়ক' ডেকাজনৰ প্ৰতি তাইৰ এক অহেতুকী, নিষ্পাপ প্ৰীতি গঢ় লৈ উঠিল। 'উত্তৰ কাল'ৰ বাবে এক সুন্দৰ 'বসুন্ধৰা'ৰ 'সপোন' দেখা সেই ডেকা সংগ্ৰামীজনৰ উদাত্ত ভাষণে তাইক মুগ্ধ কৰিলে। তেওঁৰ মতে 'সূৰ্য তেজৰ অন্য নাম' হেনো। তাইৰ 'মন প্ৰজাপতি' উৰা মাৰিলে 'পূবেৰুণ'ৰ সন্ধান বিচাৰি। 'নিয়তি' য়ে নীৰৱে হাঁহিছিল। সেই কথাটোকে লৈ 'পিতা-পুত্ৰ'ৰ মাজতো 'যুঁজ'ৰ 'সূত্ৰপাত' হ'ল। নিজকে 'সৰবজান' বুলি 'অহংকাৰ' কৰি ফুৰা গিৰীয়েকৰ কথা কাতত 'লটি-ঘটি' হৈ তাই ইয়াৰ 'পৰিণাম' ভোগ কৰাৰ উপৰি তাইৰ 'নয়নমণি' সদৃশ 'ভাইটি' হঁতৰ 'মৰম-তৃষ্ণা'ৰ পৰাও বঞ্চিত হ'বলগীয়া হ'ল। 'বনানী'ৰ 'ৰঙা মদাৰ'ৰ পাহিবিলাক এটা এটাকৈ যেন সৰি পৰিল। 'পুৱতি নিশাৰ সপোন'ত তাই সদায়েই দেখিছিল 'মাক আৰু মৰম'ৰ পৰা বিচাৰিত হৈ 'মা' মাকে চিঞৰি ফুৰা তাইৰ 'ঋকন' হঁতক। তাইৰ 'প্ৰাণ-গংগা'ত তাই 'প্ৰভাতী পাখীৰ গান' আৰু 'এবাৰটিৰ সুৰ'ৰ স্পষ্ট 'প্ৰতিধ্বনি' শুনিবলৈ পাইছিল। 'ৰণাংগিনী' হৈ তাই ইয়াৰ 'প্ৰতিশোধ' লব বিচাৰিছিল 'সংগ্ৰাম'ৰ মাধ্যমেৰে। কিন্তু 'লুইটক বা ভেটিব কোনে?' এয়া যেন তাইৰ বাবে আছিল 'অগ্নিস্নান'। সমাজৰ স্বাৰ্থান্বেষী 'মানৱ আৰু দানৱ' বোৰৰ বাবে তাই ইয়াৰ কোনো মীমাংসা কৰিব নোৱাৰিলে। এয়া যেন তাইৰ বাবে 'বাঘ মানুহৰ খেলা'। সমাজৰ কু-চক্ৰান্তকাৰী 'কন বৰফুকন' হঁতৰ 'ইটো সিটো বহুতো' ছলাহী কথাত ভোল গৈ তাই 'মাটিৰ স্বৰ্গ' স্বৰূপ 'ওপজা সোণৰ মাটি' ভাৰত অৱশেষত হেৰুৱাবলগীয়া হ'ল। 'মধুছন্দা'ৰ ঠাইত 'নিজৰা'ৰ বালিছন্দাহে বুটলিলে তাই। 'এখন নেদেখা নদীৰ সিপাৰে' এয়া যেন তাইৰ জীৱনৰ 'সূৰ্য্যাস্ত'। ফলত তাই 'পাৰঘাত' বিচাৰি বিচাৰি 'তেজীমলা'ৰ দৰে 'নিশাৰ চকুলো' টুকিয়েই ক্ষান্ত

থাকিবলগীয়া হ'ল। শেষত এদিন 'চিৰাজ' চাইহে 'সৰাপাত' বুটলি লোৱাদি তাইক তুলি লৈ তাইৰ জীৱনলৈ 'নতুন আশা'ৰ ন 'সুৰুজ'ৰ 'ৰ'দ'ৰ বেঙনি কঢ়িয়াই আনিছিল। চোৱাচোন, ইমান দুখ-যন্ত্ৰণাৰ পিছতো ভাৰতীয় নাৰীৰ ধৰ্ম ৰক্ষা কৰি তাইৰ দোষাৰ বাবেহে যেন গিৰীয়েকৰ ফাঁচী হ'ব এনে ভাৱত 'আই কিন্তু হিম (চাব)' বুলি তাই সকলো দোষ মূৰ পাতি ল'ব খুজিছিল। দেখিলা, সতী 'জয়মতী' আৰু 'সতী বেউলা'ৰ দৰে 'অপৰাজেয়' হৈ থকা এয়া পতিব্ৰতা ভাৰতীয় নাৰী। পৰিবৰ্তিত জীৱন পৰিক্ৰমাত তাইৰো এদিন 'জোন জ্বলে কপালত'। কোনোবা এটি 'যুগান্তৰৰ তেজাল পুৱা' তাইৰো মণ 'ময়ূৰী' নাচি উঠিল 'গুন ঘুণ গানে গানে'। এটি 'মিঠা মিঠা লগণত' 'প্ৰিয়া অ' প্ৰিয়া' বুলি 'অগ্নিসাক্ষী' কৰি 'স্নেহ বন্ধন'ত বন্দী কৰিলে গাৱৰে ডেকা এজনে। যা হওক তাইৰ জীৱনৰ কলীয়া 'মেঘ'ৰ অৱশেষত 'মেঘমুক্তি' ঘটিল।

'ধুনীয়া তিৰোতাবোৰ'ৰ প্ৰতি সততে দুৰ্বল 'ৰতনলাল' বাবুৰ 'চামেলি মেমচাহাব'ৰ লগত থকা 'হিয়া দিয়া নিয়া'ৰ কথা তোমাক আৰু নতুনকৈ কোৱাৰ প্ৰয়োজন নাই নিশ্চয়। 'হৃদয়ৰ আবেঁ আবেঁ' 'যৌৱনে আমনি কৰে' তেওঁক সদায়। 'বুকুৰ মাজত জ্বলে' প্ৰেমৰ 'অনল'। কেৱল 'প্ৰেম আৰু প্ৰেম'। 'মনে মোৰ কইনা বিচাৰে' বুলি 'মৰম নদীৰ গাভৰু ঘাট'ত 'সাতোৰ' মেলিলে 'অগ্নিগড়'ৰ চূড়ত প্ৰেমৰ 'কৃষ্ণচূড়া' ৰোপণ কৰিবলৈ। 'প্ৰথম ৰাগিনী' তেই চঞ্চলা চাহ জনজাতীয় গাভৰু 'চামেলীৰ' মুখত 'অ-চেনাই' সম্বোধন শুনিয়েই বোধ হয় তেওঁ 'জীৱন সুৰভি' বিচাৰি পাইছিল।

'দেউতাৰ বিয়া'? ই যেন সুদৰ অতীত আছিল মাতৃহাৰা একমাত্ৰ পুত্ৰ 'শ্ৰীমান মাইমন'ৰ। এই বয়সতো দেউতাকৰ 'আছেনে কোনোবা হিয়াত'!! এতিয়াও দেউতাকে ক'ব পাৰনে 'কইনা মোৰ ধুনীয়া' বুলি!! মান-সন্মান, ঐশ্বৰ্য 'বৈভৱ' সকলো 'জলাঞ্জলি' দি অবৈধ প্ৰেমৰ 'নিষিদ্ধ নদী'ত স্নান কৰা দেউতাকক প্ৰকৃত অৰ্থলৈ 'প্ৰত্যাৱৰ্তন' কৰিবলৈ সি দেউতাকৰ বিৰুদ্ধে এদিন 'মহাৰথী' ৰূপে থিয় দিলে। কিন্তু 'নিশাৰ অৰণ্য' আৰু 'সাগৰলৈ বহু দূৰ' বুলি জানিও দেউতাকৰ 'মোহমুক্তি' নঘটিল, অথলে গ'ল তাৰ দুৰন্ত প্ৰচেষ্টা। সৌ সিদিনা দেউতাকে 'অজলা ককাই' 'ধৰ্মকাই'ৰ লগত 'ব্ৰেকমানি' ঘটিবলৈ 'ওপৰ মহলা' লৈ গৈছিল। কিন্তু হঠাতে 'বিস্ফোৰণ' ঘটিল। 'চিক্‌মিক্ বিজুলী'ৰ লগতে 'ধুমুহা' - 'বৃষ্টি' অহাত তেওঁলোকৰ 'অভিমান'ত 'বিভ্ৰাট' ঘটিল। 'যোগ বিয়োগ' কৰি দেখে যে 'উত্তৰ শূণ্য'। 'ভাগ্য বিধাতা' তেওঁলোকক প্ৰতাৰণা কৰিলে। 'ৰঙা পুলিচ' কেইজনে তেওঁলোকক হাতে লোটে ধৰি পেলালে। এতিয়া বোলে 'বিশেষ এৰাতি' তেওঁলোকক 'মণিৰাম দেৱান', পিয়লি ফুকন' আৰু 'কুশল'ৰ দৰে ফাঁচি কাঠত ওলোমাব। এই ঘটনাই বাইজৰ মাজত প্ৰচণ্ড 'কল্লোল'ৰ সৃষ্টি কৰিছে। চোৱাচোন, 'ঘৰ সংসাৰ' কৰাৰ দুৰন্ত নৌহঁতেই 'বুধু অৰ্জুন'ৰ 'এটি কলি দুটি পাত'ৰ দৰে কোমল নিৰ্মল প্ৰেমক নেওঁচা দিয়া চামেলিয়ে শিৰৰ 'সেন্দুৰ' কণো হেৰুৱাব লাগিব এতিয়া। যেন 'অভিশপ্ত প্ৰেম'ৰ সংস্কাৰ' হ'ল।

এইবাৰ ব'হাগৰ 'বৰদৈচিলা'ত ঘৰ দুৱাৰ আৰু 'প্ৰিয়জন'ক হেৰুৱাই 'পাহাৰী কন্যা' পাগলী হ'ল। 'গৰখীয়া ল'ৰাকেইটাই তাইক দেখিলে 'যখিনী' বুলি 'কোলাহল' কৰে। তায়ো 'চিএৰ' মাৰি খেদি যায়।

'হলধৰ' কাইৰ কথা তোমাৰ বাৰু মনত আছেনে? 'ৰঙানদী'ৰ বাঢ়নী 'পানী'য়ে প্ৰতিবছৰে বিস্তৰ ক্ষতি সাধন কৰি হাব পিছতো 'তথাপিও নদী' কেই জীৱন বুলি 'গ্ৰহণ' কৰা হলধৰ কাই এইবাৰ সৰ্বস্বান্ত হ'ল। মাছৰ বাৰসায় বাদ দি সি এতিয়া 'বিপ্লাবালা'। বিপ্লাৰ্থনকে জীৱনৰ 'সাৰথি' কৰি উপাৰ্জন কৰা সীমিত আয়েৰে সি পাৰ্যমানে ঘৰখন চলাই নিয়াৰ লগতে ঘৈণীয়েক 'উৰ্বশী' আৰু জীয়েক 'শেৱালী'ৰ মান 'অভিমান' ভাঙিবলৈও চেষ্টাৰ ক্ৰটি কৰা নাই। বুজিছা, এয়াই সিহঁতৰ 'মৃত্যুহীণ জীৱণ' 'এয়ে জোনাক বিহীন জীৱন'। পদে পদে ইহঁতৰ 'সংঘাত-সংঘাত-সংঘাত'। এনেদৰেই সিহঁতবোৰ মৰি মৰি জীয়াই থাকিব। সিহঁত 'অদাহ্য'। এয়াই সিহঁতৰ প্ৰকৃত জীৱন সংগ্ৰাম জীৱনৰ 'আৱৰ্তন'।

'দীনবন্ধু' মহাজনৰ কথা শুনিছানে নাই? সেইজন 'ধন কুবেৰৰ ধন'ৰ 'মায়া'ত পৰি এদিন 'উজনিৰ দুজনী গাভৰু'ৰ 'মনত বিৰিণাৰ জুই' জ্বলিলে। 'সোণৰ খাৰু নালাগে মোক' 'অনুৰাগ' ব্যক্ত কৰিলে। কিন্তু গেজেটনী বাই 'শ্ৰীমতী মহিমাময়ী'ৰ মুখৰ পৰা ঘৈণীয়েক 'কাদম্বৰী'য়ে সকলো গম পাই পুতেক 'ৰংমন'ৰ সহায়ত মহাজনৰ চক্ৰান্তৰ 'চক্ৰব্যুহ'ৰ পৰা কোনোমতে 'দাগ' নপৰাকৈ উদ্ধাৰ কৰিলে গাভৰু দুজনীক। 'লাজ' অপমানত জৰ্জৰিত হৈ অৱশেষত ধন-সম্পত্তিৰ 'হেপাঁহ' 'ত্যাগ' কৰি আৰম্ভ কৰিলে ধৰ্ম চৰ্চাৰ 'এক অন্তহীন যাত্ৰা'। গাভৰু দুগৰাকীকো দিলে জীয়েকৰ মৰ্যাদা। আগৰ 'ধং' সম্পূৰ্ণৰূপে সলাই মনৰ 'দুৱাৰ' খুলি মহাজন হৈ পৰিল 'জুয়ে পোৰা সোণ'। গাভৰু দুগৰাকীয়েও আমাৰ আই নাথাকিলে কি হ'ল— 'আই ক'ত, নাই" বুলি মাকক সেৱা কৰি 'দেউতা দিয়া বিদায়' বুলি দেউতাককো সেৱা জনাই গুচি গ'ল। 'জীৱন নদীৰ দুটি পাৰ'ৰ ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি আৰম্ভ কৰিলে 'অন্য এক যাত্ৰা'। পুতেকেও 'মা তুমি অনন্যা বুলি দেউতাকৰ সৎপথলৈ ঘূৰাই অনাৰ বাবে অভিনন্দন জনালে।

বহুত লিখিলো তুমি চাগে আমনিয়েই পাইছা। শেষত 'আকাশী' তৰাৰ কথাৰে' সামৰিব খুজিছোঁ। 'চুবেণ চোৰৰ পুতেক' 'জোনদা ইমান গুণ্ডা' বুলি আগতে জনা নাছিলো। সৌ সিদিনা স্থানীয় সংঘ এটিৰ উদ্যোগত অনুষ্ঠিত হোৱা 'কদম তলে কৃষ্ণ নাচে' ভাওনাত 'নীলকণ্ঠ' দাইটিয়ে কংসৰ ভাও লৈছিল। ভাওনা চলি থকাৰ সুযোগতে 'নায়ক'ৰ ভাও লোৱা জোন দাই 'অ মোৰ মনে তৰা', ব'ল আমি দুয়ো পলাই যাওঁ বুলি দাইটিৰ জীয়েক আকাশী 'তৰা' 'আইদেউ'ক পলুৱাই নিয়াৰ পাং পাতিলে। তায়ো 'চেনাই মোৰ চুলীয়া', 'তুমি মোৰ মাথো মোৰ' বুলি 'জীৱন বাটৰ লগৰী' হ'ল। কিছুদিন 'অঘৰী অত্মা'ৰ দৰে অনাই-বনাই ঘূৰি ফুৰি 'জীৱন তৃষণা' পূৰ হ'লত ঘৰৰ সন্তান ঘৰলৈ ঘূৰি আহিল। চোৰৰ 'বংশধৰ' বুলি জানি দাইটিয়ে প্ৰথমতে আপত্তি কৰিছিল যদিও দাইটিৰ বৃদ্ধ দেউতাকে তাক আকোঁৱালি লোৱাত সি বৰ্তমানে 'ককা দেউতাৰ ঘৰ জোৱাই' হৈ আছে।

'শকুন্তলা আৰু শংকৰ জোচেফ আলি'ৰ বিয়াখন অৱশেষত হ'ল। 'তুমিয়ে মোৰ কল্পনা'ৰ বুলি সৰ্বস্ব সপি দিয়া 'ৰূপহী' 'শকুন্তলা'ই অৱশেষত প্ৰেমৰ 'প্ৰতিদান' পালে। কিন্তু 'শেষ উপহাৰ' লাভ কৰিও বোলে তাইৰ সন্দেহ দূৰ হোৱা নাই। মাজে মাজে এক 'অবুজ বেদনা'ত ভাৰাক্ৰান্ত হৈ পৰে তাইৰ 'মনটু কিজানিবা 'হালধীয়া চৰায়ে বাওঁধান খায়' উৰি গুচি যায়।

বাৰু সেইবোৰ বাদ দিয়া। 'সোণমা' আৰু 'সৰুবোৱাৰী' 'মমতা'ৰ খবৰ কি? 'সোণমইনা'ক মোৰ চুমা দিবা। সিহঁতৰ অন্তৰত 'স্মৃতিৰ পৰশ' জগাই তুলি 'ভক্ত প্ৰ াদ'ৰ দৰে ঈশ্বৰ বিশ্বাসী হ'বলৈ দিবা। 'বাৰুদ'ৰ ক'লা ধোঁৱাই যাতে সিহঁতৰ জীৱনকাল ধূৱলি 'কুঁৱলি' কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিবা। 'অৰণ্য'ৰ 'বনৰীয়া ফুল' আৰু 'সোণৰ হৰিণ' দেখি সিহঁতক ভোল যাবলৈ নিদিবা। 'নিমিলা অংক'বোৰ বাবে বাবে বুজাই দিয়াৰ উপৰিও গ্ৰহ 'উপগ্ৰহ' আদিৰ বিষয়েও অধ্যয়ন কৰিবলৈ দিবা। 'বনহংস' জনী হৈ নিজৰ দেশখনৰ ইমূৰ সিমূৰ পৰিভ্ৰমণ কৰি মানুহৰ জীৱন যাত্ৰাৰ 'ইতিহাস' জানিবলৈ দিবা। 'বেলৰ আলিৰ দুবৰি বন'ৰ 'ইন্দ্ৰমালতী' আৰু ৰাতিৰ 'ৰজনী গন্ধা'ৰ সুবাস ল'বলৈ গৈ যাতে সিহঁতে প্ৰকৃত পথৰ পৰিবৰ্তে 'উপপথ'ত 'খোজ' দিবলগীয়া নহয় তাৰ প্ৰতি চোকা 'দৃষ্টি' দিবা। সিহঁতক সদা সতৰ্ক হৈ থাকিবলৈ দিবা। কাৰণ, প্ৰতিটো গ্ৰহৰেই এতিয়া 'অশান্ত গ্ৰহৰ'। অ' তোমালোকৰ 'আজলী নবৌ' 'তৰামাই'ৰ কথা পাহৰিছিলোৱেই। সেই 'বাংচালী' 'অপৰূপা' 'লোৱাৰী' জনীক 'আশ্ৰয়' দি ভালেই কৰিলো। ভণ্টি 'মইনাজান' আৰু 'ললিতা' ই মই শিকোৱা 'অহিৰ ভৈৰৱ', 'সন্ধ্যাৰাগ', 'অন্তৰাগ' আদি গাব পৰা হ'লনে? 'ৰাগ-বিৰাগ' সম্পৰ্কে খবচি মাৰি অধ্যয়ন কৰাৰ লগতে বিভিন্ন শিল্পীৰ 'চিনাকি-অচিনাকি', 'প্ৰেমগীত' আৰু 'হৃদয় কঁপোৱা গান' বোৰো সিহঁতক গাবলৈ দিবা।

তুমিতো জানাই ঠুনুকা 'কাঁচ ঘৰ'ৰ দৰে অস্থায়ী আমাৰ এই মানৱ জীৱন। এই ক্ষণস্থায়ী মানৱ জীৱনটো বান্ধি ৰাখিছে মাথোন এডাল 'এনাজৰী'য়ে। সেই 'বান্ধোন' চিঙিব লাগিলে আমাৰ এই "কেচা সোণ' যেন জীৱন 'চাকনৈয়া'ত পৰিব। এইখন 'শ্ৰীমন্ত শংকৰদেৱ' 'আজান ফকীৰ চাহেব'ৰ দেশ। কোনোবাই যদি আমাৰ এই সাতামপুৰুষীয়া 'ভাই ভাই' সম্বন্ধৰ মাজত বিভেদৰ সৃষ্টি কৰিব বিচাৰে, তাক যৎপৰোনাস্তি বাধা দিবা। চেষ্টা কৰা তোমাৰ 'জীৱন জেউতী' যেন 'মুকুতা' হৈ 'ধ্ৰুৱতৰা'ৰ দৰে যাতে জিলিকি থাকে।

আমাৰ ঘৰ'ৰ আটাইৰে বৰ্তমান ভাল। 'ককাদেউতা নাতি আৰু হাতী লৈ ব্যস্ত। হাতীজনীৰ এটি পোৱালি জগিছে— নাম ৰাখিছে 'গণেশ'। কণমানী 'মনোমতী', 'ৰূণুমী', 'পোণাকণ'হঁতে সিদিনা তোমাৰ মুখৰ পৰা 'ৰজা হৰিশ্চন্দ্ৰ', 'নৰকাসুৰ', 'শ্ৰীশ্ৰী মা কামাখ্যা', 'তুলা আৰু তেজা', 'জাতিংগা', ইত্যাদি ৰ কাহিনী শুনি বৰ ভাল পালে জানা। 'জুমুন সুমনে' তোমালৈ আগ্ৰহেৰে বাট চাই আছে। তাৰো 'পলে পলে উৰে মন'— তোমাৰ কাৰণে। এইবাৰ বোলে তুমি 'কণকলতা', আৰু 'কাজিৰঙাৰ কাহিনী' শুনাব লাগিব। অ' এটি ভাল খবৰ আছে— 'সমীৰণ বৰুৱা আহি আছে' আৰু 'মাঘত মামণিৰ বিয়া'। 'তোমাৰ খবৰ' লৈছে। বিয়ালৈ আহিব লাগিব কিন্তু।

আৰুনো কি লিখিম? 'মি এণ্ড মাই চিষ্টাৰ'— 'মমতাজ' আটাইৰে ভাল। 'বিচাং' নামৰ পাহাৰীয়া ল'ৰাটো যে পাইছিলা তাৰো ভাল। তাৰ হেনো 'আকাশ চুবলৈ মন'। 'ফাগুনী' পেহীলৈ মোৰ সেৱা জনালোঁ। 'জেতুকী' বায়ে আকৌ আগৰ দৰে নাম গুণ গাই ফুৰেনে বাৰু?

সদৌ শেষত 'পলাশৰ ৰঙ'ৰ ৰশ্মিৰেখাই 'জেতুকা পাতৰ দৰে' আৰু ৰামধেনুৰ' সাতোৰঙেৰে ৰঙীণ হোৱাৰ তোমাৰ জীৱনটো কামনাৰে 'হিয়াৰ দাপোনত তোমাৰেই ছবি' আমি আৰু অনতি পলমে চিঠিৰ উত্তৰ বিচাৰি আজিলৈ এৰিছো— পুনৰ লিখিম। 'তুমি যদি কোৱা'।

'এই মৰম তোমাৰ বাবে'।

ইতি— 'ৰাজা'

বিঃদ্ৰঃ 'জয়মতী'ৰ পৰা 'মমতাজ'লৈ এতিয়ালৈকে মুক্তি লাভ কৰা অসমীয়া বোলছবিসমূহৰ নামহে ইয়াত অন্তৰ্ভূক্ত কৰা হৈছে।)

# এটা ৰিচিভ কল

ত্ৰিবেণী কলিতা
উচ্চতৰ মাধ্যমিক
প্ৰথম বৰ্ষ

ক্ৰিং ক্ৰিং, অবিৰাম দুই মিনিটমান ফোনটো বাজি থাকিল।

হেল্প', "কোনে ক'লে?

"ৰুবি নেকি?" কি খবৰ? সেইফালৰ পৰা পুৰুষৰ কণ্ঠই নিগৰি আহি ৰুবিৰ কাণত পৰিল।

"কোনে কৈছে? "ৰুবিয়ে সুধিলে।

"মই, মোক চিনি পোৱা নাই নেকি?"

ৰুবিৰ অত্যন্ত খং উঠিল। তাই কৰ্কশ মাতেৰেই সুধিলে "কোন? কাক লাগে?"

কিয় মোৰ মাততো চিনি নোপোৱা হ'লানে?

এইবাৰ ৰুবিৰ খং চুলিৰ আগ পালেগৈ। ইমানকৈ আমনি কৰিছে কিয়? নাম ক'ব যদি ভয়ে কৰে ফোন কিয় কৰিছে? নিজে ফোন কৰি আকৌ নামটোও ক'ব ভয় কৰিছে।

খঙতে তাই ফোনটো খেকেচা মাৰি থৈ দিলে। ফোনটো থৈ তাই মুখতে ভোৰভোৰাই থাকিল। এই যে আজি কালিৰ মানুহবোৰে ফোনবোৰ ল'ব হয় কিন্তু তাক সংব্যৱহাৰ কৰিব নাজানে। যতে যিহকে পায় নম্বৰবোৰ মাৰিব আৰু দাত চেলাই থাকিব। তাই ভোৰ ভোৰাই থাকোতে তাইৰ ৰোমমেট সীমা আহি পালে।

কি হ'ল অ এইজনীৰ, সীমাই সুধিলে। বলিয়া হ'লি নেকি?

ৰুবিৰ এনেয়ে খং উঠি আছিল তাতে আকৌ সীমাই জ্বলা জুইত ঘিউ ঢালিলে। তাই ক'লে, অ' বলিয়া হৈছো, তোকনো কেলেই?



সীমাই এইবাৰ ভাবিলে, নিশ্চয় ৰুবিৰ কিবা এটা হৈছে, নহ'লে তাই এনেকুৱা ব্যৱহাৰ কেতিয়াও নকৰে। সীমাই অলপ গহীনভাৱে শুধিলে, "কি হ'ল তোৰ" এনেদৰে কাক বলকি আছ' কোনোবাই কিবা ক'লে নেকি?

তেতিয়া ৰুবিয়ে তাইৰ ফোনত হোৱা কথোপকথনৰ বিষয়ে সীমাক ক'লে। ৰুবি হ'ল প্ৰশান্ত বৰুৱাৰ একমাত্ৰ [illegible] জী। 'ৰাজনীতি বিজ্ঞান বিভাগ' পঢ়িবলৈ ডিব্ৰুগড় কলেজলৈ আহিছে। তাতে তাই সীমাৰ সৈতে একেলগে হোষ্টেলত থাকে। সীমা হ'ল ৰুবিৰ ৰোমমেট। আজি কেইদিনমানৰ পৰা [illegible] ৰুবিক ফোনত কোনোবাই বৰকৈ আমনি কৰি আছে। দিনে ৰাতি ফোনৰ ওপৰত [illegible] অথচ তেওঁৰ নামটো নকয়। নাম সুধিলে ফোন কাটি দিয়ে। তাইৰ এইফালে পৰীক্ষা ও [illegible] আছে।

ক্ৰিং ক্ৰিং, আকৌ ৰুবিৰ ফোন বাজি উঠিল। তাই এইবাৰ ফোনটো ৰিচিভ কৰিবা নাছিল কিন্তু সীমাই বৰকৈ ধৰা কাৰণেহে ফোনটো ৰিচিভ কৰিলে।



হেল্প' সেই একেটাই মাত।

একেদৰে কথা কই আছে অথচ নামটোহে কোৱা নাই। এইবাৰ কিন্তু ৰুবি অলপ আচৰিত হ'ল, ব'ৰাজনে তাইৰসকলো কথা জানে। তাইৰ দেউতাকৰ নাম, ঘৰ ক'ত, সকলো কথা। তাই ইয়ালৈ কিয় আহিছে, কি বিভাগত তাই পঢ়ি আছে সকলো আনে।

তেতিয়া ৰুবিয়ে অলপ শান্তি ভাৱত ক'লে, আপুনি মোৰ ইমান কথা কেনেকৈ জানে, আপুনি বাৰু কোনে কৈ আছে? Please মোক নামটো কওঁক। ল'ৰাজনে আকৌ ক'লে, "কিয়!" ইমান সোনকালে মোক পাহৰিলা নে? আমি দুটাই যে!" আকৌ ফোনটো কাটি দিলে।

ৰুবিয়ে এইবাৰ ফোনটো হাতত লৈয়ে থৰ লাগিল। সীমাই সুধিলে, অই তোৰ আকৌ কি হ'ল? ল'ৰাজনে কি ক'লে? তেতিয়া ৰুবিয়ে লাহে লাগে ক'লে,

"আমি দুটাই যে"!

সীমাই একো বুজি নাপালে, কি আমি দুটাই যে! ৰুবিয়ে ক'লে, জানা সীমা ল'ৰাজনে মোৰ সকলো কথা জানে। মোৰ ঘৰ ক'ত, মোৰ দেউতাৰ নাম....।

সীমাই ক'লে, "সচাই ৰুবি কথাটো অলপ ভাবিবলগীয়া। কোনোবাই এজন অচিনাকি ল'ৰাই তোৰ ইমানবোৰ কথা কেনেকৈ জানে? এইবাৰ দুয়োটাই কথাটো অলপ চিৰিয়েছ ভাৱত ল'লে। সীমাই অলপ স্ফুৰ্তিভাৱত ক'লে, "তোৰে চাগে কোনোবা নতুন প্ৰেমিক ওলাল ৰুবি। কথাটো শুনি ৰুবীয়ে সীমাৰ কালে টেলেকাকৈ চালে। সীমাই অলপ ভয় ভাব দেখুৱাই তলমুৰ হৈ ৰ'ল।

ৰুবিয়ে এইবাৰ দেউতাকক ফোন কৰিলে হেল্প' পাপা।

অ' মাজনী কোৱা কি হ'ল তোমাৰ কিবা দৰকাৰ আছিল নেকি? নে পইচা লাগিছিল। দেউতাকে ৰুবিক প্ৰশ্নৰ ওপৰত প্ৰশ্ন কৰি আছিল। আচলতে দেউতাকে জানিছিল যে তাইক কোনোবা ল'ৰাই ফোন কৰি আমনি কৰি আছে। ৰুবিয়ে দেউতাকক ক'লে, "নহয় মানে পাপা, মোৰ পইচাৰ দৰকাৰ হোৱা নাই।" মই এটা বেলেগ কথাতহে তোমাক ফোন কৰিছো। তাইৰ অলপ ভয়ো লাগিল। তাই ক'লে, মানে আজিকেইদিনমানৰ পৰা মোক এজন ল'ৰাই বৰ আমনি কৰি আছে। তাৰ নামটোও মোক নকয় অথচ সি মোৰ সকলো কথা জানে। মোৰ ঘৰ ক'ত, তোমাৰ নাম সকলো।

কথাষাৰ শুনি দেউতাকে খুব জোৰেৰে হাঁহিলে। ৰুবি তেতিয়া আচৰিত হ'ল। তাইৰ ভীষণ খং উঠিল। তাই ভাবিছিল, কথাষাৰ শুনি দেউতাকৰ খংহে উঠিব, কিন্তু কথাটো ওলোটা হ'ল দেউতাকে কথাটো শুনি বেচ ৰস পালে। তাই খংঙতে ফোনটো কাটি দিলে। আৰু ক'বলৈ ধৰিলে, পাপা যে কি নহয়, মোক কোনোবাই আমনি কৰিছে অথচ পাপাৰ হাঁহিহে উঠিছে। দেউতাকৰ কথা শুনি কিন্তু সীমাও অলপ আচৰিত হ'ল। তাই ভাবিলে, প্ৰশান্ত বৰুৱাৰ একমাত্ৰ ছোৱালীক ফোনেৰে কোনোবাই কৰি আছে অথচ তেওঁ হাঁহিছে। তেওঁ কথাটো ভবাই নাই কিয়?

খুবাকে দিল্লীলৈ তাক পঢ়ুৱাবলৈ লৈ গৈছিল সি দিল্লীত মাষ্টৰ ডিগ্ৰী পাচ কৰি আজি ১২ বছৰ পিছত আকৌ আহি তাৰ নিজৰ ঘৰ পালেহি। ১২ বছৰ আগতে শুনা মাতটো আৰু আজি ১২ বছৰ পিছত শুনা মাতটোৰ কিমান পাৰ্থক্য আছিল।

সীমাই ক'লে, তেনেহ'লে ঠিক আছে দে পৰীক্ষা দি মইও এইবাৰ তহঁতৰ ঘৰলৈ যাম তোৰ সেই ৮ বছৰীয়া বন্ধু নবীনৰ লগত চিনাকী হ'বলৈ। এইবুলি কৈ দুয়ো পঢ়া টেবুলত বহিল। ❑

# এজনী ছোৱালী

মিনাক্ষী কলিতা
পঞ্চম যান্মাসিক

ৰাতিপুৱাৰ কামখিনি কৰি শেষ কৰিলোঁ। গা ধুই কলেজলৈ বুলি ওলাই গ'লো। অল গৈয়ে দেখিলো ৰাস্তাৰ দাঁতিত এজাক মানুহ.... ময়ো মানুহজাকৰ ফালে আগবাঢ়িলো। মানুহবোৰে কেইবাটাও জুম হৈ কিবা কিবি আলোচনা কৰি আছে। মই মানুহৰ জুম এটাৰ ফালে গৈ উৎসটো বিচাৰিলো। মই গৈ যি দেখিলো মোৰ বুকুখনে হাহাকাৰ কৰি উঠিল এয়া কি? বৰ্তমান মানুহৰ মূল্য কিমান? চকুৰে বাট নেদেখা হৈ পৰিলো। পিছুৰাই আ কলেজলৈ বুলি গাড়ীত উঠিলো।

কলেজ পোৱাৰ পিছতো মোৰ মনটো খুব বেয়া লাগিয়ে থাকিল। ৰাস্তাত দেখি অ ঘটনাটোৰ কথাই মনত জুমুৰি দি ধৰিলে। কলেজলৈ অহা-যোৱা কৰোতেই হওক বা বজা কৰিব আহোতেই হওঁক সদায় মই তাইক ৰাস্তাৰ কাষৰ জাবৰৰ দমটোৰ ওচৰত বহি থকা দেখিছিলো। তাইক দেখিলে সৰু ল'ৰা ছোৱালীবোৰৰ পৰা বুঢ়ালৈ সকলোপে যেন জোকাই ৰং পায়। তাইক হাতৰ পুতলাৰ দৰে নচুৱাই সকলোৱে আনন্দ উপভোগ কৰে। ফটা, ছিটা লেটেৰা কাপোৰ পিন্ধি থকা মানসিক বিকাৰগ্ৰস্ত গৰাকীক দেখিলে সকলোৱে ধৰ, ধৰ মাৰ, মাৰ গৈ চিঞৰে। কিন্তু কোনোও তাইক এক মুহূৰ্তৰ বাবেও ভাল চকুৰে চোৱা নাই। তাইৰ অন্তৰত থকা বিষাদৰ কথা কোনেও উপলব্ধি কৰা নাই। সকলোৰে বাবে তাই হৈ পৰিছে লাঞ্ছনা, গঞ্জনা, প্ৰবঞ্চনা, প্ৰতাৰণাৰ বলি। মহানগৰী যান্ত্ৰিকতাৰ মাজতো তাই হৈ পৰিছে চালক বিহীন এখন গাড়ী।



তাই আছিল হেনো এজনী ৰূপহী, চঞ্চলা গাভৰু ছোৱালী। তাইৰ মাকৰ মৃত্যুৰ পিছ দেউতাকে দ্বিতীয় বিবাহ কৰাই যদিও মাকৰ মৰম আৰু মাহীমাকৰ দৰদৰ মাজত আকা পাতাল পাৰ্থক্য হ'ল। মাহীমাকৰ অত্যাচাৰ দিনে দিনে বাঢ়ি যোৱাৰ ফলত তাই অসহায় হৈ পৰিল আৰু ঘৰ ত্যাগৰ সিদ্ধান্ত ল'লে। তাই উদ্দেশ্যবিহীন, সংগীবিহীন যাত্ৰাত আকা বতাহ আৰু নিজৰ ছাটোকে সংগী কৰি ওলাই আহিল। তেনেকৈয়ে তাই আগবাঢ়িল যা পথলৈ। জোনাকৰ মাজতো আন্ধাৰে আৱৰা এটি ক্ষণত তাইৰ জীৱনলৈ নামি আহিল এটি অমানিশা। তাইৰ জিৱণিৰ সুযোগ লৈ বাস্তৱতাপূৰ্ণ মহানগীৰৰ উদাত্ত যুৱকৰ চিকাৰ হ'ল তাই অসহায় হৈ চিঞৰিব ধৰিলে.... Help me::

এনেকৈয়ে কিছুদিন মানুহৰূপী দানৱৰ অত্যাচাৰত তাই লাহে লাগে মানসিক ভাৰসাম্য হেৰুৱাই পেলালে। তাইৰ স্বাস্থ্যৰ অৱনতি ঘটিল। ঢল বাৰিষাৰ বৰষুণৰ দৰে চঞ্চলা ছোৱালী জনীৰ মানসিক মৃত্যু হ'ল। পূৰ্ণিমাৰ জোনটোৰ দৰে উজ্বল মুখখনি সেতা পৰিল। মানসিক বিকাৰগ্ৰস্ত হ'ল। তাই পাগলী হ'ল....

ৰাস্তাৰ কাষত থকা মানুহৰ জুমটোৰ কথা-বতৰাৰ পৰা মই জানিব পাৰিলো যে আগ ৰাতি তাই ৰাস্তাৰ কাষেৰে খোজকাঢ়ি গৈ থাকোতে প্ৰচণ্ড জোৰেৰে আহি থকা মা এখনৰ খুণ্ডাত তাই দূৰত চিটিকি পৰে আৰু লগে লগে তাইৰ মৃত্যু হয়। মনত বহু প্ৰ ভুমুকি মাৰে। তাইৰ মৃত্যুৰ বাবে প্ৰকৃততে দায়ী কোন? মাহীমাক নে? নেই উদণ্ডবোৰ মাৰুতিখন নে? চকুমুদি চাই থকা আমিবোৰ?❑





# সহানুভূতি নে স্বাৰ্থপৰতা

অপৰাজিতা দাস
দ্বিতীয় যান্মাসিক
কলা শাখা

মহাবিদ্যালয় সপ্তাহৰ
গল্প প্ৰতিযোগিতাত
প্ৰথম পুৰস্কাৰ
প্ৰাপ্ত গল্প।

হঠাতে কিবা এটা পৰাৰ শব্দত খক্ মক্কৈ সাৰ পাই উঠিল অবিনাশ। সি চাৰিওফালে চাই পঠিয়ালে। ৰাতি পুৱাইছে। একেজাপে উঠি গৈ সি পূৱফালৰ খিৰিকীখন খুলি দিলে। এচেৰেঙা ৰঙা ৰ'দ তাৰ কোঠালৈ সোমাই আহিল। দুৱাৰখন খুলি সি বাহিৰলৈ ওলাই আহিল। চোতালখন সেমেকি আছে। যোৱা নিশা বোধ হয় বৰষুণ দিছিল। ৰাতিপুৱাৰ মৃদু সমীৰণ জাকে তাক মৃদুভাৱে কোবাই গ'ল। হঠাতে তাৰ চকু পৰিল চোতালৰ কাষতে পৰি থকা এটি তামোলৰ ঢকুৱালৈ। অ' এইটো পৰাৰ শব্দতহে সি চক্ খাই সাৰ পাই উঠিছিল। পেটে পেটে তাৰ বৰ হাঁহি উঠিল। লাজো লাগিল। ইমান অলপ ধতুৱা নে সি? ঢকুবাটো আঁতৰাই থৈ সি ঘৰৰ ভিতৰলৈ সোমাই আহিল। মুখখন ধুই সি পুণৰ বাহিৰলৈ ওলাই আহিল। এক পাহৰিব নোৱাৰা সৌন্দৰ্য্য বিৰৱলৈ উদীয়মান ভাস্কৰৰ প্ৰথম কিৰণ জালিয়ে ধৰাৰ বুকুত সিঁচি দিছে অফুৰন্ত পোহৰ জিলিঙনি। মনটো তাৰ বৰ ফৰকাল লাগিল।

"আৰে অবিনাশ। ৰাতিপুৱাই পুৱাই কিহৰ গৱেষণা কৰিছ"— অবিনাশক দেখি চাইকেলৰ পৰা আমি নামি বিজিতে মাত লগালে।

"আৰে বিজিত! ইমান ৰাতিপুৱাই যে!" বিজিতৰ মাতত উভটি চাই অবিনাশে সুধিলে।

"তোৰ খবৰ? কিনো বেয়া খবৰ? ক চোন ক বেগতে"— উদগ্ৰীৱ হৈ অৱিনাশে পুনৰ সুধিলে।

"যোৱা নিশা ভিডিত চিপজৰী লৈ পল্লৱ ঢুকাল"— ভগ্ন স্বৰেৰে বিজিতে ক'লে।

"কি? তই কি কৈছ, এইবোৰ? যোৱা মাহত তাৰ বিয়া খাইছিলোহে মাত'— অবিনাশৰ কথাত আশ্চৰ্যৰ সুৰ।

'জানো কি হ'ল? সিহঁত দুটাৰ মাজত কিবা লাগিবও পাৰে'— এক গভীৰ মৰ্মদাহী হুমুনিয়াই বিজিতৰ হৃদয়ৰ পাৰ ভাঙি নিৰ্গত হ'ল কোনোবা সংবেদনশীল হৃদয়ৰ অনুকম্পা বিচাৰি।

অবিনাশ, বিজিত আৰু পল্লৱ তিনিও অভিন্ন হৃদয় বন্ধু। এনে কোনো চিনেমা থিয়েটাৰ নাই, মেল মিটিঙ নাই— য'ত এই 'ত্ৰিমূৰ্ত্তি' একেলগে নাই। মালা নামৰ ছোৱালী এজনীৰ লগত পল্লৱৰ হিয়া দিয়া-নিয়া আছিল। দাৰিদ্ৰই কোঙা কৰি পেলোৱা এটি সাধাৰণ পৰিয়ালৰ ছোৱালী আছিল মালা। যোৱা মাহত ঘৰৰ অমতত সি মালাক বিয়া কৰাইছিল। আভিজাত্যৰ গৌৰৱেৰে গৰ্বী তাৰ পিতৃ মাতৃয়ে এই বিয়া মানি নলৈ সিহঁতক ঘৰৰ পিতৃ-মাতৃয়ে এই বিয়া মানি নলৈ সিহঁতক ঘৰৰ পৰা উলিয়াই দিলে আৰু তেতিয়াৰে পৰা সি মালাক লৈ ঘৰৰ পৰা আঁতৰত সৰু ভাৰাঘৰ এটা লৈ থাকিবলৈ লৈছিল।

'ঐ অবিনাশ, থৰ লাগিলি দেখোন। ব'ল খবৰ এটা কৰি আহো। মালাজনীৰ ছাগে কি অৱস্থা হৈছে'— বিজিতৰ মাততহে সি বাস্তৱলৈ উভতি আহিল। হুমুনিয়াহ এটা কাঢ়ি সি ক'লে— হু! ব'ল।' ল'ৰালৰিকৈ সি কাপোৰযোৰ পিন্ধি ল'লে আৰু চাইকেলখন চোতালত থৈ দুয়ো বন্ধুৱে খোজকাঢ়ি পল্লৱৰ ঘৰলৈ বুলি ৰাওনা হ'ল পল্লৱৰ ঘৰটো যথেষ্ট আতঁৰত। ওখোৰা মোখোৰা পাহাৰীয়া ঠাই। তাতে আকৌ যোৱা নিশাৰ বৰষুণে ৰাস্তাটো বোকাময় কৰি তুলিছে অনেক দূৰ বাটকুৰি বাই যোৱাৰ পিছত সিহঁত এডোখৰ সমান ঠাইত উপস্থিত হ'ল। ৰ'দটো চোকা হৈ আহিছে। গৰমত সিহঁত একেবাৰে ঘামি জামি পৰিল।

'সৌটো পল্লৱৰ ঘৰ'— ভাগৰত ক্লান্ত হৈ বিজিতে ক'লে। অবিনাশে সি আঙুলিয়াই দিয়াৰ পিনে চালে। কিন্তু এয়া কি দেখিছে সি? ভৰা কলহ এটি লৈ মহিলা এগৰাকী খৰ

ধৰকৈ বিজিতে দেখুৱাই দিয়া ঘৰটোলৈ সোমাই গ'ল। কপালত তাইৰ জিলিকি আছিল সদ্য প্ৰস্ফুটিত গোলাপৰ দৰে দগ্‌মগীয়া সেন্দুৰৰ ফোঁটটি।

'ঐ বিজিত, চা চোন চা! কপালত দগ্‌মগকৈ জ্বলি থকা সেন্দুৰৰ ফোঁটটিৰে সৈতে সেইজনী মালা নহয়নে?'

'এৰা, হয়তো আকৌ, সেয়া মালাই হয়।' মিছাতে কষ্ট কৰি ইমান দূৰ বাটকুৰি বাই আহিলো অ'। পল্লৱ কৰা নাই ভাই!! ইমান গৰমত এনেয়ে ইমান কষ্ট খালো। ছেঃ প্ৰচণ্ড আক্ষেপেৰে বিজিতে ক'লে। বিজিতৰ কথাত অবাক হৈ অবিনাশে তাৰ মুখলৈ চাই চাকিল। সি এইবিলাক কৈছে কি? পল্লৱ মৰা নাই— এইটো আনন্দৰহে কথা। তাৰমানে আমি ইমান দূৰ কষ্ট কৰি আহি পল্লৱৰ ওলমি থকা নিঠৰ দেহটো দেখা পালেহে আমাৰ কষ্ট সাৰ্থক হ'লহেঁতেন নেকি? পল্লৱ জীয়াই থকাৰ আনন্দতকৈ আমাৰ কষ্টখিনি বেদনাদায়ক হ'ব পাৰেহেন বাৰু? মানুহ জানো ইমান স্বাৰ্থপৰ হ'ব পাৰে? এনেকুৱা অলেখ প্ৰশ্নই অবিনাশক জুমুৰি দি ধৰিলে। ❑

## Do You Know

Dikshita Borah
H.S. 2nd year

1. Kolkata is called "The city of palaces".
2. A Human cell contains 23 chromosomes
3. The battle of Mahabharat war fought for 18 days
4. A human eye blinks 6 times in one minute.
5. Blood of a cockroach is colourless.
6. Panini was a famous scholar of Grammar
7. The 1st news paper Published in India was Bengal Gazette.
8. The war between India and china took place in the year - 1962
9. President of India is called the 1st citizen of India.
10. The furmy bone is situated in our body in Arm
11. The Value of XC (Roman Number) is 90
12. The words 'Satyameva Jayate' inscribed below state emblem have been taken from Mundak upanishad.

******





# বৰষুণ

ৰাজীৱ দাস
চতুৰ্থ ষাণ্মাসিক

মহাবিদ্যালয় সপ্তাহৰ গল্প প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত গল্প

বৰষুণ মোৰ শৈশৱৰ লগৰী
প্ৰেমৰ এক সেউজীয়া অনুভূতি
জীয়াই থকাৰ প্ৰেৰণা
প্ৰতিবাদী প্ৰতাৰণাৰে ভৰা
মিলনৰ তীব্ৰ বাসনা
জীৱন জুৰি প্ৰবাহিত হৈ থকা
নিৰন্তৰ সাধান......

আকাশখন ক্ৰমাৎ মেঘেৰে আবৰি পৰিল। লাহে লাহে টোপ টোপ কৈ এজাক বৰষুণ পৰিবলৈ আৰম্ভ কৰিলে। পুহ মাহ শেষ হ'বৰ হ'ল, কিন্তু কাতি মাহৰ পৰা যি এজাক বৰষুণৰ অপেক্ষাত থকা যায়, সেয়া এতিয়াহে দেখা দিছে। ফলত যোৱা দুদিনৰ পৰা ঠাণ্ডাত ঠৰুৱা কঁপাই দিছে। তথাপি মই বৰষুণ ভাল পাওঁ। ভালপাওঁ সেই বৰষুনে কঢ়িয়াই অনা এটি স্নিগ্ধ সুবাস। কাৰণ সেই স্নিগ্ধ সুবাসেই লৈ আনিছে... মোৰ হৃদয়লৈ তোমাৰ ছবিখন...

তেতিয়া মই স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ। সেইদিনা কলেজৰ পৰা ওভটি অহাৰ সময়ত দোপালপিতা বৰষুণ দিছিল। ইতিমধ্যে কলেজৰ আটাইবোৰ ল'ৰা-ছোৱালী যোৱা শেষ হৈছিল। মই খৰধৰ কৈ ওলালো। বৰষুণত বেগাই গৈ থাকোতে হঠাৎ পাছফালে কোনোবাই মতা শুনি ঘূৰি চালো। পাছফালে চাই অলপ সময়ৰ বাবে মই মূৰ্চ্ছা যোৱাৰ উপক্ৰম হৈছিলো। তাই মিচিকিয়াই মোক ক'বলৈ ইংগিত দিছে।

ব'লা.. মই তাইৰ পিনে চাব পৰা নাছিলো, কাণদুখন গৰম হওঁতে অনুভৱ কৰিব পাৰিছিলো, মাজে মাজে উঠা যেনো লাগিছিল।

তুমি ছাতি অনা নাই...

নাই... মাতটো কোনপিনে ওলাইছিল নাজানো আৰু সেই সময়ত মোৰ নিজৰ মাতটো নিজৰেই আচহুৱা লাগিছিল।

মোৰ ছাতিটোৰ তলত আহা, নহ'লে তিতিবা...

নাই নালাগে। মই পাৰিম যাব..

বেছি লেবেল দিব নালাগে, আহা... তাই মোৰ হাতত ধৰি টানি লৈ গৈছিল। কোনোবাই দেখিছিল নেকি ইফালে সিফালে চাইছিলো। অলপ সময় সম্মোহিত হৈ থাকিলো। মাজে মাজে মোৰ কিলাকুটি তাইৰ গাত আৰু তাইৰ কান্ধত লগাত শিঞৰি উঠিছিল। সুধিবা পালেই তাইৰ পিনে কেৰাহীকৈ চাব চেষ্টা কৰিছিলো। বহু সময়ৰ অন্তৰালত তাই মিচিকিয়াই কৈছিল...

এটা কথা কওঁ, বেয়া নাপাবা। তোমাক মোৰ ভাল লাগে। তুমি বাৰু মোক পচন্দ কৰানে?

এইজনীয়ে কয় কি? মই নাজানো বুলি ছাতিৰ তলৰ পৰা ওলাই আহিলো আৰু দুদিনমানলৈ তাইৰ পিনে ভুলতেও চোৱা নাছিলো। পাছত মোৰ ব্যৱহাৰত নিজলৈ খং উঠিছিল, কিয়নো তাইৰ লগত কটোৱা সময়খিনি ভয় আৰু শংকাৰ মাজেৰে হ'লেও উপভোগ কৰিছিলো... এজাক বৰষুণ, তেওঁ আৰু হৃদয়ৰ আটাইতকৈ কোমল অনুভূতি...

সেয়াই আছিল আৰম্ভণী আৰু সেই দিনটোৰ পাছত আমি দুয়ো ভাল পোৱাৰ শিকলিৰে বান্ধ খালো। এনেদৰে এদিন আমি বিবাহপাশত আবদ্ধ হ'লো। সকলোবোৰ সুকলমে পাৰ হৈ গ'ল। বৰ্তমান আমাৰ বিয়াৰ ছটা বছৰ পাৰ হৈ গ'ল। আমাৰ কণমানজনীৰ বয়স এতিয়া

প্ৰায় চাৰি বছৰ। জীৱনৰ যাত্ৰাত এজাক বৰষুণে হৃদয়ত বকুল ফুলাইছিল। অজান অনুভূতিবোৰে এক মিঠা আমেজ দিবলৈ আৰম্ভ কৰিছিল। তেতিয়াৰ পৰা বৰষুণ ভালপাওঁ মই, বৰষুণ মোৰ শৈশৱৰ লগৰী।..

দেউতা, তুমি কিয় কান্দিছা, মাৰ গা কেনেকুৱা আৰু এতিয়া ক'ত আছে?

"মাবা শুই আছে, গভীৰ টোপনিত...."

'প্লীজ, মাক এবাৰ জগাই দিয়ানা, অলপ কথা আছিল...'

মাবাক জগাব নোৱাৰো অ' আই, মাবাই মোৰ লগতেই কথা পতা নাই আৰু তোমাৰ লগতো কথা নাপাতে... জগালেও নুঠে, কেতিয়াও নুঠে, লগে লগে এক প্ৰচণ্ড ঢেৰেকনিয়ে আকাশ ফালি দিয়া যেন লাগিল। □

## ডাঙৰ হোৱাৰ যন্ত্ৰনা

মহেন্দ্ৰ কলিতা
স্নাতক তৃতীয় বৰ্ষ
কলা শাখা

অংকিতাক যেতিয়া বিশ্বাবালাজনে বাইদেউ বুলি সম্বোধন কৰে, তেতিয়া তাইৰ বুকুখন চিৰিংকৈ মাৰে। ঘৰৰ দুৱাৰখনৰ কাষত অথবা এম্বাৰত নিজৰ ছাঁ দেখিলে নিজে ভাবি লয় ওখ হৈছে বুলি, কিন্তু ডাঙৰ???

অংকিতাৰ চিন্তাচৰ্চাত আজি কালি প্ৰায়ে খেলিমেলি। তাই যেন বিচাৰে পুৰণা কিছুমান ত্যাগ কৰি নতুন বাস্তৱ কিছুমানক ল'বলৈ আকোৱালি। নৈঃশব্দৰ সকলো জট লগা শব্দৰ এন্ধাৰ আতৰাই তাই ৰচনা কৰিব বিচাৰে এখন নতুন পৃথিৱী –। গাঁৱলৈ যাঁওতে তাই ডাঙৰকৈ হাঁহিছিল। আইতাকে কৈছিল ঃ এতিয়া ডাঙৰ হৈছ, হাঁহিব নাপায় তেনেকৈ। আচৰিত হৈছিল তাই, নহঁহাকৈ মানুহে জানো জীৱনত সুখ - পায়??

মাকে এদিন তাইক কৈছিল আলহী আহিলে সাৱধানেৰে কথা পাতিবলৈ, খং উঠিলে বুলিয়ে গেজেৰা মাৰি দাদাকক উত্তৰ নিদিবলৈ, আনে ভেঙুচালি কৰিব। ক্লাচ এইটত মেখেলা চাদৰ পিন্ধি স্কুললৈ যাওঁতে দেউতাকে কৈছিল - নাকৰ পোনে পোনে যাবা দেই সদায়। চকুত কাজল লগালে দাদাকে চিএৰি উঠে - ভূতুনী যেন লগা বুলি। অথচ সকলোৰেই চোন স্কুলত ভাল লগা বুলিয়েই কয়। তাই ডাঙৰ হৈছে, সেই কাৰণেই নহয়??? কিন্তু নদীতো কেতিয়াও উভতি নবয়, গছৰ পাতখিলাতো সেউজীয়া হয়, তেতিয়া হ'লে তাই ডাঙৰ হৈছে বাবেই পৃথিৱীখন জানো থাকিব বৈ???

বৰ্ণমুখৰ আবেলী, পদূলীৰ বকুলৰ...... চিনাকী গোন্ধ, লাহে লাহে বলি থকা বতাহখিনিৰ মাজত কিয় বাৰু তাইৰ নিজকে হেৰুৱাই দিবৰ মন যায়, আকাশলৈ চাই কিয় বাৰু ভাবিলে মন যায় আকাশখন বিশাল বুলি, কিয় বাৰু বাৰে বাৰে শুনি থাকিব মন যায় উদাত্ত কণ্ঠেৰে গোৱা কোনো গায়কৰ গান। তাই ডাঙৰ হৈছে, সেইকাৰণেই নহয়!!

অংকিতাক আজিকালি নিজ স্বাধীনভাৱে প্ৰতিষ্ঠিত কৰিবলৈ অহৰহ মনটোৱে সকিয়াই থাকে। যুক্তিহীন কিবা ক'লে প্ৰতিবাদ কৰে, নাৰীক পুৰুষৰ তলতীয়া বুলি কলে শুনিবলৈ টান পাই, কাজিয়া কৰে।

একমাত্ৰ ডাঙৰ হোৱাৰ বাবেই অংকিতাই হেৰুৱাব লগা হৈছে মাকৰ কাষত শোৱাৰ সেই চিৰস্থায়ী আনন্দ। ভাবিলে টান পাই, এদিন নিজৰ ঘৰখন এৰি আনৰ এখন ঘৰক আপোন কৰি ল'ব লগা হোৱাৰ দিনটোৰ কথা। তাই যেন আঁতৰাই দিব বিচাৰে কৌটিকালৰে পৰা চলি অহা পুৰণি সংস্কাৰ।

অংকিতাৰ বুকুত এটি বিষ, তাই ডাঙৰ হোৱাৰ অনুভৱ ——□

মহাবিদ্যালয় সপ্তাহৰ
গল্প প্ৰতিযোগিতাত
তৃতীয় পুৰস্কাৰ
প্ৰাপ্ত গল্প





## প্ৰহেলিকা

জেনিয়া আহমেদ
বাণিজ্য শাখা,

যোৱা কালি ভীষণ বৰষুন ৰাস্তা - পদুলী বোকাময়। গুৱাহাটী নিচিনা ডাঙৰ চহৰত এনেকুৱা হয় বুলি আমি কল্পনা কৰা নাছিলো। কৃত্ৰিম বানপানীৰ কবলত পৰি যোৱা কালি ৰাজধানীৰ নিচেই কাষতে এজন লোকে প্ৰাণ দিব লগা হ'ল।

আজি পুৱা বেলাৰ পৰা বতৰ ফৰকাল হ'লেও বাইজনী ন মান বজাত হে আহি পালেহি। মোৰ ৯-৩০ বজাত Class থকাৰ বাবে মই ৰখি নাথাকিলো। আজি যদি ৰই খোৱাৰ কথা চিন্তা কৰো তেতিয়া হ'লে Class নাপামগৈ। বাইজনীক মোৰ কাপোৰ কেইটাৰ কথা কৈ মই লৰা - লৰি কৈ অটো এখন ধৰি কলেজলৈ ওলাই গ'লো। গনেশ মন্দিৰৰ ওচৰত Trafic Jam দেখি তাতে অটো খন এৰি দি কলেজলৈ খোজ ল'লো। গনেশগুৰি বজাৰৰ ওচৰ ভিষণ ভিৰ পুলিচ -মেলিটাৰীৰ কিবা হ'ল যেন পালো। কলেজলৈ গৈ গ'ম পালো যে যোৱা কালি ডিভাইদাৰেৰে পাৰ হ'বলৈ গৈ এজন কাৰেংত চৰ্ট কৰাৰ বাবে মৰিল। ৪-৩০ বজাত হোষ্টেল আহি পালো কিন্তু কাৰেন্ট নাই উঃহ কিযে অশান্তি।

সন্ধিয়া ৭.০০ মান বজাত আমাৰ হোষ্টেলৰ লোৰ গেটখনত খটংকৈ শব্দ হ'ল হ'ল। আমি ধৰা ধৰি কৰি আনি আমাৰ ৰুমলৈ লৈ গ'লো আৰু তাইক শুশ্ৰুষা কৰিলো। কিছুসময়ৰ পাছত আমি গম পালো যে তাইক কোনোবাই গাড়ীৰে খুন্দিয়ালে। তাই কোন? ক'ৰ পৰা আহিছিল ক'ত যাব নানা প্ৰশ্ন? তাইৰ পৰিচয়টো পালো, তাই নাম মুনমী। তাইৰ নাম মুনমী। তাই কিবা কামত এইফালে আহিছিল আৰু তাই ভাস্কৰ নগৰত থাকে। সন্ধিয়া হোৱাৰ বাবে গাড়ী নাপায় খোজকাঢ়ি আহোতে গাড়ীয়ে তাইক খুন্দিয়াই থৈ গ'ল। এনেদৰে আমাৰ কেইজনীৰ মাজত বন্ধুত্ব হ'ল।

আমি আটাইকেইজনীয়ে বন্ধৰ দিনত খুব আনন্দ কৰি পাৰ কৰো। মুনমীয়ে আমাৰ লগত কেতিয়াবা কেতিয়াবা Share দিয়ে। এনেকৈ দিনবোৰ পাৰ হৈ গৈ আছে। কিন্তু এতিয়া আমি আনন্দ কৰাৰ বাবে সময় নোপোৱা হ'লো কাৰণ এমাহ পিছত Final Exam তাৰ মাজতে আকৌ কিবা দৰকাৰ হ'লে আমি কোনোবা এজনীয়ে প্ৰয়োজনীয় বস্তবোৰ গৈ লৈ আহো। আমি নিজেও আচৰিত হও আমিকেইজনীয়ে যলৈকে ওলাই নাযাও কিয় মুনমীক লগ পাওয়ে। তাই বৰ্তমান LLB পঢ়ি আছে বুলি আমি জানো। কিন্তু সঠিককৈ নাজানো কিবা সুধিলো কবটান পায়। সেয়েহে বেছি নুসুধো। যোৱা কালি আমাৰ লগৰ অনিমা বজাৰ কৰিবলৈ গৈ নিশা ৮ মান বজাতহে আহি পায়। তাই অহাৰ পিছৰে পৰা গা বেয়া বুলি ক'লে আৰু ক'লে যে তাইক মুনমীয়ে জোৰ কৰি লক্ষিমী নগৰৰ ফালে লৈ গৈছিল কিন্তু সেই মানুহ ঘৰত কোনো নোহোৱাৰ কাৰণে সিঁহত ঘুৰি আহিছিল। গনেশগুৰিৰ পৰা তাই বেলেগ ফালে গ'ল আৰু অনিমাই হোষ্টেললৈ ঘুৰি আহিল। ৰাতি ভাত খাই আহি দেখিলো অনিমাৰ অৱস্থা খুব বেয়া। তাই কিবা আবোল তাবোল বকিছে, গাত জ্বৰ উঠিছে, উপায় নাপায় হোষ্টেলৰ মালিকনী হিমাদ্ৰী বৰুৱা বাইদেউৰ সহায়ত অনিমাক GMCH ত লৈ গলো। তিনিদিনমানৰ পাছত তাইক Realease দিলে যদিও তাই আগৰ দৰে মাত-বোল নকৰা হ'ল। আমাৰ ফালে চালেও আমাৰ ভয় লগা হ'ল। উপায়ন্তৰ হৈ আমি তাইৰ মাক-দেউতাক ফোন যোগে মাতি তাইক লৈ যাবলৈ ক'লো।

আমি বৰুৱানী বাইদেউক কৈ ৰুমটোও সলায় ললো। আৰু আগৰ দৰে নাথাকি, আমি চাৰিজনীয়ে একেলগে শুৱাৰ ব্যৱস্থা কৰি ললো আচল কথাটো হ'ল তাই কিয় এনেকুৱা কৰিলে হথাতে? তাৰ ৰহস্য ভেদ কৰিবলৈ আমি এক প্ৰকাৰৰ উদাত হৈ পৰিলো কি হৈছিল

সেই দিনা সেয়া জানিবলৈ আমি মুনমীক লগ কৰিবলৈ তাই দিয়া ঠিকনামতে তাই ঘৰলৈ গলো। গেটত নাম ফলকখন চাই আমি ধৰিব পৰিলো সেইটো মুনমীৰ ঘৰ হয়। ঘৰটো দেখি মন আপ্লুত হৈ পৰিলে। কি ধুনীয়া ফুলনী, আহল বহল চোতাল সুন্দৰ পৰিৱেশ। আমি দুৱাৰ মুখলৈ গৈ কলিং বেল বজালো। লগে লগে এজনী মানুহ ওলায় আহিল বোধহয় তাতে কাম কৰে। তেওঁ আমাক বহিবলৈ দি ভিতৰলৈ গল আৰু মুনমীৰ মাক ওলায় আহিল। তেঁও আমাক সুধিলে আমি কিয় আহিছো? কাক বিচাৰিছো? আদি প্ৰশ্ন কৰিলে, মই ক'লো আমি মুনমীৰ বান্ধৱী আৰু মুনমীক বিচাৰি আহিছো। পোন প্ৰথমে তেঁও আমাৰ ফালে অবাক হৈ চালে, আৰু কান্দিব ধৰিলে। আমি আচৰিত হ'লো তেঁও কিয় কান্দিছে পিছমুহূৰ্ততে তেওঁ সুধিলে আমি ধেমালী কৰিছো নেকি কাৰণ Car Accident মুনমী ঢুকুৱা আজি তিনিবছৰ হ'ল আৰু হোৱা ৮ দিন আগতে তাইৰ তৃতীয় মৃত্যু বাৰ্ষিকী পাৰ হৈ গল। তেতিয়াই লগে লগে আমাৰ মনত পৰিল। অনিমাহ অসুস্থ হোৱাও ঠিক ৮ দিন হ'ল আৰু তাই মুনমীক লগ পাইছিল বুলি-আমাক কৈছিল পিছত মুহূৰ্ততে আমাৰ গাৰ নোম শিয়ৰি উঠিল, যদিও মুনমীৰ মাকে আমাক চাহ খাবলৈ কৈছিল, আমি তাত এটা মুহূৰ্তও নৰখি এটো এখন লৈ হোটেল মুৱা হ'লো।

সেই ঘটনাটোৰ পিছত আজিও ধুনীয়া ফুলনি, আহল বহল চোতাল আৰু সুন্দৰ পৰিৱেশ দেখিলে গাম নোম শিয়ৰি উঠে। □

## General Knowledge

Dikshita Borah
H.S. 2nd year

First in India

| | |
|---|---|
| 1. First law minister of India - | Dr. B.R. Ambedkar. |
| 2. First Indian to get Paramvir chakra - | Maj. Somnath Sharma |
| 3. First Indian I.C.S officer - | Satyendra nath tagore |
| 4. First chief justice of the supreme court of India- | Harilal J. Kenia |
| 5. First woman judge of the supreme court - | Fatima Beevi |
| 6. First woman I.A.S officer - | Anna Rajan George |
| 7. First woman Ruler of India - | Razia sultana |
| 8. First Athelete to be awarded Arjun award - | Stephic D'souze |
| 9. First Indian cricket test captain - | C.K. Naidu. |
| 10. First speaker of Lok sabha - | Mr. G.V. Mavlankar |



# Kaleidoscope



*Cobweb's Splendour*

Hirock Jyoti Roy
Second Year Com.



*Man Vsersus Nature*

Dr. Sunita Agarwalla
HOD, Education



*Harmony*

Ms. Bondita Baruah
Deptt. of English

# Vignettes



## কৰ্ম্মস্থলী

শ্ৰীমতী ৰুক্মিনী দাস
প্ৰাক্তন কৰ্মচাৰী

কৰ্ম্মস্থলী হ'ল মোৰ "দিশপুৰ কলেজ"
আহোঁ মই সদায়, কাম কৰোঁ, সদায়,
ইয়াৰে পৰাই নি এমুঠি পেট প্ৰবৰ্ত্তাওঁ।
ভাল লাগে মোৰ লগ পালে সকলো ছাত্ৰ-ছাত্ৰীকে,
ভাল লাগে মোৰ, সিহঁতৰ অঙ্গী-ভঙ্গী বোৰ,
দেখি থাকোঁ সিহঁতৰ শিক্ষা গ্ৰহণৰ একাগ্ৰতা,
উত্তীৰ্ণ শিক্ষাৰ্থীয়ে পাবে কিৰিলি,
দিয়ে যেতিয়া পৰীক্ষাৰ ফলাফল।
অনুত্তীৰ্ণ শিক্ষাৰ্থীয়ে টোকে চকুলো,
দেখি মই কওঁ - নেকান্দিবা,
চোৱা আগতে নম্বৰ তালিকা।।
অধ্যক্ষ মহোদয়ে ব্যস্ত সদা স্বীয় কৰ্ত্তব্যত।
শিক্ষক-শিক্ষয়ত্ৰীয়ে কৰে পাঠদান,
শুনি যাওঁ কেতিয়াবা অহা-যোৱা কৰোঁতে,
শিক্ষাদানৰ বহুমূলীয়া কথাবোৰ,
ভাবোঁ মই মনতে আকৌ যদি ময়ো,
পাৰিলোঁহেতেন পাঠ গ্ৰহণ কৰিবলৈ।
উৰা মাৰে মন মোৰ তাহানিৰ পঢ়ি থকা
দিন বোৰলৈ।।
লাগে মোৰ মহাবিদ্যালয়ৰ সকলোকে আপোন আপোন
আমি একেখন নাৱৰে যাত্ৰী।
নাই একো ভেদাভেদ।
থাকিব সদায় স্মৃতি বোৰ জীয়াই,
তথা মুখ বোৰৰ প্ৰতিচ্ছবি।।
সহ কৰ্মীৰ লগত কৰোঁ কাম একেলগে,
মিলিজুলি।
আলাপ-আলোচনাৰে কামৰ কৰোঁ সমাধান
লগতে কৰোঁ কেতিয়াবা হাঁহি ধেমালিও।
কৰ্ত্তব্যত নাই গাফিলতি,
কৰ্ম্মই হ'ল মোৰ জীৱন।
কৰ্ম্মৰ মাজতে পালোঁ মই জীৱনৰ সন্তুষ্টি।।
হে, আমাৰ "দিশপুৰ কলেজ",
পালোঁ বহুতো জ্ঞান, অভিজ্ঞতা
কৰিলোঁ অৰ্জ্জন তোমাৰ কোলাতে,
হে, "দিশপুৰ কলেজ" তোমাৰ বুকুতে
কটালোঁ আজি চব্বিশ বছৰ।।
আজি মোৰ কৰ্ম বিৰতিৰ সময়,
হৈছেহি সমাগত।
সকলো ভুল ভ্ৰান্তিৰ কৰিবা ক্ষমা,
হে, আমাৰ "দিশপুৰ কলেজ"
দিয়া বিদায়,
আজি বিদায়।।

(ৰুক্মিনী দাসৰ বিদায় ক্ষণত তেওঁৰ অনুভৱ)

## বিষাদ গাঁথা

কুলদীপ মেধি
প্ৰবক্তা, কম্পিউটাৰ কেন্দ্ৰ

ঢৌ উঠে
নামে
পাৰ ভাঙি বাগৰি আহে

তোমাক তোমাৰ কাষতে থৈ
মই মোক লৈ আহিছিলো

ক্ৰমশঃ গীতবোৰ পুৰণি হৈ গৈছে
নে বয়স বাঢ়ি আহিছে

নিজান ৰাতি
কৰুণ সুৰ এটা তুলি নৈখন বৈ আছে।

## ওপজা মাটিৰ গোন্ধ

ব্ৰজেন শৰ্মা
চতুৰ্থ বৰ্গ কৰ্মচাৰী

জ্বলিছে
জ্বলিয়ে আছে
লেলিহান শিখাই আৱৰি ধৰিছে
ওচৰ চুবুৰীয়া বহু গাওঁ
আতংকিত সহস্ৰ জনতাই
প্ৰাণৰ মমতা বিচাৰি
গভীৰ অৰণ্যলৈ মেলিছে ঢাপলি
ধন-জন আৰু বহু সম্পত্তি
নিমিষতে হ'ল চাৰখাৰ
ৰোগাক্ৰান্ত শিশু বৃদ্ধৰ
বুকুত হাহাকাৰ
নিৰাপত্তাহীন ভোকাতুৰ শৰণাৰ্থীক দিছে
এমুঠি চাউল, এটুকুৰা বস্ত্ৰ
ভাই ককাইৰ মাজত
হিংসাৰ দাবানল দিছে
বিদেশী মাৰাণাস্ত্ৰ
প্ৰশাসনিক আশ্বাসৰ যন্ত্ৰণাৰে
ঘূৰাই দিব পাৰিব জানো
এখন সপোনৰ ঘৰ
এখন সপোনৰ দলিচা
দলীয় বহু ছাত্ৰ সংগঠনৰ
বিভিন্ন বক্তব্যৰ ফুলজাৰি
সংবাদসেৱীৰ বিদেশজুৰি প্ৰচাৰত
বিশ্বই শোকত পৰিছে ভাগি
সময়ৰ সোঁতত সকলোবোৰ অতীত
অতীতক সুঁৱৰিব কোনে
এতিয়া যাওঁ ব'লা অখিল গগৈৰ ওচৰলৈ
মাটিৰ পট্টা বিচাৰি, নিজৰ প্ৰাপ্য বিচাৰি।

## তলসৰা শেৱালি

বিকাশ ভৰালী
পঞ্চম ষান্মাসিক

নিশাৰ এন্ধাৰত
গোপনে ফুলি উঠা
শুভ্ৰ শেৱালি পাহে
আমোল মোল সুৱাসেৰে
নীৰৱে বোৱাইছে
শৰতৰ স্নিগ্ধতা।

জোনাক ৰাতিৰ তিৰ্‌বিৰ্‌ পোহৰত
জিলিকি উঠা প্ৰতিপাহ শেৱালিয়ে
ঠন ধৰি উঠিছে
ইটোৱে সিটোলৈ চাই

দূৰ আকাশত তৰাৰ ধেমালি
শেৱালিৰ গোন্ধত মাতাল ৰজনী।

অপূৰ্ব ৰূপ তোমাৰ,
যেন নন্দন কাননৰ পাৰিজাত হৈ
জন্মিছাহি এই ধৰাত;
জানোচা কামদেৱৰ পঞ্চশৰে
শুকুলা বুকু ভেদিছে তোমাৰ
আৰু
পৰি ৰৈছা দুবৰিৰ দলিচাত
এপাহ তলসৰা শেৱালি হৈ।।





## শৈশৱৰ পৰা যৌৱনলৈ বাঢ়ি অহা মোৰ ভালপোৱা

সংগীতা বৈশ্য
স্নাতক পঞ্চম ষান্মাসিক

মধ্যাকৰ্ষণৰ নিয়ম নামানি ডুলি আছো এতিয়া মাথো এগিলাছ নীৰৱতা আৰু হিচাপ দি থকা এটি ঘড়ীৰ সৈতে। শূণ্য জীৱন এটা ৰৰ লাগতিয়াল পূৰ্ণতাৰ বাবে...। অসহায় কৰি যেতিয়া গুচি যাব প্ৰাপ্তিপূৰ্ণ কোলাহল, তেতিয়াতো নীৰৱতা খুবেই দৰকাৰী.....

মই মোক গঢ়ি লৈছিলো
নীৰৱ কাঠিন্যতাৰে
সুখী আছিলো যদিও নাছিলো,
সকলো আছিল যদিও নাছিলো,
সকলো আছিল যদিও কিবা এটা নাছিল,
সাহসী নাছিলো যদিও আছিলো,
তথাপিও জীয়াইতো আছিলো....।

জীৱন.... কি আছিল মোৰ জীৱন? মোৰ জীৱনৰ নাম? এৰা, মোৰ জীৱনটো জীয়াই থকা এখন ৰচী টনা মেল....

পেণ্ডুলাম এটা হৈ
নাচি ফুঁৰিলো,
আৰু মূল্যহীন এজোপা গছ হৈ
উবালি পৰিলো.....

হিচাপ নিকাচত মই খুব হিচাপী আছিলো। বিলাস আছিল যদিও সীমা আছিল। কাগজৰ অভাৱত শব্দবোৰ জহিছিল, ভাবিছিলো, প্ৰেংহীন জীৱন কি জীৱন হ'ব নোৱাৰে .....? পাৰেতো!!

দোদুল্যমান হৈ পৰে সহজ জীৱন....
আকৌ পেণ্ডুলাম.....

এনে এটা সহজ বাখ্যা মোৰ জীৱনৰ। তুঁহ জুইৰ দৰে এটা ক্ষোভ, দিনে দিনে বাঢ়ি অহা দুখ আৰু অবিশ্বাস, অশ্ৰদ্ধ..... কোনখন আকাশৰ পৰিধি ভাঙি আনো বাৰু ভালপোৱা?

উক দিয়ে পুৰণি ঘাঁবোৰ
য'ত ৰঙীন নাছিল শৈশৱ,
দুৰ্বিষহ আছিল ৰাতিবোৰ
কৈশোৰ, য'ত নুবুজা আবেগ
দহিছিল দিনবোৰ,
আৰু....
গোট মাৰি যেতিয়া শিল হৈছিল বুকু
চিনি জানি নোপোৱা
জানি নোপোৱা নিৰৱতাই
কঠোৰ কৰিছিল মোক....

নীৰৱতা আহিচিল.... মৌনতা হৈ পৰিছিল প্ৰিয় বিষয়.... আহিছিল সীমাহীন গাম্ভীৰ্য্য.... ক'ৰবাত যেন হেৰুৱাই পেলাইছিলো চঞ্চলতা.....। তথাপি তুমি বতাহৰ দৰে একেবাকে সবকি গুচি আহিছিলা....

মনৰ দুৱাৰত তুমি টুকুৰিয়াইছিলা
মই বহু ৰাতি ভাবিছিলো
খুলিম নে নুখুলিম...

অৱশ্যে খিৰিকীখন খোলা আছিল
তুমি বুজি বুজি খুলিছিলা, জপিয়াইছিলা
মই মাথো বুজা-নুবুজাকৈ চাই আছো
কি কৰো....?
শব্দহীনতাতো তোমাৰ নামেই প্ৰতিধ্বনিত !
তুমি কৈছা ভালপোৱাৰ কথা, জীৱনৰ কথা.... মই শুনিছো। প্ৰেম .... কি আছিল মোৰ বাবে প্ৰেম....!
যিদিনা ভালপাম নিজকে
সিদিনাই প্ৰেমিকা হ'ম তোমাৰ
সেইদিনা হ'ব কৃষ্ণচূড়াৰ বতৰ
নহ'লে ফাগুণ....!
কাৰণ সিদিনা হ'ম মই দুৰ্দান্ত
ভালপাম কাৰোবাক
জীৱন, সেউজীয়া, শব্দ, আকাশ, পথাৰ
আৰু যিয়ে মোৰ জীৱন...
ভালপাম সেইদিনাই।
তুমিয়েইতো মোৰ হৃদয় ধুনীয়া শব্দৰ প্ৰেমিকাজন, আকাশ চাবলৈ শিকোৱা সেউজীয়া পুৰুজন। তুমি হয়তো (প্ৰশ্ন মই বৰ বেছিকৈ কৰো। তুমি বেয়া নোপোৱাতো? ধেৎ আকৌ প্ৰশ্ন.....)।
শেষত মই খুলি দিলো
তোমাৰ বাবে মোৰ মনৰ দুৱাৰ
উশাহ সলোৱাৰ বাট,
শিলবোৰ ভাস্কৰ্য্য হৈ পৰক
ফুলবোৰ ভাস্কৰ্য্য হৈ পৰক
ফুলবোৰ ইচ্ছা কৰিলে ফুলি উঠিব পাৰে,
ফাগুনত চিলা উৰুৱাম আমি একেলগে
শাওণত বোৱনী
আঘোনত দাৱনী
শৰতত শেৱালী বুটলিম দুয়ো।
বহা'গত তুমি ঢোল বজাবা
মই অৱশ্যে নাচনী নহওঁ
আমি আমাৰ হ'ম,,
তুমি মোৰ, মই তোমাৰ
মই দুৱাৰ খুলি দিলো মনৰ
তুমি আহা সোমাই
এয়া শৈশৱৰ পৰা যৌৱনলৈ বাঢ়ি অহা মোৰ ভালপোৱা সংকীৰ্ণতাৰ পৰা বিশালতালৈ, জড়তাৰ পৰা চঞ্চলতালৈ, অবিশ্বাসৰ পৰা বিশ্বাসলৈ, ঘৃণাৰ পৰা মৰমলৈ বাঢ়ি অহা ভালপোৱা। আজীৱন, অজস্ৰ অমৃত্যুৰ .... তোমাৰ ছতাৰে ঢুকি পোৱা তোমাৰ বুকুৰ সেউজীয়া পথাৰ লাগে মোক.... পাৰিবানে দিব?? অৱশ্যে দিবতো লাগিবই। কাৰণ ভালপাওঁ, ভালপাম আৰু আজীৱন ভালপাই থাকিম তোমাক........

*********



# বিভ্ৰান্ত

শ্বাকিল ইনজাম
তৃতীয় বাৰ্ষিক

এনে বহু কথা আছে, য'ত তুমি অজ্ঞ,
মোৰ প্ৰেম, প্ৰয়োজন, মোৰ প্ৰতিজ্ঞাৰ যজ্ঞ।
এনে বহু কথাৰ মাজত বিচাৰি নাপাও মোক নিজক,
যেন শেক্সপিয়েৰৰ নাটকৰ এজন করুণ নায়ক।

ই এক স্থিতি, য'ত মই নীৰৱ,
ব্যক্ত নহয় মোৰ ভক্তি, মোৰ দুখ, সাহস নহয় উত্তৰ।
কিয় বাৰু বিভ্ৰান্তিত সোমাই পৰিছে মোৰ মন?
ভাগৰি পৰিছো বিচাৰি, মই ইয়াৰ কাৰণ।

নালাগে আৰু শব্দ, নালাগে আৰু সাঁথৰ,
হ'ব দিয়া মোক ভিভ্ৰান্ত, মনৰ সংগ্ৰাম চলিব নিৰন্তৰ।

# ভাল পাওঁ

সমিৰণ দাস
তৃতিয় ষাণ্মাসিক

চকুৰ কি দোষ কোৱা
চাবলৈ বিচাৰে তোমাক
দৃষ্টিৰ কি দোষ
ভাল লাগে তোমাক,
প্ৰভুৰ কি দোষ
সৃষ্টি কৰিলে যে তোমাক,
হৃদয়ৰ কি দোষ
সুন্দৰ লাগে তোমাক,
মোৰ কি দোষ
মই যে
ভাল পাওঁ তোমাক।

# গামোছা

ৰিকী কলিতা
পঞ্চম ষাণ্মাসিক

এখন গামোছা বৈছো
চেনাইলৈ বুলি,
এখন লাজুকী ফুলৰ গামোছা
আয়ে পচা সকলো কাম-কাজ পেলাই

থৈ
সপোনৰ দীঘ বানীৰে বাঁতি কাঢ়িছো
চেনাইলৈ এখন প্ৰেমৰ বুটা বছা
গামোছা বওঁ বুলি।।
বহু দিন,
বহু - উজাগৰী নিশা,
হৃদয়ৰ তাঁত শালত মাকো মাৰি বৈছো
এখন মৰমৰ গামোছা।।
জীয়া-জীৱনৰ যন্ত্ৰনাবোৰ একাষৰীয়া কৈ থৈ
প্ৰেমৰ প্ৰতিটো হেঙুলীয়া শব্দেৰে
হৃদয়ৰ দস্তাবেজ খুলি বৈছো
এখন অপূৰ্ব হৃদয়ৰ অভিমানী গামোছা।।
এই বেলি ব'হাগৰ বিহুতে
ৰৈ থাকিবি শিমলুজোপাৰ তলত
হৃদয়ৰ জপনা খুলি উচাত মাৰি
দি আহিম গৈ চেনাই
চেনেহৰ সূতাঁৰে বোৱা গামোছাখন।।

# নিহাৰীকা তুমি

পাৰ্থপ্ৰতীম চৌধুৰী
তৃতীয় ষাণ্মাসিক

তুমি এটি তৰা আছিলা
সৰি পৰিছিলা মোৰ
হৃদয়ৰ বাঁহনিত
আৰু আমি বাট হেৰুৱাইছিলো
পূৰ্ণিমা আৰু বিচ্ছেদ
একো নোসোধা.........?
মইতো এতিয়া বাটৰ প্ৰেমিক

## তোমাৰ অপেক্ষাত

শ্ৰীবৰ্ণালী কলিতা
প্ৰথম ষাণ্মাসিক

মুকুতা সৰি পৰা চকুযুৰিয়ে মোলৈ চায়
বহুতো প্ৰশ্ন কৰে.....
মোৰ প্ৰেয়সী নো ক'ত?
এটি ৰাতি সেই জোনৰ সৈতে কটোৱা
সাক্ষী থকা তৰাবোৰ নো ক'ত?
যৌবনৰ স্পৰ্শহি চুই যোৱা সেই
প্ৰথম চিনাকীৰ অনুভৱ নো ক'ত?
পিছে মই আধৰুৱা,
এই বগা সাজযোৰে যেন মোৰ এতিয়া সকলো পৰিচয়।
পদূলিত তলসৰা শেৱালিবোৰ উপচি থাকে।
কিন্তু মই যেন এপাহ অকলশৰীয়া শেৱালি,
মাজ সাগৰৰ সংসাৰখনিত যিদিনা
মোক এৰি থৈ গৈ সিপাৰ হৈছিলা
তুমি বাৰু তেনেকৈ কিয় একেথৰে চাইছিলা?
অ' মাজ সাগৰত মোক এৰি
ৰৰকৈ ৰং পাইছিলা?
পিছে, তুমি প্ৰথম প্ৰেমত পৰা
সেই চকুহালে চিৰদিনৰ বাবে ভাবৰক মাগিলে
কেতিয়াবা খৰাং আৰু কেতিয়াবা হয়তো বনকাল।
হাঁহি উঠে, সেই অতীতৰ কথাবোৰ মনত পৰিলে
যিদিনাখন ধেমালিৰ চলেৰে
মোৰ শিৰত মুকুতাধাৰী পিন্ধাই
তোমাৰ ঘৰলৈ ন-কইনা ৰূপে নিছিলা,
মোৰ কেনে লাগিছিল জানা?
তুমি যেন নীলা আকাশৰ
ভোটা তৰাটো হৈ মোক হাত বাউলি মাতি আছা।
'ইস' মই পাহৰিছিলো পায়, আজি দেখোন
আমাৰ জীৱনৰ পাতনি মেলাৰ সাত বছৰ সম্পূৰ্ণ হ'ল।
মাথো বছৰহে সম্পূৰ্ণ হ'ল, কিন্তু
মই এতিয়াওসেই অমাবস্যা ৰাতিৰ অন্ধকাৰ হৈ
জোনৰ পোহৰলৈ বাট চাই থকা
এটি মাথো জোনাকী পৰুৱা।।
নিশাৰ তৰাটিয়ে যেনেদৰে পূব আকাশৰ
বেলিটিলৈ বৈ থাকে ঠিক তেনেদৰে
ময়ো তোমাৰ অপেক্ষাত।

আহিবা এদিন, আকৌ মোৰ
যৌবনৰ প্ৰথম প্ৰেমৰ সুবাস হৈ,
সময় , দিন, মাহ, বছৰ যুগ সলনি হ'লেও
তোমালৈ সদায় বাট চায় ৰ'ম
জীৱনৰ অন্তিম ক্ষণলৈ।

## বৈ আছো....

প্ৰাৰ্থনা বুঢ়াগোহাঁই
শিক্ষা বিভাগ

দূৰৰ পৰা অহা চিলমিল পোহৰত দেখিছিলো;
পদুমখুজীয়া এজনী গাভৰু
দেহাটি তেনেই লাহি পাহি
দেখিবলৈ সৰগৰ পৰী যেন
কোমল, মিঠা এটা হাঁহি লৈ
আহি আছে, গৈ আছে
সৌ সিদিনা, নৈৰ পাৰত আকৌ দেখিছিলো তাইক।
লাহে লাহে দিন বাগৰি আছে,
মথো প্ৰতি পলে পলে
সপোন দেখিবলৈ আৰম্ভ কৰিলো
কিন্তু, কি হব?
মইচোন বোবা হৈ যাও,
মাথো দূৰে দূৰে তাইলৈ চাই......
মনৰ হেপাঁহ খিনি সামৰিছিলো
হঠাৎ এনে এজাক ধুমুহা বতাহ আহিল
আৰু মোৰ মনৰ সপোন চুৰ-মাৰ কৰি গ'ল
মোৰ সকলো সপোন খণ্ডেকীয়া হৈ গ'ল
ৰ'ল মাত্ৰ বিষাদ
মোৰ মনত চিৰদিনৰ বাবে থকা ছবিখন......
সেই গাভৰুজনী কোন?
আনকি মই তাইক "তোমাৰ নাম কি?"
বুলি শুধিবলৈও পাহৰি গলোঁ
নৈ গল মাথো তাইৰ মধুৰ স্মৃতি,
হৈ গল চিৰদিনৰ বাবে ।
আজিও আছে বৈ, তাইৰ আশাত
আহিব জানো ঘূৰি?
বৈয়ে যে আছো.........?





## মই তোমাৰ সান্নিধ্য বিচাৰো....

শ্ৰীসংগীতা বৈশ্য
পঞ্চম ষাণ্মাসিক

মই তোমাৰ সান্নিধ্য বিচাৰোঁ,
মই অহৰহ বিচাৰি ফুৰো তোমাৰ সংস্পৰ্শ
নাজত ৰঙাপৰা দুপৰীয়াটোত সিদিনা
বিচাৰি পাইছিলো তোমাক,
জোকাৰি গৈছিল মোক এমুঠি
মিঠা আবেগে,
তোমাৰ সপোনৰ সৈতে ভেটাভেটি হওঁতে
মোৰ উশাহ যেন থমকি ৰৈছিল
তেতিয়াৰ পৰাই বহু উজাগৰী নিশাৰ টোপনি
উছৰ্গা কৰিছো তোমাৰ নামত।
মোক তোমাৰ হ'বলৈ দিয়া,
ভগাই ল'বলৈ দিয়া
তোমাৰ সৈতে
অনুৰাগৰ প্ৰতিটো প্ৰহৰ,
তোমাৰ প্ৰিয় ৰং সেউজীয়াৰে বোলাই দিয়া
মোৰ এই বিবৰ্ণ সময়।।

## অপেক্ষা

ৰাজীৱ দাস
পঞ্চম ষাণ্মাসিৰ্ক

দুচকুৰ পৰা নিলগলৈ যোৱাত
মনে মোৰ বৈ আছে
তুমি অহাৰ অপেক্ষাৰে
এটি মাথোঁ কিৰণৰ বাবে।
মৰমৰ এনাজৰীৰে দুয়ো সাজিছিলো
সপোনৰ কাৰেংঘৰ
সিচিছিলো দুয়ো হৃদয়ত নানান সপোন
জনা নাছিলো আমাৰ এই আধাফুলা
সপোন কলি পলকতে মৰহি যাব
বৈ যাব নিজলৈ লোতক দুধাৰি।
কিন্তু মনে বৈ আছে প্ৰিয়জনৰ দীৰ্ঘ অপেক্ষাত
যিয়ে লবহি মোক আকোৱালি
যিয়ে হবহি মোৰ জীৱনৰ লগৰী।

## তুমি যে গ'লা আঁতৰি

মৃদুস্মিতা দেৱী
তৃতীয় ষাণ্মাসিৰ্ক

নিশাৰ মায়াবী মেঘৰ বুকুৰ মাজেৰে
ক্ৰমে উজ্জল হৈ আহিছিল....
এবুকু মৰম সনা পূৰ্ণিমাৰ জোনটো
নিশাৰ মায়াবী জোনাকৰ মাজেৰেই
এবুকু বিষাদে দোলা দি গৈছিল
মোৰ নিভাঁজ হৃদয়ত।
তুমিহীন বেদনাবোৰে মোলৈ চাই
এক তাচ্ছিল্যৰ হাঁহি মাৰিছিল....
যেন কৈছিল....
তুমিহীনতাৰ যন্ত্ৰণাৰেই জীয়াই থাকিব লাগিব তুমি...
